● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in


**দিগ্‌দৰ্শন**

এলক'হল পুৰুষৰ আটাইতকৈ ভয়ানক শত্ৰু হ'ব পাৰে, কিন্তু বাইবেলে কৈছে— তোমাৰ শত্ৰুক ভাল পাবা।

ফ্ৰেংক ছিনাট্ৰা
*আমেৰিকাৰ গায়ক*




৭ ইউক্ৰেইন এৰি ৰাছিয়ালৈ আহিলে পুটিনে দিব ধন
১৫ কোৱাৰ্টাৰ ফাইনেলত ওড়িছা-মুম্বাই চিটী
৪ অসমত অসমীয়াৰ মান ৰ'বগৈনে?



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩২০তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৩ ভাদ ১৪২৯ ভাস্কৰাব্দ ৩০ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 30 August 2022 মূল্য ঃ ৯.০০ টকা


## চিন্তা বিভ্ৰাট

■ সঞ্জীৱ সভাপণ্ডিত



গুৱাহাটীৰ জু-ৰোডত (ৰাধা গোবিন্দ বৰুৱা পথত) এখন মূৰৰ ওপৰেদি যোৱা (overhead) দলং নিৰ্মাণৰ কাম চলি আছে। বহুতে এইখন নিৰ্মীয়মান সেতুক উৰণীয়া সেতু বা ফ্লাই অভাৰ বুলিয়ে উল্লেখ কৰিবলৈ লৈছে; কিন্তু ফ্লাই অভাৰ বুলিলে আচলতে এক বৃহৎ পৰিসৰৰ ব্যৱস্থাকহে বুজায়। সেইবোৰ উন্নত দেশত বা আমাৰ দেশৰ বৃহৎ মহানগৰবিলাকৰ কিছুমানত আছে। ফ্লাই অভাৰৰ কাৰণে বহুত ঠাই লাগে— বিভিন্ন ৰাস্তা বিভিন্ন ফালে ১০ পৃষ্ঠাত চাওক

■ মূল্যবৃদ্ধিৰ বিৰূপ প্ৰভাৱ ■ শ্ৰমজীৱী জনতাৰ জীৱনলৈ বৃহৎ প্ৰত্যাহ্বান ■ দৈনন্দিন ব্যয় অনুপাতে নাই উপাৰ্জন ■ এবোজা মানসিক চিন্তাৰে ভাৰক্ৰান্ত মহানগৰীৰ বহু পৰিয়াল

# অস্বাভাৱিক হাৰত হ্ৰাস পদপথৰ ব্যৱসায়

**উপায়ান্তৰ হৈ বহুতে ব্যৱসায় বন্ধ কৰি বিচাৰিছে বিকল্প পথ ■ এবেলা কৰিছে আন কাম**



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** ঋণ লৈ ক'ভিডসৃষ্ট পৰিৱেশৰ পৰা কোনোমতে পুনৰুজ্জীৱিত হৈ উঠা ৰাজ্যৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়সমূহলৈ পুনৰ আহিছে চৰম প্ৰত্যাহ্বান। গুৱাহাটী মহানগৰীৰ পদপথ তথা পদপথৰ কাষত পাণ-তামোল, চাহ-মিঠাই, ফাষ্টফুড, ভাতৰ হোটেল আদিৰ বিক্ৰী হঠাৎ অস্বাভাৱিক হাৰত হ্ৰাস পোৱাত কঠোৰ পৰিশ্ৰমেৰে দৈনিক জীৱন সংগ্ৰাম অব্যাহত ৰখা শ্ৰমজীৱী সাধাৰণ জনতাই পৰিয়াল চলাবলৈ হাহাকাৰ কৰিবলগীয়া হৈছে। পূৰ্বতে পদপথৰ দোকানখনৰ পৰাই পৰিয়ালটোক সুন্দৰভাৱে পোহপাল দি অহা দীপেন, নন্দহঁতৰ উপাৰ্জন তথা বিক্ৰী হঠাৎ হ্ৰাস পোৱাত এবোজা মানসিক চিন্তাৰে ভাৰক্ৰান্ত হৈ সম্প্ৰতি পৰিয়াল চলাবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। উল্লেখ্য যে ৰাজধানী মহানগৰীৰ পদপথৰ কাষত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ দোকানসমূহ, ১০ পৃষ্ঠাত চাওক



■ উত্তৰ-পূৰ্বাঞ্চলত স্থায়িত্বৰ স'তে আগবাঢ়িছে অপ্ৰতিৰোধ্য বিজেপি ঃ দাবী নড্ডাৰ ■ গুৱাহাটীত উত্তৰ-পূব বিজেপিৰ কাৰ্যালয় মুকলি

## ভাই-ভনীৰ দললৈ পৰ্যবসিত কংগ্ৰেছ, পৰিয়ালতান্ত্ৰিক হৈছে আঞ্চলিক দল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** 'দেশত এতিয়া বিজেপিৰ মুখামুখি হ'ব পৰাকৈ কোনো শক্তি নাই। কংগ্ৰেছ দলটো এসময়ত এটা বৃহৎ দল আছিল। অতি পুৰণি এই দলটোৰ পৰা কিন্তু এতিয়া আঁতৰি যাবলৈ ধৰিছে ইজনৰ পাছত সিজনকৈ জ্যেষ্ঠ নেতা। ইয়াৰ মূল কাৰণ হ'ল কংগ্ৰেছ এতিয়া ৰাষ্ট্ৰীয় দলো হৈ থকা নাই বা ৰাজ্যিক দলো হৈ থকা নাই। কংগ্ৰেছ এতিয়া ভাই-ভনীৰ দ্বাৰা পৰিচালিত দলহে হৈছে।' আজি গুৱাহাটীৰ উজান বজাৰত উত্তৰ-পূব বিজেপিৰ মুখ্য কাৰ্যালয় পদ্ম ভৱন উদ্বোধন কৰি দেশৰ সবাতোকৈ পুৰণি ৰাষ্ট্ৰীয় দলটোক এনেদৰে পৰিয়ালতান্ত্ৰিক ৰাজনীতিয়ে ধ্বংসৰ মুখলৈ ঠেলি দিয়া বুলি মন্তব্য কৰিলে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই। উত্তৰ-পূবৰ কেউখন ৰাজ্যৰে বিজেপিৰ শীৰ্ষ নেতাসকলকে ধৰি কে'বাজনো মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰা আজিৰ এই কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত অংশ লৈ নড্ডাই কয় যে দেশত এতিয়া আঞ্চলিক ৰাজনৈতিক ছয় পৃষ্ঠাত চাওক

## মোগলে হিন্দুস্তানক এটা আকাৰ দিছিল ঃ ক'লে সাংসদ আব্দুল খালেকে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** 'মই মোগলক লৈ গৰ্বিত। কাৰণ তেওঁলোকে হিন্দুস্তানক এটা আকাৰ দিছিল।' মোগলৰ বিৰুদ্ধে শাসকীয় বিজেপিয়ে বাৰম্বাৰ বিষোদগাৰ কৰি অহাৰ সময়তে এইবাৰ মোগলক লৈ দুই পৃষ্ঠাত চাওক

■ হাউলীৰ যোশীহাটীপাৰাৰ মাদ্ৰাছাত প্ৰশাসনৰ উচ্ছেদ ■ শিক্ষকৰূপী বাংলাদেশী নাগৰিক কুখ্যাত মহম্মদ সুমনৰ বাহৰ আছিল ■ চৰকাৰী ভূমি বেদখল কৰি অবৈধ নিৰ্মাণ

## ৰাজ্যত এবিটিৰ দ্বাৰা মাদ্ৰাছা স্থাপনৰ সন্দেহ



**জেহাদী কাৰ্যকলাপৰ বিস্তাৰৰ বাবে বৰপেটা-বঙাইগাঁও-গোৱালপাৰাক অভিকেন্দ্ৰৰূপে গঢ়িছে**

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/হাউলী, ২৯ আগষ্ট ঃ** হাউলীৰ যোশীহাটপীৰাত অৱস্থিত 'শ্বাইখুৰ হিন্দ মাহমুদুল হাছান জামিউল হুদা ইছলামিক একাডেমী' নামৰ মাদ্ৰাছাখন আজি বৰপেটা জিলা প্ৰশাসন আৰু আৰক্ষীয়ে বুলড'জাৰ চলাই উচ্ছেদ কৰে। আৰক্ষীয়ে জনোৱা মতে, ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা জেহাদী বাংলাদেশৰ মহম্মদ সুমন ওৰফে ছাইফুল ইছলাম এই মাদ্ৰাছাখনত শিক্ষকৰূপে প্ৰায় চাৰি বছৰ পূৰ্বৰে পৰা জড়িত আছিল। এই শিক্ষানুষ্ঠানখন ব্যক্তিগত খণ্ডৰ ইছলামিক ধৰ্মীয় শিক্ষানুষ্ঠান। আজি ১০ পৃষ্ঠাত চাওক

## আঁচনিৰ দ্বাৰা উপকৃত হ'লে বিজেপিক দিব ভোট ঃ ৰিজিজু

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৯ আগষ্ট ঃ** 'বিজেপিৰ নিৰ্বাচনী ৰণকৌশল অতি সহজ। চৰকাৰী আঁচনিসমূহৰ দ্বাৰা উপকৃত হ'লে ৰাইজে বিজেপিক সমৰ্থন কৰাটো নিশ্চিত।' এই মন্তব্য কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেন ৰিজিজুৰ। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ কুচকাৱাজৰ অংশৰূপে আজি ১০ পৃষ্ঠাত চাওক

■ মহাবিদ্যালয়ৰ অধ্যক্ষলৈ উচ্চ শিক্ষা সঞ্চালকৰ নিৰ্দেশনা ■ দুই ছেপ্টেম্বৰৰ ভিতৰত দাখিল কৰিব লাগিব শপতনামাসহ বিতং তথ্য

## নতুনকৈ প্ৰাদেশিকীকৃত কলেজত ভুৱা এমফিল ডিগ্ৰীধাৰীৰ পয়োভৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** পিএইছডিৰ পাছত এইবাৰ ৰাজ্যত এমফিল ডিগ্ৰীৰ নামত জালিয়াতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ নতুনকৈ প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ একাংশত চাকৰি নিয়মীয়াকৰণৰ নামত একাংশ শিক্ষকে এমফিলক লৈ জালিয়াতিৰ আশ্ৰয় লোৱাৰ অভিযোগ ৰাজ্যৰ শিক্ষা বিভাগে লাভ কৰিছে। তাৰ ফলতে নতুনকৈ প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকললৈ উচ্চ শিক্ষা সঞ্চালকে শেহতীয়াকৈ পি চি/এইছ ই/প্ৰ'ভ/আই/২০১৯/২৯৬ নম্বৰত এখন জৰুৰী নিৰ্দেশনা প্ৰেৰণ কৰিছে। এই নিৰ্দেশনাত 'দ্য আছাম এডুকেছন (প্ৰভিঞ্চিয়েলাইজেচন অব ছাৰ্ভিচেজ অব টিচাৰ্ছ এণ্ড ৰি-অৰ্গেনাইজেচন অব এডুকেছনেল ইনষ্টিটিউট), এক্ট ২০১৭ এণ্ড এমেণ্ডমেণ্ট এক্ট, ২০১৮'ৰ জৰিয়তে পদ প্ৰাদেশিকীকৰণ হোৱা টিউটৰ সহকাৰী অধ্যাপক আৰু টিউটৰ পুথিভঁৰালীসকলক তেওঁলোকৰ এমফিল ডিগ্ৰী সম্পৰ্কীয় ১০ পৃষ্ঠাত চাওক

## ধন সংগ্ৰহকে মূল লক্ষ্যৰূপে লৈ জধে-মধে প্ৰদূষণসৃষ্টিকাৰী উদ্যোগ স্থাপনৰ অনুমতি দিছে

প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিৰুদ্ধে অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** কোনো ধৰণৰ নীতি-নিয়ম নমনাকৈ জধে-মধে উদ্যোগ, কল-কাৰখানা নিৰ্মাণ কৰিবলৈ অনুমতি দিয়াৰ সূত্ৰে এনেবোৰ উদ্যোগ প্ৰতিষ্ঠানে জনস্বাস্থ্য আৰু ১০ পৃষ্ঠাত চাওক

**শিলচৰ অধিবেশনত দীপেন শৰ্মা সভাপতি, দিলীপ কলিতা সম্পাদক প্ৰধান নিৰ্বাচিত**

## পুৰণি পেঞ্চন ব্যৱস্থাকে প্ৰৱৰ্তনৰ দাবীৰে কৰ্মচাৰী পৰিষদৰ অধিবেশনৰ অন্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** নতুন পেঞ্চন ব্যৱস্থাৰ পৰিৱৰ্তে পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি ৰাজ্য চৰকাৰক দাবী উত্থাপন কৰিলে সদৌ অসম কৰ্মচাৰী পৰিষদে। শিলচৰত দুদিনীয়া কাৰ্যসূচীৰে কালি অন্ত পৰা ৩৭ সংখ্যক অধিবেশনখনত সমৱেত হোৱা অসমৰ ৫২ খন জিলা সমিতি আৰু সংঘ-সংস্থাৰ আঠ শতাধিক প্ৰতিনিধিয়ে সন্মিলিতভাৱে অসমত পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তনৰ সপক্ষে একাধিক প্ৰস্তাৱ গ্ৰহণ কৰে। কৰ্মচাৰী পৰিষদৰ অধিবেশনত ১০ পৃষ্ঠাত চাওক

## অসমত জেহাদী শক্তিৰ উত্থানক লৈ উদ্বিগ্ন হৈছে এছএছবি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ আগষ্ট ঃ** উগ্ৰপন্থী নহয়, মৌলবাদী জেহাদীহে চিন্তাৰ কাৰণ হৈ পৰিছে অসমৰ বাবে। ৰাজ্যখনৰ সুৰক্ষাৰ ক্ষেত্ৰখনত অন্যতম ভূমিকা পালন কৰা সশস্ত্ৰ সীমা বল (এছএছবি)-এ এনে উদ্বেগ প্ৰকাশ কৰিছে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তত দুই পৃষ্ঠাত চাওক



*কেন্দ্ৰীয় চৰকাৰৰ সমালোচনাত সৰৱ মহিলা কংগ্ৰেছৰ সভানেত্ৰী নেট্টা ডিছুজা, মহানগৰীত।*

## কাকপথাৰৰ উৱন গাঁৱত শেষকৃত্য সম্পন্ন আলফা নেতা মৰাণৰ

**অগ্ৰদূত বাৰ্তা**

**কাকপথাৰ, ২৯ আগষ্ট ঃ** সুদীৰ্ঘ ৩৮ বছৰ সশস্ত্ৰ সংগ্ৰামৰ স'তে জড়িত হৈ ৰোগাক্ৰান্ত অৱস্থাত যোৱা শনিবাৰে নিশা মৃত্যু ঘটা আলফা (স্বাধীন)ৰ প্ৰাক্তন বিত্ত সচিব গুণত ডাঙৰীয়া ওৰফে জীৱন অসমৰ শেষকৃত্য আজি সম্পন্ন কৰা হয়। মৰাণ জনগোষ্ঠীয় ধৰ্মীয় ৰীতি-নীতিৰে কাকপথাৰৰ উৱন গাঁৱত আজি দুই পৃষ্ঠাত চাওক

■ পহিলা ছেপ্টেম্বৰত পাঁচ হেজাৰ শ্ৰমিকে কঁপাব মহানগৰী ঃ চিটুৰ উদ্যোগত বিক্ষোভ

## চাহ-অংগনৱাড়ী-আশা-ৰন্ধন কৰ্মীসহ ৯৮টা খণ্ডৰ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** দেশবাসীয়ে স্বাধীনতাৰ 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপন কৰি থকাৰ সময়তে শ্ৰমজীৱী নাগৰিকে সংবিধান প্ৰদত্ত অধিকাৰৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ তুলি অহা পহিলা ছেপ্টেম্বৰত কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন (চিটু)ৰ উদ্যোগত ৰাজ্যজুৰি শ্ৰমিকসকলে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰিব। আজি চিটুৰ অসম ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক তপন শৰ্মা, উপ-সভাপতি বীৰেন শৰ্মা আদিয়ে এক সংবাদমেলত এই কথা প্ৰকাশ কৰি এই বিক্ষোভ-সমাবেশৰ বাবে বৰ্তমানলৈ গুৱাহাটীত অনুমতি লাভ কৰা নাই যদিও উক্ত দিনা গুৱাহাটী ক্লাব ৰ'টাৰীত চৰকাৰী বঞ্চনাৰ অৱসান বিচাৰি পাঁচ ১০ পৃষ্ঠাত চাওক

## গুৰুজনাৰ তিৰোভাৱ তিথিত হৰিনামৰ অমল ধ্বনিত মুখৰিত ৰাজ্য

■ ৪৫৪সংখ্যক তিৰোভাৱ তিথিত 'গুৰু কীৰ্তন' ■ বটদ্ৰৱা থানৰ পৰা মধুপুৰ সত্ৰলৈ ভক্তৰ ভিৰ ■ বাংলাদেশতো বৃদ্ধি মহাপুৰুষৰ ভক্ত



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বৰপেটা/হাউলী, ২৯ আগষ্ট ঃ** 'কৃষ্ণ সূৰ্য ভৈলন্ত উদিত/ নাম ধৰ্ম কৰিলা বিদিত।' গুৰুজনাৰ এই কীৰ্তনেৰে অজস্ৰ ভকতে মুখৰিত কৰি তুলিলে তেওঁৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰী শ্ৰী বটদ্ৰৱা থানৰ লগতে সমগ্ৰ ৰাজ্য। বটদ্ৰৱাৰ উপৰি বৰপেটা সত্ৰ, মধুপুৰ সত্ৰ, কমলাবাৰী সত্ৰৰ উপৰি ৰাজ্যৰ বিভিন্ন সত্ৰ তথা নামঘৰ আজি গুৰু বন্দনাৰে মুখৰিত হৈ পৰে। অতি উখল-মাখল পৰিৱেশৰে আজি ৰাজ্যবাসীয়ে মহাপুৰুষ দুই পৃষ্ঠাত চাওক

## জীৱন্ত অৱস্থাত ওপৰেদি ৰেল চলাই নি মৃত্যুমুখলৈ ঠেলি দিলে যুৱকক

ৰঙিয়াত ৰেলচালকৰ অমানৱীয় কৰ্মকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৯ আগষ্ট ঃ** ৰঙিয়া ৰেল ষ্টেছনৰ সমীপৰ গোগমালাছাত আজি পুৱা সংঘটিত হ'ল এক চূড়ান্ত অমানৱীয় ঘটনা। এজন ৰেল চালকৰ হেমাহি আৰু অমনোযোগিতাৰ ফলত এজন সুঠাম যুৱকে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৬° |
| দিল্লী | ৩৬° | ২৭° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩০° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

২৯ আগষ্ট, ২০২২

## চেঙা তেল



*দেখিলা, অভাৱেই আৱিষ্কাৰৰ মূল! কেৱল পানীৰে আঞ্জা ৰান্ধি তুমি আকৌ এবাৰ প্ৰমাণ কৰি দিলা!*

১৫ লাখ কোটি টকা জিডিপিৰ দিল্লীৰ স'তে পাঁচ লাখ কোটি টকা জিডিপিৰ অসমৰ তুলনা কেনেকৈ? ■ কেজৰিৱালক পুনৰ প্ৰশ্ন

## দিল্লীৰ দৰে গুৱাহাটীতো পাতক দেশৰ ৰাজধানী ঃ ক'লে মুখ্যমন্ত্ৰী ড° শৰ্মাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ আগষ্ট ঃ** 'দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আন ৰাজ্যক ঠাট্টা-মস্কৰা কৰাটো অভ্যাসত পৰিণত হৈছে। মই ভাবো যে আমি দেশখনৰ বিভিন্ন মণ্ডলৰ আৰ্থিক সামঞ্জস্যহীনতা দূৰ কৰাৰ বাবে কাম কৰিব লাগে। সামূহিক বিকাশৰ বাবে ভাৰতবৰ্ষই পাঁচখন ৰাজধানীৰ কথা চিন্তা কৰিব পাৰে নে, প্ৰতিটো মণ্ডলৰ বাবে এখনকৈ?' দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক প্ৰত্যুত্তৰ দিবলৈ গৈ আজি এনেদৰে দেশত পাঁচখন ৰাজধানী স্থাপনৰ প্ৰস্তাৱ দিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অসমৰ শিক্ষাখণ্ডক লৈ টুইটাৰ যুদ্ধত অৱতীৰ্ণ হোৱা কেজৰিৱালে বাৰম্বাৰ অসমলৈ আহি শিক্ষানুষ্ঠানসমূহ চাবলৈ ব্যাকুলতা প্ৰকাশ কৰাৰ লগতে অসমখন শিক্ষাখণ্ডত পিছপৰি ৰৈছে বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি টুইটাৰৰ উপৰি সংবাদ মাধ্যমৰ জৰিয়তেও দিল্লীৰ প্ৰতিপক্ষজনক সমালোচনাৰে থকা-সৰকা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, দিল্লীৰ বাৰ্ষিক মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ১৫ লাখ কোটি টকাৰ দুই পৃষ্ঠাত চাওক

**দুষ্প্ৰাপ্য পিপলি চেং মাছৰ অবৈধ বেহা, ধৃত এক ■ এটা মাছৰ দাম আঠ-১০ হেজাৰ টকা**

## আন্তঃৰাষ্ট্ৰীয় চোৰাং বজাৰলৈ সৰবৰাহ হয় অসমৰ 'পিপলি চেং'



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৯ আগষ্ট ঃ** আন্তঃৰাষ্ট্ৰীয় চোৰাং বজাৰলৈ অসমৰ পৰা গোপনে সৰবৰাহ হৈছে 'পিপলি চেং' মাছ। চীন, নেপালত বাঢ়িছে ইয়াৰ চাহিদা। ইয়াৰ সুযোগ লৈয়ে ৰাজ্যত সংগোপনে চলি আছে দুষ্প্ৰাপ্য 'পিপলি চেং' মাছৰ চোৰাং বেহা। কাৰ্বি পাহাৰৰ জান-জুৰি আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কেতবোৰ বিশেষ অঞ্চলৰ পৰা চোৰাংকৈ সৰবৰাহ হৈছে এই মাছ। বন্যপ্ৰাণী আইনক অংগুষ্ঠ প্ৰদৰ্শনেৰে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বজাৰত এই অধুনালুপ্ত থলুৱা মাছৰ চোৰাং বেহাক লৈ সক্ৰিয় হৈ পৰিছে চোৰাং ব্যৱসায়ী চক্ৰ। দুষ্প্ৰাপ্য পিপলি চেং (ছানা বৰকা) মাছৰ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩০ আগষ্ট, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## শ্ৰীমন্ত শংকৰদেৱে সাংস্কৃতিক ৰাষ্ট্ৰবাদৰ কথা প্ৰথমে চিন্তা কৰিছিল

**বৃন্দাৱনত গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপনৰ পদক্ষেপ**

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৯ আগষ্ট ঃ** 'ভাৰত বন্দনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ভাৰতবৰ্ষৰ একমাত্ৰ মহাপুৰুষ গুৰুজনাই ৪৮ বাৰ ভাৰত বন্দনা কৰিছিল। এইজন মহাপুৰুষক আজিও ভাৰতবৰ্ষত ছয় পৃষ্ঠাত চাওক

### বিপিএফক হত্যাকাৰী দল আখ্যাৰ প্ৰতিক্ৰিয়া

## বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মক গ্ৰেপ্তাৰৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৯ আগষ্ট ঃ** বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই যোৱা ২৩ আগষ্টত বাগসা জিলাৰ মুছলপুৰৰ অদালবাৰীত এখন খেল পথাৰ উন্মোচন কৰি বি পি এফক হত্যাকাৰী দল বুলি আখ্যা দিয়াত জাঙুৰ খাই উঠিছে দলটো। বিটিচিৰ কাৰ্যবাহী সদস্য তথা ইউপিপিএলৰ ছয় পৃষ্ঠাত

### ■ নম্বৰপ্লেট-নথিবিহীন ট্ৰেক্টৰৰ দৌৰাত্ম্য ■ ১২ বছৰে নীৰৱ দৰ্শক চৰকাৰী বিভাগ

# ৰঙাপৰাৰ নেকলাই নৈৰ পাৰত অবৈধ খনন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৯ আগষ্ট ঃ** চৰকাৰী ভূমিত অবৈধভাৱে খনন চলাই একাংশ দুষ্কৃতিকাৰীয়ে ৰঙাপৰাত চলাই অহা দৌৰাত্ম্য কোনো নতুন কথা নহয়। চৰকাৰ সলনি হ'লেও তথা ৰঙাপৰা সমষ্টিত বিধায়ক সলনি হ'লেও সেই একে লোকেই বৰ্তমানেও জধে-মধে চৰকাৰী, পথাৰ তথা চাহ বাগিচাৰ শ্ৰমিকে কৃষি কাৰ্য কৰা মাটি খনন কৰি আহিছে আজি পৰ্যন্ত। আনকি পূৰ্বে স্থানীয় লোকে এনে অবৈধ খননত বাধা দিয়াৰ পাছত খননৰে জড়িত ধূৰ্ত লোকে সেইসকল লোকৰ ওপৰতে বিভিন্ন ধৰণে আতিশয্য চলোৱাৰ নজিৰ আছে। যোৱা প্ৰায় ১২ বছৰে ৰঙাপাৰাৰ নামগাঁও অঞ্চলত চলা এনে অবৈধ খননৰ ফলত অঞ্চলটোত নেকলাই নৈয়ে বিপৰ্যয়ৰ সৃষ্টি কৰাৰ আশংকা বৃদ্ধি পাইছে যদিও এইক্ষেত্ৰত সকলো নীৰৱ। উল্লেখ্য যে নামগাঁও চাহ বাগিচাৰ সমীপত তথা নেকলাই নৈৰ পাৰৰ বহুবিঘা চৰকাৰী ভূমি আছে। এই ভূমিত স্থানীয় একাংশ চাহ শ্ৰমিকে কৃষি কাৰ্য কৰি আহিছিল যদিও পৰৱৰ্তী সময়ত মাটিৰ অবৈধ বেহাৰে জড়িত লোকৰ প্ৰৰোচনাত পৰি সেই মাটি খননত সন্মতি জনায়। একেদৰেই ঠাকুৰবাৰী সেনা ছয় পৃষ্ঠাত চাওক



*গণেশ চতুৰ্থী উপলক্ষে প্ৰতিমাত অন্তিম পৰশ তেজপুৰৰ শিল্পীৰ, সোমবাৰে।*

## অপৰাধীৰ বাবে নিৰাপদ স্থানত পৰিণত মৈৰাবাৰী

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২৯ আগষ্ট ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী অঞ্চলটো সম্প্ৰতি অপৰাধ জগতৰে জড়িত লোকৰ বাবে নিৰাপদ স্থানত পৰিণত হৈছে। বহুসংখ্যক অসামাজিক কাৰ্যত লিপ্ত মানুহে সম্প্ৰতি মৈৰাবাৰীত গিজগিজাই আছে। বিগত সাত-আঠ মাহৰ পূৰ্বে আৰক্ষীৰ ভয়ত পলায়ন কৰা বহু দুৰ্ধৰ্ষ অপৰাধী পুনৰ উভতিহে আহিছে মৈৰাবাৰীলৈ। ইয়াৰ লগতে মৈৰাবাৰী সম্প্ৰতি পৰিগণিত হৈছে তীৰ খেলৰ ঘাটিত। মুকলিকৈ তীৰ খেল চলি থকাৰ ভিডিঅ' সংগ্ৰহ কৰি বাতৰি পৰিৱেশনৰ পাছতো মৈৰাবাৰী আৰক্ষীয়ে এজনো তীৰ ব্যৱসায়ীক কৰায়ত্ত ছয় পৃষ্ঠাত

## ব্ৰহ্মপুত্ৰত নিৰুদ্দিষ্ট সেনা জোৱানৰ সন্ধানত অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৯ আগষ্ট ঃ** দুই সতীৰ্থৰ স'তে কালি বিয়লি তেজপুৰৰ ভোমৰাগুৰিত ব্ৰহ্মপুত্ৰত সন্ধানহীন হোৱা সেনা জোৱান অৰুণ কুমাৰ ধৰৰ সন্ধান আজিও ওলোৱা নাই। উল্লেখ্য যে এখন ভুটভুটী নাৱত দুই সতীৰ্থৰে উঠি ব্ৰহ্মপুত্ৰৰ বুকুত ছেল্‌ফি উঠিবলৈ গৈ ব্ৰহ্মপুত্ৰত পৰি যোৱা সেনা জোৱানজন কেইদিনমান পূৰ্বেহে তেজপুৰৰ চতুৰ্থ ক'ৰলৈ বদলি হৈ আহিছিল। ইফালে এনডিআৰএফ আৰু এছডিআৰএফৰ দুটা বৃহৎ দলে আজি পুৱা পাঁচ বজাৰ পৰা ব্ৰহ্মপুত্ৰত অভিযান চলায় জোৱানজনৰ সন্ধানত। কালি সংঘটিত এই শোকাৱহ ঘটনাৰ পাছতে সন্ধিয়া সেনাৰ তেজপুৰ চতুৰ্থ ক'ৰৰ ছয় পৃষ্ঠাত চাওক

### ■ শুনানিৰ নামত বিৰাট ভোজভাত ■ বিৰূপ প্ৰতিক্ৰিয়া দল-সংগঠনৰ ■ সমৰ্থনকাৰীক শুনানিলৈ মতাৰ বিপৰীতে বিৰুদ্ধাচৰণকাৰীক উপেক্ষাৰ অভিযোগ

## ষ্টাৰ চিমেন্টৰ নতুন গ্ৰাইণ্ডিং ইউনিটৰ ৰাজহুৱা শুনানিত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৯ আগষ্ট ঃ** সোণাপুৰৰ চামতাস্থিত ষ্টাৰ চিমেন্ট নামৰ কাৰখানাটোৰ কৰ্তৃপক্ষই শেহতীয়াকৈ বছৰি দুই নিযুত টন বহন ক্ষমতাৰে এটা নতুন স্বতন্ত্ৰ গ্ৰাইণ্ডিং ইউনিট স্থাপনৰ সিদ্ধান্ত গ্ৰহণক লৈ অঞ্চলটোতে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই উদ্দেশ্যৰে আজি চামতা হাইস্কুলত পৰিৱেশ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত ৰাজহুৱা শুনানি অনুষ্ঠিত হয়। অৱশ্যে শুনানিলৈ কাৰখানাটোৰ একাংশ সমৰ্থনকাৰী লোক, অনুষ্ঠানক আমন্ত্ৰণ দিয়াৰ বিপৰীতে ইয়াৰ বিৰোধিতা কৰা অঞ্চলটোৰ একাংশ দল-সংগঠনক উপেক্ষা কৰাত সমগ্ৰ অঞ্চলটোতে ক্ষোভৰ সৃষ্টি হৈছে। ফলত আজি স্থানীয় চক্ৰ বিষয়া গোপাল শৰ্মাৰ সভাপতিত্বত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ড° ধ্ৰুৱজ্যোতি হাজৰিকা, পৰিৱেশ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য ড° শান্তনু দত্ত আৰু পৰিৱেশ নিয়ন্ত্ৰণ পৰিষদৰ কাৰ্যনিৰ্বাহক অভিযন্তা কুলেন তালুকদাৰৰ উপস্থিতিত অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক

## ভালুকমাৰীত দুৰ্ঘটনাত কলেজীয়া ছাত্ৰৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কাকী, ২৯ আগষ্ট ঃ** হোজাই জিলাৰ ভালুকমাৰীত সংঘটিত এক পথ দুৰ্ঘটনাত এজন কলেজীয়া ছাত্ৰৰ কৰুণ মৃত্যু ঘটে। মৃত ছাত্ৰজন কুণাল চৌহান (১৮)। লংকা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষত অধ্যয়নৰত ছাত্ৰজনৰ ঘৰ হৈছে ভালুকমাৰী শংকৰবস্তিত ছাত্ৰজনে কলেজৰ পৰা ঘৰলৈ বুলি মটৰ চাইকেলেৰে আহি থকা অৱস্থাত দুৰ্ঘটনাত পতিত হৈ থিতাতে মৃত্যুক সাৱটি লয়। লংকা-নগাঁও সংযোগী ৫৪ নম্বৰ চাৰি পথযুক্ত ঘাইপথৰ ভালুকমাৰীৰ অভাৰব্ৰীজৰ ডিভাইডাৰত খুন্দা মাৰি সংঘটিত হয় এই দুৰ্ঘটনাটো। দুৰ্ঘটনাগ্ৰস্ত আৰ ৱান ফাইভ মটৰ চাইকেলখনৰ নম্বৰ হৈছে এ এছ-৩১ এ-৮৭৩১।

## বিজয়নগৰৰ হালীগাঁৱত সীমা বিবাদৰ চৰম পৰিণতি

**চোকা অস্ত্ৰৰে হানি-খুঁচি এজনক হত্যা**

**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ২৯ আগষ্ট ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিজয়নগৰৰ হালীগাঁৱত আজি বিয়লি চোকা অস্ত্ৰৰে হানি খুঁচি নৃশংসভাৱে এজনক হত্যা কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা



সন্দৰ্ভত জানিব পৰা মতে, আজি বিয়লিৰ ছয় পৃষ্ঠাত চাওক

## চিপিআইৰ নগাঁও জিলা সমিতিৰ বিংশতিতম সন্মিলনৰ সামৰণি

**কমিউনিষ্ট পাৰ্টিৰ ঐক্যবদ্ধতাত গুৰুত্ব আৰোপ**

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৯ আগষ্ট ঃ** ভূমি আৰু সম্পদৰ ওপৰত অসমীয়াৰ অধিকাৰ সুৰক্ষিত আৰু সাব্যস্তৰ হকে দুদিনীয়াকৈ নগাঁও জিলাৰ মিকিৰ বামুণী গ্ৰান্টৰ কমৰেড ভূগু মাঝি ক্ষেত্ৰত অনুষ্ঠিত ভাৰতৰ কমিউনিষ্ট পাৰ্টি চিপিআইৰ বিংশতিতম নগাঁও জিলা সন্মিলনখন ২৮ আগষ্টৰ সন্ধিয়া সামৰণি পৰে। ছয় পৃষ্ঠাত চাওক

### এবছৰ ধৰি চেন্নাইৰ নেত্ৰালয়ত চিকিৎসাধীন বাদেশিলাৰ ডেৰ বছৰীয়া সন্তান সম্ৰাট

## মুখ্যমন্ত্ৰী মহাশয়, আমাক অলপ সহায় কৰক

**বিশেষ সংবাদদাতা**
**নলবাৰী, ২৯ আগষ্ট ঃ** 'মুখ্যমন্ত্ৰী মহাশয়, আমাক অলপ সহায় কৰক। আজি এটা বছৰে আমি আমাৰ একমাত্ৰ সন্তান সম্ৰাট কাশ্যপক চেন্নাইৰ নেত্ৰালয়ত চিকিৎসা কৰাই আছো। ডাক্তৰে কৈছে তাক আৰু এটা বছৰ চিকিৎসালয়ত ৰাখিব লাগিব। আমাৰ নিজৰে ধৰি আত্মীয়-কুটুম, শুভাকাংক্ষীসকলে যিখিনি সহায়-সাহায্য কৰিছিল সেইবোৰ সকলো শেষ। ডাক্তৰে কৈছে তাক আৰু এটা বছৰ চিকিৎসালয়ত ৰাখিব লাগিব। এতিয়া টকাৰ অভাৱত চিকিৎসা আধৰুৱা কৰি কোন সতে তাক ওভতাই নিওঁ। পিতৃ-মাতৃৰ বাবে ই জানো সম্ভৱ? অলপ সহায় কৰক মুখ্যমন্ত্ৰী মহাশয়।' নলবাৰী আৰু বৰপেটা জিলাৰ সীমান্তৱৰ্তী বৰপেটা জিলাৰ ছয় পৃষ্ঠাত চাওক





দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ১৩ ভাদ ১৪২৯ ভাস্কৰাব্দ ৩০ আগষ্ট ২০২২

## ব্যাথাৰ আঁৰত

সমাজ, সভ্যতা, সংস্কৃতি; আনকি ভালেমান ৰাজ্যৰ ৰাজনীতিতো ধৰ্মান্ধতা আৰু জাতপাতৰ প্ৰাৱল্যই এক দীঘলীয়া কালজুৰি সচেতন নাগৰিকক ব্যথিত আৰু লজ্জিত কৰি তুলিছে। তদুপৰি সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থানেও বহুতকে উৎকণ্ঠিত আৰু আতংকিত কৰিছে। সম্প্ৰতি সমগ্ৰ দেশতেই অন্ধবিশ্বাস আৰু ধৰ্মাচাৰ যেন আগতকৈয়ো বেছি পৰিমাণেহে বাঢ়ি যাবলৈ ধৰিছে। য'তে ত'তে ৰাস্তা-ঘাট, বজাৰ, সৰু সৰু পথৰ মূৰ, পদপথ আৰু গছৰ তলত দিনৰ পাছত দিন ধৰি অসংখ্য মন্দিৰ গজি উঠিব লাগিছে। সৰু-ডাঙৰ এই মন্দিৰ বিলাকত মানুহৰ শাৰী আৰু পূজা-পাৰ্বণবোৰো বাঢ়িয়েই গৈ আছে। কুল-গুৰু আৰু পাৰিবাৰিক ইষ্ট-দেৱতাৰ ওচৰত আত্মসমৰ্পণ কৰাটো প্ৰায় সকলোতেই প্ৰচলিত। জ্যোতিষীসকলৰ প্ৰসাৰতা দিনে-নিশাই বাঢ়িবই ধৰিছে। টেলিভিচনৰ কেইবাটাও চেনেল জ্যোতিষী আৰু ভক্তসকলৰ দখললৈ গুচি গৈছে। জনগণৰ মাজত ক্ৰমবৰ্দ্ধমান 'বজাৰ' আছে বুলিয়েই চেনেলবিলাক মুনাফালোভী ব্যৱসায়ীসকলে ব্যৱহাৰ কৰিছে। তাবিজ-কবচ-আঙুঠি পিন্ধি ভাগ্যোন্নতিৰ বাবে কৰা চেষ্টা বহুদূৰ ব্যাপ্ত। বাতৰি কাকতবিলাকৰ ঠায়ো জ্যোতিষীসকলৰ বিজ্ঞাপনে দখল কৰিছে। ওজা-গণকৰ প্ৰসাৰতাও কমিছে বুলি মনত নধৰে। বাল্যবিবাহ এতিয়াও দেশৰ বহু অংশতেই প্ৰচলিত ৰীতি। 'ডাইনী' হত্যা, আনকি সতীদাহো এইখন দেশত আজিও ঘটি আছে। এনেধৰণৰ অপসংস্কৃতিৰ বিৰুদ্ধে জনমত গঠনত কোনোধৰণৰ সৰ্বভাৰতীয় চৰকাৰী উদ্যোগ কেতিয়াও লোৱা দেখিবলৈ পোৱা নাযায়, বৰঞ্চ সৰ্বব্যাপী এই অপসংস্কৃতিৰ সুযোগ লৈ সাম্প্ৰদায়িক ৰাজনীতিক শক্তিশালী কৰি তোলাতহে সচেষ্ট হোৱা পৰিলক্ষিত হৈছে।

ইউৰোপীয় নৱজাগৰণে সমগ্ৰ ইউৰোপকে উজ্জ্বল পোহৰেৰে আলোকিত কৰি তোলে। বিজ্ঞান প্ৰযুক্তিৰ ন ন উদ্ভাৱনে সমাজক প্ৰাণ-চঞ্চল কৰে। সেই প্ৰভাৱে ভাৰতত এক নৱজাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি বহুত আশা কৰিছিল যদিও সি হৈ নুঠিল। অৱশ্যে ইউৰোপৰ আৰ্হিতেই সেই সময়ৰ ব্ৰিটিছ ভাৰতৰ ৰাজধানী কলকাতাত নৱজাগৰণৰ আৰ্হিত কেতবোৰ সংস্কাৰমূলক কাৰ্যৰ ক্ষেত্ৰত অগ্ৰসৰ হয় যদিও সেই নায়কসকলৰ প্ৰত্যেকেই আছিল ভূস্বামী, ধনাঢ্য ব্যক্তি। সেয়ে সাধাৰণ মানুহৰ মাজত তেওঁলোকে বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। তদুপৰি এই সংস্কাৰ ৰাজধানী কলকাতাকেন্দ্ৰিক হৈয়েই থাকিল। ১৯১১ লৈকে যিহেতু কলকাতাই ব্ৰিটিছ ভাৰতৰ ৰাজধানী আছিল, সেয়ে মহানগৰীৰ কিছুসংখ্যক জমিদাৰ, পুঁজিপতি, বৃহৎ ব্যৱসায়ী আৰু উচ্চ শিক্ষিত লোকৰ স'তে ইংৰাজ চৰকাৰৰ বিশেষ যোগাযোগ আছিল। চৈধ্য শতিকাতেই ইউৰোপত আৰম্ভ হোৱা নৱজাগৰণে ঊনৈছ শতিকাতহে কলকাতাত কিছু প্ৰভাৱ পেলাবলৈ সক্ষম হয়। কিন্তু এই নৱজাগৰণৰ নেপথ্যত যিদৰে ইংৰাজ চৰকাৰৰ সমৰ্থন আছিল, তেনেদৰেই প্ৰভাৱো কিছুসংখ্যক লোকৰ মাজতেই সীমাবদ্ধ হৈ আছিল। তাৰ ফলস্বৰূপে ইউৰোপীয় সমাজৰ দৰে ভাৰতৰ নৱজাগৰণে সাৰ্বজনীন প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। এই নৱজাগৰণ আমাৰ দেশত সফল হোৱা হ'লে আজিও যিদৰে সমাজ অন্ধবিশ্বাস, সংকীৰ্ণতা, জাতিভেদ আদিত নিমজ্জিত হৈ আছে সেয়া নহ'লহেঁতেন আৰু ভাৰতবৰ্ষই সামাজিক বিকাশৰ দৌৰত উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন বুলি আশা কৰা হৈছিল। ঊনৈছ শতিকাৰ নৱজাগৰণ সফল হোৱা হ'লে হয়তো দেশ বিভাজনো এৰাই চলিব পৰা গ'লহেঁতেন আৰু ঐক্যবদ্ধ ভাৰতে বিশ্বত আগৰণুৱাৰ ভূমিকা ল'ব পাৰিলেহেঁতেন।

## খোলা মঞ্চ

### অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



গীতা শাস্ত্ৰৰ প্ৰধান বাক্য শাৰী হ'ল 'কৰ্মই ধৰ্ম'। এই বাক্য শাৰী অগ্ৰদূতৰ প্ৰতিষ্ঠাতা সম্পাদক কনকসেন ডেকাৰ জীৱনতো প্ৰযোজ্য হোৱা দেখা যায়। তেওঁক অগ্ৰদূতৰ জৰিয়তে লগ পোৱাৰ পাছৰে পৰা সেই কথা মই অনুভৱ কৰিছো। কিয়নো মই যেতিয়াই তেওঁক লগ পাবলৈ আহিছো তেতিয়াই কৰ্ম ব্যস্ততাৰ মাজতেই লগ পাইছো। অৱশ্যে কৰ্মব্যস্ততা থাকিলেও তেওঁ কাকো সাক্ষ্যাৎ দিয়াত কাৰ্পণ্য নকৰে। বোধ হয় এনেকুৱা মানসিকতাৰ বাবেই অগ্ৰদূত-এ আজি অসম নালাগে বাহিৰতো প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

১৯৭১ৰ পৰা বৰ্তমানলৈকে অগ্ৰদূতৰ যি এক জয়যাত্ৰা মানুহৰ মাজত দেখিছো তাক লৈ আমি গৌৰৱান্বিত, কাৰণ যিখন কাকত সাহিত্য জগতত উজ্জ্বল জ্যোতিৰে জিলিকি আছে আজি পৰ্যন্ত। সমাজত সৃষ্টি হোৱা নানা সমস্যাৰাজি সমাধানত আগৰনুৱা অগ্ৰদূত পৰিয়ালক ধন্যবাদ জনাইছো। মই এগৰাকী নিয়মীয়া পঢ়ুৱৈ অগ্ৰদূত কাকতৰ। মাজে-সময়ে সুবিধা বুজি লিখিও থাকো। প্ৰকাশ হোৱাত বহু মানুহৰ সমাদৰ পাইছো। এটা কথা সদায় মনত পৰে মই সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাধাৰণ সম্পাদিকা আছিলো। ২০০৯-১০ত তেতিয়া অসমৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত তৰুণ গগৈ। কৰ্মচাৰীসকলৰ 'ঘৰভাড়াক লৈ কোটিটকীয়া কেলেংকাৰি' বুলি ২০১০ৰ পাঁচ মে'ত অগ্ৰদূত কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ ষ্টাফ ৰিপ'ৰ্টাৰৰ কথাখিনি। তেতিয়া মই অসম চৰকাৰৰ জলসম্পদ বিভাগত কমৰত। অগ্ৰদূত কাকতৰ উক্ত কথাখিনি পঢ়িব পালো, লগে লগে তাৰ ওপৰত মন্তব্য আগবঢ়াই সম্পাদকলৈ পঠালো। মোৰ মতামত অভিমত শিতানত প্ৰকাশ হয় ২০১০ৰ ১৫ মে'ত। অসমৰ বিভিন্ন জিলাৰ কৰ্মচাৰীসকলৰ পৰা ধন্যবাদ পাওঁ। সেয়েহে কওঁ অগ্ৰদূত কাকতে বহু কাকতৰ তুলনাত উচ্চ আসন দখল কৰিছে আৰু আগলৈও আগবাঢ়িব বুলি বিশ্বাস কৰো।

এনে এখন কাকতক ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰিছে। ইয়ে আমাৰ লগতে সহকৰ্মীবৰ্গকো উৎসাহিত কৰিছে।

এই ক্ষেত্ৰত কাকত গোষ্ঠীৰ প্ৰতিষ্ঠাপক কনকসেন ডেকা এজন কৰ্মযোগী। তেওঁৰ একাগ্ৰতা আৰু কৰ্মনিষ্ঠাৰ ফলতেই হৈছে বৰ্তমানৰ অগ্ৰদূত।

শেষত অগ্ৰদূতৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

**অঞ্জনা দাস হাজৰিকা,** লেখিকা

ফোন : ৯৪৩৫৩-৪৫৪০১

# অসমত অসমীয়াৰ মান ৰ'বগৈনে ?

## এতিয়া অসমীয়াসকলে শংকৰ-মাধৱৰ তিথি পালন কৰাটো গুৰুত্বপূৰ্ণ বুলি নাভাবে, হনুমান জয়ন্তী, ষট্‌পূজা, গণেশ পূজা, দুৰ্গা পূজা, ধন পূজা আদিতহে উবুৰি খাই পৰে

এখন অসমীয়া দৈনিক বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ শিৰোনামাৰে প্ৰকাশ পোৱা এটা খবৰ : 'হাতত খোলা তৰোৱাল লৈ ডিব্ৰুগড়ত বিজেপি নেতাৰ সন্ত্ৰাস।' উল্লিখিত নেতাজন হৈছে ডিব্ৰুগড় পৌৰসভাৰ প্ৰাক্তন সদস্য সুদামা পাণ্ডে। তেওঁ হিন্দীভাষী উন্নয়ন পৰিষদৰো সদস্য আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ অতি ঘনিষ্ঠ। অভিযোগ মতে, ডিব্ৰুগড় চহৰৰ পল্টন বজাৰত লগৰ কেইজনমানৰ স'তে ৰৈ থকা দিনেশ দাস নামৰ লোকজনক সুদামা পাণ্ডেই চিগাৰেট আনি দিবলৈ পাচিছিল। পিছে দিনেশ দাস অমান্তি হোৱাত সুদামাই ঘৰৰ পৰা তৰোৱাল এখন লৈ আটাইকেইজনকে মাৰিবলৈ খেদি যায়। বাতৰি কাকতৰ খবৰটোত সুদামাই 'আক্ৰমণ' কৰাৰ কথা আছে, কিন্তু তৰোৱালেৰে ঘপিয়ালে নে হাতেৰে মাৰ-পিট কৰিলে, সেই বিষয়ে কোনো কথা নাই। বাতৰিটোত তোলা অভিযোগ মতে, এইজন 'বিজেপি নেতা' সুদামা পাণ্ডেই হেনো ইয়াৰ আগতেও অসম চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী মহিলা সুৰক্ষা কৰ্মীক প্ৰহাৰ কৰিছিল, আদালত চৌহদতে সাংবাদিকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰিছিল আৰু আগৰজনা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আৱৰ্ত ভৱনত দেখা কৰিবলৈ যাওঁতে হাতত পিষ্টল লৈহে গৈছিল। সুদামা পাণ্ডেৰ অপৰাধমূলক ঘটনাবোৰৰ বিৰুদ্ধে হিন্দু যুৱ ছাত্ৰ পৰিষদো হেনো সৰব হৈছে আৰু সুদামাক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিব লাগে বুলিও সংগঠনটোৱে দাবী জনাইছে।

খবৰটো প্ৰকাশ কৰা বাতৰি কাকতখনৰ গোষ্ঠীটো ঘোৰ বিজেপি-বিৰোধী যেনেই লাগে। গতিকে কাকতখনে সুদামা পাণ্ডেক 'বিজেপি নেতা' হিচাপেই উপস্থাপন কৰিছে। তাত ৰাজনীতি আছে; কিন্তু একেটা বাতৰিৰে শিৰোনাম বেলেগ এটাওতো হ'ব পাৰিলেহেঁতেন! ঘোৰ অসমীয়া প্ৰেমী কাকত এখনে বা উগ্ৰ অসমীয়া সাংবাদিক এজনে বাতৰিটোৰ শিৰোনাম এনেদৰেও দিব পাৰে : 'হাতত খেলা তৰোৱাল লৈ ডিব্ৰুগড়ত হিন্দীভাষী গুণ্ডাৰ সন্ত্ৰাস।' তেনেদৰে দিলে তাৰ পৰা হয়তো 'সাম্প্ৰদায়িক বিদ্বেষ' বা 'প্ৰৰোচনা'ৰ গোন্ধ ওলাব, কিন্তু থলুৱা অসমীয়াই তাত নিজৰ স্বচ্ছ প্ৰতিচ্ছবি এখন দেখা পাব।

উল্লিখিত ঘটনাটো সত্য নে বিকৃত, সুদামা পাণ্ডে সঁচাই দোষী নে নিৰ্দোষী, মই নাজানো। আজি-কালি সংবাদ মাধ্যমৰ বাতৰিবোৰৰ পৰা ঘটনাৰ সঁচা-মিছা ধৰাই টান। সংবাদ গোষ্ঠী আৰু সাংবাদিক বা সংবাদদাতাসকলৰো নিজা নিজা মতলব বা ৰাজনৈতিক আনুগত্য থাকে। সুদামা পাণ্ডেৰ ৰাজনৈতিক পৰিচয়টোও স্থায়ী নে অস্থায়ী, তাকো ধৰা টান। তেওঁলোকৰ দৰে লোকসকলৰ ৰাজনৈতিক ৰং সলনি হৈ থকাটো একেবাৰে সাধাৰণ কথা। বৰ বৰ ৰাজনৈতিক নেতাই নাইপিয়াৰ দৰে ৰং সলাই থাকে, সুদামা কোন কুটা? আজি বিজেপিৰ চৰকাৰ বাবে তেওঁ বিজেপি; কাইলৈ যদি কংগ্ৰেছ বা আন দলৰ চৰকাৰ আহে, তেৰোঁ ৰাতিটোৰ ভিতৰতে চোং সলাব পাৰে। সম্ভাৱনাৰ কথাহে কৈছো। তেওঁৰ বৰ্তমানৰ ৰাজনৈতিক পৰিচয়টো স্থায়ী বা আচল নহ'বও পাৰে। এতিয়াও ৰাজনৈতিক মতলবতহে তেওঁ ব্যৱহৃত হৈছে।

সুদামা পাণ্ডেৰ একেবাৰে আচল বা স্থায়ী পৰিচয়টো হৈছে, তেওঁ এজন হিন্দীভাষী, হয়তো বিহাৰী, এজন বহিৰাগত অসমবাসী। অসমত থাকি অসমীয়া মানুহ বা অসমীয়া ভাষাৰ বাবে কন্দা মানুহ তেওঁ নহয় যেনেই লাগে। তেওঁ কাম কৰে হিন্দী ভাষা আৰু হিন্দীভাষীৰ উন্নয়নৰ বাবেহে। ভাৰতৰ সংবিধানে প্ৰতিজন নাগৰিককে নিজৰ ভাষা আৰু ধৰ্ম পালন বা অনুসৰণ কৰাৰ অধিকাৰ দিছে। গতিকে সুদামা পাণ্ডেৰো অধিকাৰ আছে হিন্দীভাষী আৰু হিন্দীভাষাৰ উন্নয়নৰ বাবে কাম কৰাৰ; কিন্তু দাদাগিৰি বা গুণ্ডামি কৰাৰ ক্ষমতা তেওঁক কোনে দিছে? সংবিধান বা আইনে তেওঁক সেই ক্ষমতা দিয়া নাই। তেওঁ সেই ক্ষমতা দেখুৱাব পাৰিছে হিন্দীভাষী সম্প্ৰদায়ৰ সংখ্যাবল থলুৱাতকৈ বাঢ়ি যোৱাৰ বাবেহে। তাতে কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰে চৰকাৰ দুখনো হৈছে হিন্দুত্ববাদী, হিন্দীবলয়ৰ আদৰ্শ আৰু সংস্কৃতিৰে পৰিপুষ্ট। অৱশ্যে আন এখন চৰকাৰ হ'লেও সংখ্যাবলৰ সুবাদত হিন্দীভাষীসকলৰ দাপত একেই থাকিব। ভোটৰ স্বাৰ্থত চৰকাৰখনেও আপোচ কৰিব। ৰাজনীতিত Strange bedfellows ৰ বাবেও সুযোগ আছে। সুযোগ নাই থলুৱাৰ সামাজিক আৰু ৰাজনৈতিক অধিকাৰৰ সুৰক্ষাৰহে।



তিনিচুকীয়া বা ডিব্ৰুগড়ত হিন্দীভাষীৰ যি দাপত, গুৱাহাটীৰ ফাঁচীবজাৰ বা পল্টনবজাৰতো তেওঁলোকৰ একেই দপ্‌দপনি। অসমীয়াই তেৰি মেৰি কৰিলে গুৰুলা গুৰুলকৈ পিটি দিব পাৰে। অসমৰ প্ৰায় প্ৰতিখন চহৰতে থলুৱা



**অসবৰ্ণ**

**হীৰেন গগৈ**

অসমীয়াৰ অৱস্থা এতিয়া সেইটো। ক'ৰবাত মাৰোৱাৰী আৰু বিহাৰীৰ দপ্‌দপনি, ক'ৰবাত মিঞাৰ দপ্‌দপনি, আন ক'ৰবাত হয়তো হিন্দু বাঙালীৰ দপ্‌দপনি! মই থকা একালৰ আওহতীয়া গোলাঘাট চহৰখনতে দেখিছো, চহৰখনৰ অধিকাংশ ৱাৰ্ডতে অনা-অসমীয়াসকলেই নিয়ন্ত্ৰণকাৰী শক্তি, সুবিধাজনক মাটি-বাৰী আৰু ঘৰ-দুৱাৰৰ ডাঙৰ ভাগ এটা অনা-অসমীয়া ব্যৱসায়ীসকলৰ দখলত, নিৰুদ্বেগ আৰু জাতিপ্ৰেমহীন অসমীয়াই সেইবোৰ তেওঁলোকক হয় বিক্ৰী কৰিছে, নহয় তেওঁলোকক দখল কৰিবলৈ এৰি দিছে। দিনত চহৰখনত অসমীয়া ডেকা বাইকাৰসকলৰ দাপত থাকে, ৰাতি ৮-৩০ বা ন বজাৰ পাছত ৰাস্তাবোৰত মাৰোৱাৰী-বিহাৰী ডেকা দোকানদাৰসকলে টহল দিয়ে। তেতিয়া অসমীয়া লাচিতসকল অন্তৰ্ধান হয়। এইটোৱেই নিত্য-নৈমিত্তিক অৱস্থা। এতিয়া অসমীয়াসকলেও শংকৰ-মাধৱৰ তিথি পালন কৰাটো গুৰুত্বপূৰ্ণ বুলি নাভাবে, হনুমান জয়ন্তী, ষট্‌পূজা, গণেশ পূজা, দুৰ্গা পূজা, ধন পূজা আদিতহে উবুৰি খাই পৰে। সেইবোৰ কৰিবলৈ বিজেপিয়ে শিকাব নালাগে; মাৰোৱাৰী, বিহাৰী, বাঙালীক দেখি দেখি নিজেই শিকি লৈছে। অসমীয়াৰ স্বাভিমান ক'ত আছে, আজিও মই নুবুজিলো।

আছুৰ চিৰসেউজ উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই সদায় অসমীয়াৰ 'প্ৰভুত্ব'ৰ কথা আওৰাই থাকে; কিন্তু অসমৰ কেইখন জিলাত আৰু কেইখন চহৰত সেই 'প্ৰভুত্ব' বৰ্তি আছে আৰু কিমান দিনলৈ বৰ্তি থাকিব, তাৰ হিচাপ হ'লে তেওঁ কোনোদিনে দিয়া নাই আৰু বোধহয় কৰাও নাই। আছু নেতাৰ মুখত মাজে-সময়ে শুনিছিলো : 'আছে হেংদান লোৱা নাই, ল'লে হেংদান ৰক্ষা নাই' বুলি ডিঙিৰ সিৰ ফুলাই দিয়া হুংকাৰ। বোধকৰো চান্দা নিদিয়া ব্যৱসায়ীক ভয় খুৱাবলৈ এতিয়াও তেওঁলোকে তাক আওঁৰায়। মাৰোৱাৰী ব্যৱসায়ীয়েও তেওঁলোকৰ স'তে পৰাপক্ষত কাজিয়া নকৰি মুক্তহস্তে দান-বৰঙণি দি থাকে; কিন্তু দিয়াৰ পাছত অসমীয়াক হাঁহে। তেওঁলোকে ভয়ত চান্দা নিদিয়ে; ব্যৱসায় তথা লুটবাজি যাতে নিৰাপদে চলাই থাকিব পাৰে সেই মতলবেৰে চান্দা দিয়ে। আছু আৰু অন্যান্য 'জাতীয়' সংগঠনবোৰে চান্দা নিবিচাৰিলেহে তেওঁলোকে বেয়া পায় বুলি শুনিছো। কাজিয়া কৰা তেওঁলোকৰ কাম নহয়; সেয়ে পৰাপক্ষত তেওঁলোকে সেইবোৰ এৰি চলে। শান্তিৰেই যদি অসমীয়াৰ মাটি-বাৰীবোৰ ল'ব পাৰি, অসমীয়াক লুটি-পুতি সৰ্বস্বান্ত কৰিব পাৰি, কায়দা-কৌশলেৰে অসমীয়াক যদি বৃহৎ ব্যৱসায়ৰ জগতখনত সোমাব নোৱাৰাকৈ ৰাখিব পাৰি, কাজিয়া-পেচাল কিয় লাগে? আছু আৰু অন্যান্য জাতীয় সংগঠনবোৰৰ সম্বিৎ ঘূৰি আহেগৈ মানে অসমখনত বহিৰাগতৰ নিৰংকুশ নিয়ন্ত্ৰণ গজগজীয়া হ'বগৈ।

**একালৰ আওহতীয়া গোলাঘাট চহৰখনতে দেখিছো, চহৰখনৰ অধিকাংশ ৱাৰ্ডতে অনা-অসমীয়াসকলেই নিয়ন্ত্ৰণকাৰী শক্তি, সুবিধাজনক মাটি-বাৰী আৰু ঘৰ-দুৱাৰৰ ডাঙৰ ভাগ এটা অনা-অসমীয়া ব্যৱসায়ীসকলৰ দখলত, নিৰুদ্বেগ আৰু জাতিপ্ৰেমহীন অসমীয়াই সেইবোৰ তেওঁলোকক হয় বিক্ৰী কৰিছে, নহয় তেওঁলোকক দখল কৰিবলৈ এৰি দিছে**

অসমীয়াই অসমতো বিজেপিৰ চৰকাৰখন পাতিছিল ৰাজ্যখনক মিঞালেণ্ড বা দ্বিতীয় এখন বাংলাদেশ হোৱাৰ পৰা বচাবলৈ। চৰকাৰখনেও অসমখনক বাংলাদেশ বা কাশ্মীৰ হোৱাৰ পৰা বচাবলৈ কৰিব পৰাখিনি কৰি আছে। অসমৰ মাৰোৱাৰী, বিহাৰী, হিন্দু বাঙালী আদি অনা-অসমীয়াসকলেও বিজেপিৰ পক্ষতেই হাত উজাৰি আছে। তেওঁলোকৰ স্বাৰ্থও বিজেপিৰ আমোলত ভালকৈয়ে পূৰণ হৈছে। চৰকাৰখনে মিঞাৰ বিৰুদ্ধেহে গড় মাৰিছে, কিন্তু হিন্দীভাষী আৰু বাঙালীভাষী হিন্দু ভাৰতীয়ৰ বাবে সিংহদ্বাৰ মেলি দিছে। অসম দ্বিতীয় এখন বাংলাদেশ হ'বগৈ নে নাই খাটাং ক'ব নোৱাৰো, কিন্তু কেৱল মিঞাভোটত লাগি থাকোতে অসমত হিন্দীভাষী আৰু বাঙালীভাষীৰ দ্বৈত শাসন কায়েম হয় বুলিহে ভয় হৈছে। মই অতিৰঞ্জনৰ দোষ কৰিছো যদিও নাজানো; কিন্তু উগ্ৰ হিন্দীভাষী আৰু উগ্ৰ বাঙালীভাষী নেতা কিছুমানৰ ধৃষ্টতাবোৰ হজম কৰি থাকিবলগীয়া হোৱাত স্বাভাৱিকতেই ব্যথিত হৈছো।

অসম চৰকাৰে ৩০ হেজাৰমান তৃতীয় আৰু চতুৰ্থবৰ্গৰ চৰকাৰী চাকৰিৰ বাবে লিখিত পৰীক্ষা পাতিলে। প্ৰাৰ্থীৰ সংখ্যা হেনো ১৪ লাখৰো ওপৰত। তাৰে দুই লাখতকৈ অধিক প্ৰাৰ্থীৰ নাম হেনো নিয়োগ বিনিময় কেন্দ্ৰবোৰৰ পৰা অহা নহয়। সেইসকল ক'ৰ পৰা আহি উবুৰি খাই পৰিলহি, নাজানো। চৰকাৰে এইবাৰ অসমীয়া, ইংৰাজী আৰু সহযোগী ভাষা বাঙালী আৰু বড়োৰ লগতে হিন্দী ভাষাতো পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰিলে। তাৰে সুযোগ লৈ কে'বা লাখ হিন্দীভাষী প্ৰাৰ্থীও এই পৰীক্ষাত অৱতীৰ্ণ হৈছে বুলি নিশ্চয় ধৰি ল'ব পাৰি। তেওঁলোকৰো বহুতেই হয়তো চাকৰি পাব আৰু চৰকাৰী চাকৰিয়াল হৈ অসমৰ প্ৰশাসন ব্যৱস্থাক আংশিকভাৱে হ'লেও হিন্দী নিৰ্ভৰ কৰি তুলিব। অসমৰ প্ৰশাসনিক কাম-কাজত অসমীয়া ভাষাক আৰু অধিক এঘৰীয়া কৰাৰ বাবে সেয়ে যথেষ্ট।

এইটো ঠিক যে অসমৰ স্থায়ী বাসিন্দাসকলৰ এক বুজন সংখ্যক হৈছে হিন্দীভাষীসকল। অসমত চাকৰি কৰা বা পোৱাৰ অধিকাৰ তেওঁলোকৰো আছে। অসমীয়া ল'ৰাইও বাহিৰৰ ৰাজ্যবোৰত চাকৰি কৰি আছে। কিন্তু সেই অসমীয়া ল'ৰা-ছোৱালীবোৰে অসমীয়াত পৰীক্ষা দি চাকৰিবোৰ লৈছে নেকি? নিশ্চয় নহয়। তেনেহ'লে অসমৰ চৰকাৰী প্ৰশাসনিক চাকৰিৰ বাবে ৰাজ্যভাষা আৰু সহযোগী ৰাজ্য ভাষাকেইটাৰ উপৰি হিন্দী ভাষাত পৰীক্ষা ল'বলগীয়া হ'ল কিয়? হিন্দীভাষী লোকেও চাকৰি পাব পাৰে, কিন্তু ৰাজ্যভাষা বা সহযোগী ভাষা এটাৰ পৰীক্ষাত তেওঁলোক নবহিব কিয়? ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াত, বড়োলেণ্ডত বড়ো ভাষাত আৰু বৰাক উপত্যকাত বাঙালী ভাষাত চৰকাৰী কাম-কাজ নচলিব জানো? তেনে অৱস্থাত ৰাজ্যভাষা বা কোনো এটা সহযোগী ভাষা নজনা বা জানিও অৱজ্ঞা কৰা হিন্দীভাষীৰ বাবে অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিবোৰো মুকলি কৰি দিয়া হ'ল কিয়? এই প্ৰশ্নৰ সদুত্তৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে এদিন নহয় এদিন দিব লাগিব আৰু যদি দিব নোৱাৰে প্ৰায়শ্চিত্তও কৰিব লাগিব। তদুপৰি হিন্দী বলয়ৰ প্ৰাৰ্থীয়েও যে অসমৰ হিন্দীভাষীৰ গাত ভেজা দি স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ উলিয়াই পৰীক্ষাত বহা নাই, তাৰেইবা নিশ্চয়তা ক'ত?

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ দুটা পৰীক্ষা কেন্দ্ৰত পৰীক্ষা দিয়া দুজন পৰীক্ষাৰ্থীয়ে মোক ফোনতে জনালে যে, দুয়োটা কেন্দ্ৰতে অসমীয়াৰ মাত-কথা হেনো নোহোৱাৰ দৰেই আছিল; কেৱল হিন্দীভাষী আৰু বাঙালীভাষী প্ৰাৰ্থীসকলৰ ভিৰহে তাত দেখা গৈছিল। বাকী কেন্দ্ৰবোৰতো যদি সেই অৱস্থা, তেনেহ'লেতো অসমীয়াৰ ঘোৰ বিপদ সন্নিকট।

মুখ্যমন্ত্ৰী ড° শৰ্মাৰে কথা, অসমীয়া ভাষাৰ বিদ্যালয়বোৰ নামনি অসমৰ মিঞাসকলেহে হেনো বচাই ৰাখিছে। কথাটো হয়তো একেবাৰে মিছা নহয়। তেনেহ'লে সেই মিঞাসকলক দমাই ৰাখিবলৈকে তেওঁৰ চৰকাৰখনে হিন্দীভাষী সকলক আমন্ত্ৰণ কৰি চৰকাৰৰ বৰঘৰত সুমুৱাই ল'ব খুজিছে নেকি? মই ড° শৰ্মাৰ গুণগ্ৰাহী যদিও হক কথাত তেওঁক জবাবদিহি কৰি আহিছো আৰু কৰিবই লাগিব। অসমত অসমীয়াৰ মান-মৰ্যাদা ৰক্ষা নহ'লে আন ক'ত অসমীয়া বাচি থাকিব।

আজি শংকৰদেৱৰ তিথিৰ দিনাই এই নিবন্ধ লিখিছো। এই তিথিতেই মোৰ মাই মোৰ কোলাত মূৰ থৈ ইহসংসাৰ ত্যাগ কৰিছিল। মোৰ আশংকা হৈছে, এতিয়া আইৰ মুখৰ ভাষাটোৱেও মোৰ দৰে নিংকিন আৰু হৃতোদ্যম অসমীয়াৰ কোলাত মূৰ থৈয়ে জন্মভূমিৰ পৰা বিদায় ল'ব খুজিছে নেকি? 'চাই লওঁ এবাৰ/মুখনি তোমাৰ/হেঁপাহ মোৰ পলোৱা নাই।'

ফোন : ৮৮১১৮২৭৪৩২

### অভিমত

## কি নাম দি মাতিম তোমাক, স্বাধীনতা

**দৈনিক** অগ্ৰদূত'ৰ যোৱা ১৫ আগষ্টৰ সংখ্যাত প্ৰথম পৃষ্ঠাত প্ৰকাশিত কাকতৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ 'কি নাম দি মাতিম তোমাক, স্বাধীনতা' শীৰ্ষক অতি বাস্তৱ, সময়োপযোগী তথা অৰ্থৱহ প্ৰবন্ধটো পঢ়ি স্বাধীন দেশৰ এজন নাগৰিক হিচাপে এই মুহূৰ্তত আমাৰ মন মগজুলৈ অহা কিছু কথা সংযোজন কৰি লিখাৰ প্ৰয়াস কৰিছো।

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ সবল নেতৃত্বত দেশৰ অগণন জনতাৰ ত্যাগ আৰু তেজৰ বিনিময়ত ইংৰাজৰ দুশ বছৰীয়া শাসন-শোষণৰ অৱসান ঘটাই ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰিছিল। ইংৰাজৰ শাসন-শোষণৰ পৰা দেশখনক মুক্ত কৰিবলৈ সুদূৰ দ্বাৰকাৰ পৰা শদিয়ালৈ কিমানে যে প্ৰাণ আহুতি দিছিল আৰু কিমানে যে অকথ্য শাৰীৰিক মানসিক নিৰ্যাতন ভুগিছিল তাৰ লেখ-জোখ তথা সীমা সংখ্যা নাই। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত সকলোৰে মনত এটাই স্বপ্ন আছিল ধনে-ধানে উভৈনদী হৈ থকা শস্য-শ্যামলা সুন্দৰ ভাৰতত সুন্দৰভাৱে মুক্ত মনে সম অধিকাৰ তথা সমমৰ্যাদা সহকাৰে স্বাভাৱিক জীৱন-যাপন কৰিবলৈ সুযোগ সুবিধা লাভ কৰিব; কিন্তু বাস্তৱ ক্ষেত্ৰত আমি তাৰ সম্পূৰ্ণ ওলোটা ছবি এখনহে দেখিবলৈ পাইছো। অতি দুৰ্ভাগ্যজনক কথাটো হ'ল যে আজি স্বাধীনোত্তৰ কালৰ ৭৫ বছৰতো অদ্য-পৰিমিত দেশৰ কোটি কোটি জনতাই দুবেলা-দুমুঠি খাবলৈ নাপাই অৰ্ধাহাৰে অনাহাৰে এক দুৰ্বিষহ যন্ত্ৰণাময় জীৱন-যাপন কৰি থাকিবলগীয়া হৈছে।

স্বাধীন দেশৰ নাগৰিকসকলে আশা কৰিছিল যে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবাসীয়ে লাভ কৰা স্বাধীন ভাৰতত সৰ্বসাধাৰণ দৰিদ্ৰ জনগণৰ দুখ-দুৰ্দশাৰ অন্ত পৰিব, কোটি কোটি দুখীয়া নিচলা দৰিদ্ৰজনৰ জীৱনলৈ পৰিৱৰ্তন আহিব, সকলোৰে ভাগ্য সলনি হ'ব, ভাৰতবৰ্ষখন এখন ৰাম ৰাজ্যলৈ ৰূপান্তৰিত হ'ব। কিন্তু দেশৰ একাংশ দগাবাজ তথা দুৰ্নীতিপৰায়ণ ৰাজনীতিক, ঘোচখোৰ আমোলা-বিষয়াৰ লুণ্ঠনৰাজ অব্যাহত থকাৰ বাবেই গান্ধীজীয়ে স্বাধীনতাৰ জৰিয়তে সপোন দেখা ৰামৰাজ্য দিঠকত পৰিণত নহ'ল।

আচলতে প্ৰতিজন স্বাধীন দেশৰ নাগৰিকে জীয়াই থকাৰ তাড়নাত সংবিধান প্ৰদত্ত মৌলিক অধিকাৰসমূহ সমভাৱে পাব লাগিব আৰু তাত কোনো ধৰণৰ ধনী-দুখীয়াৰ তাৰতম্য থাকিব নালাগিব। কিন্তু তাৰ বিপৰীতে আশ্চৰ্যজনকভাৱে আমাৰ সকলোৰে চকুৰ আগতে শাসকগোষ্ঠীৰ আশিস ধন্য হৈ এইখন স্বাধীন দেশৰ তথা সমাজৰে এক শ্ৰেণীৰ লোক দিন দিয়েকৰ ভিতৰতে প্ৰচুৰ ধন-ঐশ্বৰ্যৰ মালিক হৈ সুখ সন্তোষেৰে লাহ-বিলাহত দিন অতিবাহিত কৰিছে আৰু আন এক শ্ৰেণীৰ লোক সদায়ে অৱহেলিত হৈ যুগ যুগ ধৰি দৰিদ্ৰ সীমাৰেখাৰ তলত থাকি অন্তহীন দুখ-বেদনা নীৰৱে সহ্য কৰি দিন অতিবাহিত কৰি আছে। স্বাধীন দেশৰ নাগৰিক এজনে সুস্থিৰ অৱস্থাত জীৱন-যাপন কৰিবলৈ হ'লে নাগৰিকজনে ন্যূনতম সা-সুবিধা যেনে— অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ নিৰাপত্তা সুদৃঢ় অৱস্থাত থাকিব লাগিব আৰু এই নিৰাপত্তা প্ৰদান নিশ্চিত কৰিব লাগিব দেশৰ শাসকগোষ্ঠীয়ে। স্বাধীনতাৰ ৭৫ বছৰীয়া বহু প্ৰত্যাশিত অমৃত উৎসৱ পালন তথা উদযাপন কৰাৰ এই শুভ ক্ষণত আমি বুকুত হাত থৈ ক'ব পাৰিমনে, আমি প্ৰকৃততে পূৰ্ণ স্বাধীনতা উপভোগ কৰিব পাৰিছো বুলি? আজি যিখন দেশৰ সদ্য পৰিচিত দুই-তৃতীয়াংশ নাগৰিক দৰিদ্ৰ আৰু ৩০ শতাংশ আকৌ অতি দৰিদ্ৰ সেইখন দেশৰ নাগৰিকে ৭৫ বছৰীয়া অমৃত মহোৎসৱ উদযাপনৰ কিবা মূল্য আছেনে? কোৱা বাহুল্য যে যিখন দেশত দৰিদ্ৰতাই সীমা চেৰাই গৈছে, যিখন দেশত নিবনুৱা সমস্যা, বান-গৰাহখীয়া সমস্যা, অৰ্থনৈতিক সমস্যাকে ধৰি বিভিন্ন জ্বলন্ত সমস্যাৰে ভাৰাক্ৰান্ত সেইখন দেশত স্বাধীনতা দিৱসৰ তাৎপৰ্যবোৰ সুৰক্ষিত হৈ আছেনে নাই সিটোহে এতিয়া এক এৰাব নোৱাৰা লাখটকীয়া প্ৰশ্ন নহয়নে? এইটো অনস্বীকাৰ্য যে আজিৰ স্বাধীনতাই দেশলৈ কঢ়িয়াই আনিছে দুৰ্নীতি ভ্ৰষ্টাচাৰ, ব্যভিচাৰ, হত্যা, ধৰ্ষণ, নাৰী নিৰ্যাতন, অপহৰণ আৰু সন্ত্ৰাসবাদৰ ভয়াৱহ আতংক। স্বাধীন দেশৰ নাগৰিক হৈও আমি সকলোৱে সততে ভয় আৰু শংকাৰেহে খোজ দিবলগীয়া হৈছে। কাৰণ সন্ত্ৰাসবাদীয়ে কোন মুহূৰ্তত কাক হত্যা কিম্বা অপহৰণ কৰে তাৰ কোনো নিশ্চয়তা নাই। এতিয়া ভাৰতবৰ্ষৰ কোটি কোটি শোষিত নিষ্পেষিত তথা অৱহেলিত জনতাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে আজিৰ ভাৰতবৰ্ষৰ স্বাধীনতাই দেশৰ নাগৰিকক মানুহ হিচাপে জীয়াই থকাৰ বাবে ন্যূনতম অধিকাৰকণো দিয়া নাই।

সেই বাবেই ১৯৪৭ৰ ১৫ আগষ্টৰ পুৱা কামৰূপ জিলাৰ বেলশৰৰ মাজেদি শ্ৰীশ্ৰী বিশ্বেশ্বৰ দেৱালয়ৰ সমুখেদি উলিওৱা এটা বৃহৎ সমদলকাৰীয়ে হাতে হাতে ক'লা পতাকা লৈ 'ইয়ে আজাদী ঝুঠা হ্যায়' অৰ্থাৎ এই স্বাধীনতা ভুৱা বুলি কোৱা কথা আজি সত্যত পৰিণত হৈছে। সেয়ে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবাসীয়ে লাভ কৰা স্বাধীনতাক প্ৰকৃত স্বাধীনতা বুলি ক'ব নোৱাৰি।

**কুলেন বৰ্মন**

ফোন : ৯৪৩৫৩৩৮৪১৯

## আদিবাসীৰ বাবে পৃথক উন্নয়ন বিভাগ হ'বনে ?

**অসম** চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ অন্তৰ্গত প্ৰদান কৰা সুবিধা তথা আঁচনিসমূহ এক শ্ৰেণীৰ মাজতেই সীমাবদ্ধ হৈ আছে। বিশেষকৈ সীমান্তৱৰ্তী অঞ্চল আৰু আদিবাসী মতাদৰ্শৰ অধ্যুষিত গাঁওসমূহৰ ৰাইজক চাহ জনজাতি কল্যাণ আঁচনিয়ে ঢুকি পোৱা নাই। উল্লেখ্য যে প্ৰকৃত জনজাতীয় মূলৰ আদিবাসী লোকসকলে নিজকে চাহ জনগোষ্ঠী বা চাহ জনজাতি হিচাপে পৰিচয় দিব নিবিচাৰে। তেনেস্থলত চাহ জনজাতি কল্যাণ বিভাগৰ যিকোনো আঁচনি গ্ৰহণৰ পৰাও বিৰত থাকে অধিকাংশ আদিবাসী মতাদৰ্শৰ লোক। সচৰাচৰ আদিবাসী মতাদৰ্শৰ লোক আৰু চাহ জনগোষ্ঠী মতাদৰ্শৰ লোকৰ মাজত থকা মতানৈক্যৰ বাবে চাহ জনগোষ্ঠী হিচাপে দাবী কৰা লোকে চাহ জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিৰ সুবিধা লাভৰ বিপৰীতে আদিবাসী হিচাপে পৰিচয় দিয়া লোকসকলে যুগে যুগে বঞ্চিত হৈয়েই থাকিল। মন কৰিব লগা যে চাহ জনগোষ্ঠী হিচাপে পৰিচয় দিয়া আৰু আদিবাসী হিচাপে পৰিচয় দিয়া লোকৰ সংখ্যা অসমত প্ৰায় সমান। সেয়েহে বিষয়টো আশু সমাধানৰ বাবে চাহ জনজাতি কল্যাণ বিভাগৰ পৰা অহা ধন চৰকাৰে দুটা শিতানত আঁচনি ৰূপায়ণ কৰিব লাগে। চৰকাৰে আদিবাসী মতাদৰ্শৰ লোক সকলৰ উন্নয়নৰ বাবে 'সুকীয়াকৈ আদিবাসী উন্নয়ন পৰিষদ' গঠন কৰি আঁচনি ৰূপায়ণৰ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিলে আদিবাসীসকল উপকৃত হ'ব। আনহাতে প্ৰাক্তন চাহ জনজাতি হিচাপে স্বীকৃত বহু লোকেই চাহ জনজাতিৰ আঁচনিসমূহৰ পৰা বঞ্চিত হৈ আছে। উল্লেখ্য যে সীমান্তৱৰ্তী অঞ্চলসমূহত যুগ যুগ ধৰি বসবাস কৰা চাওঁতালসকল চৰকাৰী আঁচনিসমূহৰ পৰা সমুলি বঞ্চিত হৈ আহিছে। অৱশ্যে তেওঁলোক চৰকাৰী আঁচনিৰ প্ৰতি সিমান লালায়িত নহয়। স্বাধীন স্বতন্ত্ৰৰূপে জীয়াই থাকিব বিচাৰে। এই লোকসকলৰ উন্নয়নৰ বাবে চৰকাৰে আঁচনি ৰূপায়ণ কৰিলে অনগ্ৰসৰ জনগোষ্ঠীটোৱে কিছু হ'লেও আশাৰ কিৰণ দেখা পাব। চৰকাৰলৈ অনুৰোধ— প্ৰথমে চাহ জনজাতি কল্যাণ বিভাগক দ্বিবিভক্ত কৰি ৫০ শতাংশ ধন চাহ জনজাতিৰ কল্যাণৰ বাবে আৰু ৫০ শতাংশ ধন আদিবাসীসকলৰ বাবে 'আদিবাসী উন্নয়ন পৰিষদ' গঠন কৰি আঁচনি ৰূপায়ণ কৰক। দ্বিতীয়তে, দ্বিবিভক্ত কৰি আঁচনি ৰূপায়ণৰ সুবিধাৰ্থে বাগান, বস্তি, সীমান্তৱৰ্তী আদিবাসী



অধ্যুষিত অঞ্চলসমূহত 'আদিবাসী উন্নয়ন পৰিষদ' আৰু চাহ জনজাতি কল্যাণ ব'ৰ্ডৰ সদস্যৰ সংখ্যা অঞ্চল অনুসৰি বৃদ্ধি কৰিব লাগে। শৈক্ষিক ক্ষেত্ৰতো আদিবাসীসকলে উক্ত উল্লেখিত কাৰণত ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক আঁচনিৰ পৰা বঞ্চিত হ'ব লগা হয়। সেয়েহে চৰকাৰে এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰা উচিত। বিজেপিয়ে ৰাজনৈতিকভাৱে আদিবাসী লোকৰ মন জয় কৰিব বিচাৰিলে চাহ মৰ্চা গঠন কৰাৰ দৰে আদিবাসী মৰ্চা গঠন কৰক। অৱশ্যে আদিবাসী মৰ্চা গঠন কৰিব লগা হ'লে ৰাষ্ট্ৰীয় পৰ্যায়ত বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। বঞ্চিত, শোষিত আদিবাসী মতাদৰ্শসকলৰ বাবে সুকীয়াকৈ চৰকাৰী সুবিধা দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰক। চৰকাৰে নতুনকৈ প্ৰৱৰ্তন কৰা শৈক্ষিক নীতিৰ আধাৰত আদিবাসী অধ্যুষিত অঞ্চলসমূহত জনসংখ্যা আৰু অঞ্চল অনুসৰি প্ৰাথমিক স্তৰত নিজ নিজ ভাষাত শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব লাগে। কাৰণ চাওঁতাল অধ্যুষিত অঞ্চলসমূহৰ ল'ৰা-ছোৱালীসকলে চাওঁতালী ভাষাৰ বাদে আন ভাষা বুজি নাপায়। তেনেস্থলত প্ৰাথমিক স্তৰত চাওঁতালী ভাষাক মাধ্যম হিচাপে শিক্ষাদানৰ ব্যৱস্থা গ্ৰহণ কৰিলে উপকৃত হ'ব। সেইদৰে মুণ্ডাৰী, কুডুক ভাষাৰ লগতে অন্যান্য জাতি জনগোষ্ঠীৰ বহুলভাৱে প্ৰচলিত ভাষাক শৈক্ষিক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

মুখ্যতঃ ১। আদিবাসী শিশুসকলৰ বাবে নিজ নিজ মাতৃভাষাত শিক্ষাৰ ব্যৱস্থা গ্ৰহণৰ লগতে আদিবাসী অধ্যুষিত অঞ্চলসমূহৰ বিদ্যালয় আদিত নিজ নিজ মাতৃভাষাৰ শিক্ষক নিযুক্তি নিশ্চিত কৰিব লাগে। ২। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ প্ৰতিটো বিভাগত আদিবাসী সকলৰ বাবে সংৰক্ষণ হ'ব লাগে। ৩। আদিবাসী শিক্ষা আৰু সাংস্কৃতিক চৰ্চা কেন্দ্ৰ নিৰ্মাণৰ লগতে কৃষ্টি-সংস্কৃতিৰ চৰ্চাৰ সুযোগ সুবিধাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৪। আদিবাসীসকলৰ চাকৰি নিয়োগৰ ক্ষেত্ৰত বিশেষ সংৰক্ষণ থাকিব লাগিব। এই ক্ষেত্ৰত বয়স আৰু শিক্ষাগত যোগ্যতা শিথিল কৰিব লাগে। প্ৰধানতঃ আঁচনি একেই থাকিব। কেৱল আদিবাসী উন্নয়ন পৰিষদৰ নামত আৰু চাহ জনজাতি কল্যাণ বিভাগ নামেৰে পৃথক পৃথককৈ একে আঁচনিয়েই ৰূপায়ণ কৰিলে আদিবাসী সকল উপকৃত হ'ব। পৰাপক্ষত বিধানসভাত আইন প্ৰণয়ন কৰি আদিবাসীসকলৰ বাবে সুকীয়াকৈ উন্নয়ন বিভাগ গঠন কৰিলে আদিবাসীসকলৰ উন্নতি হ'ব বুলি আশা কৰিব পাৰি। অসম চৰকাৰ আৰু বিজেপিৰ ৰাজ্যিক নেতৃত্বক বিষয়টো বিবেচনাৰ বাবে মুকলি আহ্বান জনালো।

**ৰমেশ চন্দ্ৰ চৰেণ**

বালিচাং, বিশ্বনাথ চাৰিআলি

ফোন : ৯৪৩৫৬০২৪২৫



# শিক্ষা, মাধ্যম আৰু ৰাজনীতি

স্বাধীনতাৰ ৩০ বছৰ মান পাছৰ পৰা অসমত যেতিয়া ছাত্ৰ আন্দোলন সবল হৈ উঠিল, ছাত্ৰসকলৰ নেতাই অসমৰ বৰ্তমান, ভৱিষ্যতৰ সমস্যাৰ কথা উত্থাপন কৰি ৰাজনীতিত প্ৰৱেশ কৰিলে, তেতিয়া তেওঁলোকে অসমীয়া ভাষাকেই হাতৰ অস্ত্ৰ হিচাপে তুলি ল'লে। তেওঁলোকৰ আন্দোলনৰ ঘোষিত উদ্দেশ্য ভিন্ন হ'লেও, স্কুল-কলেজ, অফিচ-কাছাৰীত অসমীয়া ভাষাৰ ন্যায্য স্থান সদায় এক প্ৰধান উদ্দেশ্য বুলি ধৰা পৰিল।



**অৱলোকন**

**ড° গোৱিন্দ প্ৰসাদ শৰ্মা**

**ব্ৰিটিছ** শাসনৰ পৰা ভাৰত মুক্ত হোৱাৰ পাছতে আমি যি শিক্ষাৰ মাধ্যম পাইছিলো, তাক লৈ ৰাজনীতি হোৱা আমি দেখা নাছিলো। ছ'চিয়েলিষ্ট, কমিউনিষ্টসকলে 'অংগ্ৰেজী হটাও' বুলি এক জনমতৰ সৃষ্টি কৰিব খুজিছিল; কিন্তু তাৰ উদ্দেশ্য আছিল ভাৰতৰ পৰা পূৰ্বৰ ইংৰাজ শাসকৰ ভাষা বিতাৰণ কৰা; শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজীক লৈ নহয়। অসমৰ স্কুলত তেতিয়া অসমীয়া; কিন্তু বাংলা স্কুলবোৰত বাংলা। সকলো স্কুলতে কিন্তু ইংৰাজী বিষয়টো এটা ধৰা-বন্ধা শিক্ষাৰ বিষয়। কলেজ-বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম ইংৰাজী। শিক্ষাৰ মাধ্যমৰ এই নীতিত স্বাধীনতাৰ প্ৰায় ৩০ বছৰ পাছলৈ কাৰো একো আপত্তি উঠা নাছিল।

কিন্তু স্বাধীনতাৰ ৩০ বছৰ মান পাছৰ পৰা অসমত যেতিয়া ছাত্ৰ আন্দোলন সবল হৈ উঠিল, ছাত্ৰসকলৰ নেতাই অসমৰ বৰ্তমান, ভৱিষ্যতৰ সমস্যাৰ কথা উত্থাপন কৰি ৰাজনীতিত প্ৰৱেশ কৰিলে, তেতিয়া তেওঁলোকে অসমীয়া ভাষাকেই হাতৰ অস্ত্ৰ হিচাপে তুলি ল'লে। তেওঁলোকৰ আন্দোলনৰ ঘোষিত উদ্দেশ্য ভিন্ন হ'লেও, স্কুল-কলেজ, অফিচ-কাছাৰীত অসমীয়া ভাষাৰ ন্যায্য স্থান সদায় এক প্ৰধান উদ্দেশ্য বুলি ধৰা পৰিল।

কুৰি শতিকাৰ ৭০ৰ দশকৰ শেষৰ পিনে অসমৰ ছাত্ৰ আন্দোলনে যেতিয়া তুমুল ৰূপ ধাৰণ কৰিলে, তাতো অসমীয়া ভাষাক তাৰ ন্যায্য স্থানত বহুওৱাৰ উদ্দেশ্যটো স্পষ্ট হৈ থাকিল। এই আন্দোলনটোৰ মূল উদ্দেশ্য কিন্তু আছিল— অসমৰ পৰা অবৈধ বিদেশীৰ বিতাৰণ। ইয়াৰ মাজেদিয়ে তেওঁলোকে বিচাৰিলে অসমীয়া ভাষা আৰু জাতিৰ অস্তিত্বৰ সংৰক্ষণ। ইয়াৰ পৰাই ওলাল অসমৰ স্কুল-কলেজত শিক্ষাৰ মাধ্যমৰ প্ৰশ্ন। ছাত্ৰ আন্দোলনৰ নেতাসকলে সমগ্ৰ অসমতে শিক্ষাৰ মাধ্যম অসমীয়া হোৱাটো বিচাৰিলে। তেতিয়াহে ওলাই পৰিল— অসমৰ বাঙালী অধ্যুষিত বৰাক উপত্যকাত তাৰ বাসিন্দাসকলে শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া নিবিচাৰে। তেতিয়া এই কথাও ওলাই পৰিল যে অসমীয়াৰ মূল বাসভূমি ব্ৰহ্মপুত্ৰ উপত্যকাতো আনকি এই অঞ্চলৰ বিভিন্ন ভাষাৰ জনগোষ্ঠীয়েও অসমীয়া ভাষাটোকে শিক্ষাৰ মাধ্যম হিচাপে নিবিচাৰে ইংৰাজী তেতিয়া এটা সকলোৰে উমৈহতীয়া শিক্ষাৰ মাধ্যম হ'ব পাৰিলেহেঁতেন। কিন্তু অসমৰ ছাত্ৰ ৰাজনীতিকসকলে ইংৰাজীক তেওঁলোকৰ আকাংক্ষিত স্থানত বহুৱাব নিবিচাৰে।

ইংৰাজী সকলোৰে উমৈহতীয়া মাধ্যমৰ প্ৰশ্ন পুলিতেই নিৰ্মূল কৰিবলৈ আন্দোলনৰ নেতাসকলে তেতিয়া প্ৰাথমিক পৰ্যায়ত অসমীয়া মাধ্যম অপৰিহাৰ্য বুলি প্ৰতিপন্ন কৰিব খুজিলে। ইয়াতে তেওঁলোকৰ প্ৰয়োজন হ'ল কোনো শিক্ষানীতিবিদৰ মত বা মতবাদ— যাৰ মত তেওঁলোকে নিজৰ মতৰ ন্যায্যতাৰ বাবে আওৱাব পাৰে। কিন্তু দেখা গ'ল কাৰ্যক্ষেত্ৰত তেওঁলোকে কোনো মান্য শিক্ষানীতিবিদৰ মতকেই শিক্ষাবিদজনৰ নামত আওৱাব বা প্ৰচাৰ কৰিব নোৱাৰিলে। প্ৰাথমিক স্কুলত মাতৃভাষাত শিক্ষা পালেহে উপযুক্ত শিক্ষা আহৰণ কৰিব পাৰি বুলি 'কোনো শিক্ষানীতিজ্ঞ'ই কৈ গৈছে বুলি সকলোৰে প্ৰচাৰ কৰে; কিন্তু কোনেও সেই শিক্ষানীতিজ্ঞজনৰ নাম, তেওঁৰ গ্ৰন্থ বা প্ৰবন্ধৰ কথা উল্লেখ নকৰে! তেন্তে আমাৰ ছাত্ৰ আন্দোলনৰ নেতাসকলৰ এই মত কিমান শুদ্ধ, কিমান মান্য আমি তাক বিচাৰ কৰিব নালাগিবনে? ইতিমধ্যে আমি দেখিছো— প্ৰাথমিক স্তৰত মাতৃভাষাত শিক্ষা নোপোৱা বহুত দিগ্‌গজ সাহিত্যিক, বিজ্ঞলোক।

ইংৰাজী সাহিত্যৰ এগৰাকী শীৰ্ষস্থানীয় ঔপন্যাসিক যোছেফ কনৰাড। তেওঁ ইংৰাজ নাছিল; আছিল ইউৰোপৰ পোলেণ্ডৰ এজন পোলিশ্ লোক। ৩৮ বছৰ বয়সতহে তেওঁ লিখিবলৈ লয়; আৰু লিখাৰ সিদ্ধান্ত কৰে ইংৰাজীত। কিন্তু ৩৮ বছৰতহে ইংৰাজীত লিখিবলৈ লোৱা এইজন পোলিশ্ব লোকেই হৈ উঠিল ইংৰাজী ভাষাৰ এজন নিপুণ গদ্যকাৰ— an English Prose master। আৰু তেওঁৰ সাহিত্যকীৰ্তি-গল্প-উপন্যাসবোৰ? সেইবোৰৰেই তেওঁ ঊনবিংশ শতাব্দীৰ শেষৰ দশকত ইংৰাজী সাহিত্যলৈ আনিলে আধুনিকতাবাদ। আকৌ আমাৰ অসমীয়া ভাষাৰ দুই আদৰ্শ গদ্যকাৰ— লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞি বৰুৱা? এওঁলোকেওতো প্ৰাথমিক স্তৰত অসমীয়াত পঢ়িবলৈ পোৱা নাছিল। তেন্তে কোন সেই অনামী শিক্ষানীতি বিশাৰদ— যাৰ বহুমূলীয়া মত আমাৰ ছাত্ৰ আন্দোলনৰ নেতাসকলৰ মন্ত্ৰৰ দৰে হৈ উঠিল, অথচ যাৰ নাম আমাৰ নেতাসকলে কেতিয়াও ব্যক্ত নকৰিলে বা কৰিব নোৱাৰিলে? কিয় সেই অনামী শিক্ষানীতিজ্ঞজনে মাতৃভাষাত অন্ততঃ প্ৰাথমিক জ্ঞান লাভ কৰিব লাগে বুলি ক'লে? কোনো নেতাৰ পৰা যিহেতু তেওঁৰ বিষয়ে একো জানিব নোৱাৰিলো, অনুসন্ধিৎসাৰ তাড়নাত নিজেই সেই বিষয়ে প্ৰয়োজনীয় তথ্যখিনি উলিয়াই ল'ব পাৰো নেকি চালো। দেখিলো কুৰি শতিকাৰ মাজভাগৰ বা আমাৰ আন্দোলন কালৰ আটাইতকৈ চৰ্চিত শিক্ষানীতিজ্ঞ আৰু শিক্ষা ক্ষেত্ৰৰ দাৰ্শনিক, বুদ্ধিজীৱীজন আছিল আমেৰিকাৰ জন ডিৱি। একনায়কত্ব বিৰোধিতা কৰি গণতন্ত্ৰ আদৰা তেওঁৰ ৰাজনৈতিক মতবাদ অনুসৰিয়েই শিক্ষাৰ ক্ষেত্ৰতো তেওঁ গণতান্ত্ৰিক শিক্ষা বিচাৰিছিল। কেলিফৰ্ণিয়া ৰাজ্যিক বিশ্ববিদ্যালয়ৰ এই অধ্যাপকজনে এজন প্ৰসিদ্ধ বুদ্ধিজীৱী হিচাপে প্ৰায় সাতশৰো ওপৰ প্ৰবন্ধ, গৱেষণাপত্ৰ আদি বাতৰি কাকত, আলোচনী, গৱেষণা পত্ৰালোচনী আদিত প্ৰকাশ কৰাৰ উপৰি কে'বাখনো গ্ৰন্থও প্ৰকাশ কৰিছিল। তাৰে ভিতৰত এখন হ'ল Democracy and Education (1916)। আমাৰ নেতাসকলে কিজানি এইজনাৰ কথাই ক'ব খুজিছিল; কিন্তু মাতৃভাষাৰ প্ৰাথমিক শিক্ষাত তেওঁৰ গুৰুত্বৰ কাৰণ তেওঁৰ গণতন্ত্ৰৰ ওপৰত গুৰুত্ব। শিক্ষা এমুঠিমান উচ্চবংশীয় বা অভিজাত লোকৰ বাবে হ'লে নহ'ব। শিক্ষা হ'ব লাগিব সকলো শ্ৰেণীৰ, সকলো মানুহৰ বাবে। কিন্তু শ্বেক্সপীয়েৰৰ বা ১৭ শতিকাৰ পৰা ৱৰ্ডছৱৰ্থৰ দিনলৈ বা ঊনবিংশ শতাব্দীলৈ যিবোৰ 'গ্ৰামাৰ স্কুল' আছিল, তাৰ শিক্ষা পদ্ধতি এনে কঠোৰ আৰু শিক্ষাৰ বিষয় গ্ৰীক-লেটিন আদি ভাষা আৰু তাত নিহিত থকা জ্ঞান আহৰণ এনে কঠিন আছিল যে সকলো ছাত্ৰৰ বাবে সি সহজ নাছিল। ৱৰ্ডছৱৰ্থে নিজে গ্ৰামাৰ স্কুলৰ ছাত্ৰ হৈয়ো আৰু ডেকাকালত গণতান্ত্ৰিক ভাবধাৰাৰ অনুগামী বাবেই পেৰিচলৈ গৈ ফৰাচী গণ-আন্দোলনত যোগ দিছিল। স্বাভাৱিকতে ৱৰ্ডছৱৰ্থে কোল্‌ৰিড্‌জৰ লগত লগ লাগি যেতিয়া ৰোমান্টিক কাব্য আন্দোলন গঢ়ি তুলিছিল, তেতিয়া কবিতাৰ ভাষা সাধাৰণ মানুহৰ মুখৰ ভাষাহে হ'ব লাগিব বুলি ঘোষণা কৰিছিল। তেওঁলোকৰ আগৰটো যুগ— নব্য-ক্লাছিকেল যুগৰ গ্ৰীক-লেটিন সাহিত্যৰ ষ্টাইল নিৰ্ভৰ সাহিত্যৰ আদৰ্শ তেওঁলোকে প্ৰত্যাখ্যান কৰিছিল। গতিকে ডিৱিৰ শিক্ষানীতিত মাতৃভাষাৰ স্থান কিয়, তাক ইয়াৰ পৰাই বুজা যায়; কিন্তু আমাৰ অসম আন্দোলনৰ নেতাসকলৰ শিক্ষানীতিত মাতৃভাষাৰ স্থানৰ কাৰণ সম্পূৰ্ণ ভিন্ন। ই হ'ল 'অসম অসমীয়া'ৰ— এই নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

অসম অসমীয়াৰ, অসমৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগিব— এই দাবী যেতিয়া আমাৰ ছাত্ৰ আন্দোলনে তুলিলে, তেতিয়া প্ৰধানকৈ বাংলাভাষী বৰাক উপত্যকা আমাৰ পৰা আঁতৰি গ'ল প্ৰধানকৈ অসমীয়াভাষী ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয় অধ্যুষিত অঞ্চলবোৰে তেওঁলোকক গোষ্ঠীগত ভাষাহে বা তেওঁলোকৰ মাতৃভাষাহে তেওঁলোকৰ শিক্ষাৰ বা অন্ততঃ প্ৰাথমিক শিক্ষাৰ মাধ্যম হ'ব লাগিব বুলি দাবী তুলিলে। অসমীয়াসকল যেনেকৈ তেওঁলোকৰ দাবীত সাৰ্থক হ'ল, বড়ো আদি জনগোষ্ঠীৰ লোকসকলো তেওঁলোকৰ দাবীত কৃতকাৰ্য হ'ল। 'অসম অসমীয়াৰ' ধাৰণা থানবান হৈ গ'ল।

কিন্তু ডিৱিৰ ধাৰণাৰ 'শিক্ষাৰ মাধ্যম মাতৃভাষা'ৰ গূঢ় তত্ত্ব নুবুজাকৈ আমিও যে মাতৃভাষাৰ মাধ্যম বিচাৰিলো, তাতো মাতৃভাষাৰ ধাৰণাতে আমাৰ এটা ভুল আছিল। ইয়াৰ ফলতে পুনৰ আমি আত্মঘাতী হ'লো।

শিক্ষাৰ মাধ্যম মাতৃভাষা বোলোতে তেওঁলোকে মাতৃভাষা বা মাকৰ মুখৰ ভাষা বুলিয়েই তেতিয়া আমাৰ নেতাসকলে বুজিছিল; আৰু তেওঁলোকৰ অনুগামীসকলেও তাকে বুজি লৈছিল। মাতৃভাষাৰ আক্ষৰিক অৰ্থও অৱশ্যে এয়েই। কিন্তু মাতৃভাষাৰ এয়া মান্য অৰ্থ নহয়। অভিধানবোৰেও আনকি মাতৃভাষা মানে মাতৃৰ ভাষা বা মাকৰ মুখৰ ভাষা বুলি কোৱা নাই। প্ৰকাশন পৰিষদৰ 'আধুনিক অসমীয়া অভিধান' ড° মহেশ্বৰ নেওগ, ৰজনীকান্ত শৰ্মা আৰু নৰকান্ত বৰুৱাৰ দ্বাৰা প্ৰণীত। তাত 'মাতৃভাষা'ৰ অৰ্থ কি? মাতৃভাষা মানে তাত 'স্বদেশৰ ভাষা'হে। 'হেমকোষ'ত (২০১২ খ্ৰীষ্টাব্দৰ সংস্কৰণ) 'মাতৃভাষা'ৰ অৰ্থ হ'ল— 'জন্মভূমি বা নিজ দেশৰ ভাষা।' ইংৰাজী অভিধানবোৰলৈ যাওঁহক। Shorter OxfordDictionary ত mothertongue ৰ অৰ্থ হ'ল— 'One's native language' অৰ্থাৎ নিজৰ জন্মস্থানৰ ভাষা বা নিজৰ দেশৰ ৰূপ লৈ যি ছাত্ৰ আন্দোলন গঢ়ি তুলিছিল, তাত মাতৃভাষাত শিক্ষা বিচাৰোতে তেওঁলোকে আমাৰ আইৰ মুখৰ ভাষাতে শিক্ষা বিচাৰিছিল। ইয়াৰ ফলতে বড়োসকলে বড়ো ভাষাতো প্ৰাথমিক শিক্ষা বিচাৰিলে। ভালকৈ পঢ়া-শুনা নকৰিও নেতা হ'বলৈ গ'লে এনে হোৱাই স্বাভাৱিক। আত্মঘাতী হ'বলগীয়া হোৱাও অস্বাভাৱিক নহয়। আন্দোলন যেনেকৈ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব, তেনেকৈ আন্দোলন আবেগ বৰ্জিতও হ'ব লাগিব। বড়োসকল যিহেতু এডোখৰ নিৰ্দিষ্ট অঞ্চলত আবদ্ধ নহয়, অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে, গতিকে যি বৃহত্তৰ জনগোষ্ঠীৰ অঞ্চলত তেওঁলোক আছে, সেই জনগোষ্ঠীৰ ভাষাই তাত তেওঁলোকৰো মাতৃভাষা। অসমীয়াৰ ক্ষেত্ৰতো সেই একেই কথা। কাছাৰৰ অ'ত-ত'ত অসমীয়া ক্ষুদ্ৰ গোষ্ঠী হিচাপে থাকিল বুলিয়েই তাত তেওঁলোকৰ মাতৃভাষা অসমীয়া নহয়, বাংলাই। অন্ততঃ স্কুলীয়া শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত ই তাকেই বুজায়। তাত যদি অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে ইংৰাজী মাধ্যমৰ স্কুল খুলি চৌপাশৰ বাংলাভাষী ল'ৰা-ছোৱালীৰ বাবেও তাক খোলা কৰি ৰাখিব খোজে, আমাৰ নেতাসকলে তাত সন্মতি দিবনে? এই কথাও ভাবিব নোৱাৰি কাৰণ আমাৰ অসমীয়াসকল লাহে লাহে গোড়াৰূপত এক ভাষী হৈ গৈ আছে। অসমীয়া ভাষাৰেই তেওঁলোকে বিশ্বজয় কৰাৰ সপোন দেখিছে। ৰাস্তাই-ঘাটে কাৰোবাক ইংৰাজী কোৱা দেখিলেই তেওঁলোকে অসমীয়া ভাষাৰ স্বনিযুক্ত চিপাহীৰ ভূমিকা লৈ হাতৰ লাঠীৰেই তেনে লোকৰ দমন কৰি পেলায়। এনেকুৱা কাৰণতে আমাৰ আন্দোলনৰ নেতাসকলেও ইংৰাজী স্কুলৰ সদায় বিৰুদ্ধে যায়।

যি হওক, সেই অসম আন্দোলনৰ ফলতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া সংখ্যাগৰিষ্ঠ অঞ্চলত শিক্ষাৰ মাধ্যম অসমীয়া হ'ল। স্কুল আৰু কলেজতো। কিন্তু লগে লগে কি দেখিবলৈ ধৰিলো? ইংৰাজী মাধ্যমৰ কিছুমান স্কুল গঢ়ি উঠিবলৈ ধৰিলে সকলো পিনে বেংছটাৰ দৰে। এইবোৰ স্কুললৈকেহে অভিভাৱকসকলে ল'ৰা-ছোৱালী পঠিয়াবলৈ ধৰিলে। এইবোৰ স্কুলত যিমানেই ছাত্ৰ-ছাত্ৰীৰ ভিৰ হ'ল, সিমানেই অসমীয়া স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যাবলৈ ধৰিলে। পৰিণতিত দেখিছো, অসমীয়া স্কুলবোৰ এতিয়া ইখনৰ পাছত সিখনকৈ বন্ধ হ'বলৈ ধৰিছে। অথচ এইবোৰ স্কুল চৰকাৰৰ হাততে আছিল। অসমীয়া স্কুলৰ সমৰ্থকসকলে তাৰ বাবে চৰকাৰকে দোষ দি কয়— এই অসমীয়া বা চৰকাৰী স্কুলবোৰত পৰ্যাপ্ত আন্তঃগাঁথনি নাছিল। কিন্তু আমাৰ প্ৰশ্ন— ইংৰাজী স্কুলবোৰৰো সৰহসংখ্যকতে পৰ্যাপ্ত আন্তঃগাঁথনি আছিলনে? চুকে-কোণে ইয়াৰ তাৰ ভাড়াঘৰত ইংৰাজী স্কুল। তাত খাবলৈ কেনে পানী পায়, ল'ৰা-ছোৱালীৰ খেলা-ধূলাৰ ঠাই কিমান? আনকি অভিভাৱকসকলে স্কুলৰ সন্মুখত গাড়ী ৰখাবই পাৰেনে? তথাপিওতো তাত ছাত্ৰ-ছাত্ৰীৰ ভিৰ।

তেন্তে আমাৰ নেতাসকলৰ অসমীয়া মাধ্যমৰ প্ৰতি সমৰ্থন ক'লৈ গ'ল? অসমত আমি এতিয়া শিক্ষাৰ মাধ্যম কি হোৱাটো বিচাৰিম? ই এটা উত্তৰবিহীন প্ৰশ্ন নহয়। ইয়াৰ উত্তৰ নেতাসকলেও দিব নোৱাৰে বা দিলেও কোনেও নুশুনে? অসমত শিক্ষাৰ মাধ্যম কি হ'ব লাগে তাৰ উত্তৰ অসমৰ অভিভাৱকসকলেই নীৰৱে অ'ত বছৰে দি আছে। তেওঁলোকে একো নামাতে; নেতাসকলৰ লগতো তৰ্কত নানামে। কিন্তু কামেৰে তেওঁলোকে অত বছৰে দেখুৱাই আহিছে— তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে তেওঁলোকে ইংৰাজী শিক্ষা বা ইংৰাজী মাধ্যমৰ শিক্ষাহে বিচাৰে। কিয় বিচাৰে তেওঁলোকে জানে। কিন্তু নকয়। আৰু নেতাসকলেও জানে। সেয়েহে নেতাসকলৰ অধিকাংশয়ো নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়ুৱায়।

অভিভাৱকসকলৰ এই ইংৰাজী প্ৰীতিৰ বাবে তেওঁলোকক কোনেও কিন্তু দোষ দিব নোৱাৰে। গণতান্ত্ৰিক দেশ এখনত প্ৰত্যেকৰে ব্যক্তিগত অধিকাৰ আছে। নিজৰ নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ এই ব্যক্তিগত অধিকাৰ কোনে খৰ্ব কৰিব পাৰে? তেওঁলোকৰ ল'ৰা-ছোৱালীক কি শিক্ষা দিব, কি মাধ্যমত শিক্ষা দিব, সেইটো তেওঁলোকৰ নিজস্ব কথা। তাত আমাৰ নেতাসকলে মাত মাতিবলৈ যায় কেলৈ? যাব পাৰেনে ?

*ফোন ঃ ৯৮৫৪০৩১৬৭৬*

---



**ৰীণা বিশ্বাস**

আমাৰ জীৱনটো এটা বৃত্ত। শইকীয়াৰ মূল্যবান কথাষাৰৰ আঁত ধৰি ক'বলৈ হ'লে বৃত্তটোৰ এটা মূৰে আন এটা মূৰৰ যিমানেই কাষ চাপি আহে সিমানেই আমাৰ জীৱন কাল চমু চাপি আহিবলৈ ধৰে। বৃত্তটোৰ আৰম্ভণি বিন্দুটো যদি প্ৰতিজন মানুহৰ ল'ৰালি বুলি ধৰি লোৱা হয় তেনেহ'লে আনটো বিন্দু জীৱনৰ অন্ত কাল বুলি ক'লেও বঢ়াই কোৱা নহয়।

# আপুনি মই এটা নিৰ্দিষ্ট বৃত্তক কেন্দ্ৰ কৰিয়েই আৱৰ্তন কৰি থাকো



**আৱৰ্তনে** পৰিভ্ৰমণ বুজায়। জাগতিক ক্ষেত্ৰখনত পৰিভ্ৰমণৰ উল্লেখযোগ্য এক বিশেষ ভূমিকা থাকে। সৌৰমণ্ডলৰ গ্ৰহ-নক্ষত্ৰৰ প্ৰতিটোৰেই নিজৰ নিজৰ কক্ষপথ ধৰি পৰিভ্ৰমণ কৰি থাকে। দিন-ৰাতি, ঋতুৰ পৰিৱৰ্তন আদি মহাজাগতিক ঘটনা-পৰিঘটনাবোৰো একোটা নিৰ্দিষ্ট পৰিমণ্ডলৰ মাজতেই সংঘটিত হৈ থাকে। এক কথাত ক'বলৈ গ'লে সৌৰমণ্ডলৰ স'তে আমাৰ বিশ্বব্ৰহ্মাণ্ডখন এটা গতি ধৰি নিৰ্দিষ্ট কক্ষপথত আৱৰ্তন কৰি থাকে। এই গতিৰ কোনো বিৰাম নাই; যেনেকৈ বিৰাম নাই আমাৰ জীৱটো থকালৈকে আমাৰ জীৱনৰ অবিৰাম গতিৰ।

প্ৰসিদ্ধ সাহিত্যিক ভৱেন্দ্ৰ নাথ শইকীয়াই তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'জীৱন বৃত্ত'ত কৈছে, 'আমাৰ জীৱনটো এটা বৃত্ত।' শইকীয়াৰ মূল্যবান কথাষাৰৰ আঁত ধৰি ক'বলৈ হ'লে বৃত্তটোৰ এটা মূৰে আন এটা মূৰৰ যিমানেই কাষ চাপি আহে সিমানেই আমাৰ জীৱন কাল চমু চাপি আহিবলৈ ধৰে। বৃত্তটোৰ আৰম্ভণি বিন্দুটো যদি প্ৰতিজন মানুহৰ ল'ৰালি বুলি ধৰি লোৱা হয় তেনেহ'লে আনটো বিন্দু জীৱনৰ অন্ত কাল বুলি ক'লেও বঢ়াই কোৱা নহয়। মানুহৰ বয়স যিমানেই বাঢ়ি আহে সিমানেই আৰম্ভণি বিন্দুটোৱে শেষৰ বিন্দুটোৰ কাষ চাপি আহে আৰু এটাই আনটোক দেখিবলৈ সক্ষম হয় বাবেই কিজানি মানুহে বৃদ্ধ বয়সত কেতিয়াবা সৰু ল'ৰা-ছোৱালীৰ দৰে আচৰণ কৰে। সেয়েহে বৃদ্ধ কালক ল'ৰালিৰ পশ্চাৎ উন্মীলনৰ কাল বুলি কোৱা হয়। জীৱনৰ সেই আৰম্ভণিৰ বিন্দুটো আৰু শেষৰ বিন্দুটোৰ স'তে সংলগ্ন বৃত্তটোৰ মাজতেই আমি আজীৱন আৱৰ্তন কৰি থাকো। কোনেও ইয়াৰ ব্যতিক্ৰম নহয়, হ'ব নোৱাৰে।

জীৱন কালৰ বৃত্তটোৰ পৰা অলপ নিলগলৈ আহি আমি যদি সূক্ষ্মভাৱে চিন্তা কৰি চাওঁ তেতিয়া দেখিবলৈ পাম যে -- কেৱল জীৱনটোৱেই মাথোন এটা বৃত্তৰ পৰিধি নহয়; বৰঞ্চ ব্যক্তিগতভাৱেও আমি সকলো একো একোটা নিজস্ব বৃত্তৰ পৰিমণ্ডলৰ মাজত সীমাবদ্ধ হৈ থাকিব লগা হয়। দৈনন্দিন জীৱনত সচৰাচৰ এই বৃত্তটোৰ সীমাৰেখাই যে আমাক অহৰহ ঘেৰাও কৰি ৰাখিছে সেই কথা আমি উপলব্ধি কৰিব নোৱাৰো। কাৰণ জন্মৰ পৰাই আমি স্বাধীনচিতীয়া মনোভাৱ পোষণ কৰি চলো। স্বাধীন ভৌগোলিক পৰিমণ্ডলত আমি প্ৰত্যেকেই নিজৰ নিজৰ ইচ্ছা, ভাল লগা আৰু ৰুচি অনুসৰি জীৱন যাপন কৰো। আমি জন্মৰ পাছৰ পৰাই খাদ্য-বস্ত্ৰ-বাসস্থান এই তিনিটা মৌলিক প্ৰয়োজনৰ বস্তু অবাধে পাইছো, স্বাধীন দেশৰ নাগৰিক হিচাপে সামাজিক নিৰাপত্তা, শিক্ষাৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ আদি পাইছো; গতিকে আমাৰ মনত খন্তেক সময়ৰ বাবেও অনুভৱ নহয় যে ব্যক্তিগতভাৱে সকলোৰেই নিজৰ নিজৰ নিৰ্দিষ্ট বৃত্তটোৰ মাজতেই বিচৰণ কৰি থাকে। বৃত্তটোৱে একপ্ৰকাৰ আমাক এটা নিৰ্দিষ্ট বেহুৰ মাজত আবদ্ধ কৰি ৰাখে। আমি চেতন অথবা অৱচেতন মনত সকলো সময়তে আমাৰ নিজৰ এই স্থিতিটোৰ কথা অনুভৱ কৰিব নোৱাৰো যদিও সেই বেষ্টনীৰ মাজতে থাকিয়েই আমি জীৱনৰ সৰহ সময় পাৰ কৰিব লগা হয়। সমাজৰ দহোজন সাধাৰণ মানুহৰ দৰেই নিজকে প্ৰতিপন্ন কৰিবলৈ আমি সদায় সেই দহোজনৰ দৰেই এই অদৃশ্য বৃত্তটোৰ মাজতেই পৰিভ্ৰমণ কৰি থাকিব লগা হয়; যাক নীতি-নিয়ম আৰু সামাজিক দায়বদ্ধতা বুলি নামাকৰণ কৰা হয়। আমাৰ খ্যাতি-যশস্যা, ভাল-বেয়া নিৰ্ভৰ কৰে এই নিৰ্দিষ্ট বৃত্তটোৰ ভিতৰত থাকি আমি কৰা সকলো কাৰ্যকলাপৰ ওপৰত। সমাজৰ এজন তেনেই সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি ধনাঢ্য ব্যক্তিলৈয়ো এই বৃত্তটোৰ পৰিধি নিজৰ নিজৰ ঠাইত অটল। কোনেও ইচ্ছা কৰিলেই সেই বৃত্তটোৰ পৰা এখোজ ওলাই নিজৰ খেয়াল-খুচি মতে চলিব নোৱাৰে। এতিয়া আমাৰ মনত প্ৰশ্ন জাগ্ৰত হ'ব পাৰে যে যদি এজন ধনাঢ্য ব্যক্তিয়ে ধনৰ বলত সকলো সুখ-সুবিধা গোটাই ল'ব পাৰে, ইচ্ছা কৰিলেই নিমিষতে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ যাব পাৰে তেনেহ'লে তেওঁ সেই নিৰ্দিষ্ট অদৃশ্য বৃত্তটোৰ পৰা ওলাই আহি নিজৰ খেয়াল-খুচি মতে চলিব নোৱাৰে কিয়? এইখিনিতেই সেই অদৃশ্য বৃত্তটোৰ প্ৰকৃত স্বৰূপটো আমাৰ চকুৰ আগত ধৰা পৰে, মাত্ৰ অলপ উপলব্ধি আৰু গভীৰভাৱে বিচাৰ কৰি চাব পাৰিলে বৃত্তটোৰ স্বৰূপ আমি বুজিবলৈ সক্ষম হ'মহঁক। আচলতে প্ৰতিজন মানুহেই একোটা নিৰ্দিষ্ট সমাজ, পৰিয়ালৰ লগতে এটা নিৰ্দিষ্ট সাংস্কৃতিক গোষ্ঠীৰ মাজত জন্ম হৈ ডাঙৰ দীঘল হয়। গতিকে সমাজ আৰু পৰিৱেশ ভেদে সকলোৰে সামাজিক ভাৱেৰে হওক অথবা পৰিয়ালৰ ভিত্তিত, কিছুমান বিশেষ নীতি-নিয়ম আৰু সংস্কাৰ পালন কৰি চলিবলৈ বাধ্য।

ইচ্ছা কৰিলেই সেই সংস্কাৰ আৰু নীতি-নিয়মৰ বান্ধোনৰ পৰা মানুহ ওলাই আহিব নোৱাৰে। কেতিয়াবা কোনোবাই যদি অনিচ্ছা সত্ত্বেও সেই পৰিধি অতিক্ৰম কৰি বাজলৈ ওলাই আহিবলৈ হয় তেনহ'লে বহুতো লাঞ্ছনাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা থাকে। একোটা নিৰ্দিষ্ট পৰিয়ালত জন্ম হৈ এটা বিশেষ জাতিৰ অধীনত্ব গ্ৰহণ কৰি যেতিয়া আমি তেনে এটা অদৃশ্য বৃত্তৰ মাজত সোমাই পৰো তেতিয়া সেই বৃত্তটোৰ পৰিধিয়ে আমাক সন্দিহান কৰি ৰাখে যাতে আমি ভুলতো এটা ভৰি পৰিধিৰ ভিতৰত থৈ আনটো ভৰি পৰিধিটো পাৰ কৰিবলৈ উদ্ধত নহওঁ।

আমাৰ মনত যিমান আশা-আকাংক্ষা থাকে, সেইবোৰ হয়তো গোটেই জীৱন কালতো আমি পূৰণ কৰিব নোৱাৰো। আশাই হেজাৰ বাধাকো নেওচি চৰিতাৰ্থ কৰিব বিচৰা কাংক্ষিত বস্তুটো প্ৰাপ্তিৰ বাবে বাট বিচাৰি ফুৰে, অলপ সুৰুঙা পালেই যেন আশাৰ ডেউকা কোবাই সকলো বাধা পাৰ হৈ সেই কাংক্ষিত বস্তুটো আনি নিজৰ কৰি লওঁ। এনে মনোভাৱে সকলোকে সময়ে সময়ে উত্তেজিত কৰে যদিও যেতিয়াই মনলৈ আহে আমাৰ এটা নিজস্ব পৰিধি আছে আৰু আমি সেই পৰিধি নেওচি বৃত্তটো আওহেলা কৰিব নোৱাৰো তেতিয়াই আমি আকৌ নিজস্ব বৃত্তটোৰ মাজত কুচিমুচি সোমাই পৰো। আমি ইচ্ছা কৰিলেই নিজে বিচৰা সকলো বস্তু ঘটি ল'ব নোৱাৰো।

অবাধ স্বাধীনতাই বিশৃংখলাৰ সৃষ্টি কৰিব পাৰে বুলিয়েই কিজানি প্ৰকৃতিগতভাৱে এনে অদৃশ্য বৃত্তটোৱে আমাক নিজৰ পৰিধিৰ মাজত ভৰাই ৰাখে। গতিকে আমি সেই মতেই নিজৰ বৃত্তটোৰ ভিতৰত থাকিয়েই যিকোনো অসাধ্যকো সাধন কৰিবলৈ বাধ্য হওঁ আৰু এনেকুৱা কাম ইচ্ছা থাকিলেও কৰিবলৈ মৰসাহ নকৰো যিটো কৰিবলৈ গৈ আমি আমাৰ নিৰ্দিষ্ট বৃত্তটোৰ পৰিধি পাৰ হ'বলগীয়া হ'ব পাৰে। এই লেখা পঢ়োতে হয়তো বহুতো পাঠকে ভাবিব, 'এনেকুৱা এটা অদৃশ্য বৃত্ত আছে নেকি, যাক আমি দেখোন কেতিয়াও উপলব্ধিয়েই কৰিব পৰা নাই।' তাৰ উত্তৰত এইটোৱেই কওঁ যে ইয়াত উল্লেখ কৰা বৃত্তটোক আমি যদি এটা ৰূপক হিচাপে ধৰি লৈ উপলব্ধি কৰিব পাৰো তেনেহ'লে আমি আমাক ঘেৰি থকা বৃত্তটোক অতি সহজেই বুজি উঠিব পাৰিম।

অৰ্থাৎ ধনবল, মনোবল, ইচ্ছা শক্তি আৰু দুঃসাহসিকতা থাকিলেই যে আমি সকলো সময়ত আমাৰ মনে যি বিচাৰে তাকে আজুৰি আনি নিজৰ মনোকামনা চৰিতাৰ্থ কৰিব পাৰিম সেইটো কেতিয়াও শুদ্ধ হ'ব নোৱাৰে।

এতিয়া কথা হ'ল, এই অদৃশ্য বৃত্তটোৱে আমাৰ জীৱনৰ কোনখিনি সময়ৰ পৰা আমাক নিজৰ পৰিধিৰ মাজত সামৰি লয়? বিশেষকৈ জন্মলগ্নই ইয়াৰ প্ৰাৰম্ভিক অৱস্থা। প্ৰথমতে-- আমি কেনে পৰিয়ালত জন্ম লৈছো, আমাৰ পিতৃ-মাতৃৰ প্ৰস্থিতি, আমাৰ পৰিয়ালৰ পূৰ্বজসকলৰ সামাজিক অৱস্থান, দেশ-কাল আৰু সমাজ এই সকলোবোৰ বিষয়ে থিৰাং কৰে প্ৰত্যেকজন ব্যক্তি বিশেষৰ সেই ব্যক্তিগত বৃত্তটোৰ আচল পৰিধি। সময়ৰ স'তে নিজৰ অহোপুৰুষাৰ্থ আৰু নেৰানেপেৰাকৈ কৰা প্ৰচেষ্টাই আমাক এই ব্যক্তিগত বৃত্তটোৰ পৰিধিক কিছু প্ৰসাৰিত কৰিব পাৰে কিন্তু কোনো প্ৰচেষ্টাৰ বলতো আমি কোনেও পৰিধিটো ভাঙি পেলাব নোৱাৰো। সেই শক্তি এজন দায়িত্বশীল ব্যক্তি হিচাপে আমাৰ সৰহ সংখ্যক মানুহৰেই নাই। দুই-একৰ আছে যদিও সেইটো সংখ্যাৰ ভিতৰত ধৰি মান্যতা প্ৰদান কৰা নহয়। কাৰণ বাৰীৰ পুখুৰী সিঁচি মাছ ধৰিবলৈ গ'লে দুই একক শিঙিয়ে বিন্ধে বাবেই আমি বাৰীৰ পুখুৰী সিঁচি মাছ ধৰিবলৈ বন্ধ কৰি দিব নোৱাৰো।

লিও টলষ্টয়ৰ 'How Much Land Does a Man Need?' নামৰ গল্পত এজন দুখীয়া খেতিয়কৰ তাৰ সামৰ্থ্যতকৈ অধিক সম্পত্তিৰ আকাংক্ষা থকাৰ বাবে এদিন এজন জ্ঞানী জমিদাৰে তেওঁক নিজৰ মুকলি পথাৰ এখনলৈ নি কৈছিল --'তুমি এতিয়া য'ত আছা তাৰ পৰা দৌৰিবলৈ আৰম্ভ কৰা। সূৰ্য অস্ত যোৱাৰ আগলৈকে তুমি দৌৰি যিমান দূৰলৈকে যাব পাৰা, সিমানখিনিলৈকে তোমাৰ নিজৰ মাটি সম্পত্তি হ'ব।' জ্ঞানী জমিদাৰৰ কথা শুনি খেতিয়ক জনে নিশকতীয়া গাৰেই পাৰে মানে তৰানৰা ছিঙি দৌৰিবলৈ ধৰিলে। অৱশেষত বেলি ডুব যাওঁ যাওঁ হ'ল, এঠাইত গৈ খেতিয়কজনে ভাগৰ আৰু শক্তিহীন হৈ মাটিত বাগৰি পৰিল। নিশকতীয়া শৰীৰেৰে প্ৰয়োজনতকৈ অধিক পৰিশ্ৰম তেওঁ সহ্য কৰিব নোৱাৰিলে আৰু লগে লগেই তেওঁৰ প্ৰাণবায়ু উৰি গ'ল। বেচেৰাই ইমান পৰিশ্ৰম কৰি অৱশেষত কিমানখিনি ভূমি সম্পত্তিৰ মালিক হ'ল সেই কথা ক্ষন্তেকৰ বাবে ভাবি চাবলৈয়ো জীৱনে তেওঁক সুযোগ নিদিলে। অৱশেষত মাত্ৰ ছফুট মাটিত গাঁত খান্দি অত্যুৎসাহী খেতিয়কজনৰ মৃতদেহটো সৎকাৰ কৰা হ'ল। গতিকে জাতকৰ এই সাধুটোৱেই আমাক হয়তো সোঁৱৰাব যে নিৰ্দিষ্ট ব্যক্তিগত বৃত্তটোক অৱহেলা কৰি আমি যেতিয়াই আগবাঢ়ি যাবলৈ মৰসাহ কৰো তেতিয়াই হয়তো আমাৰো পৰিণতি এনেকুৱা হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

সাম্প্ৰতিক কালত প্ৰয়োজনতকৈ অধিক ব্যস্ততাই সৰহভাগ মানুহকেই এই ব্যক্তিগত বৃত্তটোক উপলব্ধি কৰাৰ পৰা বিৰত ৰাখে অথবা কিছুমানে ইচ্ছা কৰিও উপলব্ধি কৰিব নিবিচাৰে। কিন্তু প্ৰকৃতিগতভাৱে যে এই বৃত্তটোৰ অৱস্থিতিয়ে সকলোকে নিজৰ নিজৰ স্থান অনুসৰি এটা পৰিধিৰ ভিতৰত সামৰি ৰাখে তাত কোনো দ্বিমত থাকিব নোৱাৰে।

*ফোন- ৭০০২৭ ৩৪৯৬২*

---

# জাত-পাতৰ নামত অসমৰ কৈৱৰ্তসকলক অপমান কৰাৰ যুক্তি আছেনে?

**ব্ৰজেন জীৱন**



**সাম্প্ৰতিক** অসমত জাত-পাত আৰু ধৰ্মীয় ৰাজনীতিৰ আগ্ৰাসনে চ্যুকাফাই গঢ়ি যোৱা বৰ অসমৰ বৰভেটী আজি খহি পৰাৰ উপক্ৰম হৈছে। ধৰ্মীয় ৰাজনীতিৰ কথা নকলোৱেইবা। সৌ সিদিনা দিনজয় সত্ৰৰ সত্ৰাধিকাৰে অসমৰ কৈৱৰ্তসকলক সত্ৰত প্ৰৱেশ কৰাত বাধা আছে বুলি কৈ এই নৃগোষ্ঠীয় জাতিটোক জাত-পাতৰ নামত যিদৰে অপমান কৰিলে, সেয়া আজি সৰ্বত্ৰে চৰ্চাৰ বিষয় হৈ পৰিছে। আশ্চৰ্যকৰ এয়ে যে এই একবিংশ শতিকাত ভৰি দিয়া অসমীয়া জাতিটোৱে আজি হাতৰ কুঠাৰখন নিজৰ ভৰিত মাৰিবলৈ কুণ্ঠাবোধ কৰা নাই। শিৱসাগৰত সাংবাদিক ববিতা ভৰালীৰ পৰিয়ালক কৈৱৰ্ত জাতি কোনো অস্পৃশ্য নহয় বুলি সঁচা কথা কোৱা বাবে সমাজে এঘৰীয়া কৰিছে। ডিব্ৰুগড়ত অমৃত ফুকন নামৰ এজন আহোম সম্প্ৰদায়ৰ লোকে এগৰাকী কৈৱৰ্ত জাতিৰ ছোৱালীক বিয়া কৰোৱাৰ বাবে সেই পৰিয়ালটোক সেই আহোম সমাজখনে এঘৰীয়া কৰি থৈছে। এনেদৰে বহু ঠাইত অসমৰ অন্যতম ভূমিপুত্ৰ কৈৱৰ্তসকলক পদে পদে অপমান কৰাৰ যুক্তি ক'ত?

আমি সকলোৱে জানো যে অসমৰ কৈৱৰ্তসকল অন্যতম এটা নৃ-গোষ্ঠীয় আদিবাসী। অনুমান কৰা হয় যে আজিৰ পৰা ৭০০০ বছৰৰ আগৰে পৰা কামৰূপত এই জনগোষ্ঠীটোৱে বাস কৰি আহিছে। এই জাতিটোৰ লোকসকল দ্ৰাবিড়ী আৰু এওঁলোক হৰপ্পা-মহেঞ্জোদাৰোত বাস কৰা দ্ৰাবিড়ীসকলৰ বংশধৰ। সেয়েহে এই লোকসকলক দ্ৰাবিড়ী কৈৱৰ্ত বুলি জনা যায়। কালক্ৰমত এই লোকসকলে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে শদিয়াৰ পৰা পাতলিপুত্ৰলৈকে (বৰ্তমানৰ পাটনা) বসবাস কৰিবলৈ লয় বুলি বুৰঞ্জীয়ে কয়। সেয়েহে কৈৱৰ্ত কুলৰ হীৰা ডঃ ভূপেন হাজৰিকাই গাইছিল-

'চিৰ যুগমীয়া ঢৌ তুলি, ঢৌ তুলি
চিৰ নতুন পানচৈ উটি উটি ----'

সেইদৰে ড° সূৰ্য কুমাৰ ভূঞাই অসম বুৰঞ্জীত উল্লেখ কৰিছে যে নাগাক্ষ বংশৰ আৰিমত্ত ৰজাই ১৬ শতিকাত মাজুলী আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজত্ব কৰিছিল। হৰ-গৌৰী সম্বাদ মতে আৰিমত্ত জিতাৰী বংশৰ শেষ ৰজা ৰামচন্দ্ৰৰ পুত্ৰ, যিজনক কৈৱৰ্ত হিচাপে জনা যায়। চৰ্যাপদৰ লেখক মীনাপা আৰু লুইপাও কৈৱৰ্ত জাতিৰেই আছিল।

সাম্প্ৰতিক অসমৰ অন্যান্য জনগোষ্ঠীয় লোকসকলে কৈৱৰ্ত সকলক মাছমৰীয়া জাতি বুলি ক'ব খোজে। তেওঁলোকৰ গাত দোষ নাই। কাৰণ তেওঁলোকে ইতিহাস নাজানে আৰু নপঢ়ে। অৱশ্যে এইটোও ঠিক যে বৰ্তমানে দৰিদ্ৰতাত ভোগা অসমৰ কৈৱৰ্ত জাতিটোৰ লোকসকলে মাছ ধৰা কাৰ্যৰ লগতে মাছ বিক্ৰীও কৰে। এইটোও নহয় যে অসমৰ আন জনগোষ্ঠীৰ লোকে মাছ নধৰে বা মাছ বিক্ৰী নকৰে। নিশ্চয় সকলোৱে মাছ খায়, মাছ ধৰে আৰু মাছ বিক্ৰীও কৰে। আমি সকলোৱে জনা উচিত যে পুৰণি অসমৰ কৈৱৰ্ত সকলে মাছ ধৰা বা মাছ ব্যৱসায় কৰা নাছিল। কাৰণ আগতেই কৈ আহিছো যে এই জাতিটো অসমতেই সাত হেজাৰ বছৰ পুৰণি জনগোষ্ঠী। ইয়াৰ প্ৰমাণ হৰ্জৰ বৰ্মনৰ ৰাজত্ব কাল (৮২০-৮৩৫ খৃষ্টাব্দ)ৰ কৈৱৰ্তসকলক আঙুলিয়াই দেখুৱাব পৰা যায়। ইয়াৰ কাৰণ কৈৱৰ্তসকল নৌচালনাত যথেষ্ট পাৰ্গত আছিল। হৰ্জ বৰ্মনৰ ৰাজত্ব কালত নৌ শক্তি যথেষ্ট শক্তিশালী আছিল। এই নৌ শক্তিৰ মূলতেই আছিল কৈৱৰ্তসকল। সেই সময়ত নৌচালনাত পাৰ্গত নৌবাহিনীৰ সৈন্যসকলে অৰ্থাৎ কৈৱৰ্তৰ সেনাসকলে বৰ্তমানৰ ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত তেজপুৰৰ জাহাজঘাটৰ পৰা প্ৰায় এক মাইলমান ভাটিলৈ নিজ শক্তিৰ অনুশীলন কৰা চাউনিৰ চিহ্ন আজিও বিদ্যমান। তাৰ কাষতে আজিও বসবাস কৰি থকা অধিবাসীসকল কৈৱৰ্ত যিসকল আজিও নৌচালনাত পাৰ্গত। বুৰঞ্জীৰ মতে কৈৱৰ্তসকলে সেই সময়ত মাছমৰীয়াসকলৰ লগত কাজিয়া কৰিছিল আৰু যিবোৰ মাছমৰীয়াই নৌচালনা প্ৰশিক্ষণত বাধা আৰোপ কৰিছিল, তেওঁলোকৰ পৰা নাওবোৰ কৈৱৰ্তসকলে কাঢ়ি লৈছিল। কেতিয়াবা কিছুমান মাছমৰীয়াৰ নাও শত্ৰুৱে ব্ৰহ্মপুত্ৰত ডুবাইও দিছিল। এটা সময়ত এই বিবাদত হৰ্জ বৰ্মন ৰজাই হস্তক্ষেপ কৰিবলৈ বাধ্য হৈছিল। ৰজাই আদেশ দিছিল যে কোনো মাছমৰীয়াই তেওঁলোকৰ নাও ভৰাসুঁতিলৈ নিব নোৱাৰিব আৰু যি এই নিয়ম উলংঘা কৰিব তেওঁ পাঁচ পইচা জৰিমনা ভৰিব লাগিব। উক্ত ৰাজ আদেশ আজিও শিলালিপিত জিলিকি আছে। এই তথ্য বুৰঞ্জীবিদ ৰাজমোহন নাথে লিখা 'অসমীয়া সংস্কৃতিৰ পটভূমি' নামৰ গ্ৰন্থত স্পষ্টকৈ উল্লেখ আছে। তাৰ উপৰি তেজপুৰৰ লোকসকলে সেই শিলালিপিক আজিও সংৰক্ষণ কৰি ৰাখিছে। ইয়াৰ পৰা প্ৰমাণ কৰিব পাৰি কৈৱৰ্তসকল মাছমৰীয়া লোক কেতিয়াও নাছিল ।

সেইদৰে অসমৰ কৈৱৰ্তসকল 'ডোম' নহয়। অসমৰ প্ৰতিজন অসমীয়াই এটা কথা স্বীকাৰ কৰিবই লাগিব যে অসমত 'শ' বা মৃতদেহ সৎকাৰ কৰা নিয়ম পোন প্ৰথমে কৈৱৰ্তসকলেই প্ৰচলন কৰিছিল। আগতে মৃতকৰ দেহবোৰ মাটিৰ তলত পুতি থোৱাৰ নিয়ম আছিল। সেয়েহে হয়তো এই নিয়ম নমনা এচাম তথাকথিত বৰ্ণ হিন্দুৱে কৈৱৰ্তসকলক ভাৰতৰ অন্য প্ৰান্তৰ 'ডোম' জাতিৰ লগত তুলনা কৰি কথাই কথাই কৈৱৰ্ত জাতিটোক হেয় প্ৰতিপন্ন কৰিবলৈ সেই শ্লেষাত্মক শব্দটো ব্যৱহাৰ কৰি আহিছিল আৰু ঠাই বিশেষে আজিও এচামে ব্যৱহাৰ কৰি আছে। প্ৰণিধানযোগ্য যে ১৮৯১ৰ লোকপিয়লৰ সময়ত কৈৱৰ্ত জাতিটোৰ লোকসকলক গ্লানিযুক্ত 'ডোম' শব্দটোৰ পৰিৱৰ্তে মান্য শব্দ কৈৱৰ্ত হিচাপে লিখিবলৈ আৰু মৰ্যাদা দিবলৈ সেই সময়ৰ আয়ুক্ত গ্ৰেইট চাহাবে ভালে সংখ্যক সত্ৰাধিকাৰ আৰু সেই সময়ৰ গণ্য মান্য বুলি বিবেচিত লোকৰ মতামত বিচাৰিছিল । তেতিয়াও নিৰ্মল চন্দ্ৰ গোস্বামীৰ দৰে বহুতো বৰ্ণ হিন্দুৱে জাত-পাতৰ ৰাজনীতিৰে কৈৱৰ্ত জাতিটোৰ মৰ্যাদাক কুঠাৰঘাত কৰিলে। সেই সময়ত কৈৱৰ্ত নেতা হলিৰাম হাজৰিকা, মহেশ্বৰ তামুলী, শিৱৰাম মেধীৰ দৰে লোকৰ জাতীয় চেতনা তীব্ৰতৰ হোৱাৰ ফলত ১৯০০ত 'কৈৱৰ্ত হিতাধিকাৰী সভা' গঠন কৰা হয়। কৈৱৰ্ত নেতাসকলৰ কঠোৰ পৰিশ্ৰম আৰু ইংৰাজসকলৰ সহযোগিতাৰ বাবে ১৯০১ত নিজৰ আত্মপৰিচয়ৰে লোকপিয়লত কৈৱৰ্ত হিচাপে নাম লিখাবলৈ সক্ষম হয়। হেমকোষত থকা 'ডোম' শব্দটো নাইকিয়া কৰিবলৈ উচ্চতম ন্যায়ালয়ত গোচৰ তৰা হয়। ন্যায়ালয়ে কৈৱৰ্ত জাতিটোৰ পক্ষে ৰায় দিয়াৰ পাছতো 'হেমকোষ' অভিধানৰ পৰা সেই শব্দটো আঁতৰ কৰিবলৈ বহু বছৰ লাগিল। ২০১৩ৰ সংস্কৰণত হেমকোষৰ পৰা এই শব্দটো উঠাই দিয়া হ'ল। তথাপি আজিও অসমৰ কৈৱৰ্তসকল পদে পদে অৱহেলিত। এয়াই বৰ্ণ হিন্দুত্ববাদীসকলৰ বিচাৰ আৰু চৰিত্ৰ। জাত-পাত বিচাৰৰ নামত সমাজ কলুষিত কৰিব খোজা এই বৰ্ণ হিন্দুত্ববাদীসকলক পুলিয়ে পোখাই উচন কৰাৰ সময় সমাগত।

*ফোন ঃ ৮৬৩৮৭৫৯৬৭৯*

## মেক্সিকোত পুনৰ সন্ধানহীন সাংবাদিকৰ মৃতদেহ উদ্ধাৰ



**নিউজ ব্যুৰ', মেক্সিকো চিটি, ২৯ আগষ্ট ঃ** পুনৰ এজন সাংবাদিকৰ মৃতদেহ উদ্ধাৰ হ'ল মেক্সিকোত। মেক্সিকোৰ চিনাল'য়া প্ৰদেশৰ গৱৰ্ণৰে প্ৰকাশ কৰা অনুসৰি যোৱা বৃহস্পতিবাৰে মেক্সিকোৰ উপকূলৱৰ্তী মাজালটান চহৰত এটা খালত এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। পাছত ব্যক্তিজনক সাংবাদিক তথা ৰেডিঅ' সঞ্চালিকা কেণ্ডিদা ক্ৰিষ্টেল ভাজকুৰেজৰ নামৰে চিনাক্ত কৰা হয়। উল্লেখ্য যে চলিত বৰ্ষত বৰ্তমানলৈকে ১৯ জন সাংবাদিকে প্ৰাণ হেৰুৱালে মেক্সিকোত। মেক্সিকোৰ অপৰাধ চক্ৰই সাংবাদিকক আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰি আহিছে। যোৱা জুলাইত সাংবাদিক কেণ্ডিদা সন্ধানহীন হৈছিল আৰু অৱশেষত সাংবাদিকগৰাকীৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰিলে।

## 'টুইন টাৱাৰ' ধ্বংসৰ পাছত বিজেপি নেতাৰ দাবী ঃ মুম্বাইতো অবৈধ অট্টালিকাৰ জৰীপ হওক



**নিউজ ব্যুৰ', মুম্বাই, ২৯ আগষ্ট ঃ** বিজেপিৰ নেতা কিৰীট চৌমেয়াই আজি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডেক মুম্বাইৰ সকলোবোৰ অবৈধ উচ্চ অট্টালিকা নিৰ্মাণৰ বিশেষ জৰীপ সম্পন্ন কৰিবলৈ অনুৰোধ জনালে। চৌমেয়াই নয়ডাত অবৈধভাৱে নিৰ্মাণ কৰা ১০০ মিটাৰ উচ্চতাৰ ছুপাৰটেক টুইন টাৱাৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ধ্বংস কৰাৰ এদিন পাছতে মুম্বাইতো সকলো ফ্লেটৰ বাসিন্দাৰ নিৰাপত্তা নিশ্চিতকৰণৰ বাবে অবৈধভাৱে নিৰ্মাণ কৰা অট্টালিকাৰ জৰীপ চৰকাৰে কৰাটো অতি জৰুৰী বুলি দাবী কৰিলে। চৌমেয়াই মুখ্যমন্ত্ৰীলৈ পত্ৰ লিখি এই দাবী উত্থাপন কৰে। বিজেপি নেতাজনে লগতে অভিযোগ কৰি কয় যে গৃহ নিৰ্মাতাসকলৰ লবীয়ে বৃহনমুম্বাই পৌৰ নিগম (বি এম চি)ৰ বিষয়া-কৰ্মচাৰীৰ স'তে বুজাপৰা কৰি মুম্বাইত অবৈধভাৱে উচ্চ অট্টালিকা নিৰ্মাণ কৰি আহিছে। এই সন্দৰ্ভত মহাৰাষ্ট্ৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা জৰুৰী বুলি চৌমেয়াই মত প্ৰকাশ কৰে।

## 'জন অৰণ্য' খ্যাত বাংলা অভিনেতা প্ৰদীপ মুখাৰ্জীৰ মৃত্যু



**নিউজ ব্যুৰ' কলকাতা, ২৯ আগষ্ট ঃ** বাংলা চলচ্চিত্ৰৰ প্ৰবীণ অভিনেতা প্ৰদীপ মুখাৰ্জীৰ মৃত্যু হ'ল। 'জন অৰণ্য', 'দূৰত্ব', 'অশ্লীলতাৰ দায়ে', 'সতী', 'কালৰাত্ৰি', 'দহন', 'উৎসৱ', 'মন্দ মেয়েৰ উপাখ্যান'ৰ দৰে বহুকেইখন জনপ্ৰিয় বাংলা ছবিত মুখাৰ্জীয়ে অভিনয় কৰিছিল। বিশেষকৈ সত্যজিৎ ৰায়ৰ বিখ্যাত চলচ্চিত্ৰ 'জন অৰণ্য'ত সোমনাথ চৰিত্ৰত অভিনয় কৰি মুখাৰ্জীয়ে দৰ্শক-সমালোচকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। বুদ্ধদেৱ দাশগুপ্ত, অপৰ্ণা সেন, ঋতুপৰ্ণ ঘোষৰ দৰে আগশাৰীৰ পৰিচালকৰ ছবিতো তেওঁ অভিনয় কৰিছিল। ৭৬ বছৰীয়া অভিনেতাজনে শেহতীয়াভাৱে হাওঁফাওঁৰ সংক্ৰমণত ভুগি চিকিৎসাধীন হৈছিল আৰু আজি পুৱাতে শেষনিশ্বাস ত্যাগ কৰে।

## কুঁৱাত জাঁপ দিম, কিন্তু কংগ্ৰেছত মই যোগদান নকৰো ঃ মন্তব্য কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীৰ



**নিউজ ব্যুৰ', নাগপুৰ, ২৯ আগষ্ট ঃ** কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে মন্তব্য কৰি কয় যে তেওঁ কেতিয়াও কংগ্ৰেছ দলত যোগদান নকৰে। কংগ্ৰেছত যোগদান কৰাৰ পৰিৱৰ্তে কুঁৱাত জাঁপ দিবলৈ সাজু আছে বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে তেওঁৰ মতাদৰ্শৰ স'তে কংগ্ৰেছৰ কোনো মিল নাই। নাগপুৰত উদ্যোগীৰ এক সন্মিলনত অংশ লৈ গাডকাৰীয়ে কয়, 'মোৰ শৈশৱৰ বন্ধু তথা কংগ্ৰেছৰ নেতা শ্ৰীকান্ত জিচকৰে মোক পৰামৰ্শ দি কৈছিল যে বিজেপি ত্যাগ কৰি মই কংগ্ৰেছত যোগদান কৰা উচিত। এয়া সেই সময়ৰ কথা আছিল, যেতিয়া মই ছাত্ৰ নেতা আছিলো আৰু বিজেপিয়ে নিৰ্বাচনত হাৰিছিল। কিন্তু মই তেওঁক কৈছিলো যে লাগিলে মই কুঁৱাতে জাঁপ দিম, কিন্তু কংগ্ৰেছলৈ নাযাও। কিয়নো মোৰ চিন্তাধাৰাৰ স'তে কংগ্ৰেছৰ কোনো মিল নাই।'

## তালিবানৰ শাসনত এবছৰ পাছত আফগানিস্তানত মুকলি হ'ল চিত্ৰগৃহ



**নিউজ ব্যুৰ', কাবুল, ২৯ আগষ্ট ঃ** তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছতে দেশখনৰ চিত্ৰগৃহসমূহ বন্ধ কৰি দিছিল। তালিবান শাসনৰ এবছৰ সম্পূৰ্ণ হোৱাৰ পাছত দেশৰ কে'বাটাও চিত্ৰগৃহ মুকলি কৰাৰ অনুমতি দিলে তালিবান প্ৰশাসনে। অৱশ্যে তালিবানে মহিলাক চলচ্চিত্ৰত অভিনয় কৰাৰ বাবে এতিয়াও অনুমতি দিয়া নাই। অচিৰে আফগানিস্তানত সকলোবোৰ চিত্ৰগৃহ দৰ্শকৰ বাবে পুনৰ মুকলি কৰাৰ সম্ভাৱনা আছে।

## ৰাছিয়াৰ নিয়ন্ত্ৰণত থকা ইউক্ৰেইনৰ অঞ্চলত নিজৰ প্ৰশাসক নিয়োগ কৰিছে ৰাছিয়াই

# ইউক্ৰেইন এৰি ৰাছিয়ালৈ আহিলে পুটিনে দিব ১০ হেজাৰ ৰুবল



**নিউজ ব্যুৰ' মস্কো, ২৯ আগষ্ট ঃ** কালি ৰাছিয়াই ঘোষণা কৰি কৈছিল যে বৰ্তমানৰ পৰিস্থিতিত যদি ইউক্ৰেইনে উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (নাটো)ত যোগদানৰ মনোবাঞ্চা ত্যাগো কৰে, তেতিয়াও ৰাছিয়াই দেশখনৰ পৰা সেনা প্ৰত্যাহাৰ নকৰে। আজি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে আন এক ঘোষণা পত্ৰত স্বাক্ষৰ কৰিলে। এই ঘোষণা পত্ৰত উল্লেখ কৰা অনুসৰি ইউক্ৰেইনৰ যিসকল নাগৰিকে দেশ ত্যাগ কৰি ৰাছিয়াত বসবাসৰ বাবে আহিব, পুটিন প্ৰশাসনে তেওঁলোকক বিশেষ আৰ্থিক সাহায্য প্ৰদান কৰিব। পেঞ্চনভুক্ত লোক, গৰ্ভৱতী মহিলা, শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে ৰাছিয়াত থাকিব বহু সুযোগ আৰু সুবিধা। ৰাছিয়াৰ চৰকাৰী ৱেবছাইটত আজি এই ঘোষণা পত্ৰ প্ৰকাশ কৰা হৈছে। এই ঘোষণা পত্ৰত উল্লেখ কৰা মতে, যোৱা ১৮ ফেব্ৰুৱাৰীৰ পাছৰে পৰা যিসকল লোকে ইউক্ৰেইন ত্যাগ কৰি ৰাছিয়াত আশ্ৰয় গ্ৰহণ কৰিলে তেওঁলোকক পুটিন চৰকাৰে প্ৰতি মাহে ১৭০ ডলাৰ অৰ্থাৎ ১০ হেজাৰ ৰুবল সাহায্য হিচাপে আগবঢ়াব। দিব্যাংগসকলকো ৰাছিয়াই প্ৰতি মাহে বিত্তীয় সাহায্য আগবঢ়াব।

একেখন ঘোষণা পত্ৰত এই কথাও কোৱা হৈছে যে ইউক্ৰেইনৰ নাগৰিক আৰু স্বঘোষিত ডনেৎস্ক আৰু লোহানস্ক অঞ্চলৰ বাসিন্দায়ো ৰাছিয়াৰ পৰা এই বিত্তীয় সাহায্য লাভ কৰিব। উল্লেখ্য যে ১৮ ফেব্ৰুৱাৰীত ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰাৰ পূৰ্বেও পুটিনে ঘোষণা কৰি কৈছিল যে ইউক্ৰেইনৰ ডনেৎস্ক আৰু লোহানস্ক অঞ্চল ত্যাগ কৰি ৰাছিয়াত আশ্ৰয় ল'লে তেনে লোকক ১০ হেজাৰ ৰুবল প্ৰদান কৰা হ'ব। ইউক্ৰেইনৰ যিসমূহ অঞ্চল ৰাছিয়াৰ নিয়ন্ত্ৰণত আছে, তেনে অঞ্চলত ৰাছিয়াই নিজৰ এজন প্ৰশাসক নিয়োগ কৰিছে। এইসমূহ অঞ্চলৰ বাসিন্দাক ৰাছিয়াৰ পাৰপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়াও আৰম্ভ কৰা হৈছে।

## কেৰালাত ভূমিস্খলনত একে পৰিয়ালৰ পাঁচজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ' তিৰুঅনন্তপুৰম, ২৯ আগষ্ট ঃ** কেৰালাৰ তুদুপুজ্জাত প্ৰবল বৃষ্টিপাতৰ ফলত সংঘটিত হোৱা ভূমিস্খলনৰ ঘটনাত একেটা পৰিয়ালৰ পাঁচজন লোকৰ মৃত্যু হ'ল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, এই ঘটনা ইডুক্কি জিলাৰ কাঞ্জৰ গাঁৱত যোৱা নিশা আঢ়ৈ বজাত সংঘটিত হৈছিল। ভূমিস্খলনৰ ফলত কাঞ্জৰ গাঁৱৰ এটা পৰিয়ালৰ পাঁচ বছৰীয়া শিশুসহ পাঁচজন সদস্যৰ মৃত্যু হ'ল। কেৰালাৰ পাহাৰীয়া অঞ্চলত বিগত দুদিন ধৰি প্ৰবল বৃষ্টিপাত অব্যাহত আছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বতৰ বিজ্ঞান বিভাগে মঙলবাৰলৈকে ৰাজ্যখনৰ সকলো জিলাত হালধীয়া সতৰ্কতা জাৰি কৰিছে।

## দিপাৱলীত দেশত ৫ জি সেৱা মুকলি কৰিব ৰিলায়েন্স জিঅ'ই ঃ ঘোষণা আম্বানীৰ





**নিউজ ব্যুৰ', মুম্বাই, ২৯ আগষ্ট ঃ** অপেক্ষাৰ অন্ত। আগন্তুক দিপাৱলীত ভাৰতত বহু প্ৰতীক্ষিত ৫ জি ম'বাইল ইণ্টাৰনেট সেৱা আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব ৰিলায়েন্স জিঅ'ই। আজি কোম্পানীটোৰ অধ্যক্ষ মুকেশ আম্বানীয়ে এই কথা ঘোষণা কৰি জনোৱা অনুসৰি দিপাৱলীৰ ভিতৰতে দেশৰ কে'বাখনো চহৰত জিঅ'ই ৫ জি সেৱা আৰম্ভ কৰিব। অহা বছৰৰ ডিচেম্বৰৰ ভিতৰত জিঅ'ৰ ৫ জি সেৱাই সমগ্ৰ দেশক সামৰি ল'ব বুলিও আম্বানীয়ে জানিবলৈ দিয়ে। জিঅ'ই সৰ্বোত্তম মানৰ আৰু সবাতোকৈ কম মূল্যৰ ডেটা প্ৰদান কৰিব বুলিও প্ৰতিষ্ঠানটোৰ মুৰব্বীয়ে প্ৰতিশ্ৰুতি দিয়ে। দিল্লী, মুম্বাই, কলকাতা, চেন্নাইসহ দেশৰ কে'বাখনো মহানগৰত অহা দিপাৱলীৰ ভিতৰত ৰিলায়েন্স জিঅ'ই প্ৰথম পৰ্যায়ত ৫ জি সেৱা আৰম্ভ কৰিব।

## পাৰ্থহঁত চোৰ, বিজেপি তেন্তে সাধু? আক্ৰমণ মুখ্যমন্ত্ৰী মমতাৰ



**নিউজ ব্যুৰ' কলকাতা, ২৯ আগষ্ট ঃ** বিজেপিক আজি কঠোৰভাৱে সমালোচনা কৰিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। তৃণমূল ছাত্ৰ পৰিষদৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত ধৰ্মতলাত আয়োজিত এক অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী মমতাই তেওঁৰ পৰিয়ালৰ সম্পত্তি বৃদ্ধিৰ সন্দৰ্ভত কলকাতা উচ্চ ন্যায়ালয়ৰ এক গোচৰৰ প্ৰসংগত মন্তব্য কৰি কয়, 'মই এক লাখ টকাকৈ পেঞ্চন ১২ বছৰে গ্ৰহণ কৰা নাই। কিমান টকা হ'ব? ছাত্ৰ-যুৱকসকলে হিচাপ কৰক। কিতাপ কিয় বিক্ৰী কৰো, তাক লৈও প্ৰশ্ন। গ্ৰন্থমেলালৈ গৈ খবৰ লওক, কোনখন গ্ৰন্থ সৰ্বাধিক বিক্ৰী হৈছিল। লিখি দেখুওৱাক এহেজাৰটা কবিতা। এইবোৰ কি মোৰ সম্পত্তি? আমি সকলো পৃথক পৃথক পৰিয়ালৰ। মাৰ দায়িত্ব মোৰ ওপৰত আছিল। আমাৰ সকলোৰে পৰৱৰ্তী প্ৰজন্ম আছে আৰু তেওঁলোকে উপাৰ্জন কৰিছে। মোৰ সকলো তথ্যপাতি দিয়া আছে। মই কওঁ, এই গোচৰ আন্তৰ্জাতিক আদালতত কৰা হওঁক।' মমতাই বিজেপি আৰু কেন্দ্ৰীয় চৰকাৰক আক্ৰমণ কৰি লগতে কয়, 'ই ডি-চিবিআইৰ জৰিয়তে ঘৰে ঘৰে গৈ টকা লুট কৰা হৈছে। তৃণমূল কংগ্ৰেছৰ নাম বদনাম কৰা হৈছে। পাৰ্থও চোৰ, কেষ্টও চোৰ, ববিও চোৰ, অভিষেকো চোৰ, মমতাও চোৰ। সাধু কোন? বিজেপিৰ সকলো সাধু? মোক সোধা হৈছে মোৰ সম্পত্তি কিমান? পৈতৃক ভূমিত আমি থাকো। ৭০ বছৰ ধৰি এই ভূমিত দেউতা আছিল আৰু এতিয়া মা আৰু মই থাকো। বাকী ভাই-ভনীসকলে নিজৰ পৃথক সংসাৰ-ঘৰ কৰিলে।'

## দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ সাত হেজাৰৰ ঘৰলৈ নামিল, মৃত্যু ৪৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ আগষ্ট ঃ** দেশত একেৰাহে দুদিন ধৰি ক'ভিডৰ দৈনিক সংক্ৰমণ ন হেজাৰৰ ঘৰত থকাৰ পাছত যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ৭,৫৯১ জনলৈ হ্ৰাস পালে। দেওবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৯৪৩৬ জন। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ১৬৩৯, কেৰালাত ১১২৩, কৰ্ণাটকত ৯২৯ আৰু তামিলনাডুত ৫২৫ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি দেশৰ বিভিন্ন ৰাজ্যত বিগত এদিনত ৪৫ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত ১৭ জন, মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু দিল্লীত পাঁচজন, পশ্চিমবংগ আৰু মিজোৰামত তিনিজনকৈ ক'ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে।

## পাকিস্তানত প্ৰতি কিলো বিলাহী ৫০০-পিঁয়াজ ৪০০ টকাত বিক্ৰী হৈছে



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ আগষ্ট ঃ** পাকিস্তানৰ লাহোৰ আৰু পঞ্জাৱ প্ৰদেশত প্ৰলয়কাৰী বানৰ পাছত শাক-পাচলিৰ মূল্য আকাশলংঘী হৈছে। লাহোৰৰ বজাৰত সম্প্ৰতি প্ৰতি কিলো বিলাহীৰ মূল্য ৫০০ টকা আৰু পিঁয়াজৰ মূল্য ৪০০ টকালৈকে বৃদ্ধি পাইছে। বানৰ ফলত বেলুচিস্তান, সিন্ধ আৰু দক্ষিণ পঞ্জাৱৰ পৰা শাক-পাচলিৰ সৰবৰাহ বন্ধ হোৱাৰ ফলত লাহোৰ আৰু পঞ্জাৱ প্ৰদেশত পাচলিৰ মূল্য অত্যধিক বৃদ্ধি পাইছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পাকিস্তানে ভাৰতৰ পৰা বিলাহী আৰু পিঁয়াজ আমদানি কৰাৰ সিদ্ধান্ত লৈছে। লাহোৰ বজাৰৰ এজন পাইকাৰী বিক্ৰেতাৰ প্ৰকাশ কৰা অনুসৰি বৰ্তমানৰ পৰিস্থিতি বাহাল থাকিলে আগন্তুক দিনত পিঁয়াজ আৰু বিলাহীৰ মূল্য প্ৰতি কিলোত ৭০০ টকালৈকে বৃদ্ধি পাব পাৰে। ইফালে, দেশখনৰ বজাৰত প্ৰতি কিলো আলুৰ মূল্য ৪০ টকাৰ পৰিৱৰ্তে ১২০ টকালৈ বৃদ্ধি পালে।

## চাৰিজন জ্যেষ্ঠ নাগৰিকৰ উদ্যোগত নয়ডাত ধ্বংস কৰা হ'ল অবৈধ 'টুইন টাৱাৰ'





**নিউজ ব্যুৰ', গাজিয়াবাদ, ২৯ আগষ্ট ঃ** নয়ডাৰ বহুচৰ্চিত ছুপাৰটেক টুইন টাৱাৰ এতিয়া এক ইতিহাসত পৰিণত হ'ল। দেওবাৰে দুপৰীয়া ২-৩০ বজাত এই অবৈধ অট্টালিকা দুটা অত্যাধুনিক প্ৰযুক্তিৰে মাত্ৰ ন ছেকেণ্ডৰ ভিতৰতে ধ্বংসস্তুপত পৰিণত কৰা হ'ল। এশ মিটাৰ উচ্চতাৰ বহু বিতৰ্কিত টুইন টাৱাৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত কালি ধ্বংস কৰা হৈছিল। এই অট্টালিকা দুটা ধ্বংস কৰাৰ পাছত সামাজিক মাধ্যমত চাৰিজন বয়োজ্যেষ্ঠ ব্যক্তি বিশেষভাৱে চৰ্চিত হৈছে। দৰাচলতে চাৰিজন জ্যেষ্ঠ নাগৰিকৰ উদ্যোগতহে ন্যায়ালয়ে নয়ডাৰ এই অবৈধ অট্টালিকা দুটা ধ্বংস কৰিবলৈ নিৰ্দেশ দিছিল। এই চাৰিজন জ্যেষ্ঠ নাগৰিকে ১০ বছৰ ধৰি প্ৰথমে উচ্চ ন্যায়ালয় আৰু পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈ অবৈধ অট্টালিকা নিৰ্মাণৰ বিৰুদ্ধে থিয় দিছিল। ছুপাৰটেক কোম্পানীৰ বিৰুদ্ধে অবৈধ নিৰ্মাণৰ সুযোগৰে আদালতৰ দ্বাৰস্থ হোৱা এই চাৰিজন ব্যক্তিক কোম্পানীটোৱে ভয়-ভাবুকিৰ লগতে প্ৰলোভনো দিছিল, কিন্তু এনেধৰণৰ ভাবুকি-প্ৰলোভনত বিচলিত নহৈ চাৰি বয়োজ্যেষ্ঠ নাগৰিকে ন্যায়ালয়ত আইনী যুঁজ অব্যাহত ৰাখি অৱশেষত টুইন টাৱাৰ ধ্বংসস্তুপত পৰিণত কৰিলে। এমৰ'ল্ড ক'ৰ্টত ৰেছিডেণ্টছ ৱেলফেয়াৰ এছ'চিয়েচনৰ সভাপতি উদয়ভান তেবতিয়া কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী (চি আই এছ এফ)ৰ অৱসৰপ্ৰাপ্ত বিষয়া আছিল। উদয়ভানে ছুপাৰটেকৰ বিৰুদ্ধে আইনী যুঁজত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। উদয়ভানৰ স'তে আছিল এছ কে শৰ্মা, ৰবি বাজাজ আৰু এম কে জৈন। এই চাৰিজন ব্যক্তিয়ে প্ৰথমতে এলাহাবাদ উচ্চ ন্যায়ালয়ত ছুপাৰটেকৰ টুইন টাৱাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছিল। ২০১২ৰ ১২ ডিচেম্বৰত তেওঁলোকে প্ৰথমবাৰ আদালতৰ দ্বাৰস্থ হৈছিল। ১০ বছৰত আইনী যুদ্ধৰ পাছত তেওঁলোকে জয়লাভ কৰিছিল। ১০ বছৰীয়া এই যুঁজখনে উচ্চ ন্যায়ালয়ৰ পৰা উচ্চতম ন্যায়ালয়ত অৱতীৰ্ণ হৈছিল আৰু অৱশেষত সৰ্বোচ্চ ন্যায়ালয়ত এমৰ'ল্ড ক'ৰ্ট ৰেছিডেণ্টছ ৱেলফেয়াৰ এছ'চিয়েচনে ছুপাৰটেকৰ বিৰুদ্ধে জয়লাভ কৰে। উল্লেখ্য যে টুইন টাৱাৰৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হোৱা এম কে জৈনৰ ইতিমধ্যে কৰ'নাত মৃত্যু হ'ল। অন্য তিনিওজন জ্যেষ্ঠ নাগৰিক জীৱিত।

## সোণালীক দুবাৰকৈ দিছিল ড্ৰাগ্‌ছ, সুধীৰে কৰিলে স্বীকাৰ



**নিউজ ব্যুৰ', পানাজী, ২৯ আগষ্ট ঃ** বিজেপি নেত্ৰী তথা অভিনেত্ৰী সোণালী ফ'গটৰ হত্যাৰ গোচৰত অধিক তথ্য পোহৰলৈ আহিল। গোৱা আৰক্ষীয়ে এই ঘটনাৰ তদন্ত চলাই বহু চাঞ্চল্যকৰ তথ্য উদ্ধাৰ কৰিলে। সোণালীক কোনে কেনেকৈ ড্ৰাগছ সেৱন কৰাইছিল, সেই সন্দৰ্ভত তথ্য প্ৰকাশ কৰি গোৱা আৰক্ষীয়ে কয় যে সোণালীক তেওঁৰ ব্যক্তিগত সচিব সুধীৰ চাংগৱানে বলপূৰ্বক ড্ৰাগছ সেৱন কৰাইছিল। আৰক্ষীৰ জেৰাত ইতিমধ্যে সুধীৰে এই কথা স্বীকাৰ কৰি জনোৱা অনুসৰি, তেওঁ দুবাৰকৈ সোণালীক পানীয় দ্ৰব্যৰ স'তে ড্ৰাগছ মিহলি কৰি পান কৰাইছিল। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি সুধীৰ আৰু সুখবিন্দৰে পাঁচ হেজাৰ আৰু সাত হেজাৰ টকাৰ বিনিময়ত ড্ৰাগছ সংগ্ৰহ কৰিছিল। যোৱা ২২ আগষ্টত সোণালী সুধীৰ আৰু সুখবিন্দৰৰ স'তে বিমানযোগে গোৱাত উপস্থিত হৈছিল। সেইদিনা নিশা ১০ বজাত সুধীৰ আৰু সুখবিন্দৰৰ স'তে সোণালীয়ে নৈশক্লাবলৈ গৈছিল আৰু তাত প্ৰথমবাৰ সুধীৰে বলপূৰ্বক অভিনেত্ৰীগৰাকীক ড্ৰাগছ সেৱন কৰাইছিল। ইয়াৰ পাছত নিশা ১২ বজাত সোণালীক সুধীৰে দ্বিতীয়বাৰ ড্ৰাগছ সেৱন কৰাইছিল। নিশা ২-৩০ বজাত সোণালী অসুস্থ হৈছিল আৰু পিছদিনা তেওঁক চিকিৎসালয়লৈ নিয়াত চিকিৎসকে মৃত ঘোষণা কৰিছিল। সোণালীৰ ৰহস্যজনক মৃত্যুৰ সন্দৰ্ভত গোৱা আৰক্ষীয়ে সুধীৰ, সুখবিন্দৰসহ পাঁচজন লোকক বৰ্তমানলৈকে গ্ৰেপ্তাৰ কৰিছে।

## ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত একেলগে বহাটো ভাৰতীয় সংস্কৃতি বিৰোধী, হিন্দুত্ববাদী নেতাৰ মন্তব্যত বিতৰ্ক



**নিউজ ব্যুৰ', কোচ্চি, ২৯ আগষ্ট ঃ** কেৰালাৰ হিন্দুত্ববাদী নেতা হিচাপে পৰিচিত ভেল্লাপল্লী নটেছনে শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাত ল'ৰা-ছোৱালীয়ে একেলগে শিক্ষাগ্ৰহণ কৰাৰ বিৰোধিতা কৰি কয় যে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে একেলগে বহাটো ভাৰতীয় সংস্কৃতিৰ পৰিপন্থী কাৰ্য। এনে কাৰ্যই অৰাজকতা সৃষ্টি কৰে বুলিও হিন্দুত্ববাদী নেতাজন মন্তব্য কৰিলে। কালিও কেৰালাৰ কোচ্চিত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি ভেল্লাপল্লীয়ে কয় যে ৰাজ্যখনৰ এল ডি এফ চৰকাৰে ছাত্ৰ-ছাত্ৰী উভয়ৰ বাবে একে পোছাকবিধি প্ৰৱৰ্তন কৰা আৰু শ্ৰেণীকোঠাত একেলগে অধ্যয়ন কৰিবলৈ অনুমতি দিয়াটো অনুচিত কাৰ্য। কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ ঘনিষ্ঠ হিচাপে পৰিচিত হিন্দুত্ববাদী নেতাজনে মন্তব্য কৰি কয়, 'শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক একেলগে বহিবলৈ দিয়াৰ আমি বিৰোধী। আমাৰ নিজৰ সংস্কৃতি আছে। আমি আমেৰিকা বা ইংলণ্ডত বাস কৰা নাই। ছাত্ৰ-ছাত্ৰীয়ে একেলগে বহিলে অৰাজকতাৰ সৃষ্টি হয়।' ভেল্লাপল্লীৰ এই মন্তব্যই কেৰালাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## বাসগৃহত অগ্নিসংযোগ কৰি বন্দুকধাৰীৰ আক্ৰমণত চাৰিজনৰ মৃত্যু আমেৰিকাত



**নিউজ ব্যুৰ', টেক্সাছ, ২৯ আগষ্ট ঃ** আগ্নেয়াস্ত্ৰ আইন সংশোধন কৰিলেও বন্দুকধাৰীৰ আক্ৰমণৰ ঘটনা হ্ৰাস পোৱা নাই আমেৰিকাত। কালি দেশখনৰ টেক্সাছত এটা বাসগৃহত জুই লগাই গুলিবৰ্ষণৰ ঘটনা সংঘটিত কৰিছিল এজন ব্যক্তিয়ে। জুই লগা দেখি বাসগৃহটোৰ পৰা বাসিন্দাসকলে পলায়ন কৰাৰ সময়ত বন্দুকধাৰীয়ে গুলিবৰ্ষণ কৰাত কমেও চাৰিজন লোকৰ ঘটনাস্থলীতে মৃত্যু হ'ল। এই ঘটনাত আন কে'বাজনো লোক আহত হয়। অৱশ্যে লগে লগে ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে গুলিবৰ্ষণ কৰাত বন্দুকধাৰীও ধৰাশায়ী হয়। কি কাৰণত উক্ত ব্যক্তিজনে এই আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ঘটনাৰ সন্দৰ্ভত টেক্সাছ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আক্ৰমণকাৰীজন প্ৰায় ৪০ বছৰীয়া আফ্ৰিকান মূলৰ মাৰ্কিন নাগৰিক আছিল।

## ৰসগোল্লা-গোলাপজামুত চেনি, চিংৰাত শৰ্কৰা কিমান থাকিব নিৰ্ণয় কৰিব এফএছএছআয়ে



**নিউজ ব্যুৰ', কলকাতা, ২৯ আগষ্ট ঃ** কোন মিঠাই কেনেধৰণৰ স্বাদ থাকিব বা চিংৰা এটা কিমান নিমখীয়া হ'ব, ৰসগোল্লা কিমান মিঠা হ'ব; ইয়াৰ মাপকাঠি সংশ্লিষ্ট মিষ্টান্ন প্ৰস্তুতকাৰকে নিৰ্ণয় কৰে আৰু এয়া হৈছে একপ্ৰকাৰৰ 'ব্যৱসায়ৰ গোপনীয়তা'। সকলো মিষ্টান্ন প্ৰস্তুতকাৰকে পৃথক সোৱাদৰ মিঠাই তৈয়াৰ কৰে। কিছুমানে অত্যধিক মিঠা আৰু নিমখীয়া খাদ্য তৈয়াৰ কৰে। কিন্তু অচিৰে মিষ্টান্ন প্ৰস্তুতকাৰকে তৈয়াৰ কৰা মিঠাই আৰু নিমখীয়া খাদ্যত নিৰ্দিষ্ট পৰিমাণৰ চেনি আৰু নিমখ ব্যৱহাৰ কৰিব লাগিব পাৰে। কোন মিঠাইত কিমান চেনি বা চিংৰাত কিমান শৰ্কৰা থাকিব, ইয়াৰ মান নিৰ্ধাৰণ কৰিবলৈ সাজু হৈছে কেন্দ্ৰীয় ফুড ছেফটি এণ্ড ষ্টেণ্ডাৰ্ড অথৰিটি অব্ ইণ্ডিয়া (এফ এছ এছ আই)। ইতিমধ্যে এফ এছ এছ আয়ে দেশৰ আগশাৰীৰ মিষ্টান্ন প্ৰস্তুতকাৰকৰ লগতে ফেডাৰেচন অব্ ছুইটচ এণ্ড মেনুফেকচাৰাৰ্ছৰ স'তে সেই বিষয়ত দিহা-পৰামৰ্শ বিচাৰি যোগাযোগ কৰিছে। জনস্বাস্থ্যৰ খাতিৰত এফ এছ এছ আয়ে মিঠাই আৰু নিমখীয়া খাদ্যৰ সোৱাদৰ মান নিৰ্ধাৰণ কৰিব বিচাৰিছে। উল্লেখ্য যে বৰ্তমানে ভাৰতত প্ৰায়বোৰ ৰাজ্যতে পৃথক পদ্ধতিৰে মিঠাই তৈয়াৰ কৰা হয়। পশ্চিমবংগত মিঠাই তৈয়াৰত পানীৰ স'তে ৩০ শতাংশ চেনি ব্যৱহাৰ কৰাৰ বিপৰীতে বিহাৰত ৪০ শতাংশ চেনি ব্যৱহাৰ কৰা হয়। কিন্তু এফ এছ এছ আয়ে চেনি আৰু নিমখৰ ব্যৱহাৰৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিলে আগন্তুক সময়ত দেশৰ সকলো মিষ্টান্ন ব্যৱসায়ীয়ে সম পৰিমাণৰ চেনি, নিমখ ইত্যাদি ব্যৱহাৰ কৰাটো আইনসন্মত হ'ব।

# বাংলা ভাষাৰ স্বাধীনতা ৰক্ষাৰ বাবে ৰাজ্যত প্ৰতিবাদ কৰাটো স্বাভাৱিক ঃ দত্ত ৰায়

**শিলচৰ, ২৯ আগষ্ট ঃ** বাংলাভাষাৰ স্বাধীনতা ৰক্ষাৰ বাবে ৰাজ্যত প্ৰতিবাদ কৰাটো স্বাভাৱিক বুলি অভিহিত কৰিছে বিডিএফৰ মুখ্য আহ্বায়ক প্ৰদীপ দত্ত কেইমাহমান পূৰ্বে ছাইনব'ৰ্ডত অসমীয়া ভাষাত চৰকাৰী বিজ্ঞাপন প্ৰকাশ কৰাত জড়িত হৈ পৰা দত্তৰায়ৰ বিৰুদ্ধে 'হিন্দু যুৱ পৰিষদ' নামৰ এটা সংগঠনৰ সদস্য ৰঞ্জু দেৱনাথে গোচৰ তৰিছিল। এতিয়া দত্তৰায়ৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ বাবে উক্ত বিজয় পাণ্ডেয়ে তেওঁক ঘৰৰ পৰা ওলাই যাবলৈ ভাবুকি দিছে বুলি অভিযোগ কৰি ধলাই থানাত তেওঁৰ ঘৰৰ মালিক পাণ্ডেৰ বিৰুদ্ধে আন এক গোচৰ ৰুজু কৰিছে। এই প্ৰসংগত সাংবাদিকসকলৰ প্ৰশ্নৰ উত্তৰ দি দত্তৰায়ে সমগ্ৰ বিষয়টোক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

তেওঁ কয় যে যদি এই ৰাজ্যত বাংলা ভাষাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে বা বৰাক উপত্যকাৰ স্বাৰ্থত আন্দোলন হয় তেন্তে গোচৰ হ'ব নহ'লে জেল যাব লাগিব, এইবোৰ অতি স্বাভাৱিক কথা। এইবোৰ কথাত তেওঁ কেতিয়াও বিচলিত অনুভৱ নকৰে। তেওঁ কয় যে বেনাৰ বিতৰ্কৰ সময়ত তেওঁ আৰু বিডিএফ সদস্যৰ বিৰুদ্ধে বিভিন্ন স্থানত প্ৰায় ৫০ টা গোচৰ ৰুজু হৈছিল, তেওঁৰ প্ৰতিমূৰ্তিসমূহ বিভিন্ন ঠাইত জ্বলাই দিয়া হৈছিল। কিন্তু সকলোৰে তথ্যৰ বাবে তেওঁ জনায় যে ইতিমধ্যে আনুষংগিক সকলো গোচৰ প্ৰত্যাহাৰ কৰা হৈছে। ৰাষ্ট্ৰদ্ৰোহ গোচৰ সন্দৰ্ভত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ অনুসৰি এই কাম কৰা হৈছে বুলিও তেওঁ কয়। তেওঁ কয় যে ১০ বছৰীয়া অসম বিশ্ববিদ্যালয় আন্দোলনৰ সময়ছোৱাত তেওঁৰ বিৰুদ্ধে ২৭ টা গোচৰ ৰুজু হৈছিল। গতিকে তেওঁলোকক ভয় কৰাৰ প্ৰশ্নই নাহে আৰু তেওঁ ৰঞ্জু নাথ বা বিজয় পাণ্ডেকো চিনি নাপায় বুলিও কয়।

বিডিএফৰ মুখ্য আহ্বায়কজনে লগতে কয় যে বৰাকৰ একাংশ সংগঠন বা বুদ্ধিজীৱীয়ে বেনাৰ বিতৰ্কৰ সময়ত হোৱা চিয়াহী বা ভাবুকিক অতিৰঞ্জিত বুলি মন্তব্য কৰিছে। তেওঁ দুখ প্ৰকাশ কৰে যে সেই সময়ত বহুতে তেওঁৰ এই কাৰ্যক অনুকূল দৃষ্টিৰে চোৱা নাছিল, আনকি কিছুমানে কৈছিল যে অসমত থাকিব বিচাৰিলে এইবোৰৰ লগত খাপ খাব লাগিব এইটো নকৰে বা যদি ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকক ভাবুকি নিদিয়ে তেন্তে চৰকাৰে বেনাৰ বা পোষ্টাৰৰ সলনি বাংলা বেনাৰ লগাইছিল? শেহতীয়াকৈ শিক্ষাৰ মাধ্যমত মুখ্যমন্ত্ৰীৰ আহ্বানত গুৱাহাটীত অনুষ্ঠিত হোৱা বৈঠকত ৰাজ্যৰ সকলো জনসাধাৰণক প্ৰতিনিধিত্ব কৰা সংগঠনটোলৈ আমন্ত্ৰণ জনোৱা হৈছিল, কিন্তু কোনো এটা বাংলা আৰু বৰাক সংগঠনক আমন্ত্ৰণ জনোৱা হোৱা নাছিল বুলি প্ৰকাশ কৰে। তেওঁ কয় যে ছ'চিয়েল মিডিয়াত একাংশই প্ৰতিবাদ কৰিলেও এনে কোনো সাংগঠনিক প্ৰতিবাদ হোৱা নাই। কিছুদিন পূৰ্বে বৰাক উপত্যকাত একাংশ লোকে বৰাক-ব্ৰহ্মপুত্ৰ সমন্বয়ৰ নামত সভা আদি আয়োজন কৰা দেখা গৈছিল। তেওঁৰ প্ৰশ্নটো হ'ল এই বিষয়ত ব্যক্তি বা সংগঠনটো কিয় মৌনতা অৱলম্বন কৰিছে?

# শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে হৰিনামৰে মুখৰিত বিশ্বনাথ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ লগতে বিশ্বনাথ চাৰিআলিতো সত্ৰ-নামঘৰসমূহত পুৱাৰে পৰা আৰম্ভ হয় গুৰুজনাৰ গুণানুকীৰ্তন। ভক্তিৰসৰ অমিয়া সুৰ। বিশ্বনাথৰ বৃহত্তৰ মৰলগাঁৱত নামঘৰ প্ৰাংগণত পুৱাৰে পৰা স্থানীয় ৰাইজ তথা গোপিনীয়ে মুখৰিত কৰি তোলে হৰি নাম ধ্বনি। বৃহত্তৰ মৰলগাঁৱত পবিত্ৰ ভাদৰ এক সুকীয়া ঐতিহ্য আৰু বৈশিষ্ট্য আছে। পবিত্ৰ ভাদৰ আৰম্ভণিৰ দিনৰে পৰা চৌধ্য প্ৰসংগৰে মুখৰিত হৈ থাকে মৰলগাঁৱৰ নামঘৰ প্ৰাংগণ। এক মুহূৰ্তৰ বাবেও বন্ধ নহয় ৰাইজ তথা গোপিনীৰ হৰি নাম ধ্বনি। আজি জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৪ সংখ্যক তিৰোভাৱ তিথিৰ পবিত্ৰ ক্ষণত নিজস্ব সত্তাৰে জিলিকি উঠিছে আজি মৰলগাঁওবাসী।

# প্ৰাথমিক বিদ্যালয়ৰ প্ৰাথমিক স্তৰত ইংৰাজী পাঠ্যক্ৰমক আদৰণি কোচ ৰাজবংশী জাতীয় পৰিষদৰ

## কোচ ৰাজবংশী ভাষাৰ উপযোগী হোৱাকৈ কোচ ৰাজবংশী পাঠ্যক্ৰম আৰম্ভ কৰাৰ পোষকতা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ আগষ্ট ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক অনুষ্ঠান কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মনৰ সভাপতিত্বত পৰিষদৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহ সভা আজি চিৰাং জিলাৰ বিজনী চহৰস্থিত ঐতিহাসিক বুঢ়ীঠাকুৰাণী মন্দিৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে উদ্দেশ্য ব্যাখ্যা কৰা কাৰ্যনিৰ্বাহক সভাই কে'বাটাও শৈক্ষিক প্ৰস্তাৱ গৃহীত কৰে। এক সংবাদমেলত সংগঠনটোৰ সভাপতি বিমল কুমাৰ বৰ্মনে প্ৰকাশ কৰা মতে, কোচ ৰাজবংশী ভাষা আহ্বায়ক সমিতিয়ে ২৭ আৰু ২৮ আগষ্টত বঙাইগাঁও জিলা পুথিভঁৰালত ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰি কোচ ৰাজবংশী জনগোষ্ঠীৰ মান্যভাষাক 'কোচ ৰাজবংশী' হিচাপে আৰু অসমীয়া লিপিক কোচ ৰাজবংশী ভাষাৰ লিখিত ৰূপৰ লিপি হিচাপে গ্ৰহণ কৰা সিদ্ধান্তক কোচ ৰাজবংশী জাতীয় পৰিষদে আদৰণি জনায়। একেদৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা-কৃষ্টি, সংস্কৃতিৰ উন্নয়ন, বিকাশ, অধ্যয়ন আৰু গৱেষণা কৰাৰ বাবে অহা ছেপ্টেম্বৰৰ ভিতৰতে কোচ ৰাজবংশী ভাষাৰ



এক জাতীয় সংগঠন গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই প্ৰাথমিক বিদ্যালয়ৰ 'ক' শ্ৰেণীৰ পৰা 'পঞ্চম' শ্ৰেণীলৈ অসম চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত অসমৰ জাতি-জনগোষ্ঠীৰ মাতৃভাষাৰ ওপৰত শিক্ষাদানৰ সিদ্ধান্তক কোচ ৰাজবংশী জাতীয় পৰিষদে আদৰণি জনাই প্ৰাথমিক বিদ্যালয়ত কোচ ৰাজবংশী ভাষা পাঠদানত উপযোগী হোৱাকৈ উপযুক্ত পাঠ্যপুথি প্ৰণয়নৰ কৰাৰ বাবে বিমল কুমাৰ বৰ্মনক অধ্যক্ষ আৰু নৃপেন ৰায়ক মুখ্য আহ্বায়ক হিচাপে লৈ ৩১ জনীয়া আহ্বায়ক সমিতি গঠন কৰা হয়। লগতে প্ৰাথমিক বিদ্যালয়ত কোচ ৰাজবংশী ভাষাৰ পাঠদানত উপযোগী হোৱাকৈ বিজনী নৱৰত্ন একাডেমী, মাণিকপুৰ, অভয়াপুৰী, বইটামাৰী, চাপৰ, বঙাইগাঁও, বাসুগাঁও, কোকৰাঝাৰ, শক্তিআশ্ৰম আৰু বিলাসীপাৰাত চলিত শিক্ষবৰ্ষৰ পৰাই প্ৰমাণ পত্ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে কোচ ৰাজবংশী জাতীয় পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰে। সংবাদমেলত কোচ ৰাজবংশী জাতীয় পৰিষদৰ উপদেষ্টা সতীশ পাটগিৰি, সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়সহ কেন্দ্ৰীয় সমিতিৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে।

# টিহুত জাতীয় বিদ্যালয়-লেখিকা সমাৰোহৰ শংকৰদেৱৰ তিৰোভাৱ তিথি পালন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৯ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৪ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি টিহুৰ জাতীয় বিদ্যালয় আৰু টিহু শাখা লেখিকা সমাৰোহ সমিতিয়ে বিভিন্ন অনুষ্ঠান ৰূপায়ণ কৰে। এই উপলক্ষে টিহুৰ জাতীয় বিদ্যালয়ে বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধৰণী ডেকাই। শিক্ষয়িত্ৰী দীপাঞ্জলি পাঠকে আঁত ধৰা অনুষ্ঠানত শিক্ষক-শিক্ষাৰ্থীসকলে এটি আৰম্ভণি সংগীত পৰিৱেশনৰ পাছত এখন ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছত অনুৰাগ প্ৰবীৰ ডেকা, মানস প্ৰতীম কলিতা, বৰ্ণিল মেধি আৰু মৃগাংক শৰ্মাই বৰগীত, কাকলি শৰ্মাই লোকগীত পৰিৱেশনৰ উপৰি ৰচনা পাঠ, বক্তৃতা অনুষ্ঠান আদি ৰূপায়ণ কৰা হয়। সামৰণিত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে শিক্ষয়িত্ৰী মণিমালা দেৱীৰ তত্ত্বাৱধানত দুটি সুন্দৰ ভক্তিমূলক নাম পৰিৱেশন কৰে। গীত-মাত আৰু নাম-প্ৰসংগত বাদ্য সংগত কৰে কণ্ঠশিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰ, শিক্ষকদ্বয় মনোৰঞ্জন ডেকা আৰু নিৰঞ্জন দত্তই। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱ বিষয়ক ৰচনা প্ৰতিযোগিতাত ক শাখাত প্ৰথম কুনজৰ শৰ্মা, দ্বিতীয় মাধুৰ্য ডেকা, তৃতীয় ধৃতিস্মিতা তালুকদাৰ আৰু জাহ্নৱী তালুকদাৰে। খ শাখাত প্ৰথম ভাগৰ্ৱ বিকাশ তালুকদাৰ, দ্বিতীয় প্ৰিয়াংশু মেধি আৰু তৃতীয় স্থান লাভ কৰে চানদীপ কলিতাই। আনহাতে, বিয়লি টিহু শাখা লেখিকা সমাৰোহ সমিতিয়ে সৰ্বেশ্বৰ দাসে জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে এখন হাতে লিখা আলোচনী 'সৃজনী' উন্মোচন কৰে। টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী প্ৰতিভা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত আৰু সম্পাদিকা অলকা বুজৰবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা লগতে আঁতধৰা সভাখনতে সদ্য ঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ক্ৰমে অষ্টম স্থানপ্ৰাপ্ত হৰ্ষিত বৰ্মন আৰু নৱম স্থানপ্ৰাপ্ত সপ্তৰ্ষি কলিতাক অভিনন্দন জ্ঞাপন কৰা হয়। হৰিনাম কীৰ্তনেৰে আৰম্ভ কৰা সভাখনৰ বৰগীত, লোকগীত আদিয়ো পৰিৱেশন কৰা হয়। উক্ত সভাতে অৰুণাচলৰ পৰা অৱসৰ লোৱা আৰক্ষী বিষয়া প্ৰদীপ বৰ্মনকো সম্বৰ্ধনা জনোৱা হয়।

### লেখক সভাৰ কাৰ্যনিৰ্বাহক সম্পন্ন

# নলবাৰীত দিহা নামৰ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৯ আগষ্ট ঃ** 'এখন গ্ৰন্থ সৃষ্টিৰ আনন্দ সন্তান লাভৰ আনন্দৰ দৰে। গ্ৰন্থ হ'ল একো একোজন ব্যক্তিয়ে জীৱন সমুদ্ৰ মন্থন কৰি পোৱা অভিজ্ঞতাক আখৰৰ শিকলিৰে বান্ধি ৰখা ব্যৱস্থা।' নলবাৰী জিলাৰ চ'ক বজাৰস্থিত জিলা লেখক সভাৰ কাৰ্যনিৰ্বাহক সভা উপলক্ষে আয়োজিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত লেখিকা দিপালী মজুমদাৰৰ ধৰ্মীয় গ্ৰন্থ 'দিহা নামাঞ্জলি' উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ দীনেশ কলিতাই আজি এইদৰে কয়। তেওঁ লগতে কয় যে একোখন গ্ৰন্থৰ অন্তৰালত সোমাই থাকে একোটা জাতিৰ ইতিহাস। সমাজৰ ভাষা-সংস্কৃতি, চিন্তা-চেতনা সমষ্ট গ্ৰন্থতে সন্নিৱিষ্ট থাকে বুলি দোহাৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাষণ ৰাখি শিক্ষাবিদ অনিল ভট্টাচাৰ্যই কয় যে দিহা নামাঞ্জলি গ্ৰন্থখনৰ 'দিহা' শব্দ পৰিস্কাৰকৈ বোধগম্য হৈছে বুলি ব্যক্ত কৰে আৰু ভাষণত জিলা লেখক সভাক এটা ফটো গেলাৰী নিৰ্মাণ কৰিবলৈ উপদেশ প্ৰদান কৰে। জিলা লেখক সভাৰ সভাপতি অৰ্জুন সেন ডেকাৰ সভাপতিত্বত আৰু সম্পাদক বিজয় বৰুৱাই আঁতধৰা অনুষ্ঠানত পৌৰসভাৰ কমিছনাৰ অলকা বৰ্মন, কাৰ্যকৰী সভাপতি উমেশ চন্দ্ৰ শৰ্মা, সহকাৰী সম্পাদক তথা সাংবাদিক প্ৰাঞ্জল শৰ্মা, কেশৱ কলিতা, সাংগঠনিক সম্পাদক দিলীপ কুমাৰ শৰ্মা, বিশিষ্ট লেখক ৰফিউল হুছেইন বৰুৱা, সাহিত্যসেৱী অমূল্য দাস প্ৰমুখ্যে বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

# মহিলাক অশালীন প্ৰস্তাৱ দিয়া বন বিষয়াক গ্ৰেপ্তাৰ ঃ ন্যায়িক জিম্মালৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ আগষ্ট ঃ** 'কিবা এটা পাবলৈ হ'লে কিবা এটা দিব লাগিব—তোমাক মাতিলেই জানিবা কামটো হৈ যাব—' এনেদৰেই বিভিন্ন ধৰণৰ কথা কোৱা বিশ্বনাথ বন সংমণ্ডলৰ অধীনস্থ ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ ৰেঞ্জাৰে এগৰাকী মহিলাৰে হোৱা টেলিফোনিক বাৰ্তালাপ এতিয়া ব্যাপক চৰ্চাৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে উৎকোচ আৰু মহিলাক অশালীন প্ৰস্তাৱ দিয়া এইজন বন বিষয়াই নিজ মুখে বৰ্ণনা কৰিছে তেওঁ পূৰ্বে কৰা এনে অপকৰ্মৰ কথা। এনেদৰে সঘনাই ৰেঞ্জাৰ গগৈয়ে ফোন কৰা তেজপুৰৰ ৰূপকুৰীয়াৰ আব্দুল খালেক নামৰ লোকজনৰ পত্নী ৰহিমা বেগমক তেজপুৰৰ দোলাবাৰীত লগ ধৰিবলৈ অহাৰ পাছতে ক্ষুব্ধ মহিলাগৰাকীৰ লগতে একাংশ লোকৰ ক্ষোভৰ সন্মুখীন হয় আৰু গদৈক লপাথপা দি বৰঘাট আৰক্ষীক গতাই দিয়ে। বৰঘাট আৰক্ষী চকীৰ বিষয়া সীমান্ত পাঠকে প্ৰকাশ কৰা অনুসৰি, অভিযুক্ত ৰেঞ্জাৰ গগৈৰ বিৰুদ্ধে তেজপুৰ সদৰ আৰক্ষী থানাত ৯৩৮/২২ নম্বৰ গোচৰ ৰুজু হৈছে আৰু ইয়াৰে ভিত্তিত নিশা গ্ৰেপ্তাৰ হোৱা গগৈক আজি তেজপুৰ সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰাৰ পাছত আদালতৰ নিৰ্দেশ অনুসৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি বেগমে এজাহাৰত উল্লেখ কৰা অনুসৰি, যোৱা ২০ জুনত ৰেঞ্জাৰ গগৈয়ে ঢৌভঙাত চোৰাং কাঠ কঢ়িয়াই অনা অৱস্থাত জব্দ কৰিছিল এ এছ-১২ চি চি-০৩৮৬ নম্বৰৰ এখন বলে'ৰ পিকআপ আৰু এই



বাহনখনৰ চালক আছিল আব্দুল খালেক। পাছত এক লাখ টকাৰ বিনিময়ত বাহনখন মোকলাই দিয়াৰ বাবে সন্মত হোৱা গগৈয়ে ৭০ হেজাৰ টকা আদায় কৰে যদিও বাহনখন মোকলাই নিদি বাকী ধন বিচাৰে। অভিযোগ মতে বাকী ধনৰ পৰিৱৰ্তে খালেকৰ পত্নী বেগমক অশালীন প্ৰস্তাৱ দিয়া গগৈয়ে মহিলাগৰাকীক সঘনাই ফোন কৰিবলৈ লয়। অৱসৰলৈ মাত্ৰ নমাহ বাকী থকা ৰেঞ্জাৰ গগৈয়ে পৰহিৰে পৰা ছুটি লৈ আছিল আৰু কালি তেজপুৰৰ দোলাবাৰীত এখন চাহ হোটেলত ৰহিমাক লগ ধৰে। এই সময়তে ৰহিমাই বন বিষয়াজনৰ কুকীৰ্তি ফাদিল কৰে। পাছত তেওঁক বৰঘাট আৰক্ষীক গতাই দিয়া হয়। উল্লেখ্য যে বন বিষয়াজনে মহিলাগৰাকীৰ স'তে কৰা টেলিফোনিক বাৰ্তালাপৰ বাণীবদ্ধ অংশসমূহে গগৈৰ কুকীৰ্তি উদঙাই দিছে যদিও আৰক্ষীৰ জিম্মাত থকা সময়তো তেওঁ তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ নাকচ কৰি আহিছিল যদিও অৱশেষত তেওঁ গ্ৰেপ্তাৰ হ'বলগীয়া হয়।

# হাজো সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৯ আগষ্ট ঃ** তীৰ্থনগৰী হাজোৰ একাংশ চিন্তাবিদ, শিক্ষাবিদ সমাজহিতৈষীৰ অক্লান্ত পৰিশ্ৰম আৰু প্ৰচেষ্টাৰ ফলত ১৯৭৯ত স্থাপিত উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱাৰ ভাগত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আৰু বন্তি প্ৰজ্বলন কৰে অসম চৰকাৰৰ শিক্ষা উপদেষ্টা তথা অধ্যাপক ড° ননী গোপাল মহন্তই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ শ্ৰীশ্ৰী মাধৱদেৱ ৰংগমঞ্চত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উত্তম চন্দ্ৰ কলিতাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আলি আকবৰ হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰা আৰু অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আদৰণি জনোৱা মুকলি সভাত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ শিক্ষা উপদেষ্টা তথা অধ্যাপক ড° ননী গোপাল মহন্তই। ড° মহন্তই তিৰোভাৱ তিথি উপলক্ষে প্ৰথমে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাক প্ৰণিপাত জনাই কয় যে 'জ্ঞান, শিক্ষা আৰু প্ৰজ্ঞাৰ সাধনাৰ স'তে শিক্ষাৰ্থীসকল জড়িত। জ্ঞানৰ কোনো দেৱাল নাই, ই সীমাহীন, শিক্ষা হৈছে কোনো প্ৰতিষ্ঠানৰ জৰিয়তে অৰ্জন কৰা এক অভিজ্ঞতা। কিন্তু জ্ঞান আৰু শিক্ষাৰ মাজত প্ৰাৰ্থক্য আছে। শিক্ষা হৈছে এটা ইঞ্জিন কিন্তু জ্ঞান হৈছে ইঞ্জিনটোৰ পৰিচালক অৰ্থাৎ চালক। গতিকে আমি উচ্চ শিক্ষাৰে শিক্ষিত হৈ জ্ঞান অৰ্জন কৰিছো সঁচা কিন্তু শিক্ষাক আমি সামাজিক ক্ষেত্ৰত সদ্ব্যৱহাৰ কৰিব পৰা নাই। সেয়ে আমি ভাল শিক্ষা আৰু জ্ঞান অৰ্জন কৰা বুলি ক'ব পৰা নাযায়।' জ্ঞানৰ বাবে জ্ঞান, সমালোচনাৰ বাবে জ্ঞানৰ ভড়াল, জ্ঞানৰ ব্যৱস্থা অথবা ধাৰা অৰ্থাৎ ৰূপান্তৰিত কৰণৰ বাবে জ্ঞান আৰু জ্ঞান হৈছে হলিষ্টিক ডেভেলপমেণ্ট বুলি সদৰী কৰি মুখ্য অতিথি ড° মহন্তই এই কেউটা দিশ উপলব্ধি কৰিব পাৰিলে আমি সাৰ্থক হ'ব পাৰিম বুলি উল্লেখ কৰে। মহাবিদ্যালয়খনৰ একাংশ শুভাকাংক্ষী, শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলক আহ্বান জনাই মুখ্য অতিথি ড° মহন্তই কয় যে উত্তৰ গোলকীয় যুগত আমাক এজন ভাল মৎস্য উৎপাদক, এজন ভাল কেমেৰামেন, এজন ভাল কণী উৎপাদক, এজন ভাল কৃষক, উদ্যমী যুৱক-যুৱতীৰ প্ৰয়োজন। সেয়ে আমি চাকৰিমুখী নহৈ এগৰাকী চাকৰি দিওঁতা হ'বলৈ প্ৰচেষ্টা কৰিব লাগিব। আমি জীৱনটো প্ৰত্যাহ্বান হিচাপে ল'বলৈ চেষ্টা কৰিব লাগিব। চৰকাৰীভাৱে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক লাখ চাকৰি দিম বুলি কৈছে, সেয়া নিশ্চিত।

# বন্ধ হৈ থকা ৰেল চলাচল কৰা-ষ্টপেজ দিয়াৰ দাবীত কৈঠালকুছি ষ্টেছনত ৰেলযাত্ৰী সংস্থাৰ ধৰ্ণা




**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৯ আগষ্ট ঃ** উত্তৰ-পূব সীমান্ত ৰেলৰে চলাচল বন্ধ কৰা যাত্ৰীবাহী ৰেলৰ পুনৰ চলাচল কৰা আৰু ষ্টপেজ দিয়াৰ দাবীত আজি অসম ৰেলযাত্ৰী সংস্থাৰ কৈঠালকুছি শাখাই পুৱা ন বজাৰ পৰা কৈঠালকুছি ৰেল ষ্টেছনত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। বিশেষকৈ ক'ভিডকালীন সময়ৰে পৰা বন্ধ হৈ থকা ৫৫৮১৮ নম্বৰৰ গুৱাহাটী - ৰঙিয়া-নিউবঙাইগাঁও পেছেঞ্জাৰ ৰেলখন চলাচল নিয়মীয়াকৈ আৰম্ভ কৰা, গুৱাহাটী সংযোগী অত্যন্ত জৰুৰী সেৱাৰূপে বিবেচিত ১৫৭৭১ নম্বৰৰ আলিপুৰদুৱাৰ-ৰঙিয়া-গুৱাহাটী ইন্টাৰচিটি এক্সপ্ৰেছ ৰেলৰ চলাচল আৰম্ভ কৰাৰ লগতে কৈঠালকুছিত এক মিনিট ষ্টপেজ দিয়াৰ ব্যৱস্থা কৰা, ৫৫৮১০ নম্বৰৰ গুৱাহাটী-নিউবঙাইগাঁও যাত্ৰীবাহী ৰেলৰ যাত্ৰাপথ কোকৰাঝাৰলৈকে সম্প্ৰসাৰণৰ ব্যৱস্থা কৰাৰ লগতে উক্ত ৰেলখন সময়মতে চলোৱা, পুৱা আঠ বজাত গুৱাহাটী পোৱাকৈ সৰভোগ- নগাঁও সেৱা আৰম্ভ কৰা, ছিফুং যাত্ৰীবাহী (১৫৭৫৪) আবেলি ৩-১৫ বজাত গুৱাহাটীৰ পৰা এৰাৰ ব্যৱস্থা কৰা, বন্ধ হৈ থকা ৫৫৮১৭, ৫৫৭১৩ ৰেলগাড়ীকেইখন ঘূৰাই দিয়া, পুৱা আঠ বজাত গুৱাহাটী পোৱাকৈ সৰভোগ- নগাঁও ৰেলসেৱা আৰম্ভ কৰা, যাত্ৰীবাহী ৰেলৰ চলাচল, ষ্টপেজ দিয়াকে ধৰি বিভিন্ন দাবীত অসম ৰেলযাত্ৰী সংস্থাৰ কৈঠালকুছি শাখাই কৈঠালকুছি ৰেল ষ্টেছনত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। অসম ৰেলযাত্ৰী সংস্থাৰ সহকাৰী সম্পাদক তথা কৈঠালকুছি শাখাৰ সম্পাদক অৰবিন্দ বৰ্মনে আঁত ধৰা প্ৰতিবাদী সভাখনত ৰেলযাত্ৰী সংস্থাৰ কৈঠালকুছি শাখাৰ সভাপতি বিপিন চন্দ্ৰ ভট্টাচাৰ্য, কৈঠালকুছি বজাৰ সমিতিৰ সভাপতি দীপক কুমাৰ দাস, উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি উদ্ধৱ বৰ্মন, সাধাৰণ সম্পাদক তন্ময় কুমাৰ শৰ্মা, অসম সেনাৰ নলবাৰী জিলা সমিতিৰ বিষয়ববীয়া জিতুমণি বেজবৰুৱা, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চন্দন বেজবৰুৱা, বিশিষ্ট সমাজকৰ্মী তথা ধৰ্মপুৰ বিকাশ মঞ্চৰ সভাপতি জ্যোতিৰ্ময় শৰ্মাই ভাষণ দিয়ে । সভাৰ অন্তত কৈঠালকুছি ৰেল ষ্টেছনৰ অধীক্ষকৰ জৰিয়তে উত্তৰ-পূব সীমান্ত ৰেলৰেৰ মহাপ্ৰবন্ধকলৈ বিভিন্ন দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে আৰু ইয়াৰ প্ৰতিলিপি উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ডিআৰএম ৰঙিয়া ডিভিজন, পিচিঅ'এম মালিগাঁও, পিচিচিএম মালিগাঁও, অসম চৰকাৰৰ চিফ চেক্ৰেটাৰী আৰু জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰে । উল্লেখ্য যে ইয়াৰ পূৰ্বে প্ৰতিবাদকাৰীসকলে কৈঠালকুছি দুৰ্গামন্দিৰ প্ৰাংগণত মিলিত হৈ এক প্ৰতিবাদী সমদলো উলিয়ায়।

# বৰপেটাৰোডত জব্দ সাতটা চোৰাং গৰু ঃ ধৃত তিনি গৰুৰ বেপাৰী

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ২৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কঠোৰ স্থিতিৰ পাছতো ৰাজ্যত গৰুৰ চোৰাং বেহা অব্যাহত থকাৰ সময়তে বৰপেটাৰোড আৰক্ষীয়ে যোৱা নিশা সাতটা গৰু জব্দ কৰে। একেদৰে আৰক্ষীয়ে ভৱানীপুৰৰ পটা গাঁৱৰ প্ৰয়াত মহম্মদ আজগৰ আলীৰ পুত্ৰ ছামাদ আলী, জব্বৰ আলীৰ পুত্ৰ আক্ৰাছ আলী আৰু পূব লুৱাশুৰ গাঁৱৰ প্ৰয়াত মকবুল আলীৰ পুত্ৰ ছাবেদ আলীক গ্ৰেপ্তাৰ কৰে। প্ৰাপ্ত তথ্য মতে বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱানন্দ দাসৰ নেতৃত্বত নিশা বৰপেটাৰোড আৰক্ষীৰ এটি দলে চোৰাং গৰু কঢ়িয়াই নিয়া এখন গাড়ী জব্দ কৰে। বৰপেটাৰোডৰ খৈৰাবাৰী অঞ্চলত বৰপেটাৰোড আৰক্ষীয়ে জব্দ কৰা এ এছ-১৫ এ চি-৫৬১৪ নম্বৰৰ গাড়ীখনত পশু আইন উলংঘা কৰি সাতটাকৈ গৰু কঢ়িয়াই অনা হৈছিল।

# শুৱালকুছিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৯ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শুৱালকুছিতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৪৫ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন কৰে। শুৱালকুছিৰ ৪৬ খন সত্ৰ নামঘৰৰ উপৰি ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত দিনজোৰা কাৰ্যসূচীৰে তিৰোভাৱ তিথি পালন কৰে। পুৱা উষা কীৰ্তনৰ পাছত আইসকলৰ প্ৰসংগ, ডেকাসত্ৰীয়া ৰাজীৱলোচন সত্ৰৰ পৰিচালনাত নাম-প্ৰসংগ চৰিত তোলা পাঠ পঢ়া গায়ন-বায়নৰে সত্ৰৰ বাকৰি হৰিনাম ধ্বনিৰে মুখৰিত হৈ পৰে। পাছত হাটী সত্ৰৰ দ্বাৰ আৰু মঠৰ আধাৰশিলা আৰম্ভ কৰে। মঠৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। বিয়লি ভোজন ব্যৱহাৰ সত্ৰীয়া ওজাপালিৰে তিৰোভাৱ তিথিৰ সামৰণি পৰে।

### চৌহদৰ পকীবেৰৰ আধাৰশিলা স্থাপন

# মধ্য সাউদৰ ভিঠা নামঘৰত শংকৰদেৱৰ তিৰোভাৱ তিথি



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৯ আগষ্ট ঃ** বাগ্‌সাৰ শালবাৰীৰ নিকটৱৰ্তী সাউদৰভিঠাস্থিত মধ্য সাউদৰভিঠা নামঘৰ চৌহদৰ পকীবেৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা আজি স্থাপন কৰা হয়। পকীবেৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে। মুছাহাৰীয়ে নামঘৰ চৌহদত বৃক্ষৰোপণ কৰে। পকীবেৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন আৰু বৃক্ষৰোপণ কাৰ্যসূচীত ইউপিপিএলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক খগেন বৈশ্য, শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক সুৰেশ সৰকাৰ, ইউপিপিএলৰ যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়োৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে অসম দৰ্শন আঁচনিৰ ধনেৰে সাউদৰভিঠা নামঘৰৰ চৌহদৰ পকীবেৰ নিৰ্মাণ কৰা হ'ব। আনহাতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে আজি মধ্য সাউদৰভিঠা নামঘৰত অগণন ভকত-আয়তীয়ে নাম-কীৰ্তন কৰে।

# চিৰাং জিলাৰ সংখ্যালঘু প্ৰগতিশীল মঞ্চ গঠন

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৯ আগষ্ট ঃ** সংখ্যালঘু প্ৰগতিশীল মঞ্চ, অসমৰ চিৰাং জিলা সমিতিখন আজি গঠন কৰা হয়। জিলাখনৰ ওদালগুৰিত আয়োজিত মঞ্চৰ এক সভাত চিৰাং জিলা সমিতি গঠন কৰে। মঞ্চৰ শিক্ষা সম্পাদক বিশিষ্ট শিক্ষক নজৰুল ইছলামৰ সভাপতিত্বত আয়োজিত সভাত মোছাবুল হকক সভাপতি, ছাহজাহান আলীক কাৰ্যকৰী সভাপতি, চাহাবুদ্দিন শেখক সাধাৰণ সম্পাদক হিচাবে লৈ ৫১ জনীয়া চিৰাং জিলা সমিতি সংখ্যালঘু প্ৰগতিশীল মঞ্চ গঠন কৰা হয়। উল্লেখ্য যে সংখ্যালঘুসকলৰ শৈক্ষিক, আৰ্থ-সামাজিক তথা অন্যান্য বিভিন্ন দিশত কাম কৰাৰ উদ্দেশ্যে গঠিত হৈছিল সংখ্যালঘু প্ৰগতিশীল মঞ্চ, অসম। সমিতি গঠন অনুষ্ঠানত মঞ্চৰ উপদেষ্টা ছাইদুল ইছলাম আকন্দ, মঞ্চৰ সভাপতি শাহকামাল খন্দকাৰসহ মঞ্চৰ কে'বাগৰাকী কেন্দ্ৰীয় সদস্য উপস্থিত থাকি জিলাখনৰ অতিকে পিচপৰা ওদালগুৰি অঞ্চলৰ শিক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশত আলোচনা কৰা হয়।

# ছেম কলেজ অৱ নাৰ্ছিঙৰ বিৰুদ্ধে তদন্তৰ নিৰ্দেশ বিটিচি প্ৰধান প্ৰমোদ বড়োৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৯ আগষ্ট ঃ** কোকৰাঝাৰ চহৰৰ সমীপৰ জয়পুৰত থকা ছেকেণ্ডাৰ আলি মেম'ৰিয়েল অৰ্থাৎ ছেম কলেজ অৱ নাৰ্ছিং হোষ্টেলৰ ছাত্ৰীসকলক শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষই ভুৱা পঞ্জীয়নেৰে বিজ্ঞাপন দি ছাত্ৰীসকলৰ নামভৰ্তিকৰণৰ বাবদ লাখ লাখ টকা লুণ্ঠন কৰি ছাত্ৰীসকলক মানসিক নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে শিক্ষানুষ্ঠানখনৰ বিৰুদ্ধে তদন্তৰ আজি ঘোষণা কৰিছে বিটিচিৰ প্ৰধান প্ৰমোদ বড়োৰে।

উল্লেখ্য যে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষা হোছনেআৰা বেগম আৰু পৰিচালন সঞ্চালক শ্বেখ আব্দুল্লা নামৰ দম্পতীহালে বৰ্ধিত হাৰত ভৰ্তি, পৰীক্ষা, হোষ্টেল মাচুলকে ধৰি সময়ে সময়ে দীৰ্ঘদিনৰ পৰা বহু ছাত্ৰ-ছাত্ৰীক ব্লেকমেইলিং কৰি ভয়-ভাবুকি দি থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছিল যদিও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কেৰিয়াৰত ব্যাঘাত হ'ব বুলি ভয়তে মুখ খোলা নাছিল। ২০১৯ত ডি লীট নামভৰ্তিকৰণৰ পৰা আৰম্ভ কৰি পৰীক্ষা দিয়ালৈকে ছাত্ৰ-ছাত্ৰীসকলক তীব্ৰ মানসিক চাপ দি ব্লেকমেইলিঙৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। সেই সময়তো পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ লগত তীব্ৰ সংঘাতৰ সৃষ্টি হৈছিল অধ্যক্ষাগৰাকীৰ। আনকি ডী লীট পৰীক্ষাৰ সময়ত বৃহৎ ধনৰ বিনিময়ত একাংশক এটা কোঠাত কিতাপ চাই লিখিব দিছিল। আনহাতে, টকা দিব নোৱাৰাসকলৰ ক্ষেত্ৰত কিতাপ চাই লিখিব নোৱাৰিব বুলি হুংকাৰ দিছিল। ইয়াকে কেন্দ্ৰ কৰি যিসকল শিক্ষাৰ্থীয়ে প্ৰতিবাদ কৰিছিল তেওঁলোকক আজিলৈকে উত্তীৰ্ণৰ প্ৰমাণপত্ৰ দিয়া নাই বুলি আজি জানিবলৈ দিয়ে। ডাবল ৰোল প্লে কৰি থকা অধ্যক্ষা হোছনেআৰা বেগমে নিজে এখন শিক্ষানুষ্ঠান চলাই থকাৰ বিপৰীতে ফকিৰাগ্ৰাম কলেজতো ইংৰাজী প্ৰবক্তা (নন চেংচন পোষ্ট) হিচাপে কাম কৰি আছে। পদবীটো চৰকাৰী স্বীকৃতি নোপোৱাৰ কাৰণে কলেজলৈও প্ৰায় নাযায়েই। ফলত ছাত্ৰ-ছাত্ৰীসকল শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যক্ষক অভিযোগ কৰা সত্ত্বেও ৰাজনীতিৰ ক্ষমতাত থকা প্ৰবক্তাগৰাকীৰ বিৰুদ্ধে কোনো বিহিত ব্যৱস্থা লোৱা নাই। গতিকে বৰ্তমান একাংশ অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলে প্ৰবক্তাগৰাকী হয় নিয়মিতভাৱে আহি পাঠদান কৰক অন্যথা ইস্তফা দি তেওঁৰ ঠাইত নতুন প্ৰবক্তা নিয়োগ কৰিবলৈ অধ্যক্ষৰ ওচৰত দাবী উত্থাপন কৰিছে। দম্পতীহালে চলাই থকা কে'বাটাও শিক্ষানুষ্ঠান ফ্লপ' হোৱাত চলিত বৰ্ষৰ পৰা ইণ্ডিয়ান নাৰ্ছিং কাউন্সিলৰ অধীনত ভুৱা পঞ্জীয়ন দেখুৱাই বিজ্ঞাপনৰে মিছাৰ আশ্ৰয় লৈ ছাত্ৰীৰ নামভৰ্তিকৰণৰ নামত লাখ লাখ টকা সংগ্ৰহ কৰিছিল। বৰ্ধিত মাচুলক কেন্দ্ৰ কৰিয়ে ছাত্ৰী আৰু শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ মাজত পৰহি সৃষ্টি হোৱা বাকবিতণ্ডাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ছাত্ৰীসকলৰ উত্থাপিত অভিযোগ অনুসৰি শিক্ষানুষ্ঠানৰ অধ্যক্ষা হোছনেআৰা বেগম আৰু পৰিচালন সঞ্চালক ছেখ আব্দুল্লা নামৰ দম্পতীহালে নাৰ্ছিং প্ৰতিষ্ঠানখনৰ আৱাসী ছাত্ৰীসকলক দীৰ্ঘদিনৰ মানসিক নিৰ্যাতন চলাই আহিছে। ছাত্ৰীসকলে অভিযোগ কৰা মতে ইণ্ডিয়ান নাৰ্ছিং কাউন্সিলৰ অধীনত পঞ্জীয়ন থকা বুলি শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই বিজ্ঞাপন দিছিল। সেই মৰ্মে অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা ছাত্ৰীসকলে নামভৰ্তি কৰিছিল। তিনিবছৰীয়া পাঠ্যক্ৰমৰ বাবে শিক্ষানুষ্ঠানখনৰ স্বত্বাধিকাৰী তথা অধ্যক্ষা-পৰিচালন সঞ্চালক দম্পতীহালে তিনিটা কিস্তিত ধন আদায় লোৱা হ'ব বুলি কৈ নামভৰ্তিকৰণ কৰিছিল; কিন্তু চাৰি মাহৰ পৰাই ধন আদায় দিব লাগে, নহ'লে শিক্ষানুষ্ঠানৰ পৰা উলিয়াই দিয়া হ'ব বুলি ভাবুকি দি মানসিক নিৰ্যাতন চলোৱা আৰম্ভ কৰে। বাধ্যত পৰি ছাত্ৰীসকলে ২৭ আগষ্টত আলোচনা কৰাৰ উদ্দেশ্যে অভিভাৱকসকলক মাতি আনে। অভিভাৱকসকলক দম্পতীহালে দুৰ্ব্যৱহাৰ কৰে। ফলত দুয়োপক্ষৰ মাজত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ফলত হোষ্টেলে নহয় শিক্ষানুষ্ঠানো ত্যাগ কৰি সা-সামগ্ৰী লৈ গৃহাভিমুখে ৰাওনা হয় প্ৰায় অৰ্ধশতাধিক হোষ্টেলৰ আৱাসী ছাত্ৰী। ছাত্ৰী তথা অভিভাৱকসকলে বৰ্ধিত হাৰত লোৱা মাচুল ওভতাই দিবলৈ দাবী জনোৱাৰ লগতে ভুৱা পঞ্জীয়ন লৈ শিক্ষানুষ্ঠান চলোৱা শিক্ষানুষ্ঠানখনৰ স্বীকৃতি বাতিল কৰিবলৈ দাবী জনায় ৰাজ্য চৰকাৰক। অভিভাৱকসকলে অসমৰ অন্যান্য প্ৰান্তত থকা ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনক লৈ হেতালি খেলা এনেধৰণৰ শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ বিৰুদ্ধে তদন্ত কৰি স্বীকৃতি বাতিল কৰিবলৈ দাবী উত্থাপন কৰে।

# শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ যুগান্তৰকাৰী পদক্ষেপ

## ■ ঢেকিয়াজুলিত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন মন্ত্ৰী সিংঘালৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে শিশুসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে অসমৰ প্ৰতিটো অঞ্চলতে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশৰূপে ঢেকিয়াজুলি বিধানসভা সমষ্টিত ১২ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ লক্ষ্য ৰাখি ইতিমধ্যে কাম আৰম্ভ হৈছে। ঢেকিয়াজুলিত ইতিপূৰ্বে দুটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ইতিমধ্যে মুকলি হৈছে। কালি ঢেকিয়াজুলিৰ মাদুৰিবিল আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, মোনাবাগ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ দুটা উদ্বোধন কৰে মন্ত্ৰী অশোক সিংঘালে। এই উপলক্ষে মাদুৰিবিল আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী সিংঘালে কয় যে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহত এক সুস্থ বাতাবৰণত শিশুসকলৰ শাৰীৰিক মানসিক-বৌদ্ধিক বিকাশত সহায়ক হ'ব বুলি কয়। এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ দুটিৰ স্থাপনে শিশু কল্যাণৰ বাটত অঞ্চলটোক আৰু এখোজ আগুৱাই নিব বুলি আশা প্ৰকাশ কৰে মন্ত্ৰী সিংঘালে। এই উদ্বোধনী কাৰ্যসূচীত অংগনৱাড়ী কেন্দ্ৰসমূহত সুস্থ বাতাবৰণ নিৰ্মাণ কৰিবলৈ তেওঁ অংগনৱাড়ী কৰ্মী-সহায়িকা আৰু স্থানীয় অভিভাৱক ৰাইজক আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত জিলা সমাজ কল্যাণ বিভাগৰ বিষয়াৰ দায়িত্বত থকা এচিএছ বিষয়া কবিতা ফাংচ', ঢেকিয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি শিৱচৰণ চাহু, জিলা পৰিষদৰ সদস্য ধনু তপ্ন, সমাজকৰ্মী বাতাছ ওৰাঙৰ উপৰি শতাধিক লোক উপস্থিত থাকে।

# শিৱসাগৰত বুমেৰাঙলৈ পৰ্যবসিত পি এম কিষাণ আঁচনি

## ■ হেজাৰ হেজাৰ যোগ্য হিতাধিকাৰীয়ে এৰিছে প্ৰাপ্যৰ আশা



বৰভাগৰ ৰ'কফৰ্ড স্কুলত শংকৰদেৱৰ তিথি উদ্‌যাপন।

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৯ আগষ্ট ঃ** কৃষকৰ উৎপাদন দুগুণ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা পি এম কিষাণ নামৰ জনকল্যাণকামী আঁচনিখন পলমকৈ শিৱসাগৰ জিলাত বুমেৰাঙলৈ পৰিণত হৈছে। যোৱা বিধানসভা নিৰ্বাচনৰ আগে আগে সমগ্ৰ ৰাজ্যত ৰূপায়িত হোৱা উক্ত আঁচনিখনে বিশেষকৈ শিৱসাগৰ জিলাৰ হেজাৰ হেজাৰ কৃষকক অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছিল। আশ্চৰ্যজনক যে ৰাজ্য চৰকাৰৰ বিয়াগোম কৃষি বিভাগটোৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে একাংশ অযোগ্য লোকক হিতাধিকাৰী তালিকাত স্থান দিয়াত সম্প্ৰতি আঁচনিখনৰ প্ৰকৃত হিতাধিকাৰীসকল প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ জানুৱাৰীত চৰকাৰে অযোগ্য হিতাধিকাৰীৰ নাম বিচাৰি উলিয়াবলৈ কৃষি বিভাগৰ উপৰি চৰকাৰী গাঁও প্ৰধান আৰু ৰাজহ চক্ৰ বিভাগৰ ওপৰত দায়িত্ব দিয়াৰ পাছতে এফালৰ পৰা যোগ্য হিতাধিকাৰীৰ নাম কৰ্তন হয়। প্ৰণিধানযোগ্য যে একেৰাহে আঁচনিখনৰ সাত-আঠটাকৈ কিস্তিৰ ধন লাভ কৰিবলৈ সক্ষম হোৱা প্ৰকৃত হিতাধিকাৰীয়ে নাটকীয়ভাৱে তিনি-চাৰিটা কিস্তিৰ ধন পোৱা নাই। এনেবোৰ হিতাধিকাৰীকো কৃষি বিভাগে যোৱা সাত-আঠ মাহে তথ্য জমা দিবলৈ নিৰ্দেশ দি জিলাখনৰ বিভিন্ন স্থানলৈ অহা-যোৱা কৰোৱাই অতিষ্ঠ কৰাৰ অভিযোগ নতুন নহয়। পৰিতাপৰ বিষয় হ'ল- শিৱসাগৰ জিলাৰ পাঁচ হেজাৰৰো অধিক যোগ্য হিতাধিকাৰীয়ে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত নিৰ্দেশ মতে এতিয়ালৈকে পাঁচ-ছয়বাৰকৈ তথ্য জমা দি প্ৰাপ্যৰ বাবে আশাৰে বাট চাই আছিল। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে পলমকৈ হিতাধিকাৰীসকলৰ পৰা বিভাগটোৱে পুনৰ অসম চৰকাৰৰ ফালৰ পৰা মাটিৰ উপযুক্ত তথ্য, মাটিৰ জমাবন্দী, পি এম কিষাণৰ পঞ্জীয়ন নম্বৰ, আধাৰ কাৰ্ড আৰু বেংক পাছবুকৰ ফটো কপি নিজ নিজ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ হাতত জমা দিবলৈ দিয়া নিৰ্দেশনাই বাৰুকৈয়ে ক্ষুণ্ণ কৰি তুলিছে জিলাখনৰ যোগ্য হিতাধিকাৰীসকলক। অৱশ্যে গাঁঠিৰ ধন খৰচ কৰি বহুবাৰ তথ্য জমা দিয়াৰ পাছতো পুনৰ বিভাগটোৱে হিতাধিকাৰীসকলক তথ্য বিচৰাৰ আজৱ কৰ্ম-কাণ্ডই হিতাধিকাৰীসকলৰ চকু কপালত তুলিছে। অৱশ্যে এইবাৰ প্ৰাপ্যৰ আশা ত্যাগ কৰি বিভাগীয় নিৰ্দেশনাক সঁহাৰি দিয়া নাই জিলাখনৰ গৰিষ্ঠ সংখ্যক যোগ্য কৃষক হিতাধিকাৰীয়ে।

# বিশ্বনাথত ছহিদ ধৰণী ৰিজাল ভৱনত জিলা কৃষক সভাৰ কাউন্সিল সভা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** বিশ্বনাথ চাৰিআলি নিলপুৰস্থিত ছহিদ ধৰণী ৰিজাল ভৱনত কালি বিশ্বনাথ জিলা কৃষক সভাৰ কাউন্সিল সভা অনুষ্ঠিত কৰা হয়। সভাত বিশ্বনাথ জিলা কৃষক সভাৰ কাউন্সিল সভাৰ আয়োজন কৰা সভাত কমঃ হলধৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত কাউন্সিল সভাৰ সম্পাদকীয় প্ৰতিবেদন উপস্থাপন কৰে সম্পাদক কমঃ প্ৰবীণ বৰকটকীয়ে। সভাত ৰাজ্যিক কৃষক সভাৰ সম্পাদক কমঃ টিকেন দাসে পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি বৰ্তমানৰ ৰাজনৈতিক আৰু কৃষকৰ বিভিন্ন সমস্যা আৰু কৃষক সভাৰ দায়িত্ব আৰু কৰণীয়ৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা কৰে। লগতে জিলা কাউন্সিল সভাৰ আলোচনা বিলোচনাৰ মাজেৰে আগন্তুক প্ৰাথমিক, আঞ্চলিক আৰু জিলা সন্মিলন সফল কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। লগতে অহা ২৯, ৩০ আৰু ৩১ অক্টোবৰত নলবাৰীত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক কাউন্সিল সফল কৰাৰো বিশেষভাৱে সিদ্ধান্ত গ্ৰহণৰ লগতে কৃষকৰ ওপৰত আলোচনা কৰে।

# যোৰহাট-তিতাবৰ কৃষক পৰিষদ গঠন



**তিতাবৰ, ২৯ আগষ্ট ঃ** অসম গণ পৰিষদৰ যোৰহাট জিলা পৰিষদৰ উদ্যোগত আৰু তিতাবৰ বিধান পৰিষদৰ সহযোগত অসম কৃষক পৰিষদৰ যোৰহাট জিলা আৰু তিতাবৰ বিধান পৰিষদ গঠন কৰা হয়। এই উদ্দেশ্যৰে কালি তিতাবৰৰ পাণজান ৰশ্মি যুৱ সংঘৰ প্ৰেক্ষাগৃহত আয়োজিত এখন জনসভাত সভাপতিত্ব কৰে অসম গণ পৰিষদ যোৰহাট জিলা সমিতিৰ সভাপতি সৌৰভ প্ৰাণ বৰাই। অগপ যোৰহাট জিলা সমিতিৰ সম্পাদক দিপেন বৰগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত যোৰহাট আৰু তিতাবৰত দলটোৰ নিষ্ক্ৰিয় হৈ থকা সমিতি দুখন গঠনৰ বিষয়ে উল্লেখ কৰে। অসম কৃষক পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ফটিক বৰা আৰু যতীন নাথ পৰ্যবেক্ষকৰূপে উপস্থিত থকা বুলি বাতৰি কাগজলৈ দিয়া এক বিবৃতিত উল্লেখ কৰে। সভাখনত অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, অগপ কেন্দ্ৰীয় সমিতিৰ সম্পাদকত্ৰয় ক্ৰমে দিগন্ত কোঁৱৰ, তুলসী গগৈ, কৃষ্ণকান্ত দাসেও অংশগ্ৰহণ কৰে। আজি অনুষ্ঠিত হোৱা সভাখনতেই লাল প্ৰসাদক সভাপতি আৰু দুলেন্দ্ৰ বৰা আৰু পাৰ্থ বৰাক সম্পাদক হিচাপে আৰু শান্তনু শৰ্মাক তথ্য প্ৰযুক্তি সম্পাদক হিচাপে লৈ যোৰহাট জিলাৰ ৩১ জনীয়া সমিতিখন গঠন কৰে। একেদৰে তিতাবৰ বিধান পৰিষদৰ কৃষক পৰিষদৰ বাবে পবিন গগৈক সভাপতি, দিপক হাজৰিকা, অম্বিকা শইকীয়াক সম্পাদক হিচাপে লৈ ৩১ জনীয়া অসম কৃষক পৰিষদ তিতাবৰ বিধান পৰিষদখন গঠন কৰে।

# ডুবাইত বিহু নৃত্য প্ৰদৰ্শনত প্ৰথম স্থান দখল কৰা ত্ৰিস্মিতা বৰাক বিশ্বনাথত ডাছানীজ কৰ্তৃপক্ষৰ অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** অসমৰ স্বাভিমান বিহু নাচৰে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি তথা ৰাজ্যলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বিশ্বনাথৰ ত্ৰিস্মিতা বৰাই। উল্লেখ্য যে আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ডুবাইত ইন্টাৰনেছনেল কালচাৰেল কনক্লেভ ২০২২ৰ প্ৰতিযোগিতাত শোণিতপুৰৰ বালিপৰাৰ আসাম ভেলী স্কুলৰ ত্ৰিস্মিতাই শিক্ষাগুৰু ৰুবী বৰা বদৰলৈৰ তত্ত্বাৱধানত লোকনৃত্য শাখাত অংশগ্ৰহণ কৰিছিল। ইতিমধ্যে এই নৃত্য প্ৰতিযোগিতাত বিহু নাচ প্ৰদৰ্শন কৰি বিশ্বনাথৰ ত্ৰিস্মিতা বৰাই প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। যোৱা ১৩ আগষ্টৰ পৰা ১৬ আগষ্টলৈকে চলা এই প্ৰতিযোগিতাত বিভিন্ন দেশৰ প্ৰতিযোগীয়ে ভিন্ন নৃত্য গীত পৰিৱেশন কৰে। বহু সংখ্যক প্ৰতিযোগীৰ মাজত বিহু নাচৰে ত্ৰিস্মিতাই এই বঁটা লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে। বিশ্বনাথ চাৰিআলিৰ নগাঁৱৰ দিগন্ত বৰা আৰু ৰূপজ্যোতি বৰাৰ কন্যা ত্ৰিস্মিতাই আসাম ভেলী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী। ভাৰতীয় কলা সাংস্কৃতিক সংস্থা আৰু শ্ৰী ডান্স ষ্টুডিঅ', চলাপুৰৰ উদ্যোগত ডুবাইৰ মল অৱ এমিৰেটত অনুষ্ঠিত হৈছিল এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা।

এই প্ৰতিযোগিতাত ভাৰত, মালেছিয়া, ইণ্ডোনেছিয়া, ডুবাই, কলম্বিয়া আদি ৰাষ্ট্ৰৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত নৃত্য, সংগীত, ফেশ্বন শ্ব' প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথলৈ গৌৰৱ কঢ়িয়াই অনা ত্ৰিস্মিতা বৰাক কালি বিশ্বনাথ নগৰস্থিত ডাছানীজ প্ৰতিষ্ঠান কৰ্তৃপক্ষৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে।

# বঙাইগাঁৱত চিটুৰ চতুৰ্দশ ৰাজ্যিক সন্মিলন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ আগষ্ট ঃ** দেশৰ অন্যতম সংগ্ৰামী শ্ৰমিক সংগঠন চিআইটিইউৰ চতুৰ্দশ অসম ৰাজ্যিক সন্মিলনখন অহা ২৭ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বঙাইগাঁও চহৰত অনুষ্ঠিত হ'ব। সেই উপলক্ষে কালি বঙাইগাঁও চহৰৰ পাগলাস্থান ৰেলৱে পেঞ্চনাৰ ভৱনত অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত চিআইটিইউৰ ৰাজ্যিক সভাপতি আৰু সাধাৰণ সম্পাদক কমৰেড অসিৎ দত্ত আৰু কমৰেড তপন শৰ্মা উপস্থিত থাকে। বঙাইগাঁও জিলাৰ বিভিন্ন শ্ৰমিক-কৰ্মচাৰী সংগঠন তথা গণসংগঠনসমূহৰ ডেৰ শতাধিক প্ৰতিনিধি উপস্থিত থকা সভাখন পৰিচালনা কৰে গণতান্ত্ৰিক আন্দোলনৰ নেতা পৰিমল চক্ৰৱৰ্তীয়ে। ৰাজ্যিক আৰু জিলা নেতৃত্বই বৰ্তমান সমসাময়িক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ বিশ্লেষণ কৰাৰ লগতে শ্ৰমিক শ্ৰেণীৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা বহলভাৱে আলোচনা কৰে। শেষত আগন্তুক চিটুৰ ৰাজ্যিক সন্মিলনখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বঙাইগাঁৱৰ জ্যেষ্ঠ চিকিৎসক ডাঃ এছ কে দাসক সভাপতি, অধিবক্তা তথা শ্ৰমিক নেতা কমৰেড হৰেশ্বৰ দাসক কাৰ্যকৰী সভাপতি আৰু সমাজকৰ্মী তথা গণতান্ত্ৰিক আন্দোলনৰ নেতা সঞ্জীৱ দেৱক সম্পাদক হিচাপে লৈ এখন এশজনীয়া অভ্যৰ্থনা সমিতি আৰু উপ-সমিতিসমূহ গঠন কৰে। উক্ত সন্মিলনখন সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিবলৈ অভ্যৰ্থনা সমিতিয়ে সমগ্ৰ বঙাইগাঁও জিলাবাসী ৰাইজৰ সহায় সহযোগিতা কামনা কৰে।

# ৰূপহী শাখা ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৯ আগষ্ট ঃ** ৰূপহী শাখা ছাত্ৰ সন্থাই প্ৰতি বছৰৰ দৰে এইবাৰো সদ্যঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বৃহত্তৰ ৰূপহী অঞ্চলৰ ৬১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে। কালি ঢুলীয়াপাৰ ৰাস মঞ্চৰ প্ৰেক্ষাগৃহত আয়োজিত অভিনন্দন অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, প্ৰাক্তন ছাত্ৰ নেতা শৰৎ হাজৰিকা, ঢুলীয়াগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আমিৰতদ্দিন আহমেদ, শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সম্পাদক দীপাংকৰ শইকীয়া, নীলমণি বৰাকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। পাৰ্থপ্ৰদীপ বৰাই আঁত ধৰা অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩০ গৰাকী কীৰ্তিমানৰ উপৰি উচ্চতৰ মাধ্যমিকৰ কলা শাখাৰ ১৩ গৰাকী, বাণিজ্য শাখাৰ দুগৰাকী আৰু বিজ্ঞান শাখাৰ ১৬ গৰাকী কীৰ্তিমানক এখন অভিনন্দন পত্ৰৰ স'তে কিতাপৰ টোপোলাৰে অভিনন্দন জ্ঞাপন কৰে। ছাত্ৰী কৃষ্টিশিখা কলিতাই নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে আইৰিন গগৈয়ে গীত পৰিৱেশন কৰা অনুষ্ঠানত মুক্তাৰ হুছেইন, ৰূপহী শাখা ছাত্ৰ সন্থাৰ সৃষ্টিপৰ্ণা ৰাজখোৱা, ভাৰ্গৱ দত্তকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# আজি কমলপুৰত কৰ্কট ৰোগৰ বিনামূলীয়া পৰীক্ষণ তথা সজাগতা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ২৯ আগষ্ট ঃ** কমলপুৰস্থিত ইক'টেক পেপাৰ্ছৰ চৌহদত অহা ৩০ আগষ্টত পুৱা ন বজাৰ পৰা মাৰোৱাৰী যুৱ মঞ্চৰ সৌজন্যত, ফাইনাৰৰ উদ্যোগত তথা ইক'টেক পেপাৰ্ছৰ সহযোগত মহাব্যাধি কৰ্কট ৰোগৰ এক বিনামূলীয়া পৰীক্ষণ আৰু সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। ইক'টেক পেপাৰ্ছৰ মহাপ্ৰবন্ধক প্ৰভাত প্ৰাণ কোঁৱৰ আৰু প্ৰবন্ধক ৰাজু পালে জানিব দিয়া মতে, সমগ্ৰ উত্তৰ কামৰূপ সামৰি অনুষ্ঠিত হ'বলগীয়া উক্ত বিনামূলীয়া পৰীক্ষণ আৰু সজাগতা শিবিৰত গুৱাহাটীৰ এপ'ল' হাস্পতালৰ অভিজ্ঞ চিকিৎসক তথা বিশেষজ্ঞৰ দলে ৰোগীসকলৰ কৰ্কট ৰোগৰ আনুষংগিক বিভিন্ন পৰীক্ষা-নিৰীক্ষা বিনামূলীয়াকৈ সম্পাদন কৰিব। উক্ত শিবিৰত ২০০ গৰাকী ৰোগীৰ পৰীক্ষা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জ্যেষ্ঠ বিষয়া দুগৰাকীয়ে জানিব দিয়ে আৰু অত্যন্ত জটিল তথা ব্যয়বহুল উক্ত ৰোগবিধৰ পৰীক্ষণ বিনামূলীয়াকৈ কৰাৰ সুযোগ গ্ৰহণ কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনাইছে। এই শিবিৰত অংশগ্ৰহণৰ বাবে আগতীয়া পঞ্জীয়নৰ ক্ষেত্ৰত দূৰভাষ নম্বৰ- ৯১২৭৩৪২৩৫৪ নতুবা ৮৬৩৮৭০৬৭৫৪ত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# সিধাবাৰী সমবায় সমিতি লিমিটেডৰ নিৰ্বাচনী প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ আগষ্ট ঃ** পূব গোৱালপাৰাৰ সিধাবাৰী সমবায় সমিতি লিমিটেড কাৰ্যালয় প্ৰাংগণত অহা ২০ ছেপ্টেম্বৰৰ পুৱা ন বজাৰ পৰা সমিতিখনৰ ২০২২-২৩ৰ বছৰেকীয়া সাধাৰণ সভা আৰু নিৰ্বাচন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি সঞ্চালক মণ্ডলীৰ সভাপতি আবুল কালাম আজাদৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া সভাখনত যোৱা বছৰেকীয়া সাধাৰণ সভাৰ কাৰ্য বিৱৰণি পাঠ আৰু দৃঢ়ীকৰণ, সম্পাদকীয় প্ৰতিবেদন পাঠ, সমিতিৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ বছৰেকীয়া হিচাপ আৰু উদ্ধৃতি পত্ৰ পাঠ আৰু গ্ৰহণ, ২০২২-২৩ৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ আৰু পাৰিতোষিক নিৰ্ধাৰণ, ২০২২-২৩ৰ বাজেট গ্ৰহণ আৰু দুপৰীয়া ১২ বজাৰ পৰা আবেলি পাঁচ বজালৈ অনুষ্ঠিত হ'ব নিৰ্বাচনৰ ভোটদান। সঞ্চালক মণ্ডলীৰ সদস্য-সদস্যা পদৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰিব বিচৰা প্ৰাৰ্থীসকলে অহা ১০ ছেপ্টেম্বৰৰ পুৱা ১০ বজাৰ পৰা দুপৰীয়া এক বজাৰ ভিতৰত সমিতিৰ কাৰ্যালয়ত নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। মনোনয়ন মাচুল হিচাপে প্ৰাৰ্থীসকলে পাঁচহেজাৰকৈ টকা জমা দিব লাগিব। ইচ্ছুক প্ৰাৰ্থীয়ে ১১ ছেপ্টেম্বৰৰ পুৱা ১০ বজাৰ পৰা আবেলি দুই বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। সমিতিৰ সঞ্চালক মণ্ডলীৰ সংৰক্ষণমুক্ত সদস্য পদৰ সংখ্যা হ'ল ১২ টা, মহিলাৰ বাবে সংৰক্ষিত দুটা আৰু এটা অনুসূচিত জাতি তথা জনজাতিৰ বাবে সংৰক্ষিত। ইপিনে, অহা ২২ ছেপ্টেম্বৰৰ পুৱা পাঁচ বজাৰ পৰা অনুষ্ঠিত হ'ব ভোটগণনা। উল্লেখ্য যে যোৱা পাঁচ বছৰে হোৱা সমিতিৰ বছৰেকীয়া সাধাৰণ সভাৰ অতি কমেও দুখন সভাত উপস্থিত নথকা অংশীদাৰসকলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰিব বুলি সমিতিখনৰ সভাপতি আৰু সম্পাদক ক্ৰমে আবুল কালাম আজাদ আৰু সুশীল কুমাৰ নাথে জাৰি কৰা জাননীখনত উল্লেখ কৰিছে।

# পশ্চিম চাওখাতৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান একত্ৰীকৰণত ক্ষুব্ধ অভিভাৱক

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২৯ আগষ্ট ঃ** ইতিহাস প্ৰসিদ্ধ চাওখাত মৌজাৰ বানাক্ৰান্ত অঞ্চলৰ ১০/১২খন গাঁৱৰ ৰাইজৰ সহযোগত প্ৰতিষ্ঠা কৰা বৃহত্তৰ পশ্চিম চাওখাত অঞ্চলৰ বান বিধ্বস্ত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ হাইস্কুলীয়া শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান। প্ৰতিষ্ঠা হৈছিল এক জানুৱাৰী ১৯৯০ত। প্ৰাদেশিকীকৃত হয় ২০২১ৰ পহিলা জানুৱাৰীত বিদ্যালয়খনত প্ৰয়োজনীয় সকলো আন্তঃগাঁথনি উপলব্ধ। পকী চাৰিবেৰা, চৰকাৰী চজল ধাৰা, ছাত্ৰ-ছাত্ৰীৰ পৃথক প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ, চাইকেল ষ্টেণ্ড, বিদ্যালয়ৰ সন্মুখত পকী তোৰণ। বছৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল উন্নত। ২০০৭ আৰু ২০১১ত এশ শতাংশই উত্তীৰ্ণ হয়। ইয়াৰ বাবে বিদ্যালয় পৰিদৰ্শক আৰু উপায়ুক্তই মানপত্ৰও প্ৰদান কৰে। প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰী থকা সত্ত্বেও মেলেং প্ৰাদেশিকীকৃত বিদ্যালয়ৰ লগত চামিল কৰিব বিচৰাত অভিভাৱক তথা স্থানীয় ৰাইজ হতভম্ব আৰু ক্ষোভিত হৈ পৰিছে। এটা শিক্ষা বৰ্ষৰ আধাতে লোৱা চৰকাৰী সিদ্ধান্তত অঞ্চলৰ ৰাইজে বৃহৎ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে।

# বিশ্বনাথৰ পানীভঁৰাল পঞ্চায়তত বিদ্যুৎস্পৃষ্ট হৈ আহত মহিলা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** দুদিন পূৰ্বে বিশ্বনাথত সংঘটিত হৈছিল এক মৰ্মান্তিক ঘটনা। একেলগে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হৈছিল মাতৃ আৰু কন্যাৰ। উল্লেখ্য যে দুদিন পূৰ্বে বিশ্বনাথৰ গোৱালতুলীৰ পূব ভিৰ পথাৰৰ ফইজুল আহমেদৰ পত্নী লালভানু খাতুনে গা ধুই ঘৰৰ চোতালত থকা তাঁৰত কাপোৰ মেলিবলৈ লওঁতেই বিদ্যুৎস্পৃষ্ট হয়। সেই স্থানতে লালভানু খাতুন (৩৪) আৰু তেওঁৰ কন্যা ফৰিদা খাতুন (১০)ৰ মৃত্যু হয়। ভানুৰ ঘৰৰ মিটাৰলৈ যোৱা তাঁৰ ছিগি কাপোৰ মেলা তাঁৰত লগ লাগি আছিল। তিতা কাপোৰ সেই বিদ্যুতৰ তাঁৰত লাগি এই মৰ্মান্তিক ঘটনা সংঘটিত হৈছিল। লালভানু বিদ্যুৎস্পৃষ্ট হৈ থকা অৱস্থাতে মৃত লালভানুৰ কন্যা ফৰিদা খাতুনে নিজ মাতৃক বচাবলৈ গৈ কন্যা ফৰিদা খাতুনো বিদ্যুৎস্পৃষ্ট হৈ একেলগে মাতৃ-কন্যাই মৃত্যুক সাবটি ল'বলগীয়া হয়। কিন্তু আজি পোহৰলৈ আহে এই বিদ্যুৎস্পৃষ্ট হৈ মাতৃ-কন্যাৰ মৃত্যুৰ ঘটনাৰ লগত আৰু এগৰাকী মহিলাও গুৰুতৰভাৱে আহত হৈছিল। মৃত মাতৃ-কন্যা বিদ্যুৎস্পৃষ্ট হৈ থকা সময়তে তেওঁলোকৰ ঘৰৰ সমীপৰ মাফিয়া খাতুন নামৰ মহিলাগৰাকীয়ে তেওঁলোকক বচাবলৈ আহি বেয়াকৈ বিদ্যুৎস্পৃষ্ট হৈছিল। কিন্তু উক্ত সময়ত যিহেতু বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱা ঘটনাই এক গুৰুত্বপূৰ্ণ ঘটনা বুলি সকলো লোকে সেই সময়ত মৃত মাতৃ-কন্যাক লৈয়ে ব্যস্ত থাকিল। কিন্তু আজি হঠাৎ মহিলাগৰাকীৰ স্বাস্থ্যৰ অৱনতি ঘটে। আনকি মহিলাগৰাকী সম্পূৰ্ণ অচেতন হৈ পৰে। তেতিয়াহে সম্পূৰ্ণ ঘটনা পোহৰলৈ আহে আৰু মহিলাগৰাকীক বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত লৈ আনে যদিও মহিলাগৰাকীৰ স্বাস্থ্য অধিক সংকটজনক হোৱা বাবে চিকিৎসালয় কৰ্তৃপক্ষই মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰা হয়। কিন্তু এই সমগ্ৰ ঘটনা বিশ্বনাথ চাৰিআলি বিদ্যুৎ সংমণ্ডলৰ বাবেই সংঘটিত হোৱা বুলি অভিযোগ কৰিছে স্থানীয় লোকৰ লগতে সংখ্যালঘু সংগঠনে। কাৰণ দৰিদ্ৰ সীমাৰেখাৰ লোকসকলক চৰকাৰ তথা বিদ্যুৎ বিভাগৰ লোকে প্ৰদান কৰা বিদ্যুতৰ সংযোগ কৰা তাঁৰ অতি নিম্নমানৰ হোৱা বুলি অভিযোগ উত্থাপন কৰি মৃত মাতৃ-কন্যাৰ পৰিয়ালক বিদ্যুৎ বিভাগে উপযুক্ত ক্ষতিপূৰণ দিয়াৰ লগতে সংকটজনক অৱস্থাত থকা মহিলাগৰাকীৰ ক্ষতিপূৰণ দিয়াৰ দাবী জনায়।

# জামুগুৰিহাটৰ কুসুমটোলাত চুৰিকাণ্ড

## টিএইছবি কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা অৰুণ শৰ্মাৰ বাসগৃহত চোৰৰ দলে চলালে লুটপাট

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৯ আগষ্ট ঃ** এটাৰ পাছত আন এটা চুৰিকাণ্ডই চিন্তিত কৰি তুলিছে জামুগুৰিহাটৰ কুসুমটোলাবাসী ৰাইজক। এতিয়া যেন ঘৰ এৰি যাব নোৱাৰা পৰিৱেশ বিৰাজ কৰিছে জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লোকসকলৰ। কালিও ঠিক তেনে ঘটনাই সংঘটিত হ'ল কুসুমটোলাস্থিত অৱসৰপ্ৰাপ্ত এগৰাকী প্ৰৱক্তাৰ বাসগৃহত। টিএইছবি কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা অৰুণ শৰ্মাৰ বাসগৃহত চোৰৰ দলে চলালে লুটপাট। জীয়ৰীৰ পৰীক্ষাৰ বাবে ঘৰৰ সকলো পৰীক্ষাৰ্থী জীয়ৰীৰ লগত ঢেকিয়াজুলিলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে ল'লে সুযোগ আৰু পাকঘৰৰ খিৰিকীৰে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি চোৰৰ দলে চলালে চাফাই অভিযান। নগদ ৬৫ হেজাৰ টকা আৰু পাঁচ লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ লৈ চোৰৰ দল উধাও হয় অৱসৰপ্ৰাপ্ত প্ৰৱক্তাজনৰ বাসগৃহৰ পৰা। নিশা উভতি আহি ঘৰত উপস্থিত হৈ ঘৰখনৰ ভিতৰৰ পৰিৱেশ দেখিহে গম পাই চোৰে চলোৱা লুটপাটৰ কথা। ক্ৰমাৎ চোৰৰ ঘাটিলৈ পৰিণত হোৱা কুসুমটোলাত মাত্ৰ এপষেক পূৰ্বে একেখন কলেজৰে প্ৰৱক্তা খঞ্জন কুমাৰ দাসৰ গৃহতো ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দল প্ৰৱেশ কৰি নগদ ধনৰ লগতে সোণৰ আ-অলংকাৰ লৈ উধাও হৈছিল। প্ৰবক্তাজন পৰিয়ালৰ স'তে শিৱসাগৰলৈ ফুৰিবলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি চোৰে প্ৰৱক্তাজনৰ গৃহৰ গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু আলমিৰাৰ তলা ভাঙি সোণৰ আ-অলংকাৰৰ লগতে নগদ ধন লৈ উধাও হৈছিল। সেই চুৰিকাণ্ডৰ ঘটনাৰ মাৰ নৌয়াওঁতেই আন এগৰাকী অৱসপ্ৰাপ্ত প্ৰৱক্তাৰ গৃহত চোৰে চলোৱা এনে চুৰিকাণ্ডৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে জামুগুৰি আৰক্ষীৰ ভূমিকাৰ ওপৰতো সন্দেহৰ চকুৰে চাইছে সচেতন ৰাইজে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে বিগত কিছুদিন ধৰি জামুগুৰিহাটত বিভিন্ন ঠাইত চোৰৰ উপদ্ৰৱ যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে যদিও এই মুহূৰ্তলৈকে চুৰিকাণ্ডৰ লগত জড়িত কোনো দুষ্টচক্ৰকেই কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী।



# সৰুপেটাত শ্ৰীশ্ৰী দুৰ্গা মন্দিৰৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২৯ আগষ্ট ঃ** ৯৭ বৰ্ষত পদাৰ্পণ কৰা ঐতিহাসিক সৰুপেটাৰ শ্ৰীশ্ৰী দুৰ্গা পূজাৰ উদ্‌যাপনস্থলীত নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা শ্ৰীশ্ৰী দুৰ্গা মন্দিৰৰ কালি আনুষ্ঠানিকভাৱে মাংগলিক কাৰ্যক্ৰমণিকাৰে আধাৰশিলা স্থাপন কৰা হয়। সৰুপেটাৰ শ্ৰীশ্ৰী দুৰ্গা মন্দিৰৰ আধাৰশিলা স্থাপন কাৰ্যসূচীৰ আৰম্ভ কৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। বৃহত্তৰ সৰুপেটা অঞ্চলৰ বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে আধাৰশিলা স্থাপন কাৰ্যক্ৰমণিকাত সহযোগিতা কৰে। শ্ৰীশ্ৰী দুৰ্গা মন্দিৰৰ আধাৰশিলা স্থাপনৰ স'তে সংগতি ৰাখি সৰুপেটাৰ সাংস্কৃতিক কৰ্মী কাৰ্তিক পাঠকে আঁত ধৰা সভাত আধাৰশিলা স্থাপনৰ উদ্বোধক বিধায়ক ফণীধৰ তালুকদাৰ, প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাস, প্ৰাক্তন অভিযন্তা শৈলেন্দ্ৰনাথ দাস, সৰুপেটা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জগবন্ধু তালুকদাৰে বক্তৃতা প্ৰদান কৰে। আধাৰশিলা স্থাপনৰ সভাৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে সৰুপেটা শ্ৰী শ্ৰী দুৰ্গা পূজা স্থায়ী সমিতিৰ সম্পাদক কাশ্যপ চৌধুৰীয়ে। লগতে শ্ৰী শ্ৰী দুৰ্গা মন্দিৰৰ ভূমি পূজনো হয়। উল্লেখ্য যে ৭০ লাখ টকা ব্যয়েৰে সৰুপেটাৰ শ্ৰীশ্ৰী দুৰ্গা মন্দিৰটো নিৰ্মাণ কৰা হ'ব বুলি সৰুপেটাৰ শ্ৰীশ্ৰী দুৰ্গা পূজা স্থায়ী সমিতিয়ে ঘোষণা কৰিছে।

# বিজনীত প্ৰথম বাৰ্ষিক গণেশ চতুৰ্থীৰ আয়োজন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ আগষ্ট ঃ** চিৰাঙৰ বৃহত্তৰ বিজনী শ্ৰীশ্ৰী গণেশ চতুৰ্থী উদ্‌যাপন সমন্বয় সমিতিৰ উদ্যোগত আৰু স্মাইল ফাউণ্ডেছনৰ সৌজন্যত অহা ৩১ আগষ্টৰ পৰা দুই ছেপ্টেম্বৰলৈ বিজনী বান্ধৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে প্ৰথম বাৰ্ষিক গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে। তদুপলক্ষে অৰূপ নাথক সভাপতি ৰিণ্টু কুমাৰ দাসক কাৰ্যকীৰ সভাপতি আৰু তাপশ ঘোষক সাধাৰণ সম্পাদক হিচাপে লৈ ইতিপূৰ্বে ৯৬ জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মৰ্মে অহা ৩১ আগষ্টৰ পুৱা প্ৰভাত ফেৰী, বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, দুপৰীয়া বিটিচি প্ৰধান প্ৰমোদ বড়োৰ মন্দিৰ উদ্বোধন, পূজা আৰম্ভ, বিয়লি প্ৰসাদ বিতৰণ তথা সান্ধ্য আৰতি আৰু সন্ধিয়া সাংস্কৃতিক মঞ্চ মুকলি তথা বিশিষ্ট অতিথিসকললৈ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। অহা এক ছেপ্টেম্বৰৰ পুৱা সমাজৰ কিছুসংখ্যক পিছপৰা লোকলৈ বস্ত্ৰ বিতৰণ, বিয়লি স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা, সন্ধিয়া সাংস্কৃতিক মঞ্চত বন্তি প্ৰজ্বলন, বঁটা বিতৰণ আৰু সন্ধিয়া অনুষ্ঠিত হ'ব বৰ্ণিল সাংস্কৃতিক সন্ধিয়া। উক্ত সাংস্কৃতিক সন্ধিয়াত বলিউদৰ শিল্পী অৰিন্দম চক্ৰৱৰ্তী আৰু 'বেণ্ড'-এ অংশগ্ৰহণ কৰিব। অহা দুই ছেপ্টেম্বৰৰ দুপৰীয়া ১২ বজাত গণপতি বিসৰ্জন কাৰ্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকিব গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংঘাল। তাৰ উপৰি কমতাপুৰ অটোনমাচ কাউন্সিলৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী, কোকৰাঝাৰৰ সাংসদ নৱ কুমাৰ শৰণীয়া, বিটিচিৰ কাৰ্যবাহী সদস্য সাতজন ক্ৰমে অৰূপ কুমাৰ দে, ৰঞ্জিত বসুমতাৰী, ধনঞ্জয় বসুমতাৰী, গৌতম দাস, উলছন হাছদা, ৰেওৰেয়া নাৰ্জাৰী, ৰাকেশ ব্ৰহ্ম, বিজেপি অসম প্ৰদেশৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা আৰু ছাত্ৰ তথা যুৱ কল্যাণ পৰিষদ, অসমৰ সদস্য সচিব গীতাৰ্থ গোস্বামীসহ বিশিষ্ট অতিথিবৃন্দ উপস্থিত থাকিব।






# আঁচনিৰ দ্বাৰা উপকৃত হ'লে বিজেপিক দিব ভোট ঃ ৰিজিজু

*এক পৃষ্ঠাৰ পৰা* বৰপেটাত লোকসভা প্ৰবাস যোজনাৰ সভাত অংশ লয় কেন্দ্ৰীয় মন্ত্ৰীজনে। ইয়াৰ পাছতে সংবাদ মাধ্যমৰ মুখামুখি হৈ বিজেপিৰ জ্যেষ্ঠ নেতাজনে কয় যে জনসম্পৰ্ক অভিযানৰ জৰিয়তে ৰাইজক চৰকাৰী আঁচনিসমূহৰ ওচৰ চপাই আনিবলৈ তেওঁ দলীয় কৰ্মকৰ্তাসকলক আহ্বান জনাইছে। বৰপেটাক এখন অতি গুৰুত্বপূৰ্ণ জিলা বুলি উল্লেখ কৰি ৰিজিজুৱে কয়, 'জিলাখনত বিজেপিৰ সাংসদ থাকিলে বহু উন্নয়নমূলক কাম কৰিব পৰা গ'লহেঁতেন।' আনহাতে, বৰপেটা জিলাত জেহাদীৰ তৎপৰতা বৃদ্ধি পোৱা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কেন্দ্ৰীয় মন্ত্ৰীজনে। এই প্ৰসংগত তেওঁ কয়, 'সমাজৰ এনেধৰণৰ অশুভ শক্তিক চৰকাৰে কঠোৰ হাতেৰে দমন কৰিব।'

উল্লেখ্য যে 'লোকসভাও আমাৰ, বিধানসভাও আমাৰ' এই শ্লোগানেৰে আজি বৰপেটাত বিজেপিয়ে বৰপেটা লোকসভা সমষ্টি দখলৰ আখৰা চলায়। বৰপেটা লোকসভা সমষ্টি দখলৰ প্ৰস্তুতিৰ অংশস্বৰূপে আজি অনুষ্ঠিত হয় বিজেপিৰ এক গুৰুত্বপূৰ্ণ সাংগঠনিক সভা। কেন্দ্ৰীয় মন্ত্ৰী ৰিজিজুৰ উপস্থিতিত বৰপেটাৰ তৰুণৰাম ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বৰপেটা জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভাখনত বিজেপিৰ মণ্ডল পৰ্যায়ৰ সভাপতি-সম্পাদকসকলৰ লগতে বিভিন্ন মৰ্চাসমূহে অংশগ্ৰহণ কৰে। উক্ত সভাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, ৰাজ্যিক বিজেপিৰ দুই উপ-সভাপতি ক্ৰমে জয়ন্ত দাস, অশোক ভট্টৰ, নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মা, বৰপেটা জিলা বিজেপিৰ সভাপতি অনিল দাসকে ধৰি কে'বাজনো বিজেপি নেতা উপস্থিত থাকে। বৰপেটা লোকসভা সমষ্টি দখলৰ উদ্দেশ্যে সভাত বিভিন্ন পৰিকল্পনা যুগুত কৰি উলিওৱা হয়। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ভোটাৰক আকৃষ্ট কৰিবলৈ চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণত সভাই গুৰুত্ব আৰোপ কৰে।

# চাহ-অংগনৱাড়ী-আশা-ৰন্ধন কৰ্মীসহ

*এক পৃষ্ঠাৰ পৰা* হেজাৰ বঞ্চিত শ্ৰমিকে বিক্ষোভ-সমাবেশত অংশগ্ৰহণ কৰিব বুলি সদৰী কৰে। সম্পাদক শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ ফলত কৰ্মক্ষম যুৱক-যুৱতীয়ে নিজৰ দক্ষতা অনুসৰি চাকৰিৰ পৰা বঞ্চিত হৈ আহিছে আৰু অসম তাৰ ব্যতিক্ৰম নহয় বুলি উল্লেখ কৰি কয় যে প্ৰায় এক কোটিতকৈ অধিক কৰ্মৰত শ্ৰমিকে প্ৰাপ্য মজুৰি আৰু সামাজিক সুৰক্ষাৰ পৰা বঞ্চিত হৈ আহিছে। ৰাজ্যখনত ২৩ লাখ নিবনুৱা যুৱক-যুৱতী উপযুক্ত নিয়োগৰ পৰা বঞ্চিত আৰু বিগত সাত বছৰ ধৰি বৃদ্ধি কৰিব লগা ন্যূনতম মজুৰি বৃদ্ধি কৰা নাই। এইকথা প্ৰকাশ কৰি ইয়াৰ ফলত ৯৮টা অনুসূচিভুক্ত প্ৰায় ১০ লাখ শ্ৰমিকে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে বুলি তেওঁ কয়। একেদৰে অতি সম্প্ৰতি ১১ লাখ চাহ শ্ৰমিকক চৰকাৰে দৈনিক মাত্ৰ ২৭ টকা মজুৰি বৃদ্ধি কৰি চৰম প্ৰতাৰণাৰ নিদৰ্শন দাঙি ধৰিলে বুলি সম্পাদক মন্তব্য কৰি শৰ্মাই পুনৰ কয় যে ব্যক্তিগত মালিকানাধীন কাৰখানাসমূহ প্ৰচলিত শ্ৰম আইন প্ৰয়োগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ নিৰ্লিপ্ত ভূমিকাক মইনা নায়ক আৰু ফণীধৰ কলিতাৰ ঘটনাই উদঙাই দিলে। এটা কাৰখানাত যদি ৫০ জন শ্ৰমিক থাকে, কাগজে-পত্ৰই ১০ জন শ্ৰমিকৰ নামহে উল্লেখ থাকে বুলি তেওঁ অভিযোগ তুলি পুনৰ কয়, 'অসমত সামান্য মজুৰিত শ্ৰমিকক ১২-১৪ ঘণ্টা কাম কৰোৱাটো এক নিয়মত পৰিণত হৈছে। ব্যক্তিগত নাৰ্চিং হোমত ২০-২৫ বছৰ কৰ্মৰত নাৰ্ছ-কৰ্মচাৰীয়ে আজিও আঠ-১০ হেজাৰ মাহিলী মজুৰিত কাম কৰিবলৈ বাধ্য হৈ আছে। চৰকাৰী আঁচনি ৰূপায়ণত নিয়োজিত অংগনৱাড়ী কৰ্মী-সহায়িকা, ৰন্ধন কৰ্মচাৰী, আশা কৰ্মীসকলকো প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰি অহা হৈছে। সামান্য মাননিৰ বিনিময়ত কোনো সামাজিক সুৰক্ষা অবিহনে দুই লাখ ৭১ হেজাৰ আঁচনিভুক্ত কৰ্মচাৰীয়ে সেৱা আগবঢ়াই আহিছে। বে-চৰকাৰী পৰিবহণ খণ্ডৰ পৰা গৃহ নিৰ্মাণ শ্ৰমিকলৈ সকলোকে আইনৰ পৰা বঞ্চিত কৰি অহা হৈছে।' এনে সৰ্বস্তৰৰ বঞ্চিত শ্ৰমিক আৰু নিবনুৱা যুৱক-যুৱতীয়ে অহা পহিলা ছেপ্টেম্বৰত মহানগৰীত কেন্দ্ৰীয়ভাৱে এক বিক্ষোভ-সমাবেশ ৰূপায়ণ কৰিব বুলি তেওঁ উল্লেখ কৰি সমাবেশত মূলতঃ শ্ৰমিকৰ ন্যূনতম মাহিলী মজুৰি ২১ হেজাৰ টকা ধাৰ্য কৰা, চৰকাৰী আঁচনিভুক্ত কৰ্মচাৰীক মাননিৰ পৰিবৰ্তে মজুৰি প্ৰদান কৰা, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১টকা আদায় দিয়া আদি বিষয়ে অগ্ৰাধিকাৰ পাব বুলি কয়।

# ধন সংগ্ৰহকে মূল লক্ষ্যৰূপে লৈ জধে

*এক পৃষ্ঠাৰ পৰা* পাৰিপাৰ্শ্বিকতাৰ প্ৰতি চূড়ান্ত ভাবুকি কঢ়িয়াইছে। পৰিৱেশ ৰক্ষাৰ বাবে চৰকাৰে বন্যপ্ৰাণী অভয়াৰণ্য, সংৰক্ষিত বনাঞ্চল, জনবসতিপূৰ্ণ অঞ্চল, কৃষিভূমি, জনজাতীয় বেল্টত সকলো ধৰণৰ প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগ স্থাপন আৰু পৰিচালনাৰ অনুমতি দিয়া বন্ধ কৰিবলৈ আজি ৰাজ্য চৰকাৰক দাবী জনাইছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। আজি গুৱাহাটীৰ গান্ধীবস্তিত থকা সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত সংগঠনটোৱে স্পষ্টভাৱে কয় যে ৰাজ্যৰ অৰ্থনীতি আৰু আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়নৰ বাবে আধুনিক তথ্য প্ৰযুক্তিৰ প্ৰয়োগ আৰু উদ্যোগীকৰণ নীতিৰ বিৰোধিতা নকৰে; কিন্তু তথাকথিত উন্নয়ন আৰু উদ্যোগীকৰণৰ নামত প্ৰদূষণ সৃষ্টিকাৰী তথা জনস্বাস্থ্যৰ প্ৰতি ভাবুকি স্বৰূপ উদ্যোগ প্ৰতিষ্ঠান স্থাপন কৰাটো মুঠেও নিবিচাৰে। তথ্যজনাৰ অধিকাৰ আইনৰ অধীনত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে লাভ কৰা তথ্য সদৰী কৰি কয় যে ৰাজ্যৰ ভিন্ন জিলাত ইটাভাটা, শিল ভঙা মেচিন আৰু কংক্ৰিট ব্লক উদ্যোগসমূহে সকলো নীতি-নিয়ম উলংঘন কৰি আহিছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ৰাজু বৰা, দেবেন শৰ্মা, কাৰ্যকৰী সভাপতি মুকুট ডেকা আৰু সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই সম্বোধন কৰা সংবাদমেলত আৰটিআইৰ তথ্যৰ উদ্ধৃতি দি সংগঠনটোৰ নেতাকেইজনে কয় যে ৰাজ্যখনৰ ২৯ খন জিলাত মুঠতে ১০৬৭ টা ইটাভাটা, ৭৯৩টা শিল ভঙা ক্ৰেচাৰ, ৯৩টা কংক্ৰিট ব্লক উদ্যোগ আছে। ইয়াৰে ভিতৰত অধিকাংশ এনে ক্ষুদ্ৰ উদ্যোগে বিভাগীয় নীতি-নিয়ম উলংঘন কৰি পৰিচালিত হৈ আহিছে। সংগঠনটোৰ সাধাৰণ সম্পাদক শইকীয়াই কয় যে নগাঁও জিলাত সৰ্বাধিক ১২৬টা ইটাভাটা, ধুবুৰীত ১২৩টা, শোণিতপুৰত ১০৭টা আৰু ডিব্ৰুগড়ত ৮৬ টা ইটাভাটা প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অনুমতি সাপেক্ষে চলি আছে। একেদৰে শিল ভঙা ক্ৰেচাৰ মেচিনৰ ভিতৰত শিৱসাগৰত সৰ্বাধিক ১১৪টা, নগাঁৱত ৯৫টা, তিনিচুকীয়াত ৫৯টা আৰু কামৰূপ গ্ৰাম্য জিলাত ৫৮টা ক্ৰেচাৰ মেচিন চলি আছে। দেখাত প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৰা অনুমতি লাভ কৰিছে যদিও এইসমূহ ইটাভাটা, ক্ৰেচাৰ মেচিনে সংশ্লিষ্ট অঞ্চলসমূহত সৃষ্টি কৰিছে ব্যাপক প্ৰদূষণৰ। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গণেশ কুঁৱৰী অঞ্চলটো এক অঘোষিত ইটাভাটা বেল্টত পৰিণত হৈছে বুলি অভিযোগ তুলি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বই কয় যে যিকোনো এটা উদ্যোগ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতিৰ লগতে আন কিছুসংখ্যক কৰ্তৃপক্ষৰ আপত্তিবিহীন প্ৰমাণপত্ৰ ল'ব লাগে। এই বিভাগসমূহে প্ৰকৃততে সংশ্লিষ্ট উদ্যোগটো স্থাপনৰ ফলত জনস্বাস্থ্য বা পাৰিপাৰ্শ্বিকতাৰ ওপৰত যাতে কুপ্ৰভাৱ নেপেলায় তাৰ বাবে যাৱতীয় নীতি-নিৰ্দেশনাও জাৰি কৰে; কিন্তু বৰ্তমান ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত জনস্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কীয় সকলো নীতি-নিয়ম জলাঞ্জলি দি কেৱল ৰাজহ সংগ্ৰহৰ নামত প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগসমূহ চলাই থাকিবলৈ অনুমতি দিয়া হৈছে বুলি সংগঠনটোৰ নেতৃত্বই অভিযোগ তোলে। সংগঠনটোৱে সংবাদমেলত অভিযোগ তোলে যে জনস্বাস্থ্যৰ প্ৰতি যাতে কোনো উদ্যোগ প্ৰতিষ্ঠানে ভাবুকি কঢ়িয়াব নোৱাৰে সেই দিশটো চোৱা-চিতাৰ দায়িত্বত থকা অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ ভূমিকা সম্প্ৰতি সন্দেহজনক। পৰিষদৰ বৰ্তমানৰ অধ্যক্ষ আৰু সদস্য সচিবজনে মইমতালিৰে সকলো নীতি-নিয়ম উলংঘা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অভিযোগ তোলে। উদ্যোগ প্ৰতিষ্ঠানৰ পৰা একেলগে মোটা অংকৰ মাচুল সংগ্ৰহৰ নীতি লৈ পূৰ্বে প্ৰতি বছৰে কাৰ্য সম্পাদনৰ বাবে অনুমতি লোৱাৰ নিয়ম সলনি কৰি এতিয়া দীৰ্ঘম্যাদী কাৰ্য পৰিচালনাৰ বাবে অনুমতি দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাৰ ফলত এতিয়া পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা উদ্যোগ প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ কৰাটো ৰাইজৰ পক্ষে সম্ভৱ নহয়। এই মত পোষণ কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বই আজিৰ সংবাদমেলত দাবী তোলে যে প্ৰতি বছৰে প্ৰদূষণৰ মাত্ৰা, পৰিৱেশ আৰু সামাজিক বাতাবৰণৰ ওপৰত ভিত্তি কৰি কাৰ্য পৰিচালনা কৰাৰ অনুমতি চমুকৈ চিটিঅ' প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে। একেদৰে প্ৰদূষিত উদ্যোগৰ পৰা সৃষ্টি হোৱা বৰ্জিত পদাৰ্থ নিষ্কাসনৰ বাবে সঠিকভাৱে পৰিশোধন প্ৰকল্প স্থাপন কৰিবলৈ উদ্যোগসমূহক বাধ্য কৰাব লাগে বুলি সংগঠনটোৱে চৰকাৰক দাবী জনাইছে। একেদৰে প্ৰতিটো উদ্যোগ স্থাপনৰ পূৰ্বে স্থানীয় লোকৰ উপস্থিতিত শুনানিৰ ব্যৱস্থা কৰিবলৈও কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে আজি দাবী জনাইছে। সমান্তৰালকৈ শ্ৰমিকৰ নিৰাপত্তা, প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা, মহিলাৰ সামাজিক নিৰাপত্তা আৰু শিশু শ্ৰমিক নিয়োগ সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ সংগঠনটোৱে দাবী তোলে। কেৱল মাচুলৰ নামত ধন সংগ্ৰহকে মূল লক্ষ্য হিচাপে লৈ প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে গাঁৱে-ভূঞে জধে-মধে প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগ স্থাপনৰ অনুমতি দি আছে বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অভিযোগ তোলে। এনেবোৰ প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগ প্ৰতিষ্ঠানক বিভাগীয় নীতি-নিয়ম মানি চলিবলৈ বাধ্য কৰোৱা আৰু পৰিৱেশ-কৃষি ভূমিৰ সংৰক্ষণ আৰু জনগণৰ স্বাৰ্থ সুৰক্ষাৰ খাতিৰত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে ব্যাপক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু ৰাজ্য চৰকাৰক সকীয়াই দিয়ে।

# অস্বাভাৱিক হাৰত হ্ৰাস পদপথৰ ব্যৱসায়

*এক পৃষ্ঠাৰ পৰা* বিশেষকৈ চাহ-ৰুটি-ভাত, ফাষ্টফুডৰ দোকানসমূহ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে আৰু কিছু সংখ্যকে এবেলা খুলি আনবেলা বন্ধ কৰি ৰাখিছে। এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'-এ সংশ্লিষ্ট ব্যৱসায়ীসকলৰ কাষ চপাত এক ভয়াৱহ দিশ পোহৰলৈ আহিছে। গৰিষ্ঠসংখ্যক ক্ষুদ্ৰ ব্যৱসায়ীয়ে পূৰ্বৰ তুলনাত বিক্ৰী হ্ৰাস পোৱা বুলি প্ৰকাশ কৰি পৰিয়ালটো বাদেই, সম্প্ৰতি পদপথত দোকান দি এজন লোক চলিবলৈকে অসুবিধা হৈ পৰিছে বুলি জনায়। গণেশগুৰিৰ গণেশ মন্দিৰৰ সমীপত পুৱাৰে পৰা নিশা ন বজা পৰ্যন্ত চপ, মটৰ, পকৰি, চাহ বিক্ৰী কৰি চাৰিজনীয়া পৰিয়াল পোহপাল দি অহা দীপেন দাসে কয়, 'বিগত প্ৰায় এমাহৰ পৰা ব্যৱসায় একেবাৰে বেয়া। পূৰ্বৰ তুলনাত গ্ৰাহকৰ সংখ্যা অস্বাভাৱিক হাৰত হ্ৰাস পাইছে। আগতে চাৰি-পাঁচ কিলোগ্ৰাম মটৰ বনাইছিলো আৰু সকলো বিক্ৰী হৈছিল। এতিয়া দুই কিলোগ্ৰাম বনাও তাকো কেতিয়াবা শেষ হয়, কেতিয়াবা নহয়।' উল্লেখ্য যে বিগত এমাহৰ আগলৈকে ২৫শ, তিনি হেজাৰ টকাৰ খাদ্য সামগ্ৰী বিক্ৰী কৰি অহা দীপেনে সম্প্ৰতি কোনোমতে এহেজাৰ, ১২শ টকাৰ খাদ্য সামগ্ৰী বিক্ৰী কৰে। এই কথা সদৰী কৰি তেওঁ কয় যে পূৰ্বতে দৈনিক এহেজাৰ টকা উপাৰ্জন হৈছিল যদিও এতিয়া দৈনিক চাৰি-পাঁচশ টকাহে উপাৰ্জন হোৱাত পৰিয়াল পোহপালত গভীৰ সমস্যাৰ সন্মুখীন হৈছে। সমান্তৰালভাৱে পানী-পুৰি বিক্ৰী কৰি অহা যোগেন্দ্ৰ যাদৱেও পূৰ্বে দৈনিক আঠশ-নশ টকা উপাৰ্জন কৰিছিল যদিও সম্প্ৰতি উপাৰ্জন দুশ-তিনিশ টকাতে সীমাবদ্ধ হৈ পৰিছে বুলি সদৰী কৰি কয়, 'বহু স্থায়ী গ্ৰাহক হ্ৰাস পালে। গৰম বুলিয়ে নহয়, কাৰণ গৰমত পানী-পুৰি বিক্ৰী বেছি হয়; কিন্তু এইবাৰ পৰিৱেশ সুকীয়া। বিক্ৰী হ্ৰাস পোৱাত আমাৰো দৈনিক উপাৰ্জন হ্ৰাস পাইছে, ফলত এতিয়া পৰিয়াল চলোৱাটোৱেই চিন্তাৰ কাৰণ হৈ পৰিছে।' উল্লেখ্য যে দিনটোৰ বাবে জীৱিকাৰ সন্ধানত ওলাই অহা ৰিক্সা, ঠেলা, অট' চালক, দৈনিক হাজিৰা কৰা শ্ৰমিক তথা দৈনিক শ্ৰম কৰা লোকসকলক কেন্দ্ৰ কৰিয়েই মহানগৰীৰ পদপথৰ কাষে কাষে থকা ভাত-ৰুটিৰ হোটেলসমূহ চলি আহিছে। পূৰ্বৰ দৰে এই শ্ৰমজীৱী দৰিদ্ৰ শ্ৰেণীৰ লগতে মধ্যবিত্ত শ্ৰেণীৰ লোকৰো উপাৰ্জন হ্ৰাস তথা একে পৰ্যায়তে থকাত অত্যধিক মূল্যবৃদ্ধিৰ প্ৰভাৱত এক নিৰ্দিষ্ট বাজেটত তেওঁলোক চলিবলগীয়া পৰিস্থিতি উদ্ভৱ হোৱাৰ ফলতে এনে প্ৰত্যাহ্বান আহিছে বুলি অধিকাংশ ব্যৱসায়ীয়ে মত প্ৰকাশ কৰে। আনহাতে, সন্ধিয়া বজাৰলৈ বুলি ওলাই অহা জনতা ভৱনৰ এজন কৰ্মচাৰীয়ে কয়, 'মূল্যবৃদ্ধিয়ে সকলোকে জ্বলা-কলা খুৱাইছে। আগতে ১২-১৫শ টকাৰ শাক-পাচলিৰে মাহটো হৈছিল, এতিয়া তিনি হেজাৰৰ লাগে। দৰমহা কিন্তু একেই আছে, অথচ চলিবতো লাগিবই। সেয়ে অন্যান্য ব্যয় কমাবলগীয়া হৈছে। আগতে সপ্তাহটোৰ কাৰণে তিনি-চাৰি লিটাৰ গাখীৰ লৈছিলো, এতিয়া দুই লিটাৰ লওঁ। মাছ-মাংস খোৱাতো হ্ৰাস কৰিছো। ল'ৰা-ছোৱালীক হাত খৰচ দিয়াটো আগৰ দৰে নাই। ফলত আমি ব্যয় হ্ৰাস কৰা মানে ব্যৱসায়ীসকলৰো বিক্ৰী নিশ্চিতভাৱে হ্ৰাস পাব। ফলত তেওঁলোকৰো উপাৰ্জন হ্ৰাস পাব। এয়া একমাত্ৰ মূল্যবৃদ্ধিৰ প্ৰভাৱ।' একেদৰে হাতীগাঁও চাৰিআলিত চাহ-পকৰি-কণী বিক্ৰী কৰি অহা তৰুলতাই সম্প্ৰতি বিক্ৰী হ্ৰাস হোৱাত পৰিয়াল চলাবলৈয়ে চিন্তা কৰিবলগীয়া হৈছে আৰু মূল্যবৃদ্ধিয়ে সকলোকে টেঁটুচেপা দিছে বুলি মন্তব্য কৰি সম্প্ৰতি এসাঁজ খাবলৈ এশবাৰ ভাবিলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে বুলি কয়।

ইফালে, আকাশলংঘী মূল্যবৃদ্ধিয়ে ক্ষুদ্ৰ ব্যৱসায়লৈ ব্যাপক প্ৰত্যাহ্বান কঢ়িয়াই আনিছে বুলি মন্তব্য কৰি সদৌ অসম পদপথ ব্যৱসায়ী সন্থাৰ সভাপতি চন্দন গোস্বামীয়ে কয়, 'মহানগৰীৰ চাৰিওফালে যদি প্ৰত্যক্ষ কৰে এতিয়া পদপথৰ বহু দোকান বন্ধ হৈ থকা দেখিব। কাৰণ আগতে যদি মই ভাতৰ হোটেলখনৰ জৰিয়তে দৈনিক ১২শ টকা উপাৰ্জন কৰিছিলো, এতিয়াও উপাৰ্জন একেই আছে। বৰঞ্চ কেতিয়াবা হ্ৰাসহে পাইছে। অৰ্থাৎ মোৰ আয় এতিয়াও একেই আছে, কিন্তু মূল্যবৃদ্ধিৰ ফলত মোৰ ব্যয় দুই-তিনি গুণ বৃদ্ধি হ'ল। এয়া কেৱল মোৰ ক্ষেত্ৰতে নহয়, দৈনিক উপাৰ্জন কৰা প্ৰতিজন দৰিদ্ৰ তথা মধ্যবিত্ত শ্ৰেণীৰ ক্ষেত্ৰতো একেই। ফলত বহু পদপথৰ দোকান সম্প্ৰতি বন্ধ হৈ পৰিছে আৰু খেতি কৰিবলৈও বহু লোক গাঁৱলৈ উভতি গৈছে।' মূল্যবৃদ্ধিৰ ফলত আমাৰ দৰে শ্ৰমজীৱী পৰিয়াললৈ কেনেধৰণৰ প্ৰত্যাহ্বান আহিছে, কেৱল ভুক্তভোগীসকলেহে জানে আৰু এই কথা ক'লে কোনেও বিশ্বাস কৰিব নিবিচাৰে বুলি মন্তব্য কৰি গোস্বামীয়ে ইয়াৰ ফলত কিদৰে ক্ষুদ্ৰ ব্যৱসায়লৈ প্ৰত্যাহ্বান আহিছে তাৰ ব্যাখ্যা আগবঢ়াই পুনৰ কয়, 'পদপথৰ ব্যৱসায়ীসকল বিশেষকৈ শ্ৰমিক-ব্যৱসায়ীৰ পৰা মধ্যবিত্ত শ্ৰেণীৰ গ্ৰাহকসকলৰ ওপৰতে নিৰ্ভৰশীল। এই শ্ৰেণীৰ লোকৰ পূৰ্বতে যি উপাৰ্জন আছিল, সম্প্ৰতিও তেওঁলোকৰ উপাৰ্জন একে। ফলত আকাশলংঘী মূল্যবৃদ্ধিৰ বাবে তেওঁলোকে পূৰ্বৰ তুলনাত বহু ব্যয় কৰ্তন কৰিবলগীয়া হৈছে। যেনেদৰে মোৰ কটন বিশ্ববিদ্যালয়ৰ সমীপত ভাতৰ হোটেল আছে। বহু ৰিক্সা, অট' চালকৰে ধৰি স্থানীয় কাৰ্যালয়সমূহৰ নিম্নবৰ্গৰ স্থায়ী-অস্থায়ী কৰ্মচাৰীসকল এসময়ত নিয়মীয়া গ্ৰাহক আছিল। এতিয়া ইয়াৰে গৰিষ্ঠসংখ্যকে ঘৰৰ পৰা খাদ্য লৈ আহে; কাৰণ মূল্যবৃদ্ধিৰ ফলত আমিও ভাতৰ দাম বৃদ্ধি কৰিবলগীয়া হ'ল। একেদৰে অট' বা ৰিক্সা চালকসকলেও দিনটো পৰিশ্ৰম কৰি পাঁচশ-ছশ টকা উপাৰ্জন কৰে। আগতে তেওঁলোক ঘৰলৈ নাযায়, কাৰণ ৭০-৮০ টকাতে দুসাঁজ ভাত পাইছিল; কিন্তু এতিয়াও তেওঁলোকে দিনটো পাঁচশ-ছশ টকা উপাৰ্জন কৰে আৰু যদি বাহিৰত ভাত খাওঁতেই ১৫০-২০০ টকা খৰচ কৰে, তেন্তে ঘৰ নচলে। ফলত হোটেলত খোৱা কমাই দি ঘৰৰ পৰা খাদ্য লৈ আহে। সকলোৰে ক্ষেত্ৰত একেই আৰু যাৰ বাবে পদপথৰ ভাত-চাহ-ফাষ্টফুডৰ ব্যৱসায়ত বিক্ৰী অস্বাভাৱিক হাৰত হ্ৰাস পাইছে।'

উল্লেখ্য যে দৈনিক শ্ৰমজীৱী জনতাৰ পৰা মধ্যবিত্তলৈ প্ৰতিবিধ সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ফলত অৰ্থাৎ দৈনন্দিন ব্যয় অনুপাতে উপাৰ্জন নথকাত তেওঁলোকৰ জীৱনলৈ বৃহৎ প্ৰত্যাহ্বান নামি আহিছে। ফলত উপায়ান্তৰ হৈ বহু ক্ষুদ্ৰ ব্যৱসায়ীয়ে ব্যৱসায় বন্ধ কৰি জীৱিকাৰ অন্য পথ বাচি লোৱাৰ সমান্তৰালভাৱে বহুতে এবেলা ব্যৱসায় কৰি আনবেলা অন্য কাম কৰাৰ সুলভ ছবি মহানগৰীৰ বিভিন্ন স্থানত দেখিবলৈ পোৱা গৈছে। এনে পৰিৱেশ শীঘ্ৰে নিয়ন্ত্ৰণ নকৰিলে অনাগত দিনত এক অতি ভয়াৱহ পৰিস্থিতি উদ্ভৱ হোৱাৰ আশংকা কৰিছে বহুজনে।

# পুৰণি পেঞ্চন ব্যৱস্থাকে প্ৰৱৰ্তনৰ

*এক পৃষ্ঠাৰ পৰা* প্ৰতিখন জিলা সমিতিয়ে স্পষ্টভাৱে প্ৰশ্ন কৰে যে পশ্চিমবংগকে ধৰি ভাৰতৰ আন পাঁচখন ৰাজ্যই কৰ্মচাৰীসকলক পুৰণা পেঞ্চন দিব পাৰিলে অসমে দিব নোৱাৰাৰ কাৰণ কি? উল্লেখ্য যে অধিবেশনৰ আন আন কাৰ্যসূচীৰ লগতে বিষয় বাছনি সভাত বিষয়ববীয়া পদৰ বিপৰীতে অধিকসংখ্যক ব্যক্তিৰ নাম প্ৰস্তাৱ হোৱাত নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। নিশা প্ৰায় ১০ বজাত অন্ত পৰে নিৰ্বাচনী প্ৰক্ৰিয়া। ঘোষিত ফলাফল অনুসৰি, আগন্তুক দুটা বৰ্ষৰ কাৰ্যকালৰ বাবে দীপেন শৰ্মাক সভাপতি আৰু দিলীপ কলিতা সম্পাদক প্ৰধান হিচাপে বিজয়ী হয়। যোৱাটো কাৰ্যকালৰ উপ-সভাপতি দীপেন শৰ্মাই ৪৮৫টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী বিজয় কৃষ্ণ দত্তক ২৫৭ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সম্পাদক প্ৰধান পদত দিলীপ কলিতাই ৫০৩টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী খগেন মহন্তক ২৯৩টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। ইফালে, সাতজন প্ৰাৰ্থীৰ মাজত অনুষ্ঠিত চাৰিজন উপ-সভাপতি পদৰ নিৰ্বাচনত বিজয়ী হয় ক্ৰমে শ্যামন্ত দাস, ৰুহুল আমিন, প্ৰদীপ ৰাজখোৱা আৰু শৰৎ দাস। আকৌ যুটীয়া সম্পাদকৰ চাৰিটা পদত নজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। এওঁলোকৰ ভিতৰত পংকজ বৰ্মন, মনোজ কুমাৰ লহকৰ, প্ৰসন্ন বৰুৱা আৰু উৎপল দাস যুটীয়া সম্পাদক হিচাপে বিজয়ী হয়। সদৌ অসম কৰ্মচাৰী পৰিষদৰ নতুন কমিটীখনক গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদে আন্তৰিক অভিনন্দন জনাইছে।

# জীৱন্ত অৱস্থাত ওপৰেদি ৰেল

*এক পৃষ্ঠাৰ পৰা* অকালতে মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, আজি পুৱা নামুনিমুৱা লাচিত এক্সপ্ৰেছৰ পৰা পৰি এজন যুৱকৰ ভৰি এখন দ্বিখণ্ডিত হৈ যায়। তৎসত্ত্বেও ৰেলৰ চালক নাইবা গাৰ্ডে ৰেলখন নৰখাই ৰঙিয়া ৰেল ষ্টেছনত উপস্থিত হয়। ৰেলপথৰ কাষত পৰি থকা গুৰুতৰভাৱে আহত যুৱকজনে ওচৰ-পাজৰৰ ৰাইজক হাত বাউলি মাতি তেওঁক ৰেলপথৰ কাষৰ পৰা লৈ যাবলৈ কাবৌ-কাকুতি কৰিলে। অকল সেয়াই নহয়, ৰেলপথৰ শিল দলিয়াই দি মানুহৰ দৃষ্টি আকৰ্ষণ কৰাৰো চেষ্টা কৰে, কিন্তু কোনো এজন লোকে আগুৱাই আহি যুৱকজনক ৰেলপথৰ কাষৰ পৰা আঁতৰাই নিনিলে। আৰক্ষীৰ হাৰাশাস্তিৰ সম্মুখীন হোৱাৰ ভয়তে তেওঁলোকে আগুৱাই নহাত আহত যুৱকজন ৰেলপথৰ কাষতে পৰি থাকিল। কিছু সময় পাছত ৰঙিয়া ৰেল ষ্টেছনৰ পৰা ৰঙাপৰা অভিমুখী উজনিমুৱা ৰেল এখনে যোৱাৰ সময়ত স্থানীয় লোকে ৰেলখন ৰখোৱাৰ বহু চেষ্টা কৰি যদিও ৰেলচালকে ৰাইজৰ চিঞৰ-বাখৰৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰিলে। আনকি ৰেলপথৰ ওপৰত তেজে তুমৰলি হৈ পৰি থকা যুৱকজনৰ প্ৰতিও কোনো ধৰণৰ ভ্ৰূক্ষেপ নকৰি ওপৰেদি ৰেলখন লৈ যোৱাত যুৱকজনৰ মৃত্যু হয় বুলি অভিযোগ উত্থাপিত হৈছে। ইপিনে, উজনিমুৱা ৰেলৰ চালকজনে নিয়ম অনুসৰি সমীপৰ ৰেল ষ্টেছনৰ ষ্টেছন মাষ্টাৰক এই সন্দৰ্ভত লিখিতভাৱে জনাব লাগিছিল। যদিও কোনো এক ৰহস্যজনক কাৰণত তেওঁ গোৰেশ্বৰ ৰেল ষ্টেছনতহে ৰঙিয়া ৰেল ষ্টেছনৰ সমীপত দুৰ্ঘটনা হোৱা বুলি জনায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ৰঙিয়া ৰেল আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। পাছত তেওঁৰ লগত থকা নথি-পত্ৰৰ পৰা পৰিয়ালক খবৰ দিয়াত পৰিয়ালৰ লোকে আহি মৃতদেহ ঘৰলৈ লৈ যায়। আৰক্ষীৰ সূত্ৰ অনুসৰি, নিহত যুৱকজন হৈছে পশ্চিমবংগৰ আলিপুৰদুৱাৰ নিবাসী শ্যামল দাস আৰু তেওঁ অৰুণাচল প্ৰদেশত পথৰ কামত নিয়োজিত আছিল। তাৰ পৰা ঘৰলৈ ওভতাৰ পথত কেনেকৈ ৰেলৰ পৰা পৰিল সেয়া ৰহস্য হৈয়ে থাকিল। যুৱকজনৰ লগত হাৰমতিত ক্ৰয় কৰা এখন ৰেলৰ টিকটসহ অন্যান্য নথি-পত্ৰ পোৱা গৈছে যদিও কোনো টকা-পইচা উদ্ধাৰ হোৱা নাই। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, এমাহ পূৰ্বে অৰুণাচললৈ যোৱা যুৱকজনে ঘৰলৈ উভতি আহি আছিল। তেওঁৰ লগত যথেষ্ট টকা আছিল। ঘটনাটোৱে ৰঙিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দুৰ্বৃত্তই হাতত থকা ধন কাঢ়ি যুৱকজনক ৰেলৰ পৰা পেলাই দিয়াৰো সন্দেহ কৰি স্থানীয় লোকে ইয়াৰ এক নিৰপেক্ষ তথা উচিত তদন্তৰ দাবী কৰিছে। তেওঁলোকে দোষী ৰেলচালকৰ বিৰুদ্ধেও ব্যৱস্থা লোৱাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন জনাইছে।

# ৰাজ্যত এবিটিৰ দ্বাৰা মাদ্ৰাছা

*এক পৃষ্ঠাৰ পৰা* উচ্ছেদ কৰা মাদ্ৰাছাখন হাউলীৰ যোশীহাটীপাৰা গাঁৱত চাৰি কঠা ১০ লেচা চৰকাৰী ভূমি বেদখল কৰি ২০১৮ত স্থায়ীভাৱে নিৰ্মাণ আৰম্ভ কৰা বুলি প্ৰশাসনে সদৰী কৰে। মৌলবাদ তথা জেহাদী কাৰ্যকলাপৰ স'তে সাঙোৰ খাই পৰাৰ লগতে চৰকাৰী ভূমি বেদখল কৰি নিৰ্মাণ কৰা মাদ্ৰাছাখনত সেয়েহে উচ্ছেদ চলোৱা বুলি কয় বৰপেটা জিলা প্ৰশাসনৰ বিষয়াই। তথ্য অনুসৰি, প্ৰায় ৬০জন ছাত্ৰ মাদ্ৰাছাখনত থাকিয়ে অধ্যয়ন কৰিছিল। এই মাদ্ৰাছাখনতে ২০১৯ৰ পৰা অল-কায়দা তথা আনছাৰুল্লাহ বাংলা টীমৰ জেহাদী বাংলাদেশী নাগৰিক মহম্মদ সুমনে শিক্ষকৰূপে বাহৰ পাতি চলাই গৈছিল জেহাদী কাৰ্যকলাপ। মহম্মদ সুমনৰ তত্ত্বাৱধানত জেহাদী কাৰ্যকলাপৰ অভিকেন্দ্ৰ হৈ পৰিছিল এই মাদ্ৰাছাখন। এই তথ্য সদৰী কৰি আৰক্ষী সূত্ৰই কয় যে বিগত মাৰ্চত মহম্মদ সুমন ওৰফে ছাইফুল ইছলামে আৰক্ষীৰ জালত পৰাৰ পাছত সমগ্ৰ তথ্য পোহৰলৈ আহে। সুমনে বাংলাদেশৰ পৰা অবৈধভাৱে অসমত প্ৰৱেশ কৰি জেহাদী কাৰ্যকলাপ অব্যাহত ৰাখিছিল। সুমনক গ্ৰেপ্তাৰৰ পাছতে 'শ্বাইখুৰ হিন্দ মাহমুদুল হাছান জামিউল হুদা ইছলামিক একাডেমী' নামৰ মাদ্ৰাছাখনৰ প্ৰধান শিক্ষক মাহমুনুৰ ৰছিদকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

মৌলবাদী তথা জেহাদী সংগঠনৰ স'তে জড়িত থকাৰ অভিযোগত অসম আৰক্ষীৰ বিশেষ শাখাই বৰপেটা আৰক্ষীৰ সহযোগত হাউলী, বৰপেটা আৰু কলগাছিয়াৰ পৰা চাৰি মাৰ্চত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছিল। এই পাঁচজনৰ ভিতৰত এজন বাংলাদেশৰ নাৰায়ণগড় জিলাৰ আৰু চাৰিজন বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তৰৰ বাসিন্দা। আটকাধীন লোককেইজনে বাংলাদেশৰ আনছাৰুল্লাহ বাংলা টীম (এবিটি) নামৰ জেহাদী সংগঠনৰ স'তে প্ৰত্যক্ষভাৱে জড়িত আছিল বুলি ইতিমধ্যে প্ৰকাশ পাইছে।

## ৰাজ্যত মাদ্ৰাছা স্থাপন জেহাদীৰ

অসমত জেহাদী কাৰ্যকলাপ অধিক শক্তিশালী কৰিবলৈ এবিটিয়ে নিজা উদ্যোগত বৰপেটা, বঙাইগাঁও আৰু গোৱালপাৰাত কে'বাখনো মাদ্ৰাছা স্থাপন কৰাৰ সন্দেহজনক তথ্য লাভ কৰা বুলি অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই কয়। সূত্ৰটোৱে জনোৱা মতে, নিজা উদ্যোগত স্থাপন কৰিব নোৱৰা স্থানত আনৰ দ্বাৰা পৰিচালিত কে'বাখনো মাদ্ৰাছাও নিজ কৰ্তৃত্বলৈ নিছে এবিটিয়ে। জেহাদী কাৰ্যকলাপ বিয়পাবলৈ বিগত তিনি বছৰ ধৰি এবিটিয়ে তিনিখন জিলাক লক্ষ্য কৰি লৈছে। এই পৰ্যন্ত উদ্ধাৰ হোৱা তথ্য অনুসৰি ৰাজ্যৰ ভিতৰত বৰপেটা, বঙাইগাঁও আৰু বৰপেটাত এবিটিয়ে শক্তিশালী খোপনি পুতিছে। অসম আৰক্ষীৰ সূত্ৰই আজি 'দৈনিক অগ্ৰদূত'ক কয় যে এনে মাদ্ৰাছাসমূহত সেয়েহে বাংলাদেশৰ পৰা আহি জেহাদী খোপনি পুতিবলৈ, আশ্ৰয় ল'বলৈ সক্ষম হৈছিল। কম সময়ৰ বাবে অসমলৈ অহা বাংলাদেশী জেহাদীয়ে মাদ্ৰাছাখনত নিৰাপদে দিন কটাইছিল। নিজকে সুৰক্ষিত ৰাখিবলৈ তথা আৰক্ষীৰ চকীৰ ধূলি দিবলৈ বাংলাদেশী জেহাদীয়ে এখনৰ পাছত আনখন মাদ্ৰাছাত বিচৰণ কৰিছিল। সূত্ৰটোৱে কয় যে এবিটিৰ দ্বাৰা পৰিচালিত মাদ্ৰাছাসমূহত এনে কাৰ্য সেয়েহে সম্ভৱ হৈছিল জেহাদী সদস্যৰ।

আৰক্ষী সূত্ৰত প্ৰকাশ যে আজি উচ্ছেদ কৰা মাদ্ৰাছাখনত শিক্ষকৰূপে কৰ্মৰত হৈ থকা এবিটিৰ নাগৰিক তথা অবৈধ বাংলাদেশী সুমনৰ উপৰি আন এজন জেহাদীয়েও দীৰ্ঘদিন আশ্ৰয় লৈছিল। এই মাদ্ৰাছাখন এবিটিৰ কৰ্তৃত্বত আছিল বুলি উল্লেখ কৰি কয় যে আশ্ৰয় লোৱা দ্বিতীয়জন জেহাদী এই পৰ্যন্ত পলাতক হৈ আছে। বৰপেটাৰ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হাই জনোৱা মতে, মাদ্ৰাছাৰ অধ্যক্ষ মামুনৰ ৰছিদক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। ইপিনে, দুই বাংলাদেশী জেহাদী সহযোগিতা কৰাৰ অভিযোগত যোৱা নিশা আকবৰ আলী আৰু আবুল কালাম আজাদ নামৰ ভ্ৰাতৃদ্বয়ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। সূত্ৰত প্ৰকাশ যে গোৱালপাৰাৰ কে'বাখনো মাদ্ৰাছাত বাংলাদেশী জেহাদী আশ্ৰয় লোৱাৰ তথ্য পোহৰলৈ আহিছিল। পশ্চিম অসমৰ তিনিখন জিলাক এবিটিয়ে নিজ কাৰ্যকলাপৰ অভিকেন্দ্ৰৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ জলপথে সহায় কৰা বুলি সূত্ৰটোৱে কয়। কিয়নো তিনিখন জিলাৰ গাতে লাগি আছে ব্ৰহ্মপুত্ৰ নদী। নদীৰ বুকুৰেদি যোগাযোগ ব্যৱস্থা সহজভাৱে এবিটিয়ে সাংগঠনিক কাম-কাজক গতি প্ৰদান কৰাটো সহজ হৈ পৰা বুলি ইতিমধ্যে ধৃত কে'বাজনো জেহাদীয়ে আৰক্ষীৰ জেৰাত সদৰী কৰিছে।

# নতুনকৈ প্ৰাদেশিকীকৃত কলেজত ভুৱা

*এক পৃষ্ঠাৰ পৰা* সকলো তথ্য অহা দুই ছেপ্টেম্বৰৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ক দাখিল কৰিবলৈ কোৱা হৈছে। কি কি তথ্য দাখিল কৰিব লাগিব তাৰো এক তালিকা উচ্চ শিক্ষা সঞ্চালকালয়ে অধ্যক্ষসকললৈ প্ৰেৰণ কৰিছে। দাখিল কৰিবলগীয়া তথ্যবোৰ হ'ল—জিলাৰ নাম, মহাবিদ্যালয়ৰ নাম, টিউটৰ সহকাৰী অধ্যাপক তথা টিউটৰ পুথিভঁৰালীৰ নাম, চাকৰি কৰি থকা সময়ত যদি এমফিল ডিগ্ৰী লোৱা হৈছিল তেন্তে তাৰ বাবে ছুটী লোৱা সময়, এমফিল ডিগ্ৰী লোৱা বিশ্ববিদ্যালয়ৰ নাম, মাইগ্ৰেচন প্ৰমাণপত্ৰ, এমফিলৰ বাবে নাম পঞ্জীয়ন কৰা আৰু মাচুল জমা দিয়াৰ তাৰিখ, প্ৰৱেশ পৰীক্ষাৰ তাৰিখ আৰু ফলাফলৰ প্ৰমাণপত্ৰৰ নথি, নামভৰ্তি আৰু মাচুল জমা দিয়াৰ তাৰিখ, কোট ৱৰ্কৰ বিতং তথ্যৰ লগতে ফলাফল ঘোষণাৰ তাৰিখ, গৱেষণাপত্ৰ জমা দিয়াৰ তাৰিখ, মৌখিক পৰীক্ষাৰ তাৰিখ, ফলাফল ঘোষণাৰ দিনৰ জাননী জাৰি কৰাৰ তাৰিখ, চাকৰি কৰি মহাবিদ্যালয়ত কি পদত কৰ্মৰত, বিভাগৰ নাম, কামত যোগদানৰ তাৰিখ, পদ প্ৰাদেশিকীকৃত হোৱাৰ নিৰ্দেশৰ নম্বৰ আৰু তাৰিখ। নিৰ্ধাৰিত প্ৰ-পত্ৰ উক্ত তথ্যসমূহ সন্নিবিষ্ট কৰি প্ৰমাণ হিচাপে সেইবোৰৰ নকল কপিও জমা দিব লাগিব। ইয়াৰ উপৰি দাখিল কৰা তথ্যবোৰ সম্পূৰ্ণ শুদ্ধ আৰু কিবা ভুল তথা মিছা হ'লে তাৰ বাবে নিজে সম্পূৰ্ণ দায়বদ্ধ থাকিব বুলিও এখন 'আণ্ডাৰটেকিং' প্ৰ-পত্ৰ জমা দিব লাগিব।

প্ৰসংগক্ৰমে উল্লেখ্য যে ৰাজ্যৰ মহাবিদ্যালয়সমূহত কোনো কোনোত ভুৱা আৰু মানদণ্ডহীন বিশ্ববিদ্যালয়ৰ পৰা পিএইছডি সংগ্ৰহ কৰি একাংশ অধ্যাপকে শিক্ষাদান কৰি থকাৰো অভিযোগ উত্থাপিত হৈছে। আনকি একাংশ অধ্যাপকৰ বিৰুদ্ধে স্নাতকোত্তৰ ডিগ্ৰীক লৈও অনুৰূপ অভিযোগ উত্থাপিত হৈছে। তাৰ ভিত্তিত ৭০ জন অধ্যাপকৰ নথিপত্ৰ পৰীক্ষা প্ৰক্ৰিয়া সম্প্ৰতি উচ্চ শিক্ষা সঞ্চালকালয়ত অব্যাহত আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক অলক কুমাৰ বুঢ়াগোহাঁইৰ অধ্যক্ষতাত গঠিত পৰীক্ষণ সমিতিয়ে এই পৰীক্ষণ চলাই আছে। প্ৰসংগক্ৰমে উচ্চ শিক্ষা সঞ্চালকালয়ৰ সূত্ৰই সদৰী কৰে যে একাংশ পিএইছডিধাৰীয়ে নিজৰ গৱেষণাপত্ৰখনৰ বিষয়েই ভালকৈ অৱগত নহয়। একাংশৰ গৱেষণাৰ বিষয়ো অতি নিম্নমানৰ।

# আন্তঃৰাষ্ট্ৰীয় চোৰাং বজাৰলৈ সৰবৰাহ

*এক পৃষ্ঠাৰ পৰা* অবৈধ সৰবৰাহত জড়িত এজন লোকক কলিয়াবৰৰ জখলাবন্ধাত স্থানীয় ৰাইজৰ সহযোগত কাজিৰঙাৰ বন বিভাগে নিশা গ্ৰেপ্তাৰ কৰাৰ পাছতে পোহৰলৈ আহিছে বহু গুৰুত্বপূৰ্ণ তথ্য। গোলাঘাট জিলাৰ বোকাখাতৰ পৰা সংগোপনে ১১টাকৈ জীৱিত পিপলি চেং মাছ তেজপুৰলৈ বুলি সৰবৰাহ কৰি জখলাবন্ধাত যোৱা নিশা উপস্থিত হোৱাৰ সময়তে সন্দেহজনক অৱস্থাত স্থানীয় ৰাইজে মহম্মদ মাৰপ আলী নামৰ এই চোৰাং বেপাৰৰে জড়িত ব্যৱসায়ীজনক আটক কৰি কাজিৰঙাৰ বুঢ়াপাহাৰ বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীক গতাই দিয়ে। ইয়াৰ পাছতে দৰঙৰ দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ শিয়ালমাৰী নিবাসী মহম্মদ মাৰপ আলীৰ বিৰুদ্ধে বন্যপ্ৰাণী সুৰক্ষা আইনৰ অধীনত এট গোচৰ ৰুজু কৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰিছে। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, লুপ্তপ্ৰায় পিপলি চেং (ছানা বৰকা) মাছক কেন্দ্ৰ কৰি আন্তঃৰাষ্ট্ৰীয় এটা চোৰাং ব্যৱসায়ী চক্ৰ সৰৱ হৈ উঠিছে। উল্লেখ্য যে পাহাৰীয়া জান-জুৰিৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত লাভ কৰা দুষ্প্ৰাপ্য এই মাছবিধৰ প্ৰতিটো মাছৰ দাম আন্তঃৰাষ্ট্ৰীয় চোৰাং বজাৰত প্ৰায় আঠৰ পৰা ১০ হেজাৰ টকা। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই লুপ্তপ্ৰায় ১১টা মাছ কাজিৰঙাৰ পৰাই সৰবৰাহ ঘটিছে। যদি সেয়া সঁচা হয় তেন্তে প্ৰশ্ন হ'ল বনকৰ্মীৰে গিজগিজাই থকা কাজিৰঙাৰ অন্তৰ্ভাগৰ পৰা দুষ্প্ৰাপ্য এই মাছ বিধৰ ওপৰত চোৰাং ব্যৱসায়ী চক্ৰৰ হাতোৰা পৰিল কেনেকৈ? এই দুষ্কাৰ্যত বন বিভাগৰ একাংশ বনকৰ্মীৰো হাত উজান থকাৰ সন্দেহ প্ৰকাশ কৰিছে সচেতন মহলে। সেয়া যিয়েই নহওক, কাজিৰঙা- কাৰ্বিপাহাৰৰ অতি দুষ্প্ৰাপ্য জলজ জীৱৰ ওপৰত চোৰাং বেপাৰী আৰু আন্তঃৰাষ্ট্ৰীয় চোৰাং বজাৰত চাহিদা বৃদ্ধি বন্যকুলৰ বাবে এক নেতিবাচক বতৰা।

# চিন্তা বিভ্ৰাট

*এক পৃষ্ঠাৰ পৰা* আৰু বিভিন্ন ফালৰ পৰা অকাই-পকাই আহে আৰু যায়। আমাৰ এইবোৰ, গৰু-ম'হ বা চোৰ অহা-যোৱা কৰা, আলিবাটৰ পৰা অলপ বহল হৈ হোৱা পথ বা ৰাস্তাহে। পন্থা বা মাৰ্গ হ'বলৈ বহু যুগৰ বাট। নহ'বই আচলতে মানুহৰ ভৰত!

দলংখন গুৱাহাটী কমাৰ্চ কলেজৰ ওচৰত আৰম্ভ হৈ একেবাৰে চিৰিয়াখানা পাৰ হৈ সুন্দৰপুৰ পাবগৈ। এইফালে জু-নাৰেংগী পথ (মাদাৰ টেৰেছা পথ)ৰ লগতো ই সংযোগ ঘটাব।

এইবোৰ শ শ কোটিটকীয়া কাম। গতিকে দেখাত আমাৰ নিচিনা সাধাৰণ মানুহবিলাকে এইবোৰৰ একো আও-ভাও নোপোৱাৰে কথা। বৰ ডাঙৰ ডাঙৰ অভিযন্তা, দিল্লী-গুজৰাটৰ পৰিকল্পনাকাৰীয়ে এইবোৰ কৰিছে আৰু কৰাইছে— আমিবিলাকে তধা লাগি চাই থকাৰহে কথা। নিৰ্মাণৰ লগত ব্যৱহৃত যন্ত্ৰপাতি আমি আগতে দেখাও নাই, চলাবও নোৱাৰো-নাজানো, দলংখন হোৱাৰ পাছত তাৰ নাম দিবৰ সময়ত আমি অৱশ্যে শিয়ালৰ নিচিনাকৈ হোৱা দিম, বিপ্লৱীৰ নিচিনাকৈ বক্তৃতা দিম, জাতীয়তাবাদীৰ নিচিনাকৈ ধৰ্ণা-হৰতাল-বন্ধ দিম।

আমাক কোৱা হৈছে যে এই দলংখন হ'লে এই পথছোৱাত যান-জঁট নাইকিয়া হৈ যাব; কিন্তু এইখন আৰম্ভ হোৱাৰ পৰা মই চিন্তা কৰিছো যে কথাটোতো নহয়। এই পথছোৱাৰ সোঁফালে-বাওঁফালে থকা ২০/২৫টা উপপথৰ পৰা গাড়ী-বাইক-চাইকেল-মানুহতো ইয়াত উঠিব নোৱাৰিব বা ইয়াৰ পৰা সেইবিলাকত সোমাব নোৱাৰিব। অৰ্থাৎ সেইবোৰ তললৈৰেই চলি থাকিব। চিটিবাছ-অটো আস্থান তলতেই চলি থাকিব লাগিব। মাথোন কিছুমান বাহন পোনে পোনে কষ্ট নোপোৱাকৈ দিছপুৰৰ ফালৰ পৰা চান্দমাৰিৰ ফাললৈ বা চান্দমাৰিৰ ফালৰ পৰা অহা-যোৱা কৰিব পাৰিব। গাড়ী-বাইক পাৰ্কিঙৰ সমস্যাও একেই থাকিব। অৰ্থাৎ শ শ কোটি টকাৰ বিনিময়ত আমি পাম এক কোটিমান টকাৰ সুখ আৰু ১০ হেজাৰ কোটিমান টকাৰ নিৰ্মাণ কালৰ যন্ত্ৰণা। আজিৰ দিনত এনেকুৱা এখন দলং ছমাহত সাজি শেষ কৰিব পাৰিব লাগে। নহ'লে মানুহৰ অবৰ্ণনীয় কষ্ট, অসুবিধা হয়; লাখ লাখ ঘন্টাৰ 'মানৱ সময়' নষ্ট হয়; অদৰকাৰী প্ৰদূষণ হয়; কিন্তু আমাৰ নিৰ্মাণকাৰী সংস্থাবিলাকে সেইবোৰ একো নাভাবে। যান-জঁটৰ এই গোটেই সমস্যাটো দুটামান 'ৰাস্তাৰ ওপৰতে সজা পাৰ্কিং' ব্যৱস্থাৰে ৫০ কোটিমান টকা ব্যয়ৰেই সমাধান কৰিব পৰা গ'লহেঁতেন। কিন্তু 'টেঙৰ মগজুৰ অৰ্থলিপ্সা' আৰু 'সুস্থ মনৰ সৰ্বত্ৰ অনুপস্থিতি' তথা শাসনত থকা মানুহৰ 'চিন্তা বিভ্ৰাট'ৰ ফলতেই এই বিষম পৰিস্থিতিৰ উদ্ভৱ হৈছে। গুৱাহাটীৰ যান-জঁটৰ সমস্যাৰ সমাধান সূত্ৰ বহু আগেয়েই সংশ্লিষ্ট বিভাগক-বিষয়াক-শাসকক দিয়া হৈছিল; কিন্তু পিঞ্জৰাবদ্ধ মনে ইকাণে শুনি সিকাণে কথা উলিয়াই দিলে। সিবিলাকৰ বদ্ধমূল ধাৰণা এয়ে যে দিল্লী-কলকাতা-মুম্বাই-গুজৰাটহে অসমৰ কাৰণে স্বৰ্গৰ দ্বাৰ। তাৰ নৰকৰ কীটো অসমৰ জংঘলী-গাধা-বুৰ্বক মানুহৰ বাবে দেৱদূত!

এতিয়া বোলে গুৱাহাটী ক্লাবৰ পৰা একেবাৰে নুনমাটিলৈকে আৰু এখন এনেকুৱা দলং সজাৰ কথা। দিল্লীৱালা হাজিৰ মঙহৰ ভাগ ল'বলৈ। চমক খাবলৈ বুৰ্বকৰ অভাৱ নাই! আৰু পাঁচ বছৰ এই বাটেদি অহা-যোৱা কৰা মানুহৰ নৰক যন্ত্ৰণা চলিব। কেৱল মাত্ৰ কিছুমান পাৰ্কিঙৰ ব্যৱস্থাৰেই সমাধান কৰিব পৰা সমস্যা এই চিন্তা বিভ্ৰাটৰ ফলত আৰু অধিক কদৰ্য সমস্যা কিছুমানলৈ ৰূপান্তৰিত হ'ব।

ভবা চিন্তা কৰিব পৰা মানুহে ভাবিব— কৰিব লাগিছিল কি আৰু কৰি আছে কি?

গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড নামৰ এটা কিম্ভুত কিমাকাৰ বিভাগ নে অফিচ আছে। তালৈ পৰিচালন সঞ্চালকবিলাক চকুৰ পিৰিকণিৰ দৰে আহে আৰু যায়। অফিচাৰ এজন-দুজন আছে; সিও অৱসৰপ্ৰাপ্ত এচিএছ বিষয়া। ওৰেটো জীৱন মাটিৰ হাকিম হৈ থাকোতেই গ'ল। বাকীবোৰ তলতীয়া কৰ্মচাৰী। তেওঁলোকৰ কোনো সিদ্ধান্ত লোৱাৰ ক্ষমতা নাই। শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত এখন মাজে মাজে ফালি যোৱা জাতীয় পতাকা লগোৱা আৰু কেইটামান পানী 'ভেণ্ডিং' মেচিন পতাৰ বাহিৰে শ শ কোটিটকীয়া বাজেটেৰে তেওঁলোকে একো কৰা নাই। এইবোৰো কৰিছে 'কাৰোবাৰ পিয়াৰৰ বাহিৰৰ' ব্যৱসায়ীয়ে। মাজুলীত কোনোবা এখন সত্ৰৰ ঘৰ-দুৱাৰো সাজিছে এজন আগৰৱালাই। গুৱাহাটী স্মাৰ্ট চিটিৰ এক্তিয়াৰ কেনেকৈ বা মাজুলীলৈ গ'ল! উমানন্দত পকাৰ ছিৰি-লোহাৰ ৰেলিং বহুৱাইছে আগৰৱালাই। এতিয়া আকৌ স্মাৰ্ট লাইট বহুৱাবলৈ দিছে বাহিৰৰ কোম্পানীক। উপপথবিলাকৰ মুখবিলাকত জধে-মধে গাঁত খান্দিছে— স্মাৰ্ট লাইট বহুৱাব বোলে— দুই-তিনিমাহ তেনেকৈয়ে পেলাই থৈছে; মসৃণ ৰাস্তা খান্দি কেব্‌ল বহুৱাইছে— খন্দা ৰাস্তা তেনেকৈয়ে পেলাই থৈছে। আকৌ এইবাৰ 'ইন্টিগ্ৰেটেড ট্ৰেফিক ছিগনেল মেনেজমেন্ট প্ৰ'জেক্ট'।' দিল্লীৱালা হাজিৰ। আকৌ গাঁত খান্দিব। আকৌ তেনেকৈ পৰি থাকিব।

এই মানুহবিলাকৰ চিন্তাত কি আছে একো বুজা নাযায়। সাধাৰণ মানুহে মাত্ৰ এটা ধাৰণাকে লৈছে আৰু ল'বও যে সকলো চিন্তা-বিভ্ৰাটৰ মূল কথা হ'ল চৰকাৰী অৰ্থাৎ ৰাজহুৱা টকা আত্মসাৎ কৰাৰ কাৰচাজি। সকলো কাম মাৰোৱাৰী-বিহাৰী-গুজৰাটী-দিল্লীৱালা মানুহৰ হাতত। সকলোতে ষড়যন্ত্ৰ— অসমৰ স্থানীয় ব্যৱসায়ী আৰু মানৰ সম্পদ যাতে সৃষ্টি নহয়।

জনকল্যাণ শব্দটোও একেবাৰে অৰ্থহীন হৈ পৰিছে। যিয়ে যেনেকৈ পাৰে তেনেকৈয়ে অযুক্তিকৰভাৱে চৰকাৰী টকা আত্মসাৎ কৰাৰ কামত লিপ্ত হৈ পৰিছে। এনেকুৱা লাগিবলৈ লৈছে যেন সকলোবোৰ চোৰ— গভাইত চোৰ। ওপৰৰ পৰা তললৈ যেন সকলোবোৰ মানুহ পাগলেই হৈ পৰিছে। এই বলিয়ালিৰ কোনো চিকিৎসা নাই। এবাৰ সকলোবোৰ ধ্বংস হ'ব লাগিব; তাৰ পাছতহে যেন কথাবোৰ আকৌ চিজিল হ'ব।

আকৌ কেতিয়াবা এনে ভাবো হয় যে চীন-পাকিস্তান-ৰাছিয়া-বাংলাদেশ-শ্ৰীলংকা-আমেৰিকা-কলম্বিয়া-মেক্সিক'-উত্তৰ কোৰিয়া আদি দেশতকৈতো আমাৰ দেশ ভালেই আছে। অলপ বেয়াতো থাকিবই সকলোতে। মই নিজেনো কি? কিনো ভাল কাম কৰিব পাৰিছো?

কিন্তু দূৰৈৰ ঠাইবিলাকৰ বেয়াবিলাক বা কিমান বেয়া? দূৰৈৰ বস্তুতো সাধাৰণতে ভালেই দেখি, দূৰৈৰ পাহাৰ শুৱনি দেখাৰ নিচিনাকৈ। সেয়ে দূৰৈৰ পৰাও বেয়া দেখিছো যেতিয়া সাংঘাতিক বেয়াই হ'ব চাগে; কিন্তু আকৌ ভাবো কথাবোৰতো সংবাদ মাধ্যমৰ পৰাহে পাইছো। সংবাদ মাধ্যমৰ চৰিত্ৰ দেখিছোৱেই দেখোন! প্ৰতিটো টিভি চেনেলৰ গাত পক্ষপাতিত্বৰ আভৰণ! বহুত সাংবাদিকৰ গাত নামতহে চাফা চোলা! তথাপি আমেৰিকাত যেনেকৈ য'তে-ত'তে, স্কুলে-কলেজে গুলিত মানুহ মাৰে, কলম্বিয়া-মেক্সিক'ত যেনেকৈ ড্ৰাগছৰ কাৰবাৰত সমগ্ৰ সমাজ বিধ্বস্ত, চীনত যেনেকৈ মানুহক অনবৰতে হেঁচি ৰাখে, আফগানিস্তান-পাকিস্তান-বাংলাদেশত যেনেকৈ মুছলমান মৌলবাদীৰ আতংক আছে, মধ্য প্ৰাচ্যত যেনেকৈ অনবৰতে যুদ্ধ চলিয়ে থাকে, শ্ৰীলংকা-আফ্ৰিকাত যিহে আৰ্থিক দীনতা আৰু দুৰ্ভিক্ষ চলি আছে, তাৰ তুলনাত দেখোন আমাৰ দেশখন ভালেই চলি থকা যেন লাগে।

আমি আমাৰ বেয়াবোৰ দেখি থাকিবই লাগিব; নহ'লে ভাল কেনেকৈ হ'ব? সেইবোৰ দেশৰ পৰা আমাৰ দেশৰো সকলো মানুহকে শ্বাহৰুখ খান-অমিতাভ বচ্চন-নৰেন্দ্ৰ মোদীৰ নিচিন প্ৰগল্‌ভ আৰু সুন্দৰ-সুঠাম, হাতে হাতে গীতা-উপনিষদ লৈ সংস্কৃতৰ শ্লোক ফৰফৰাই মাতিব পৰা ১০ হেজাৰ বছৰীয়া সভ্যতাৰে পুষ্ট মহাজীৱনৰ অধিকাৰী মানুহ যেন লাগে চাগে! ইয়াত যে গৰুৰ ঘাঁহৰ কাৰণে অহা পইচাও আত্মসাৎ হয়, ইয়াত যে ভৰলু নৈত আমাৰ মানুহে বাথৰূম-লেট্ৰিনৰ পানী পেলাই লেতেৰা কৰে, ইয়াত যে আমাৰ শিল্পীয়ে মতা মানুহে প্ৰস্ৰাৱ কৰা ৰাজহুৱা দেৱালত ভিক্ষাৰীৰ দেহৰ ওপৰেদি বেঙা মেলি মেলি গুৱাহাটীৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে ছবি আঁকে— ফুল তৰা-গান লিখে— সেইবোৰতো তেওঁলোকে গম নাপায়! তথাপি যে মই মৰিলে আকৌ ইয়াতে জনম ল'ম বুলি কবিতা লিখো!

মহা সমস্যা! এফালে একো কৰিবও নোৱাৰো— এফালে সকলো ঠাইতে, সকলো ক্ষেত্ৰতে ভালহে দেখাৰ মন; এফালে ভাল ডেকা শক্তিৰ অভাৱ, আনফালে ওৰে জীৱন একো নকৰাকৈ থাকি এতিয়া ভাল মানুহ হোৱা বৃদ্ধৰ পয়োভৰ; এফালে পঢ়া-শুনা কৰা সকলোৰে পলায়ন 'বহুত টকাৰ দেশলৈ'— আনফালে মানুহৰ মাজত যুক্তি আৰু বৈজ্ঞানিক চিন্তাৰ অভাৱ— তাৰ ওপৰত আকৌ হিন্দু-মুছলমান-মৌলবাদ সকলো মিলি এক অসহনীয়া পৰিৱেশ বিৰাজ কৰিছে আমাৰ ইয়াত। ইয়াত কোনো অভিযন্তাই ওলোৱা নাই আজিলৈকে নলাবিলাকেদি পানী বোৱাই নিব পৰা কোনো চিন্তানায়কেই ওলোৱা নাই। মুকলি নৰ্দমা যে ঢাকি ৰাখিব লাগে সেইটো চিন্তা কৰিবৰ বাবে। মদ খাই খাই কিডনীৰ বেমাৰ হোৱা ৰোগীৰে সকলো হাস্পতাল ভৰপূৰ, সকলো থানাত মদাহী সম্বন্ধীয় অপৰাধীৰ কেছৰ দলদোপ হেন্দোলদোপ অথচ চৰকাৰৰ মদ বিক্ৰীৰ প্ৰতি আগ্ৰহ আকাশচুম্বী। ৰাজহ বোলে বেছিকৈ আহে মদৰ পৰা!

অকল সেয়াইনে! য'তেই ৰাস্তা, ত'তেই বজাৰ। য'তেই মানুহ ত'তেই মাছ-মাংস মুকলিকৈ কটা-বিক্ৰী। ত'তেই তেজ-হাঁড়-মূৰ-পাখি-চাল-বাকলি-মাখি-বীজাণু। অধ্যাপক-ছাত্ৰ-বিষয়া-ৰাজনীতিবিদ-গায়ক-শিল্পী-ঠেলাৱালা-ৰিক্সাৱালা সকলো গ্ৰাহক। সকলোৰে হাঁহি মুখ। সকলো তৃপ্ত, সকলো সন্তুষ্ট, মাছ-মাংস খাবলৈ পায় যে সকলোৱে। আৰু খালৰ গোন্ধ?

সেইবোৰতো থাকিবই। ইমান পুৰণা দেশ। ইমান পুৰণা সভ্যতা। ইমান থলুৱা ভাব। সেইবোৰ আমাৰ ঐতিহ্য নহয় জানো? পুৰণা ঘামৰ গোন্ধটোও যে নিজৰেই গোন্ধ! তাতে দিল্লীয়ে কোৱাও নাই যে সেইবোৰ গুচাবলৈ। গতিকে সেইবোৰ ন ধৰ্তব্যম।

এতিয়া মই পাঠকক সকলোকে নিজৰ নিজৰ ঠাইত হোৱা এই চিন্তা বিভ্ৰাটবিলাকলৈ মন কৰিবলৈ অনুৰোধ কৰিলো। কি কি বিজুতি ঘটিছে কাৰ্যক্ষেত্ৰত মন কৰক। চিন্তাৰ এই বিজুতি কিয় ঘটিছে চাওক। নিজলৈকো চাওক— আপুনি নিজে কিমান গণ্ডগোলীয়া চিন্তাৰ মানুহ।

মই আচলতে খুব কোমল শব্দ এটাহে ব্যৱহাৰ কৰিছো। আচলতে হ'ব লাগিছিল মগজুৰ বিকৃতি। আমাৰ পঢ়া-শুনা কৰা-নকৰা, চোকা-গাধা, ধনী-দুখীয়া, চাকৰিয়াল-বেকাৰ, কৰ্মী-নিবনুৱা, মুনিহ-তিৰোতা, ডেকা-বুঢ়া, শিশু-বৃদ্ধ সকলোৱে আচলতে 'ৰাজহুৱা প্ৰসংগ'ত মানসিক বিকৃতি ঘটিছে। আমি প্ৰত্যেকেই দোষী। আমি প্ৰত্যেকেই বদমাছ। বেয়া কাম কৰাজনো দোষী। বেয়া কাম নকৰাজনো দোষী।

*ফোন ঃ ৯৮৬৪০-৪৪৪৭০*

# মৰাণত হৃদৰোগ বিশেষজ্ঞ ডাঃ অপূৰ্ব কুমাৰ শৰ্মাক আদৰণি



অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৯ আগষ্ট ঃ** 'আমাৰ অসমীয়া যুৱক-যুৱতীসকল স্বাৱলম্বী হ'বলৈ শিকিব লাগে। যুৱক-যুৱতীসকল স্বাৱলম্বী হৈ উঠিলেই অসমীয়া জাতিটোৰ উন্নতি হ'ব। বৰ্তমান যিসকল অসমীয়া স্বাৱলম্বী হৈ নিজৰ লগতে ৰাজ্যখনৰো উন্নতিৰ ক্ষেত্ৰত সহায় আগবঢ়াইছে সেই সকলক মই শুভেচ্ছা জনাইছো।' কালি মৰাণৰ এখন সভাত প্ৰখ্যাত হৃদৰোগ বিশেষজ্ঞ ডাঃ অপূৰ্ব কুমাৰ শৰ্মাই এনেদৰে কয়। উল্লেখ্য যেঅসমৰে সু-সন্তান ডাঃ অপূৰ্ব কুমাৰ শৰ্মাই ইতিমধ্যে ভাৰতৰ দিল্লী, ত্ৰিবান্দ্ৰম আদি বিভিন্ন ঠাইৰ উপৰি বাংলাদেশৰ ঢাকাত হৃদৰোগ চিকিৎসক হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰখ্যাত চিকিৎসকজন কালি অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙৰ উদ্যোগত গঢ় লৈ উঠা ফিচাৰী পাৰ্ক পৰিদৰ্শন কৰিবলৈ আহিছিল। এই সুযোগতে মৰাণবাসী ৰাইজে চিকিৎসকজনক ফুলাম গামোচা, কিতাপৰ টোপোলাৰে উষ্ম আদৰণি জনায়। স্বপন কুমাৰ চুতীয়াই আঁত ধৰা অনুষ্ঠানত কণ্ঠশিল্পী বিপিন চাউদাং, মৰাণৰ জ্যেষ্ঠ সাংবাদিক তথা অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ বাছা বৰাই মৰাণবাসীৰ হৈ শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানতে চিকিৎসকজনৰ পত্নী চকু বিশেষজ্ঞ ডাঃ হীৰামণি শৰ্মাকো ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। ধেমাজি দিচাং পানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ ভূপেন নাথ, শিক্ষক সত্যজিত সন্দিকৈ, অৱসৰপ্ৰাপ্ত শিক্ষক ৰিদিপ গগৈকে মুখ্য কৰি বহুকেইজন গুণী-জ্ঞানী ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। স্মৰ্তব্য যে ডাঃ অপূৰ্ব কুমাৰ শৰ্মাই বৰ্তমান নেমকেয়াৰ চিকিৎসালয়ত সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

# বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** কালি বিশ্বনাথ নগৰৰ কোচগাঁৱৰ অসম গণ পৰিষদৰ কাৰ্যালয়ৰ সমীপৰ বাকৰিত বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত কৰা হয়। বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ সভাপতি নৰেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশ্বনাথ চাৰিআলি পৌৰসভা আৰু ই-ৰিক্সা সন্থাই স্বীকৃতি প্ৰদান কৰা ৫২০ খন ই-ৰিক্সাৰ চালক তথা মালিকে অংশগ্ৰহণ কৰে। এই সাধাৰণ সভাৰ জৰিয়তে বিশ্বনাথ চাৰিআলি নগৰৰ স্বীকৃতিপ্ৰাপ্ত ই-ৰিক্সা চালকসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ পাছতে বিশ্বনাথ চাৰিআলি নগৰ ই-ৰিক্সা সন্থাৰ পুৰণি সমিতিখন ভংগ কৰি সৰ্বসন্মতিক্ৰমে ৩১ জনীয়া এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়। এই নতুন সমিতিত সভাপতি হিচাপে নৰেশ্বৰ দাস, উপ-সভাপতি নয়নজ্যোতি বৰা, যুটীয়া সম্পাদকৰূপে ক্ষীৰ কটকী আৰু বিকাশ চেত্ৰীক নিৰ্বাচিত কৰাৰ লগতে কোষাধ্যক্ষ হিচাপে পূৰ্ণাকান্ত বৰা আৰু প্ৰচাৰ সম্পাদকৰূপে ৰঞ্জিত উপাধ্যায়ক নিৰ্বাচিত কৰা হয়। অনাগত সময়ত এই নতুন সমিতিখনে বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত এক শক্তিশালী ভূমিকা গ্ৰহণ কৰিব বুলি সভাই আশা কৰে।

# বিশ্বনাথ নগৰস্থিত ৱাকিং জ'নত নিশা পোহৰৰ ব্যৱস্থাৰ দাবী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ আগষ্ট ঃ** পুৱাই পুৱাই কালি বিশ্বনাথ নগৰস্থিত ৱাকিং জ'নত খোজকাঢ়িব অহা স্থানীয় লোকে নিশাৰ ভাগত এই ৱাকিং জ'নত পোহৰৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰে। কিয়নো নিশা আন্ধাৰৰ সুবিধা গ্ৰহণ কৰি একাংশ দুষ্ট প্ৰকৃতিৰ লোকে এই ৱাকিং জ'নত অসামাজিক কাৰ্যকলাপ কৰাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে। পুৱা অথবা বিয়লিৰ ভাগত বিশ্বনাথ নগৰস্থিত এই ৱাকিং জ'নত বিশ্বনাথৰ বিভিন্ন অঞ্চলৰ লোক খোজকাঢ়িবলৈ আহে। কিন্তু দুষ্ট প্ৰকৃতিৰ লোকে নিশাৰ আন্ধাৰত এই ৱাকিং জ'নত সুৰাপান কৰাৰ লগতে

## নিশাৰ আন্ধাৰত ৱাকিং জ'নত অসামাজিক কাৰ্য সংঘটিত হোৱাৰ সন্দেহ

সুৰাৰ বটল পৰ্যন্ত ভাঙি থৈ যোৱা পৰিলক্ষিত হৈছে। আকৌ একাংশ লোকে এই ৱাকিং জ'নতে শৌচ-প্ৰস্ৰাৱ কৰিও ৱাকিং জ'নটোৰ পৰিৱেশ বিনষ্ট কৰি পেলাইছে। দৰাচলতে বিশ্বনাথ সমষ্টিৰ বিধায়কৰ তৎপৰতাত আৰু পূৰ্বৰ বিশ্বনাথ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ তৎপৰতাত বিশ্বনাথবাসী ৰাইজৰ সুবিধা হোৱাকৈ নিৰ্মাণ কৰা হৈছিল এই ৱাকিং জ'ন। কিন্তু একাংশ দুষ্ট প্ৰকৃতিৰ লোকৰ বাবে এতিয়া এই ৱাকিং জ'নটোৰ পৰিৱেশ বিনষ্ট হ'বলৈ ধৰিছে। যাৰ বাবে এই ৱাকিং জ'নত পুৱাই খোজকাঢ়িবলৈ অহা স্থানীয় লোকে অতি শাঘ্ৰেই এই ৱাকিং জ'নত নিশাৰ ভাগত পোহৰৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।

# নলবাৰীত উত্তৰ-পূব সাহিত্য-সাংস্কৃতিক সন্মিলনৰ কেন্দ্ৰীয় সভা ঃ বিশিষ্ট লোকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৯ আগষ্ট ঃ** উত্তৰ-পূব সাহিত্য আৰু সাংস্কৃতিক সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা নলবাৰী জিলাৰ উদ্যোগত অলপতে চিলাৰায় ভৱন (গণেশ মন্দিৰ চ'ক) নলবাৰীত অনুষ্ঠিত হয়। কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ পূৰ্বে নলবাৰী জিলা সমিতিৰ সভাপতি তথা কেন্দ্ৰীয় উপ-সভাপতি ৰূপীন চন্দ্ৰ কলিতাৰ সভাপতিত্বত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য



ব্যাখ্যা কৰে জিলা সমিতিৰ সম্পাদক তথা কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক দিলীপ বৰ্মনে। ভিন্ন দিশত নেতৃত্ব বহন কৰা ডম্বৰুধৰ তালুকদাৰ, যোগেশ লহকৰ, হৰি দাস, নুৰ হুছেইন, মৰমী ৰাজবংশী, ৰুমী ডেকা, গীতা গোস্বামী, ববিতা শইকীয়া, চুনু দেৱীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত অতিথিৰূপে অংশগ্ৰহণ কৰে ড° ৰবীন দাস, ডাঃ সমৰ তালুকদাৰ, গদাধৰ বৰ্মন, গুৰুচৰণ ডেকা, প্ৰমোদ তালুকদাৰ, কেশৱ বৰ্মন, প্ৰিয়নাথ বৰ্মন, নৰেশ্বৰ কলিতাই। ইয়াৰ পাছত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাম কুমাৰ বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান হেমচন্দ্ৰ বৰ্মনে। কাৰ্যনিৰ্বাহক সভাত প্ৰতিনিধিত্ব কৰা প্ৰতিগৰাকী প্ৰতিনিধিকে একোখন ফুলাম গামোচাৰে জিলা সমিতিয়ে আদৰণি জনায়। সভাখনত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ বৈজয়ন্তী গোস্বামীয়ে সাংগঠনিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। তদুপৰি চলিত বৰ্ষৰ প্ৰথম কাৰ্যনিৰ্বাহক সভাত উপস্থিত হোৱা সকলো প্ৰতিনিধিকে শপত বাক্য পাঠ কৰায় ধমধমা মহাবিদ্যায়ৰ প্ৰবক্তা যোগেশ লহকৰে। সভাত আদৰণি ভাষণ প্ৰদান কৰে জিলা সমিতিৰ সম্পাদক দিলীপ বৰ্মনে। কাৰ্যনিৰ্বাহক সভাখনত আগন্তুক কাৰ্যপন্থা সম্পৰ্কে বিশদ আলোচনা কৰা হয়। সভাত ৰাজ্যখনৰ প্ৰায়কেইখন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। গীতা পাঠেৰে আৰম্ভ হোৱা সভাখনত উপস্থিত হোৱা প্ৰতিগৰাকীকে কবি অৰবিন্দ কলিতা আৰু যোগেশ লহকৰে একোখনকৈ গ্ৰন্থ প্ৰদান কৰে।

# পাঁচ বছৰে অবৈধভাৱে চলা কাৰিপাৰাৰ সাৰাপাৰা ঘাট বন্ধ কৰিলে বন বিভাগে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ৰংজুলি আঞ্চলিক বন বিভাগ তথা দুধনৈ বন খণ্ডৰ অন্তৰ্গত দুধনৈ নদীৰ পৰা অবৈধভাৱে বালি খনন কৰি অসাধু চক্ৰই বিগত প্ৰায় পাঁচ বছৰ ধৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। অৱশেষত কালি বন বিভাগে এক জাননী জাৰি কৰি কাৰিপাৰাৰ সাৰাপাৰা ঘাটৰ পৰা বালি উঠোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। উল্লেখ্য যে বিভাগীয় নিয়ম মতে নিবিদাৰ জৰিয়তে প্ৰায় পাঁচ বছৰ পূৰ্বে তপন চন্দ্ৰ দৈমাৰীয়ে দুধনৈ নদীৰ দুই নম্বৰ বালি মহলটো আবণ্টন পায়। কিন্তু মাত্ৰ দুই কিলোমিটাৰ অঞ্চলত বালি উঠোৱাৰ অনুমতি পোৱা মহলদাৰজনে এখন ভুৱা মেপৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক মেনেজ কৰি প্ৰায় ২০ কিলোমিটাৰ অঞ্চল জুৰি বালি উঠাই ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। প্ৰাপ্ত অভিযোগ অনুসৰি 'মাইনিং কণ্ট্ৰাক্ট আৰু ডীড' মতে দুধনৈ নদীৰ এক নম্বৰ বালি মহলৰ এক কিলোমিটাৰ নামনিৰ পৰা টেঙাবাৰী গাঁৱলৈ দুই কিলোমিটাৰ অঞ্চলত বালি উঠোৱাৰ বাবে দৈমাৰীক পট্টন দিয়া হৈছিল। দৈমাৰীক পট্টন দিয়া বালি মহলটো দুধনৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বুলি স্পষ্টভাৱে উল্লেখ আছে। কিন্তু এখন ভুৱা মেপৰ জৰিয়তে দুই কিলোমিটাৰৰ পৰিৱৰ্তে মহলদাৰজনে দুধনৈ আৰু মাটিয়া ৰাজহ চক্ৰৰ প্ৰায় ২০ কিলোমিটাৰ অঞ্চল জুৰি দুধনৈ নদী খনন কৰি অবৈধভাৱে বালি উঠাই ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। ৰংজুলিৰ বনাঞ্চলিক বিষয়া আৰু দুধনৈ বন খণ্ড বিষয়াৰ লগতে গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াক মেনেজ কৰি অসাধু চক্ৰটোৱে মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কাৰিপাৰাৰ সাৰাপাৰা আৰু ৰাভাপাৰা ঘাটৰ লগতে নন্দেশ্বৰ আৰু মাটিয়া গাৰোপাৰা ঘাটৰ পাৰ বিগত প্ৰায় পাঁচ বছৰে অবৈধভাৱে বালি উঠাই আহিছিল। অৱশ্যে ৰাইজৰ উপৰ্যুপৰি অভিযোগৰ ভিত্তিত প্ৰায় এবছৰ পূৰ্বে নন্দেশ্বৰ আৰু গাৰোপাৰাৰ ঘাট দুটা বন্ধ কৰি দিয়ে বন বিভাগে। উল্লিখিত ঘাট দুটাৰ বালি উঠোৱা বন্ধ কৰিলেও কাৰিপাৰা সাৰাপাৰা আৰু ৰাভাপাৰা ঘাটৰ পৰা দিনে-নিশাই অবৈধভাৱে বালি উঠাই শ শ ট্ৰাক-ট্ৰেক্টৰেৰে সৰবৰাহ কৰি আহিছিল অসাধু চক্ৰটোৱে। এই ক্ষেত্ৰত অসাধু চক্ৰটোৰ পৰা দুধনৈ বন খণ্ডৰ বিষয়া আৰু ৰংজুলিৰ বনাঞ্চলিক বিষয়াই মাহিলি শকত পৰিমাণৰ উৎকোচ লৈ থকা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছিল।

অৱশেষত বাধ্য হৈ জাননী ফলক আঁৰি দি সাৰাপাৰা ঘাটৰ পৰা বালি উঠোৱাৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিছে বন বিভাগে। কালি আঁৰি দিয়া জাননী ফলকত 'ইয়াৰ পৰা বালি উঠোৱাটো আইনমতে দণ্ডনীয়। আসাম মিনাৰেল কনচেচন ৰুল ২০১৩ মতে জৰিমনা ১০ হেজাৰ টকাৰ ওপৰত হ'ব। ৰাইজৰ সহায় সহযোগিতা বিচাৰি অবৈধভাৱে বালি কঢ়িওৱা যিকোনো গাড়ী কৰায়ত্ত কৰি ওচৰৰ বন বিভাগৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।' আদেশ ক্ৰমে বন প্ৰাধিকাৰী বিষয়া, গোৱালপাৰা বুলি উল্লেখ কৰিছে। এয়া সচেতন ৰাইজৰ মাজত এটাই প্ৰশ্ন উত্থাপিত হৈছে বিগত পাঁচ বছৰে বন বিভাগৰ চকু কপালত উঠিছিল নেকি? বিগত সময়ত অবৈধভাৱে দুধনৈ নদী খনন কৰি ব্যাপক ক্ষতিসাধন কৰা চক্ৰটোৰ বিৰুদ্ধে উপযুক্ত তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে সৰ্বসাধাৰণ ৰাইজে।

# যোৰহাট জিলা পৰিবহণ কাৰ্যালয়ৰ কৰ্মচাৰী অমৃত শৰ্মাৰ অকাল মৃত্যু

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৯ আগষ্ট ঃ** মেলেং বালিচাপৰি বহত গাঁৱৰ নিবাসী কাকজান মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অজিত শৰ্মাৰ কনিষ্ঠ পুত্ৰ তথা যোৰহাট জিলা পৰিবহণ কাৰ্যালয়ৰ কৰ্মচাৰী অমৃত শৰ্মা (৩২)ৰ কালি নকছাৰীৰ মোমায়েকৰ ঘৰৰ পুখুৰীত নামি গা ধুবলৈ গৈ গভীৰ পানীত ডুব গৈ অকালতে মৃত্যু হয়। মেলেং বালিচাপৰি বৃহত্তৰ অঞ্চলৰ সাংস্কৃতিক, সামাজিক কামৰ লগত জড়িত শৰ্মাৰ অকাল মৃত্যুত মেলেং বালিচাপৰিত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত শৰ্মাই পিতৃ-মাতৃ, পত্নীসহ আঢ়ৈ বছৰীয়া সন্তানৰ লগতে আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# কৰঙা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ তিথি পালন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৯ আগষ্ট ঃ** যোৰহাটৰ স্ত্ৰী শিক্ষাৰ এক অন্যতম অনুষ্ঠান কৰঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অতি উৎসাহ-উদ্দীপনাৰে শ্ৰীমন্ত শংকৰদেৱ তিথি পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়ত নাম-প্ৰসংগৰ পাছতে প্ৰসাদ আদি বিতৰণ কৰা হয়। তিথিৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত এখন ৰচনা আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰে।

# চৰাইদেউত সদৌ অসম গাঁওপ্ৰধান সংস্থাৰ নৱনিৰ্বাচিত সমিতিৰ কাৰ্যনিৰ্বাহক

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৯ আগষ্ট ঃ** সদৌ অসম গাঁওপ্ৰধান সংস্থাৰ নৱনিৰ্বাচিত সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অহা চাৰি ছেপ্টেম্বৰত চৰাইদেউ জিলা সমিতিৰ উদ্যোগত আৰু সাপেখাটি ৰাজহ চক্ৰ সমিতিৰ আতিথ্যত চৰাইদেউ জিলাৰ বৰহাট নিউ হাইস্কুল প্ৰাংগণত অনুষ্ঠিত কৰা হৈছে বুলি সদৌ অসম গাঁওপ্ৰধান সংস্থাৰ কাৰ্যকৰী সভাপতি সমৰেন্দু হাজৰিকাই এক বিবৃতি যোগে সদৰী কৰে। সভাত অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন গগৈ আৰু স্থানীয় তথা সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে আদি কৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। লগতে সভাত অসমৰ সমূহ জিলা আৰু মহকুমাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে কেন্দ্ৰীয় প্ৰতিনিধিসকলক উপস্থিত থাকিবলৈ আদৰণি সমিতিয়ে অনুৰোধ জনাইছে।

# চিন্তামণি কলা কৃষ্টি কেন্দ্ৰৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৯ আগষ্ট ঃ** যোৰহাট জিলাৰ শিমলুগুৰি আৰু জকাইচুক মৌজাৰ সীমান্তৱৰ্তী বৃহত্তৰ চিন্তামণিগড় অঞ্চলৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান চিন্তামণি কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি আজি মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে এটা সাহিত্য-সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

## গুৰুজনাৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি সাহিত্য-সাংস্কৃতিক অনুষ্ঠান

এই উপলক্ষে পুৱা উদযাপন সমিতিৰ সভাপতি প্ৰদীপ ৰাজখোৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত পুঁজি সমিতিৰ সভাপতি ৰবীন বৰাই বন্তি প্ৰজ্বলন কৰাৰ পাছত ঔতল গাঁৱৰ শিশু গায়ন দলৰ গায়ন-বায়নেৰে মঞ্চ মুকলি কৰা হয়। চিন্তামণি কলা কৃষ্টি কেন্দ্ৰৰ স্থায়ী প্ৰেক্ষাগৃহত পুৱা প্ৰায় ১০ বজাৰ পৰা সাংস্কৃতিক সম্পাদক অনিল দত্ত আৰু সাহিত্য সম্পাদক দিগন্ত চাংমাইৰ পৰিচালনাত কেন্দ্ৰীয় সমিতি-সম্পাদক কমল চন্দ্ৰ গগৈ, ৰাতুল ফুকন, উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক প্ৰদীপ ৰাজখোৱা, হীৰেন লাহন, প্ৰাক্তন সভাপতি মৃদুল লাহন, বিষয়ববীয়া বসন্ত বৰুৱা, জিতু নেওগ, বিজয় বৰা, পবিত্ৰ হাজৰিকা, অজিত শইকীয়া, যতীন নেওগ, প্ৰদীপ ৰাজখোৱা, গুণীন্দ্ৰ হাজৰিকাকে ধৰি প্ৰায় চাৰি শতাধিক ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত দিনজোৰা সাহিত্য-সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত স্থানীয় প্ৰায় চাৰি কুৰি শিশু, কিশোৰ-কিশোৰী, ছাত্ৰ-ছাত্ৰী আৰু মহিলাই দিহানাম, সত্ৰীয়া নৃত্য, শংকৰী নৃত্য, কৃষ্ণ নৃত্য, দশাৱতাৰ নৃত্য, চালি আৰু গোপী নৃত্য, গুৰুজনাৰ ওপৰত বক্তৃতা আদি পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখ্য যে চিনামণি কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান তিনিদিনীয়া কাৰ্যসূচীৰে অহা নৱেম্বৰত অনুষ্ঠিত হ'ব।

# অংকীয়া ভাওনাৰ শিল্পী অজিত বৰাৰ পৰলোকপ্ৰাপ্তি



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৯ আগষ্ট ঃ** কলিয়াবৰ মহকুমাৰ জমখলা নিৱাসী অংকীয়া ভাওনাৰ সুদক্ষ শিল্পী অজিত বৰা (৬০)ৰ যোৱা নিশা পৰলোকপ্ৰাপ্তি ঘটাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মধ্যপ্ৰদেশ, হাৰিয়ানা, কেৰালা প্ৰমুখ্য বহিঃৰাজ্যত অংকীয়া ভাওনাত অভিনয়ৰে শংকৰী কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত জীৱনৰ বহুকেইটা বসন্ত অতিবাহিত কৰা বৰা মূলতঃ ভাৱৰীয়া সাজ-সজ্জা তথা ৰূপসজ্জাকাৰৰূপেও অঞ্চলটোত আছিল এক সুকীয়া পৰিচয়। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ নিশা নগাঁও চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটা শিল্পীজনৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, কলিয়াবৰ প্ৰেছ ক্লাব, কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰৰ কলিয়াবৰ জিলা সমিতি আদি বিভিন্ন ব্যক্তি-অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।



*কৰঙা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ তিথি পালন*

# নদুৱাৰৰ অন্তৰ্গত ইটাখোলা-কুসুমটোলা সংযোগী পথৰ উদ্বোধন বিধায়কৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ আগষ্ট ঃ** চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা গৰুখুঁটি কৃষি প্ৰকল্পৰ পদ্ম হাজৰিকাই আজি নদুৱাৰৰ অন্তৰ্গত ইটাখোলা-কুসুমটোলা সংযোগী পথটো উন্মোচন কৰে। প্ৰায় আঠ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ উদ্বোধনী অনুষ্ঠানত চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰা, মূঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহাল প্ৰমুখ্যে পঞ্চায়তৰ বিভিন্ন বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। পথটোৰ উদ্বোধন কৰি বিধায়ক হাজৰিকাই কয়, 'মোৰ সমষ্টিৰ গ্ৰামাঞ্চলৰ ৮০ শতাংশ পথেই ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। বাকী যি দুই এটা পথ নিৰ্মাণ কৰিবলৈ থাকি গৈছে সেইসমূহ অতি শীঘ্ৰেই নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব।' সমষ্টিটোৰ বাট-পথ উন্নয়নৰ লগতে নিবনুৱা যুৱক-যুৱতীসকলক কৃষি কৰ্মৰে স্বাৱলম্বিতা কৰি তোলাৰো একাধিক আঁচনি তৈয়াৰ কৰা বুলি মন্তব্য কৰে বিধায়ক হাজৰিকাই।

# শ্ৰীৰামপুৰত তিনি শতাধিক ম'হ, ড্ৰাগছ, গাঞ্জা, ফেন্সিডাইলসহ নিষিদ্ধ সামগ্ৰীভৰ্তি বাহন জব্দ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৯ আগষ্ট ঃ** ৰাজ্য চৰকাৰে নতুনকৈ গো-আইন বলৱৎ কৰাৰ পাছত গো- ধন সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সমান্তৰাল কৈ বহিঃৰাজ্যৰ পৰা ট্ৰাকযোগে অসমৰ উপৰি মেঘালয়, মিজোৰাম, ত্ৰিপুৰা, নগালেণ্ড আদি ঠাইলৈ অবৈধভাৱে সৰবৰাহ কৰা ম'হসমূহ জব্দ কৰাৰ লগতে ম'হ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত শ্ৰীৰামপুৰ আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই তিনি শতাধিক ম'হৰ লগতে কে'বাখন ট্ৰাক জব্দ কৰে। জব্দকৃত ম'হ সন্দৰ্ভত অনুসন্ধানৰ ভিত্তিত বহু কেইগৰাকী সৰবৰাহকাৰীও আৰক্ষীৰ জালত পৰিছে। আৰক্ষী অধিক কঠোৰ হোৱাৰ পাছত অবৈধ পন্থাৰে ম'হ সৰবৰাহ বন্ধ হৈ পৰিছে বুলি আৰক্ষীৰ দাবী। আনহাতে, অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই অকল গৰু-ম'হই নহয় শ্ৰীৰামপুৰত অবিৰতভাৱে ড্ৰাগছ, গাঞ্জা, আফিং, মদ, ফেনন্সিডাইল, বিদেশী চিগাৰেট, বাৰ্মিজ চুপাৰি-কাঠ আদি কৰি বিভিন্ন নিষিদ্ধ ঘোষিত তথা উচ্চ কৰযুক্ত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। সূত্ৰটো আৰু প্ৰকাশ কৰে যে শ্ৰীৰামপুৰ হৈ অসমত যাতে তেনে কোনো সামগ্ৰী প্ৰৱেশ কৰিব নোৱাৰে আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা শ্ৰীৰামপুৰ হৈ বহিঃৰাজ্যত কোনো নিষিদ্ধ ঘোষিত সামগ্ৰী সৰবৰাহ নহয় তাৰ বাবে নিয়মীয়া তালাচীৰ ব্যৱস্থা থকাৰ লগতে। উন্নতমানৰ চি চি টিভিৰ ব্যৱস্থা কৰিছে কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুৰেই। বহিঃৰাজ্যৰ পৰা অসমত প্ৰৱেশ কৰা প্ৰতিখন ট্ৰাক শ্ৰীৰামপুৰত তন্ন তন্ন কৈ তালাচী চলোৱা হয়। তেনেকৈ কটকটীয়াভাৱে আৰক্ষীৰ পহৰা থকাত সকলো অবৈধ বেহা বন্ধ হৈ পৰাত দুষ্ট চক্ৰটোৱে আৰক্ষীৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰ কৰা বুলিও আৰক্ষীৰ হাতত তথ্য আহিছে। অচিৰেই ষড়যন্ত্ৰকাৰী দুষ্ট চক্ৰটো আৰক্ষীৰ জালত পৰিব বুলি দাবী কোকৰাঝাৰ আৰক্ষীৰ।

# শিক্ষাব্ৰতী-শিল্পী-সমাজ সংগঠক শিৱপ্ৰসাদ শৰ্মা ঠাকুৰৰ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৯ আগষ্ট ঃ** গোলাঘাট জিলাৰ কুৱালগুৰি অঞ্চলৰ ভাৰলী গাঁও নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, লেখক, শিল্পী তথা সমাজ সংগঠক শিৱপ্ৰসাদ শৰ্মা ঠাকুৰৰ ৯০ সংখ্যক জন্ম দিৱসত অহা চাৰি ছেপ্টেম্বৰত কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক ৰাজহুৱা অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজেন বৰঠাকুৰক সভাপতি, বিপুল ৰাভাক কাৰ্যকৰী সভাপতি আৰু ঋতুৰাজ পৰাশৰক মুখ্য সম্পাদক হিচাপে লৈ গঠন কৰা অভিনন্দন জ্ঞাপক সমিতিয়ে যুগুত কৰা কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ন বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা আৰু দুপৰীয়া এক বজাৰ পৰা ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষক আচাৰ্য ৰোহিণী বল্লভ গোস্বামী শাস্ত্ৰীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গণেশ গোস্বামীয়ে উদ্বোধন কৰিব লগা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দীপক শৰ্মাই। যোৰহাট জিলা শাখা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাই, ড° চণ্ডীচৰণ গোস্বামীৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া শিক্ষাব্ৰতী, শিল্পী শিৱপ্ৰসাদ শৰ্মা ঠাকুৰৰ অভিনন্দন গ্ৰন্থ 'শিৱাৰ্চন' উন্মোচন কৰিব। আয়োজকসকলে সভাত সদাশয় ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# ৰাইজৰ শেষ আশা ভৰসাৰ স্থল সাংবাদিক

## ■ পাচমাইল পূৰ্বাঞ্চলত পাঠক-দৰ্শক-শ্ৰোতা-সাংবাদিকৰে মতবিনিময়-ৰাইজমেল

**ষ্টাফ ৰিপৰ্টাৰ,**
**তেজপুৰ ২৯ আগষ্ট ঃ**

তেজপুৰৰ দাঁতিকাষৰীয়া অতি অনগ্ৰসৰ অঞ্চল হিচাপে চিহ্নিত পাঁচমাইল, ভোমোৰাগুৰি, ন-পাম আৰু দোলাবাৰীকে ধৰি চাৰিখন গাওঁপঞ্চায়তক লৈ গঠিত পাচমাইল পূৰ্বাঞ্চল অঞ্চলত পাঠক, দৰ্শক, শ্ৰোতা আৰু সাংবাদিকক লৈ মত বিনিময়েৰে যোৱা চজ্জআগষ্টত তেজপুৰ সাংবাদিক সন্থাৰ উদ্যোগত এক ৰাইজ মেল অনুষ্ঠান অনুষ্ঠিত হয়। তেজপুৰ সাংবাদিক সন্থাৰ সভাপতি অপূৰ্ব বৰাৰ সভাপতিত্বত অঞ্চলটোৰ এক উচ্চ শিক্ষাৰ অনুষ্ঠান সূৰ্যোদয় হাইস্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত পূৰ্বাঞ্চল অঞ্চলত বিশিষ্ট নাগৰিক তথা প্ৰবীণ শিক্ষাবিদ ৰিয়াজ উদ্দিন আকান্দই কয় যে গণতন্ত্ৰৰ চাৰিটা স্তম্ভৰ ভিতৰত চতুৰ্থ স্তম্ভ হিচাপে খ্যাত সাংবাদিকসকলৰ প্ৰতি ৰাইজৰ গভীৰ আস্থা আৰু বিশ্বাস আছে। বাকী অন্য তিনিটা স্তম্ভৰ পৰা যেতিয়া ৰাইজে ন্যায় নাপায় তেতিয়া ন্যায় প্ৰাপ্তিৰ আশাত ৰাইজে সাংবাদিকৰ কাষ চাপে। ৰাইজৰ শেষ আশাৰ ভৰষাৰ স্থল সাংবাদিকসকল। তেওঁ কয়- আমাৰ অঞ্চলটোৰ বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই অঞ্চলটোত ড্ৰাগছ, গাঞ্জাৰ ৰমৰমীয়া বেহা চলাই সামাজিক পৰিৱেশ কুলষিত কৰি পেলাইছে। শিক্ষকৰ অভাৱেও চৰকাৰী শিক্ষা অনুষ্ঠানসমূহৰ শিক্ষাৰ মানদণ্ড নিম্নগামী কৰি তুলিছে। খহনীয়া, বানপানীয়েও অঞ্চলটোৰ জনজীৱনক কঙাল কৰি পেলাইছে। এইবোৰ কথা তেজপুৰৰ সাংবাদিকসকলে সংবাদ মাধ্যমত দাঙি নধৰা নহয়। কিন্তু যিদৰে আমাৰ অঞ্চলৰ সমস্যা আৰু দুৰ্যোগৰ ওপৰত অনুসন্ধানমূলক সাংবাদিকতা হ'ব লাগিছিল ঠিক তেনেদৰে আমি আশা কৰা ধৰণে হোৱা নাই। এই ক্ষেত্ৰত সাংবাদিকসকলক বিশেষভাৱে গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছো।' তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সহকাৰী সাধাৰণ সম্পাদক ছাইদুল ইছলামে আঁত ধৰা ৰাইজ মেল অনুষ্ঠানত অংশ গ্ৰহণ কৰি অঞ্চলটোৰ বিশিষ্ট নাগৰিক তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য চিৰাজ খানে কয় যে সংবাদ মাধ্যমে একোখন সমাজৰ পথ পৰিৱৰ্তন কৰিব পাৰে। গতিকে যুগাত্মক সাংবাদিকতাইহে সমাজৰ উন্নয়ন আৰু হিত সাধন কৰে। তেওঁ কয় যেসাংবাদিকৰ ভাষা- জ্ঞান অতি আৱশ্যক। ভাষা-জ্ঞানৰ দক্ষতা নাথাকিলে একোগৰাকী সাংবাদিক কেতিয়াও সফল সাংবাদিক হ'ব নোৱাৰে। ৰাইজমেলত অংশ গ্ৰহণ কৰি স্থানীয় সমাজ সচেতন যুৱক তথা অসম জাতীয়তাবাদী যুৱক সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ৰাজীৱ দাসে কয় যে সাংবাদিক সকল সমাজৰ অতীন্দ্ৰয় প্ৰহৰী। সমাজ, দেশ, জাতি পৰিৱৰ্তনত সাংবাদিক সকলৰ ভূমিকা অ-পৰিসীম। সেইহে সাংবাদিকক সকলোৱে শ্ৰদ্ধাৰ মনোভাৱেৰে চায়। যুৱ নেতা গৰাকীয়ে অঞ্চটোৰ সমস্যাৰ কথা দাঙি ধৰি কয়- তেজপুৰৰ পূৰ্বাঞ্চল এলেকাৰ গঢ় লৈ উঠা ড্ৰাগছ চক্ৰৰ লগতে শিল-বালিৰ অবৈধ ব্যৱসায়ে অঞ্চলটোৰ পৰিৱেশ দুষিত কৰি তুলিছে। গৰাখহনীয়া, বানপানী সমস্যাও অঞ্চলটোৰ জনজীৱনত বিভীষিকাৰ সৃষ্টি কৰি আহিছে। গতিকে এই সমস্যাবোৰ সমাধানত আমাৰ সাংবাদিক সকলে দৃঢ় পদক্ষেপ গ্ৰহণৰে সবল জনমত গঠন কৰিব লাগে। তেওঁ কয় যে তেজপুৰ সাংবাদিক সন্থাই আজি যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সচাঅৰ্থত প্ৰশংসনীয়। ৰাইজে সাংবাদিকক বিচাৰি যায় কিন্তু ইয়াৰ বিপৰীতে আজি সাংবাদিকে ৰাইজক মাতি আনি ৰাইজৰ সমস্যাৰ কথা শুনিছে। ই অতিকৈ আদৰণীয়। অসমৰ ইমাম কাউঞ্চিলৰ সভাপতি

# শিৱসাগৰ ৰেলৱেৰ উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ উচ্ছেদিত ৰাইজৰ

■ আজি জিলা প্ৰশাসনৰ সহযোগত ৰেলৱে উচ্ছেদ কৰিব তিনিশ পৰিয়ালক ■ জাঙুৰ খাই উঠিছে ৰাইজৰ দল, কৃষক মুক্তি-ছাত্ৰ মুক্তি

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৯ আগষ্ট ঃ** শিৱসাগৰ নগৰৰ ষ্টেছন চাৰিআলিত ৰেল বিভাগৰ ভূমিত অবৈধভাৱে বসবাস কৰা পৰিয়ালসমূহে ৰেল বিভাগৰ পৰা উচ্ছেদৰ জাননী লাভ কৰাৰ পাছত আজি উচ্ছেদ কাৰ্য পিছুৱাই দিয়াৰ দাবীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী ৰাইজে উচ্ছেদ কৰাৰ পূৰ্বে তেওঁলোকক পুনৰ সংস্থাপিত কৰাৰ দাবী উত্থাপন কৰে। লগতে আগন্তুক বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি উচ্ছেদ কাৰ্য অতি কমেও ডেৰমাহ পিছুৱাই দিয়াৰ দাবী কৰে। ৰাইজৰ দল, কৃষক মুক্ত সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি থলগিৰী ৰাইজক উচ্ছেদ কৰাৰ পূৰ্বে চৰকাৰীভাৱে সংস্থাপিত কৰাৰ দাবী জনায়। উল্লেখ্য যে বিগত কে'বাটাও দশক ধৰি ভূমিহীন ৩০০ পৰিয়ালে ৰেল বিভাগৰ ভূমিত বসবাস কৰি আছিল। ৰেল বিভাগে এই পৰিয়ালসমূহলৈ প্ৰেৰণ কৰা এক জাননীৰ জৰিয়তে কাইলৈ এই ভূমি বেদখলমুক্ত কৰিবলৈ আহ্বান জনাইছিল। উল্লেখ্য যে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ আৰু শিৱসাগৰ জিলাৰ উপায়ুক্ত এই সন্দৰ্ভত কে'বালানি আলোচনাত মিলিত হৈছিল। কিন্তু এই আলোচনাৰ কোনো ফল নোলোৱাত এতিয়া ৰাইজৰ দলে উচ্ছেদিত লোকক চৰকাৰী মাটি দিয়াৰ দাবী কৰিছে।



# গোৱালপাৰাৰ মৰনৈত দুষ্প্ৰাপ্য কাছ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৯ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ দুধনৈ-কৃষ্ণাই নদীৰ মৰনৈত আজি জালেৰে মাছ মাৰি থকা অৱস্থাত এটা পাঁচ কেজি ওজনৰ দুষ্প্ৰাপ্য কাছ উদ্ধাৰ কৰা হয়। স্থানীয় সচেতন যুৱকে দুষ্প্ৰাপ্য কাছটো ডুবাপাৰা বন খণ্ডৰ বিষয়াক চমজাই দিয়ে। পাছত কাছটো গোৱালপাৰা পশু চিকিৎসালয়ত আনি প্ৰাথমিক চিকিৎসাৰ অন্তত সূৰ্যপাহাৰ মহাপীঠস্থানৰ পুখুৰীত এৰি দিয়ে বুলি ডুবাপাৰা বনখণ্ডৰ বিষয়া জিতেন তালুকদাৰে সদৰী কৰে।

# হৰলিক্সৰ পেকেটত মৃত পঁইতাচোৰা

মাতৃখাদ্য পুষ্টিৰ নামত হেতালি হিন্দুস্তান ইউনিলিভাৰ কোম্পানীৰ ঃ বৃহত্তৰ যুৱ পৰিষদ



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৯ আগষ্ট ঃ** এইবাৰ ধেমাজিত হৰলিক্সৰ পেকেটত উদ্ধাৰ হ'ল মৃত পঁইতাচোৰা। মাতৃ আৰু খাদ্য পুষ্টিৰ নামত চৰম হেতালি খেলাৰ অভিযোগ উঠিছে হিন্দুস্তান ইউনিলিভাৰ প্ৰাইভেট লিমিটেড কোম্পানীৰ বিৰুদ্ধে। ধেমাজি জিলা খাদ্য সুৰক্ষা সেৱা বিষয়াৰ ওচৰত এই সন্দৰ্ভত এজাহাৰ দাখিল অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ। উল্লেখ্য যে হিন্দুস্তান ইউনিলিভাৰ লিমিটেড কোম্পানীৰ মাদাৰ্ছ প্লাছ হৰলিকছ কিনিবলৈ গৈ বিপাঙত পৰে ধেমাজিৰ এগৰাকী গ্ৰাহক। ধেমাজি তিনিআলিস্থিত 'গংগা ফাৰ্মাৰ্চী' নামৰ এখন ঔষধৰ দোকানৰ পৰা এজন গ্ৰাহকে ক্ৰয় কৰিছিল মাদাৰ্ছ প্লাছ হৰলিক্স। কালি সন্ধিয়া পৰত পেকেটটো খুলি তাৰ ভিতৰত মৃত পঁইতাচোৰা দেখাৰ পাছত সৃষ্টি হয় প্ৰতিক্ৰিয়াৰ। লগে লগে বিক্ৰেতাক অৱগত কৰে গ্ৰাহকে। সমান্তৰালকৈ দোকানলৈ আহি সচেতন গ্ৰাহকজনে ইয়াৰ কাৰণ জানিবলৈ উপস্থিত হয় গংগা মেডিকেল ষ্টোৰত। এইক্ষেত্ৰত এই সমগ্ৰ ঘটনাই ধেমাজি মাতৃ সমাজক চিন্তিত কৰি তুলিছে। ইতিমধ্যে পুষ্টিকৰ খাদ্যৰ নামত হেতালি খেলা এই কোম্পানীটোৰ বিৰুদ্ধে এজাহাৰ দাখিলৰ ব্যৱস্থা গ্ৰহণ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিষয়ববীয়াই। এই সন্দৰ্ভত সমগ্ৰ ঘটনা ধেমাজি জিলা যুটীয়া স্বাস্থ্য সঞ্চালক আৰু জিলা খাদ্য সুৰক্ষা বিভাগকো অৱগত কৰি এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উজ্জ্বল চুতীয়া, জিলা সভাপতি সঞ্জীৱ চেতিয়া আৰু সম্পাদক ত্ৰৈলোক্য তামুলীয়ে সমগ্ৰ ঘটনা উচ্চ পৰ্যায়ৰ তদন্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। লগতে কোম্পানীৰ এই উৎপাদনৰ কাম-কাজ বন্ধ ৰাখিবলৈ দাবী জনাইছে। অন্যথা চৰকাৰী বিভাগ আৰু কোম্পানীৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে

# মেৰাপানী সীমান্তৰ গড়বস্তিত নগাৰ উপদ্ৰৱ

সীমান্তৰ অসমীয়া লোকৰ পোহনীয়া কুকুৰ গুলীয়াই হত্যা কৰি ভক্ষণ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৯ আগষ্ট ঃ** গোলাঘাট জিলাৰ অসম-নগালেণ্ড মেৰাপানী সীমান্তৰ গড়বস্তিত যোৱা নিশা কাষৰীয়া নগালেণ্ডৰ এনি লুথা নামৰ নগা লোকজনে গড়বস্তিৰ নোদোক চুতীয়া নামৰ লোকজনৰ এটা পোহনীয়া কুকুৰ ঘৰত বান্ধি থোৱা অৱস্থাত গুলীয়াই হত্যা কৰা ঘটনাই সীমান্ত অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হৈছে। তথ্য মতে, নগালেণ্ডৰ মিকিয়াংবস্তিৰ এনি লুথা নামৰ নগা লোকজনৰ লগতে বস্তিটোৰ কে'বাজনো দুষ্ট প্ৰকৃতিৰ নগা লোকে সীমান্তৰ গড়বস্তি গাঁওখনৰ সাধাৰণ লোকসকলক ভয়-ভাবুকিৰে হাঁহ, কুকুৰা লুটপাট কৰি অশান্তিকৰ কাৰ্য সংঘটিত কৰি আহিছে। কালি গাঁওখনৰ পৰা হাঁহ-কুকুৰা নিবলৈ আহি কুকুৰটো চকুত পৰাত কুকুৰটোকে গুলীয়াই হত্যা কৰি লৈ যায়। ঘটনাৰ সন্দৰ্ভত গাঁৱৰ ৰাইজে সীমান্তত নিয়োজিত চিআৰপিএফক বিষয়টো অৱগত কৰে যদিও যথা সময়ত চিআৰপিএফ ঘটনাস্থলীত উপস্থিত নোহোৱা বুলি অভিযোগ কৰিছে। উল্লেখ্য যে নগা লোকসকলে দীৰ্ঘদিন ধৰি মেৰাপানী সীমান্তৰ গাঁওসমূহত প্ৰৱেশ কৰি জোৰ-জুলুমেৰে হত্যা, হিংসা, বেদখল আদি অপৰাধমূলক কাৰ্য সংঘটিত কৰি আহিছে। কিছু বছৰৰ আগতে গাঁওখনৰ এঘৰৰ পৰা উক্ত নগা লোকে পোহনীয়া গাভিনী কুকুৰক গুলীয়াই হত্যা কৰি ভক্ষণ কৰিছিল। সেয়েহে অসম প্ৰশাসনক সীমান্তৰ অসমীয়াৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ সীমান্তবাসী ৰাইজে আহ্বান জনাইছে।

# ডিগবৈ শোধনাগাৰত ২০২৫ৰ পৰা আৰম্ভ হ'ব ইথানলযুক্ত পেট্ৰ'ল উৎপাদন




**ডিগবৈ, ২৯ আগষ্ট ঃ** ডিগবৈ শোধনাগাৰে অহা ২০২৫ৰ পৰা ইথানলযুক্ত পেট্ৰ'ল উৎপাদন আৰম্ভ কৰিব। আজি ভাৰতীয় তেল নিগম অসম সংমণ্ডলৰ এখন সংবাদ মেলত এই কথা অৱগত কৰে। ডিগবৈ শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক কিশোৰ কুমাৰ শৰ্মাই সম্বোধন কৰা সংবাদ মেলত ইথানলযুক্ত পেট্ৰ'ল উৎপাদনৰ বাবে কমেও ৩৯ কোটি টকা ব্যয় কৰিব বুলি জানিব দিয়ে। কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া ডিগবৈ শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হৈছে বুলি উল্লেখ কৰি শৰ্মাই কয় যে ইয়াৰ আন্তঃগাঁথনিৰ নিৰ্মাণৰ বাবে কাৰিকৰীভাৱে সবল বিদেশী কোম্পানীৰ লগত কথা-বতৰা পতা হৈছে। অহা ২০২৫ৰ অক্টোবৰৰ পৰা বৰ্ধিত শোধন ক্ষমতাৰ উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি ইয়াৰ বাবে ব্যয় প্ৰায় ৭৪০ কোটি টকা হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ উপৰি সংবাদ মেলত মহাপ্ৰবন্ধক শৰ্মাই শোধনাগাৰসমূহত অত্যাধুনিক যন্ত্ৰ-পাতি ব্যৱহৃত হোৱা শ্ৰমিকৰ সংখ্যা দিনক দিনে হ্ৰাস কৰিব লগা হয় বুলি অৱগত কৰি কয়। ইয়াৰ বাবে শোধনাগাৰসমূহত নিয়োগৰ পৰিমাণ হ্ৰাস হৈ আহিছে। সংবাদমেলত ডিগবৈ শোধনাগাৰে সামাজিক দায়বদ্ধতাৰ আঁচনিৰ অধীনত বিগত সময়বোৰত কৰা কাম-কাজৰ খতিয়ান দাঙি ধৰে।

# ৰূপহীহাট আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত

## ড্ৰাগছসহ আটক এজন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট, ২৯ আগষ্ট ঃ** এক বিশেষ সূত্ৰৰ পম খেদি ৰূপহীহাট থানাৰ আৰক্ষীয়ে দীঘলীত যোৱা নিশা অভিযান চলায়। আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক হয় এজন ড্ৰাগছ সৰবৰাহকাৰী। অভিযানত আৰক্ষীয়ে জব্দ কৰে ড্ৰাগছভৰ্তি চাবোনৰ বাকচসহ ১৫টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ। ধৃত ড্ৰাগছ সহবৰাহকাৰীজনৰ নাম ৰুবাদুল ইছলাম। দীৰ্ঘদিনৰে পৰা ধৃত ৰুবাদুলে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। অধিক তথ্যৰ বাবে ধৃত ৰুবাদুলক জেৰা অব্যাহত ৰাখিছে ৰূপহীহাট আৰক্ষীয়ে।

# তেজপুৰ বিশ্ববিদ্যালয়ত ফিট ইণ্ডিয়া স্বাধীনতা দৌৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৯ আগষ্ট ঃ** তেজপুৰ বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু হকী কিংবদন্তি মেজৰ ধ্যান চান্দৰ জন্মজয়ন্তী উপলক্ষে ফিট ইণ্ডিয়া ফ্ৰীডম ৰাণ ২০২২ আয়োজন কৰে। অনুষ্ঠানটোৰ উদ্বোধনী ২০২২ৰ ২৯ আগষ্টত পুৱা ৬:৩০ বজাত তেজপুৰ বিশ্ববিদ্যালয়ৰ কমিউনিটি হলত অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ভি কে জৈনে হকী কিংবদন্তিজনক পুষ্পাঞ্জলি জ্ঞাপন কৰে। ব্যৱস্থাপনা বিজ্ঞান বিদ্যালয়ৰ ডিন আৰু ছাত্ৰ কল্যাণৰ ভাৰপ্ৰাপ্ত ডিন অধ্যাপক পাপৰী বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। উদ্বোধনী ভাষণ প্ৰদান কৰে উপাচাৰ্য অধ্যাপক ভি কে জৈনে। অধ্যাপক জৈনে সুস্থ থকাৰ লাভালাভৰ বিষয়ে কয় যে কেনেকৈ এটা স্বাস্থ্যৱান শৰীৰে ৰোগবোৰ দূৰত ৰাখে। তেওঁ লগতে তেজপুৰ বিশ্ববিদ্যালয় চৌহদৰ অত্যাধুনিক ক্ৰীড়া আন্তঃগাঁথনিক প্ৰশংসা কৰে, যাক শিক্ষাৰ্থী আৰু অন্যান্য চৌহদৰ বাসিন্দাসকলে সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পাৰে। অধ্যাপক জৈনে ফিট ইণ্ডিয়া ফ্ৰীডম ৰাণ ২০২২ৰ আৰম্ভ কৰে। শিক্ষাৰ্থী, শিক্ষক, অ-শিক্ষক কৰ্মচাৰী, শিশু আৰু অন্যান্য চৌহদৰ বাসিন্দাসকলে উৎসাহেৰে ইয়াত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ বিজয়ীসকলক ছয়টা শ্ৰেণীত পুৰস্কৃত কৰা হয়।

# আঠখেলীয়া নামঘৰলৈ চুতীয়া ছাত্ৰ সন্থাৰ খোৱাপানী যোগান

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৯ আগষ্ট ঃ** পৱিত্ৰ ভাদ মাহত ৰাজ্যৰ বিভিন্ন স্থানৰ উপাসনাস্থলী নামঘৰত হৰিনাম আৰু ভগৱানৰ গুণানুকীৰ্তনে মুখৰিত কৰি তুলিছে। অন্য বছৰৰ দৰে ঐতিহাসিক শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত এই বছৰো হৰিনামৰ ধব্বনিৰে বৈকুণ্ঠ স্থানলৈ পৰ্যবসিত কৰি তুলিছে। ৰাজ্যৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱে ভিৰ কৰিছেহি ঐতিহাসিক নামঘৰত। আজি গুৰুজনাৰ তিৰোভাৱ তিথি দিৱসত অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰাও ঐতিহাসিক আঠখেলীয়া নামঘৰত উপস্থিত হৈ আশিস লয়। আজন্মৰ সেৱাস্থলীৰ পৰা কৃষিমন্ত্ৰীজনে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰা জগত গুৰুজনাক সুঁৱৰি শ্ৰদ্ধা নিবেদন কৰে। আনহাতে, চুতীয়া জাতি ছাত্ৰ সন্থাৰ কমাৰবন্ধা আৰু আঠখেলীয়া আঞ্চলিকৰ কৰ্মকৰ্তাসকলে সেৱাস্থলীলৈ অহা ভকত-বৈষ্ণৱ তথা দৰ্শনাৰ্থীক খোৱা পানীৰ যোগান ধৰি এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰে। চুতীয়া ছাত্ৰ সন্থাৰ এই কাৰ্যক স্থানীয় ৰাইজে ধন্যবাদ জনাইছে।

# গোৱালপাৰাত পুনৰ ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৯ আগষ্ট ঃ** গোৱালপাৰাৰ সদৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ৬০ বটল নিচাজাতীয় কফ ছিৰাপসহ কাবাইটাৰীৰ পৰা ৰফিক ইছলাম নামৰ ড্ৰাগছ ব্যৱসায়ী এজনক গ্ৰেপ্তাৰ কৰে। ধৃত ৰফিক ইছলামৰ ঘৰ বঙাইগাঁও জিলাৰ যোগীঘোপা আৰক্ষী থানাৰ অন্তৰ্গত কাবাইটাৰীত। উল্লেখ্য যে যোৱা ২৭ আগষ্টৰ নিশা গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰৰ পৰা আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ী নয়ন কুমাৰ দাস আৰু আচিফ সেখক বৃহৎ সংখ্যক নিচাজাতীয় কফ ছিৰাপসহ গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁলোকৰ স্বীকাৰোক্তিৰ ওপৰত ভিত্তি কৰি যোৱা নিশা আৰক্ষীয়ে ৰফিক ইছলামক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এই সন্দৰ্ভত গোৱালপাৰা সদৰ থানাত এনডিপিএছ আইনৰ ২২ (চি)/২৯ ধাৰাত ১৯৭/২০২২ নম্বৰৰ এক গোচৰ ৰুজু কৰি আজি একেলগে তিনি ড্ৰাগছ ব্যৱসায়ীক আদালতত হাজিৰ কৰোৱাই জেললৈ প্ৰেৰণ কৰে।

# গোৱালপাৰাত আৰক্ষীয়ে জব্দ কৰিলে চোৰাং তেলৰ টেংকাৰ ঃ গ্ৰেপ্তাৰ দুই



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৯ আগষ্ট ঃ** গোৱালপাৰা সদৰ আৰক্ষীয়ে অভিযান চলাই যোৱা নিশা লেমাৰীৰ পৰা এ এছ-১৯ চি-১৯০১ নম্বৰৰ চোৰাং পেট্ৰ'লৰ টেংকাৰ এখন জব্দ কৰাৰ লগতে টেংকাৰখনৰ চালক-হেণ্ডিমেন ক্ৰমে ছফিকুল ইছলাম আৰু নুৰ মহম্মদক গ্ৰেপ্তাৰ কৰে। তেলৰ টেংকাৰখনৰ কোনো ধৰণৰ নথিপত্ৰ নথকা বাবেই জব্দ কৰা বুলি আৰক্ষীয়ে সদৰী কৰে। ইপিনে, এই সন্দৰ্ভত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৭৬/৪১১ ধাৰাত ১৯৮/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰা চালক আৰু হেণ্ডিমেনক আজি দণ্ডাধীশৰ ওচৰত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে বঙাইগাঁও জিলাৰ ঢালিগাঁও তেল শোধনাগাৰৰ পৰাই কোম্পানীৰ একাংশ বিষয়ববীয়াৰ স'তে বিশেষ বুজাবুজিৰে অসাধু চক্ৰই চোৰাংভাৱে পেট্ৰ'ল আৰু ডিজেলৰ টেংকাৰ বিভিন্ন জিলালৈ নিয়াৰ লগতে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। অসমতে নহয় মেঘালয়তো চক্ৰটোৱে চোৰাং তেলৰ ব্যৱসায় চলাই আহিছে। কেৱল পেট্ৰ'ল আৰু ডিজেলেই নহয়, এই চোৰাং তেলৰ চক্ৰটোৱে কেৰাচিন তেলৰো ব্যৱসায় চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অৱশেষত গোৱালপাৰাৰ সদৰ থানাৰ আৰক্ষীয়ে যোৱা নিশা বিশেষ সূত্ৰে অৱগত হৈ অভিযান চলাই শোলমাৰীৰ পৰা এ এছ-১৯ চি-১৯০১ নম্বৰৰ চোৰাং পেট্ৰ'লৰ টেংকাৰখন জব্দ কৰিবলৈ সক্ষম হয়।

# ৰূপাই চাইডিং বজাৰৰ পদপথত দোকান ঘৰ

**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ২৯ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰ কাৰ্যালয়ৰ নিলগতে অৱস্থিত ৰূপাই চাইডিং বজাৰত পদপথতে দোকান-পোহাৰ গঢ়ি উঠিছে। ৰূপাই চাইডিং বজাৰৰ গৰিষ্ঠ সংখ্যক ব্যৱসায়ীয়ে ৩৭ নম্বৰ ঘাইপথৰ দাঁতিত ৰাজ্য চৰকাৰৰ পুঁজিৰে পকীকৰণ কৰি দিয়া পদপথত দোকান ঘৰ সাঁজি লৈ ব্যৱসায় চলাই যাব ধৰিছে।

# টেঙাখাতত নলাত পৰি যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২৯ আগষ্ট ঃ** টেঙাখাত গন্ধিয়া গাঁৱৰ পথৰ কাষৰ এটা নলাত পৰি এজন যুৱকৰ মৃত্যু ঘটে। তথ্য মতে, আজি দিনৰ দুই বজাত গন্ধিয়া গাঁৱৰ খনিকৰ চুকৰ ৰবাৰ্ট ওজা (৩২) নামৰ যুৱকজনে মটৰ চাইকেলেৰে ঘৰৰ পৰা ওলাই আহোতে প্ৰায় এক কিলোমিটাৰ দূৰৰ পথৰ পুলৰ কাষৰ এটা নলাত মটৰ চাইকেলৰ স'তে পৰাৰ ফলতে ঘটনাটো সংঘটিত হয়। ঘটনাৰ খবৰ পাই টেঙাখাত থানাৰ আৰক্ষী আহি যুৱকজনক মৃত অৱস্থাত মটৰ চাইকেলৰ স'তে উদ্ধাৰ কৰে। পাছত মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ মৃতদেহ প্ৰেৰণ কৰা হয়।

# কলগাছিয়াত তিনিলাখ ২৪ হেজাৰ জালনোটসহ গ্ৰেপ্তাৰ এক



**কলগাছিয়া, ২৯ আগষ্ট ঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত খেল্লী গাঁৱৰ পৰা স্বহীদুল ইছলামৰ পুত্ৰ ৰাজু আহমেদ (২৭)ক ৪৮খন পাঁচশটকীয়া জাল নোটসহ মুঠ তিনিলাখ ২৪ হেজাৰ নকল টকাৰ স'তে গ্ৰেপ্তাৰ কৰে। ধৃত ৰাজু আহমেদৰ ভাষ্য অনুসৰি জনতা গাঁৱৰ ছামচুল হকৰ পুত্ৰ ছাইফুদ্দিনে চৰকাৰৰ পৰা ৰেহাই মূল্যত পোৱা চাৰিখন ট্ৰেক্টৰ কম দামত কিনাৰ বাবদ সাত লক্ষাধিক টকা প্ৰদান কৰিছিল। ট্ৰেক্টৰ যোগান ধৰিব নোৱাৰাত দুমাহ পূৰ্বে ৰাজু আহমেদক উক্ত তিনিলাখ ৪৮ হেজাৰ নকল টকা ঘূৰাই দিয়ে। বিশেষ খবৰৰ ভিত্তিত আজি কলগাছিয়াৰ আৰক্ষীয়ে জালনোটসহ ৰাজু আহমেদক গ্ৰেপ্তাৰ কৰে। ছাইফুদ্দিনে এটা ফেচবুক পেজ খুলি নিজকে সাংবাদিক বুলি যহাই ফুৰিছিল। এই ঘটনাৰ লগত জড়িত বহু ৰৌ-বৰালী আৰক্ষী জালত পৰাৰ সম্ভাৱনা আছে বুলি ৰাইজৰ মাজত চৰ্চা চলিছে। এই দেশদ্ৰোহী কামৰ লগত জড়িত থকাসকলক কলগাছিয়াৰ বিভিন্ন দল-সংগঠন আৰু সচেতন মহলে গৰিহণা দিয়াৰ লগতে ইয়াৰ লগত জড়িত প্ৰতিজনকে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহাৰ দাবী কৰিছে।

# বৰাজোলত অগ্নিকাণ্ডত হোটেল ভস্মীভূত

■ কথমপি ৰক্ষা পৰিল শতাধিক ব্যৱসায়িক প্ৰতিষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৯ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰাজোলত যোৱা নিশা ১২ মান বজাত সংঘটিত এক অগ্নিকাণ্ডৰ ফলত এখন চাহৰ হোটেল সম্পূৰ্ণ জুইত ভস্মীভূত হোৱাৰ বিপৰীতে কথমপি ৰক্ষা পৰে বৰাজোল বজাৰ চ'কৰ প্ৰায় শতাধিক ব্যৱসায়িক প্ৰতিষ্ঠান, স্কুল-মন্দিৰ আৰু আৱাসীসকল। তথ্য মতে, নিশা ১২ মান বজাত হোৱা উক্ত বিধ্বংসী অগ্নিকাণ্ডৰ ফলত দাওদাওকৈ জ্বলি উঠিছিল ব্যৱসায়িক প্ৰতিষ্ঠানখন। বৰাজোল চ'কৰ 'ভাই ভাই হোটেল'ত অগ্নিকাণ্ডৰ ঘটনা হোৱাৰ ফলতে নিমিষতে হোটেলখন ছাৰখাৰ হয়। বৰাজোলৰ দুৰ্গা মন্দিৰৰ কাষতে থকা কুশল দাস নামৰ ব্যৱসায়ীজনে হোটেলখন কিছুদিন পূৰ্বে ধাৰলৈ টকা লৈ আগন্তুক দুৰ্গা পূজালৈ বুলি আটকধুনীয়াকৈ সজাই তুলিছিল। কিন্তু দুখৰ বিষয় যে নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ফলত দাসৰ সপোন নিমিষতে শেষ হৈ পৰে। অগ্নিকাণ্ডৰ ফলত হোটেলখনৰ সকলো সা-সম্পত্তি জুইত জাহ যায়। যাৰ পৰিপ্ৰেক্ষিতত হোটেলখনৰ প্ৰায় চাৰি লাখ টকাৰ ক্ষতি সাধন হয়। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি পোৱালৈকে স্থানীয় ৰাইজে প্ৰায় জুই নুমুৱাবলৈ সক্ষম হয়। অগ্নি নিৰ্বাপিত হোৱাত কথমপি ৰক্ষা পৰে বৰাজোল চ'কৰ প্ৰায় শতাধিক দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে স্থানীয় আৱাসীসকল। অগ্নিকাণ্ড কিহৰ বাবে সংঘটিত হৈছে সেয়া স্পষ্ট হোৱা নাই যদিও একাংশ লোকে বিদ্যুৎস্পৃষ্টৰ ফলতে সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰজোল আঞ্চলিক ছাত্ৰ সন্থা, বৰাজোল বজাৰ পৰিচালনা সমিতি, দুৰ্গা মন্দিৰ পৰিচালনা সমিতি আদিয়ে হোটেল ব্যৱসায়ৰে পৰিয়াল পোহপাল দিয়া দাসক চৰকাৰে সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে। লগতে স্থানীয় দল-সংগঠন তথা ৰাইজে ঘগ্ৰাপাৰ আৰক্ষী থানাৰ সন্মুখত এটা অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় স্থাপন কৰাৰ বাবে নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দাবী জনাইছে।

# হাজোৰ দেহৰকুৰিহাত নাওখেল প্ৰতিযোগিতাত লোকে লোকাৰণ্য



**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৯ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত নতুন শনিয়াদীৰ দেহৰকুৰিহা ঘাটৰ বৰলীয়া নদীত প্ৰাক্তন নাওখেল খেলুৱৈ সমন্বয় সমিতিৰ উদ্যোগত আজি এখন পৰাম্পৰগত নাওখেল প্ৰতিযোগিতা সম্পন্ন হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে শনিয়াদী গাঁও পঞ্চায়তৰ সভাপতি ৰবিউল হুছেইনে। প্ৰায় ১৪ টাকৈ দলে অংশগ্ৰহণ কৰা নাওখেল প্ৰতিযোগিতাখনত জোনবাই নাওখনে প্ৰথম পুৰস্কাৰ নগদ ১০,০০০ হেজাৰ টকা লাভ কৰে আৰু মা ৰূপহী নাওখনে দ্বিতীয় পুৰস্কাৰ নগদ সাত হেজাৰ টকা লাভ কৰে। প্ৰতিযোগিতাখনত প্ৰথম পুৰস্কাৰ দাঁতা তথা ৰিফেনাৰীৰ সহ প্ৰবন্ধক, সমাজকৰ্মী জীয়াউৰ ৰহমান আৰু দ্বিতীয় পুৰস্কাৰৰ দাঁতা ক্ৰমে সমাজকৰ্মী তথা আম আদমী পাৰ্টিৰ সক্ৰিয় নেতা মুকুট আলী আৰু ইফতিকুৰ ৰহমানৰ সহায় সহযোগিতাক ৰাইজে শলাগ লয়। তদুপৰি অনুষ্ঠানত মুখ্য পৰিচালক খবিৰুদ্দিন আহমেদ, ফাজিৰ আহমেদ, ফজিৰ আলী, আজাদুৰ ৰহমান, প্ৰাক্তন পঞ্চায়ত সভাপতি আজিজুৰ ৰহমান, সমাজকৰ্মী ৰূপছান আলী প্ৰমুখ্যে অগণন দৰ্শকৰ উপস্থিতিত নাওখেল প্ৰতিযোগিতাখন অনুষ্ঠিত হয়।

# জ্যেষ্ঠ অধিবক্তা-সমাজকৰ্মী সোণাবৰ আলীৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৯ আগষ্ট ঃ** নলবাৰীৰ জ্যেষ্ঠ অধিবক্তা তথা সমাজকৰ্মী সোণাবৰ আলী (৭০)ৰ আজি চিকিৎসাধীন অৱস্থাত চেন্নাইত মৃত্যু হয়। জিলাখনৰ মুকালমুৱা থানাৰ অন্তৰ্গত ঘোগা গাঁৱৰ বাসিন্দা আলীয়ে মুকালমুৱাৰ ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষকৰূপে যোগদান কৰি পৰৱৰ্তী সময়ত ৰাজনৈতিক জীৱন আৰম্ভ কৰে। ১৯৮৫ত অধুনালুপ্ত ইউ এম এফৰ বেনাৰত বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। ঘোগা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যৰূপে নিৰ্বাচিত আলীয়ে পৰৱৰ্তী সময়ত দুবাৰকৈ নিৰ্দলীয়ৰূপে বিধানসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হয়। পৰৱৰ্তী সময়ত কংগ্ৰেছত যোগদান কৰি বৰক্ষেত্ৰী সমষ্টিৰ তদানীন্তন বিধায়ক তথা মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ ঘনিষ্ঠৰূপে পৰিচিত হৈ জিলা পৰিষদৰ নিৰ্বাচনত অৱতীৰ্ণ হয়। পাছত ২০০৩ত নলবাৰী জিলা পৰিষদৰ প্ৰথমজন সভাপতিৰূপে নিৰ্বাচিত হয়। কিন্তু পৰৱৰ্তী সময়ত কংগ্ৰেছ ত্যাগ কৰি এআইইউডিএফত যোগদান কৰি ২০০৬ৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হয় যদিও পৰাজিত হয়। তদুপৰি ২০১৪ত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত আলীয়ে পূৱ বৰক্ষেত্ৰী আলিয়া মাদ্ৰাছাৰ সভাপতি, জি বি এল হাইস্কুল বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। নলবাৰী জিলা আদালতৰ জ্যেষ্ঠ অধিবক্তাৰূপে কৰ্মৰত আলীয়ে আজি ১৫ বছৰ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল। দুই কন্যা আৰু এজন পুত্ৰ এৰি যোৱা সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছা পৰিছে।





নতুন দিল্লীৰ এক অনুষ্ঠানত হিমা দাস

# ক্ৰীড়া দিৱসত নুৰুল আমিনলৈ শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া,২৯ আগষ্ট ঃ** হকীৰ যাদুকৰ ধ্যানচাঁদৰ জন্মদিন উপলক্ষে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু প্ৰয়াত বিশিষ্ট ক্ৰীড়া সংগঠক নুৰুল আমিনৰ স্মৃতি দিৱস আজি নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে সংস্থাৰ সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁয়ে পতাকা উত্তোলনৰে কাৰ্যসূচীৰ পাতনি মেলে। হকীৰ যাদুকৰ ধানচাঁদ আৰু বৰেণ্য ব্যক্তি নুৰুল আমিনৰ বিষয়ে সংস্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱাই



শ্ৰদ্ধাৰে স্মৰণ কৰি বক্তব্য ৰখাৰ পিছতে ধ্যানচাঁদ আৰু নুৰুল আমিনৰ প্ৰতিচ্ছৱিত পুষ্পাঞ্জলি তৰ্পণ কৰে সভাপতি গোহাঁইৰ লগতে উপ সভাপতিদ্বয় তপন কুমাৰ শৰ্মা, প্ৰশান্ত কুমাৰ বৰা, সাধাৰণ সম্পাদক প্লাৱন বৰুৱা, বিষয়ববীয়া দিলীপ তালুকদাৰ, আমিনুল ইছলিম বক্সী, অহিদুজ জামান আৰু প্ৰভাত চন্দ্ৰ বৰা আদিয়ে। ইফালে, দুলাল আহমেদৰ তত্বাবধানত ফুটবল খেল অনুষ্ঠিত হোৱাৰ পিছত বিয়লি মিছা হকী একাডেমী মহিলা দল বনাম জোঙাল বলহু হকী একাডেমী মহিলা দলৰ মাজত এখনি খেল অনুষ্ঠিত হয়।



এছিয়া কাপত পাকিস্তানৰ বিৰুদ্ধে দৃঢ়তাপূৰ্ণ বেটিং কৰি ভাৰতক বিজয় দিয়াত অন্যতম ভূমিকা লোৱা জাডেজা।

# গুৱাহাটীত দিল্লীক হৰুৱাই কোৱাৰ্টাৰত ওড়িছা

**গুৱাহাটী, ২৯ আগষ্ট ঃ** ওড়িছা এফ চিয়ে দ্বিতীয়টো দলৰূপে ভাৰতীয় সেনা বাহিনীয়ে আয়োজন কৰা চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হোৱা মেচত ওড়িছাই ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে সুদেবা দিল্লী এফ চিক। খেলৰ প্ৰথমাৰ্ধতে হয় তিনিওটা গ'ল। ক্ৰেছপোই ১৯ আৰু ৩৮ মিনিটত দুটা গ'ল দিয়াৰ পাছত জেৰীয়ে ৪০ মিনিটত ওড়িছাৰ হৈ তৃতীয়টো গ'ল দিয়ে। দ্বিতীয়াৰ্ধত গ'ল নহ'ল। কাৰ্যতঃ আত্মসমৰ্পন কৰে দিল্লী দলে। উল্লেখ্য যে ক্ৰমাগত তিনিখন মেচত জয়লাভ কৰি ওড়িছা দলে গ্ৰুপ 'ডি'ৰ পৰা কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। বিপৰীতে দিল্লী দলে প্ৰথম দুখন মেচ ড্ৰ খেলাৰ পাছত আজিৰ পৰাজয়ে দলক চিন্তাত ৰাখিলে। ওড়িছা দলে গ্ৰুপৰ অন্তিম মেচখনত মুখামুখি হ'ব আৰ্মি গ্ৰীণ দলৰ। আনহাতে, দিল্লী এফ চিয়ে অন্তিম মেচখন খেলিব ইতিমধ্যে বিদায় লোৱা নৰ্থ ইষ্ট ইউনাইটেডৰ বিৰুদ্ধে। দিল্লীয়ে এই মেচত জয়ী হ'লেও নকআউটলৈ যোৱাত অংকৰ সমীকৰণ থাকিব।



## ডুৰাণ্ড কাপত আজি বাংগালুৰু-গোৱা নেৰ'কা-হায়দৰাবাদ

**ইম্ফল, ২৯ আগষ্ট ঃ** ভাৰতীয় সেনা বাহিনীয়ে আয়োজন কৰা চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত গ্ৰুপ 'চি'ৰ এখন মেচত হায়দৰাবাদ এফ চিয়ে খেলিব নেৰ'কা এফ চিৰ বিৰুদ্ধে। প্ৰথম দুখন মেচত জয়ী হোৱা হায়দৰাবাদ দলৰ লক্ষ্য কাইলৈ জয়ৰ ধাৰা অব্যাহত ৰাখি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰা। ইফালে, অপৰাজেয় নেৰ'কা এফ চিয়েও নকআউট ৰাউণ্ডত প্ৰৱেশৰ লক্ষ্যৰে খেলিব। ইফালে, কাইলৈৰ দ্বিতীয় মেচখনত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত বাংগালুৰু এফ চিয়ে খেলিব এফ চি গোৱাৰ বিৰুদ্ধে। উল্লেখ্য যে গ্ৰুপ 'এ'ৰ পৰা ইতিমধ্যে মহমেদান স্প'ৰ্টিঙে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ গোৱাই অন্তিম গ্ৰুপ মেচ খেলিব। পৰাজয় বা ড্ৰ মানেই দলৰ বিদায় নিশ্চিত। বিপৰীতে প্ৰথম দুখন মেচত জয়ী হোৱা বাংগালুৰু দলে কাইলৈ জয়ী হ'লেই কোৱাৰ্টাৰত প্ৰৱেশ কৰিব। ড্ৰ বা ব্যৰ্থ হ'লেও অন্তিম মেচলৈ দলৰ সুযোগ থাকিব।

## ৰাজস্থানৰ বিৰুদ্ধে বৃহৎ জয়ৰে নকআউটলৈ যোগ্যতা মুম্বাই চিটীৰ

**কলকাতা, ২৯ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি হোৱা প্ৰথমখন মেচত মুম্বাই চিটী এফ চিয়ে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰাজস্থান ইউনাইটেড এফ চিক। এই জয়ৰে মুম্বাই দলে অন্তিম মেচ খেলাৰ পূৰ্বেই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত কৰিছে। কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত হোৱা গ্ৰুপ 'বি' মেচখনত মুম্বাই চিটীৰ হৈ ষ্টেৱাৰ্ট (১০ মিনিট), চাংটে (১৮ মিনিট) আৰু মেহতাবে (৩৬ মিনিট) গ'ল কৰি দলক বিৰতিলৈ ৩-০ ত আগুৱাই ৰাখে। দ্বিতীয়াৰ্ধত মুম্বাই দলে লাভ কৰা পেনাল্টি গ'লৰ ৰূপ দিয়ে জাহ'হে (৬৩ মিনিট)। ৬৬ মিনিটত নিকুমৰ গ'লৰে ৰাজস্থানে ব্যৱধান ৪-১ কৰে যদিও ইঞ্জুৰী টাইমত বিক্ৰমৰ গ'লেৰে মুম্বাই দলে ৫-১ ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে পইণ্ট আৰু গ'লৰ গড় হিচাপত মুম্বাই শীৰ্ষত আছে। ইফালে, পৰাস্ত হ'লেও ৰাজস্থান ইউনাইটেড কিন্তু কোৱাৰ্টাৰ ফাইনেলৰ দৌৰৰ পৰা আঁতৰা নাই। ৰাজস্থান দলে অন্তিম মেচখন খেলিব ভাৰতীয় নৌ সেনাৰ বিৰুদ্ধে। সেই মেচত গ'লৰ ব্যৱধান বৃদ্ধি কৰি জয় হ'লে দলৰ সপোন পূৰ্ণ হ'ব। কিন্তু দৌৰত আছে মোহন বাগানো। দলে গুৰুত্বপূৰ্ণ অন্তিম গ্ৰুপ মেচত ভাৰতীয় নৌ সেনাৰ মুখামুখি হ'ব। ইফালে, মুম্বাই চিটীয়ে গ্ৰুপৰ অন্তিম মেচ খেলিব ইষ্ট বেংগলৰ বিৰুদ্ধে। অৱশ্যে এই গ্ৰুপৰ পৰা ইষ্ট বেংগলৰ বিদায় প্ৰায় নিশ্চিত হৈছে।



## ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন

**অগ্ৰদূত বাৰ্তা, টিহু ,২৯ আগষ্ট ঃ** টিহু ক্ৰীড়া সন্থাই টিহু হাইস্কুল খেলপথাৰত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰে। এই উপলক্ষে খেলুৱৈ মনোজ বড়োই আঁতধৰা অনুষ্ঠানত পতাকা উত্তোলন কৰে টিহু ক্ৰীড়া সন্থাৰ উপসভাপতি ভাৰত তালুকদাৰে আৰু দেশৰ বিশিষ্ট ক্ৰীড়াবিদ মেজৰ ধ্যানচান্দৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে খেলুৱৈ ৰতন মেধিয়ে। ইয়াৰ পাছত কিশোৰৰ ১০০ মিটাৰ দৌৰ আৰু যুৱকৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## খনীন-অধৰ ফুটবল

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী , ২৯ আগষ্ট ঃ** সৰ্থেবাৰী স্প'ৰ্টছ ক্লাবৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত মাখিবাহা ক্ৰীড়া সংঘই ৩-১ গলত লছিমা নৱজ্যোতি সংঘক পৰাস্ত কৰি পৰবৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

# সদৌ অসম ৰেংকিং টেবুল টেনিছৰ সামৰণি

**ক্ৰীড়া বাৰ্তা, কমাৰবন্ধা, ২৯ আগষ্ট ঃ** গোলাঘাটৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ১৪ সংখ্যক ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ সামৰণি পৰিছে। প্ৰতিযোগিতাখনত ১১ অনুৰ্ধৰ ছোৱালীৰ একক শাখাত গুৱাহাটী আয়ৎ ৰহমান বিজয়ী হয়। আয়াতে শিলচৰ দিভিজা পলক পৰাস্ত কৰে। একেদৰে ১১ অনুৰ্ধ ল'ৰাৰ শাখাত আদ্ৰিখ গগৈয়ে ৰোহন দাসক পৰাস্ত কৰি বিজয়ী হয়। ১৩ অনুৰ্ধ ছোৱালীৰ শাখাত প্ৰকৃতি পি সিঙে দেৱীকা বৰ্মনক পৰাস্ত কৰি চেম্পিয়ন হোৱাৰ বিপৰীতে ল'ৰাৰ শাখাত অভীক কাশ্যপে আৰ্নিছ বৰুৱাক পৰাস্ত কৰি বিজয়ী হয়। ১৫ অনুৰ্ধ ছোৱালীৰ একক শাখাত প্ৰাচী মজুমদাৰে তিস্তা গগৈক পৰাস্ত কৰি বিজয়ী হয় আৰু ল'ৰাৰ শাখাত দৃশ্যান্ত বৰাই অভীক কাশ্যপক হৰুৱায়।



১৭ অনুৰ্ধ একক ছোৱালীৰ শাখাত প্ৰাচী মজুমদাৰে ভাৱনা কাশ্যপক পৰাস্ত কৰি বিজয়ী হয় আৰু ল'ৰাৰ শাখাত অভীক কাশ্যপে আদিত্য আৰয়ন বৰাক পৰাস্ত কৰি বিজয়ী হয়। ১৯ অনুৰ্ধ ছোৱালীৰ একক শাখাত ভূমিকা কৌশিকে আকাংশা ডেকাক পৰাস্ত কৰি বিজয়ী হোৱাৰ লগতে একেটা শাখাৰ ল'ৰাৰ আদিত্য আৰয়ন বৰাই অহনিক জি ভট্টক পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে। মহিলা এককৰ প্ৰতিযোগিতাত তৃষ্ণা গগৈয়ে কৃতিকা উপাধ্যাক পৰাস্ত কৰি বিজয়ী হোৱাৰ লগতে পুৰুষৰ একক শাখাত অগ্নিভ ভাস্কৰ গগৈয়ে অনল কাশ্যপক পৰাস্ত কৰি বিজয়ী হয়। উল্লেখ্য যে প্ৰতিযোগিতাখনত এইবাৰ কোনো শ্ৰেষ্ঠ খেলুৱৈ বাচনি কৰা নহ'ল যদিও সামগ্ৰিকভাৱে ভাল প্ৰদৰ্শন কৰা বাবে সম্ভৱনাপূৰ্ণ বঁটা লাভ কৰিছে ক্ৰমে ৰাস্কিন ৰৌশন শইকীয়া আৰু লুনাশা বৰাই।

## আৰ বি কে ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা, হাজো,২৯ আগষ্ট ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হালোগাও ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় অভয় চৰণ চৌধাৰী ষ্টেডিয়ামত চলি থকা ভকতৰাম ভাণ্ডাৰ কায়স্থ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত কলিতাকুছি আৰ বি কে স্প'ৰ্টচ একাডেমী ছেমিফাইনেলত প্ৰৱেশ প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত খেলখনত আৰ বি কে একাডেমীয়ে বকো এফ চিক ২-১ গলৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ খেল পৰিচালনা কৰে ৰঞ্জিত দাস,ভবিন চন্দ্ৰ ভৰালী,ধ্ৰুৱ দাস আৰু মনোৰঞ্জন কলিতাই।



পাকিস্তানৰ বিৰুদ্ধে ৰোমাঞ্চকৰ বিজয়ৰ পাছত মেচৰ নায়ক টীম ইণ্ডিয়াৰ হাৰ্দিক পাণ্ডিয়া

## চেমনীয়া ফুটবলত বাগান দল ফাইনেলত

**অগ্ৰদূত বাৰ্তা, ছয়গাঁও, ২৯ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও মিনি ষ্টেডিয়ামত চলি থকা প্ৰয়াত ভাৰত চন্দ্ৰ দাস আৰু কুমুদ দাস সোঁৱৰণী আন্তঃক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ আজি বিহদিয়াৰ ডিভাইন ক্লাবে আৰু জিয়াকুৰ ফুটবল দলক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে । আনহাতে প্ৰয়াত কালিচৰণ কলিতা আৰু ৰজন বালা দাস সোঁৱৰণী চেমনীয়া ফুটবল খেলখনৰ ছেমিফাইনেলত আজি বাগান ফুটবল দলে জিয়াকুৰ ফুটবল দলক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

## ক্ষীৰোদ বৰুৱা আন্তঃজিলা ফুটবল প্ৰতিযোগিতা

# বোকাখাত জিলা ক্ৰীড়া সন্থা জয়ী

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২৯ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ তত্বাৱধানত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ক্ষিৰোদ বৰুৱা ছিনিয়ৰ জিলা ফুটবল প্ৰতিযোগিতাত আজি বি মণ্ডলৰ প্ৰথম খন খেলত বোকাখাট জিলা ক্ৰীড়া সন্থাই তিতাবৰ জিলা ক্ৰীড়া সন্থাক ৩-১ গ'লত পৰাভূত কৰিবলৈ সক্ষম হৈছে। আজি খেলৰ আৰম্ভনিত জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি শান্তনু পূজাৰীয়ে। সাধাৰণ সম্পাদক জুল খাউণ্ডে আত ধৰা অনুষ্ঠানত প্ৰতিযোগিতাতখনি উদ্বোধন কৰে ডাঃ বডিলাল দেউৰীয়ে। অসম ফুটবল সন্থাৰ কোষাধক্ষ্য হিৰেন গগৈও উপস্থিত থাকে। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে বোকাখাট জিলা ক্ৰীড়া সন্থাৰ টুলুংগা গয়াৰীয়ে। উদ্বোধনী অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ জেষ্ঠ ক্ৰীড়া সংগঠক ননী দত্ত, মাজুলী জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক দুস্মন্ত বড়া, মেজ কমিছনাৰ নিৰ্মল চেতীয়া, অমল বৰুৱা, উপ সভাপতি ললিত বড়া, ৰবীন শইকীয়া, দ্বিজেন শইকীয়া, ৰিতুৰাজ বৰা, ৰিজু শইকীয়া ফুটবল বিভাগৰ সম্পাদক ফাইজউদ্দিন আহমেদ, জেষ্ঠ সাংবাদিক দিগন্ত বুঢ়াগোহাঁৰ উপৰিও ভালেকেইজন জিলা ক্ৰীড়া সন্থা আৰু অসম ফুটবল সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।



## আন্তঃজিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, কৃষ্ণাই, ২৯ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ অন্তৰ্গত ল'ৰাৰ ক্ষীৰোদ বৰুৱা সোঁৱৰণী আন্তঃজিলা চিনিয়ৰ ফুটবল প্ৰতিযোগিতাখনি এইবেলি গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ সহযোগত আৰু কৃষ্ণাই আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ খেল পথাৰত অহা এক ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। এই উপলক্ষে ইতিমধ্যে বিধায়ক যাদৱ স্বৰ্গয়াৰীক সভাপতি, ফাজিল হকক কাৰ্যকৰী সভাপতি , আব্দুল হাই আহমেদ আৰু আব্দুল জলিলক সাধাৰণ সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতি এখন গঠন কৰা হৈছে । উল্লেখ্য যে গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ দায়িত্বত আছে ক্ৰমে জিতেন দাস আৰু ৰত্ন দাস।

# জয়ন্তীপুৰৰ ফুটবল প্ৰতিযোগিতাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা, উৰিয়ামঘাট, ২৯ আগষ্ট ঃ** গোলাঘাট জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত ধনশিৰি মহকুমাৰ জয়ন্তীপুৰ খেলপথাৰত গোলাঘাট জিলা আন্তঃআঞ্চলিক ১৩ বছৰ অনুৰ্ধ্বৰ ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাখন উদ্বোধন কৰে বড়ো কছাৰী স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ গাম্বাৰু মুছাহাৰীয়ে । উৰিয়ামঘাট ৰেংমা আঞ্চলিক বনাম নামবৰ আঞ্চলিকৰ মাজত অনুস্থিত খেলখন উদ্বোধন কৰি বড়ো কছাৰী স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে। মুঠ চাৰিটা দলে অংশ গ্ৰহণ কৰা খেলৰ চুড়ান্ত খেলত উৰিয়ামঘাট ৰেংমা আঞ্চলিক ফুটবল একাদশকে নামবৰ একাদশক ৬-০ গলত পৰাস্ত কৰি বিজয়ী সন্মান লাভ কৰে।



## বৰমা উদাংশ্ৰী ক্লাব পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ

**অগ্ৰদুত বাৰ্তা ঘগ্ৰাপাৰ, ২৯ আগষ্ট ঃ** নলবাৰী জিলাৰ বড়িদতৰাৰ বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নৱজ্যোতি সংঘৰ উদ্যোগত চলি থকা মেঘালী বৰ্মন, ডাঃ চিৰাজ উদ্দিন আহমেদ আৰু তাহেৰ আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত খেলখনত বৰমা উদাংশ্ৰী ক্লাৱে গুৱাহাটী চানমাৰিক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে । খেলখন পৰিচালনা কৰে নৱজিত কলিতাই । তেওঁক লাইনত সহায় কৰে জিতু আলী আৰু ভাস্কৰ কলিতাই।

## কলিয়াবৰ জিলা মহিলা দল ঘোষণা

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ২৯ আগষ্ট ঃ** ডুমডুমাত চলি থকা আন্তঃজিলা চিনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাৰ বাবে কলিয়াবৰ জিলা মহিলা দলৰ নিৰ্বাচিত খেলুৱৈসকলৰ নাম ঘোষণা কৰা হৈছে। দলটোৰ সদস্যাসকল হৈছে— পূৰ্ণিমা কুমাৰী বড়ো, অঞ্জলি ডেকা, পুনম দৈমাৰী, মিতালী দেৱী, দুলুমণি দাস, চালমিনা চাংমা, অঞ্জু চাংমা, বৃষ্টি সোণোৱাল, চিমি গগৈ, দিপিকা গগৈ, কুহেলিকা জি. মমিন, অনামিকা খাৰিয়া, জুচিলা মমিন, নিকিতা কোঁৱৰ, চন্দনা খাখলাৰী, বৰুনিকা বেইগ আৰু মামনি ফাংচপী। দলটোৰ মেনেজাৰ আৰু প্ৰশিক্ষক হিচাপে থাকিব গণেশ ডেকা।

## আন্তঃক্লাব এ ডিভিজন ফুটবলত ক্ৰীড়া দিৱস পালন

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,২৯ আগষ্ট ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব এ ডিভিজন ফুটবলত আজি অনুষ্ঠিত হোৱা ৰানা ক্লাব আৰু মৰ্নিং ক্লাবৰ মাজৰ খেলখন অমীমাংসিত ভাৱে সমাপ্তি ঘটে। ৩০ আগষ্টৰ খেল ঃ ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘ বনাম অসম জ্যোতি ক্লাব মৰিগাঁও। ইফালে আজি ধ্যানচান্দৰ জন্ম দিন উপলক্ষে দেশত পালন কৰা ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস মৰিগাঁও জিলা ক্ৰীড়া সন্থায়ো খেলুৱৈ জনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰি উদযাপন কৰে। মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই শুভাৰম্ভ কৰা কাৰ্যসূচীত জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি ৰমেন নাথ,সাধাৰণ সম্পাদক জিতু বৰদলৈ,যুটীয়া সম্পাদক নাচিৰুদ্দিন আহমেদ,প্ৰাক্তন সম্পাদক নিপুণ বৰাকে আদি সন্থাৰ বিষয়ববীয়া সকলে অংশগ্ৰহণ কৰে।

# গুৱাহাটী মাণ্ডলিক চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, তামুলপুৰ,২৯ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ তত্বাৱধানত, তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সহযোগত আৰু ইয়ং স্প'ৰ্টিং ক্লাব কুমাৰীকাটাৰ উদ্যোগত কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ক্ষীৰোদ বৰুৱা সোৱৰণী আন্তঃজিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। নামনি অসমৰ দহটাকৈ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলত গুৱাহাটীৰ ক্ৰীড়া সন্থাই বাগসা জিলা দলক ২-১ গলত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ তথা বিশিষ্ট সমাজকৰ্মী মইনুল হক চৌধুৰীয়ে উদ্বোধন কৰা খেলত তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰী, চাজিয়া বেগম উপস্থিত থাকে।



# মহিলা ফুটবলত বাগ্‌সা, তেজপুৰ জিলাৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, তালাপ,২৯ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ তত্ত্বাবধানত, তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত, ডুমডুমা ক্ৰীড়া সন্থাৰ উদ্যোগত, তালাপ-কৰ্দৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থা আৰু ডাঙৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ সহযোগত গোবিন্দ ৰাম মৌৰ আৰু বানাৰশী দেৱী সোঁৱৰণী ২৫ সংখ্যক আন্ত:জিলা ছিনিয়ৰ মহিলা দিবা-নৈশ ফুটবল প্ৰতিযোগিতাখনিৰ আজি কৰ্দৈগুৰিৰ বৰগড়া ৰাজহুৱা খেলপথাৰত বাকসা আৰু তিতাবৰ ফুটবল দলৰ মাজৰ খেলখন ১-১ গলত ড্ৰ হোৱাৰ পাছত টাইব্ৰেকাৰত বাকসা ফুটবল দলে তিতাবৰ ফুটবল দলক ৩-২ গলৰ ব্যৱধানত পৰাজিত কৰে। খেলখন উদ্বোধন কৰে মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য সীমান্ত মৰাণে। খেলখন পৰিচালনা কৰে বিদ্যুৎ বৰুৱা, সোণালী কোঁৱৰ,সুব্ৰত বৰ্মন আৰু চতুৰ্থত সোণালী স্বৰ্গীয়াৰীয়ে। আনহাতে ডাঙৰীত অনুষ্ঠিত হোৱা আনখন মহিলা ফুটবল খেলত তেজপুৰে দক্ষিণ কামৰূপ ফুটবল দলক ৮-১ গলত পৰাজিত কৰে।



বগা কাপোৰেৰে মেৰিওৱা এটি শিশুৰ দেহ কোলাত লৈ ক্লান্তভাৱে খোজকাঢ়ি গৈছে প্ৰায় ১০ বছৰীয়া এটি বালকে। কিছুদূৰ আগুৱাই গৈছে, ক্লান্তিত থমকি ৰৈছে। আকৌ আগুৱাইছে, আকৌ থমকি ৰৈছে। সেইদৰেই অসংলগ্ন খোজেৰে ৰাস্তাৰে খোজকাঢ়ি গৈ আছে শিশুটি।

# শিশুৰ দেহ কোলাত লৈ ক্লান্তভাৱে খোজ কাঢ়িছে ১০ বছৰীয়া ভ্ৰাতৃয়ে

## উত্তৰপ্ৰদেশত দেখা গ'ল মৰ্মান্তিক দৃশ্য ■ স্থানীয় লোকৰ অভিযোগত আৰক্ষীয়ে কৰিলে গাড়ীৰ ব্যৱস্থা

■ **নিউজ ব্যুৰ'**
**মীৰাট, ২৯ আগষ্ট ঃ** বগা কাপোৰেৰে মেৰিওৱা এটি শিশুৰ দেহ কোলাত লৈ ক্লান্তভাৱে খোজকাঢ়ি গৈছে প্ৰায় ১০ বছৰীয়া এটি বালকে। কিছুদূৰ আগুৱাই গৈছে, ক্লান্তিত থমকি ৰৈছে। আকৌ আগুৱাইছে, আকৌ থমকি ৰৈছে। সেইদৰেই অসংলগ্ন খোজেৰে ৰাস্তাৰে খোজকাঢ়ি গৈ আছে শিশুটি। মুখত ক্লান্তি, বিষণ্ণতাৰ ভাব স্পষ্ট। চকুৰে নিগৰিছিল চকুলো। কিছু চকুপানী শুকাই যোৱাৰ দাগো স্পষ্ট। শিশুটিৰ কেই হাতমান পাছে পাছে খোজকাঢ়ি আহি আছে তেওঁৰ পিতৃ। এনে এক মৰ্মান্তিক দৃশ্য দেখা গ'ল উত্তৰপ্ৰদেশৰ বাগপটত।

দুবছৰীয়া ভ্ৰাতৃৰ মৃতদেহ বগা কাপোৰেৰে মেৰিয়াই খোজকাঢ়ি গৈছিল শিশুটিয়ে। অভিযোগ অনুসৰি, শিশুটিয়ে বেছিকৈ কান্দি থকা বাবেই সতীয়া মাতৃয়ে ৰাস্তাৰ চলন্ত গাড়ীৰ চকাৰ তললৈ দলিয়াই দিয়ে। মুহূৰ্ততে পিষ্ট হয় দুবছৰীয়া শিশুটি। এই খবৰ লাভ কৰি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বাগপট হাস্পতাললৈ প্ৰেৰণ কৰিছিল। আনহাতে, পুত্ৰৰ মৃত্যুত শোকাচ্ছন্ন হোৱা পিতৃ প্ৰবীণ কুমাৰে নিজৰ ১০ বছৰীয়া জ্যেষ্ঠ পুত্ৰ সাগৰক লগত লৈ হাস্পতাললৈ দৌৰি যায়। মৰণোত্তৰ পৰীক্ষাৰ অন্তত হাস্পতাল কৰ্তৃপক্ষই তেওঁলোকৰ হাতত মৃতদেহ অৰ্পণ কৰে। দিন মজুৰি কৰা প্ৰবীণে মৃতদেহ নিয়াৰ বাবে এখন শৱবাহী গাড়ীৰ ব্যৱস্থা কৰি দিবলৈ হাস্পতাল কৰ্তৃপক্ষক অনুৰোধ জনাইছিল।

অৱশ্যে হাস্পতাল কৰ্তৃপক্ষই গাড়ীৰ ব্যৱস্থা নকৰাৰ অভিযোগ উঠিছে। অথচ ৪০ কিলোমিটাৰ দূৰত্বত থকা বাসগৃহলৈ সন্তানৰ মৃতদেহ নিয়াৰ বাবে গাড়ী ভাড়া কৰিবলৈ প্ৰবীণৰ হাতত ধন নাছিল। সেয়ে বাধ্য হৈয়ে তেওঁ কোলাত শিশু সন্তানৰ মৃতদেহ লৈ খোজকাঢ়িবলৈ আৰম্ভ কৰে। কিছু দূৰ যোৱাৰ পাছত মৃতদেহ পুত্ৰ সাগৰৰ হাতত তুলি দিয়ে প্ৰবীণে। এই সন্দৰ্ভত তেওঁ কয়, 'কিছুদূৰ খোজকঢ়াৰ পাছত মই ক্লান্ত হৈ পৰিছিলো। সেয়ে সৰু ল'ৰাৰ দেহটো ডাঙৰ ল'ৰা সাগৰৰ হাতত তুলি দিছিলো।'

ইপিনে, এটি শিশুৱে এইদৰে মৃতদেহ কোলাত লৈ খোজকাঢ়ি থকা প্ৰত্যক্ষ কৰি একাংশ স্থানীয় লোকে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে লগে লগে হাস্পতালৰ স'তে যোগাযোগ কৰে। ইয়াৰ পাছতে শৱবাহী গাড়ীৰ ব্যৱস্থা কৰা হয়। ঘটনা সন্দৰ্ভত বাগপট হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া দীনেশ কুমাৰে কয়, 'যিসকলে শৱবাহন বিচাৰে, তেওঁলোককে দিয়া হয়। এই ক্ষেত্ৰত কেই মিনিটমান পলম হৈছিল। তেতিয়ালৈ সেই লোকজনে সন্তানৰ দেহ লৈ খোজকাঢ়ি ঘৰলৈ গুচি গৈছিল। বিষয়টো মোৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে তেওঁলোকৰ বাবে শৱবাহনৰ ব্যৱস্থা কৰি দিওঁ।'

■ গুৰুজনাক স্মৰণেৰে অদৃশ্যজনৰ চৰণত সেৱা ■ ৰাজ্যৰ মংগলৰ বাবে সেৱা ল'লে কৃষিমন্ত্ৰী অতুল বৰায়ো

# আঠখেলীয়া বৰনামঘৰত অগণন ভক্তৰ সমাগমত উখল-মাখল পৰিৱেশ



**বিশেষ সংবাদদাতা**
**নগাবাট, ২৯ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৫৪ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি অগণন ভক্তৰ সমাগমত উখল-মাখল পৰিৱেশ বিৰাজ কৰে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত। এই বিশেষ দিনটোত জগত গুৰুজনাক স্মৰণ কৰি নামঘৰৰ চৌহদত ভক্তিৰসত বুৰ গৈছে ভক্তপ্ৰাণ ৰাইজ। সমান্তৰালকৈ অদৃশ্যজনৰ চৰণত সেৱা লৈ নিজৰ লগতে দহৰো কুশৰ কামনা কৰিছে জাতি-ধৰ্ম নিৰ্বিশেষে ওলাই অহা ভকত-বৈষ্ণৱসকলে। নামঘৰৰ সন্মুখভাগতে একাংশ ভকত-বৈষ্ণৱ, আই মাতৃ, কিশোৰ-কিশোৰীয়ে নাগাৰা, খোল তাল লৈ দিহানাম গাই ভক্তিৰসত বিলীন হৈ পৰিছে। মুঠতে গুৰুজনাৰ এই তিৰোভাৱ তিথিত আঠখেলীয়া বৰনামঘৰৰ চুকে-কোণে এক আধ্যাত্মিক পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে পবিত্ৰ ভাদ মাহৰ প্ৰতিটো দিনতো আঠখেলীয়া নামঘৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা যথেষ্ট সংখ্যক ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। নামঘৰলৈ অহা কোনো লোকৰ যাতে সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে কৰ্ণধাৰ সমিতিয়ে বৰ্তমান সকলো প্ৰকাৰে সু-ব্যৱস্থা গঢ়ি তোলা দেখিবলৈ পোৱা গৈছে। আজিৰ দিনটোতো বন্তি জ্বলোৱা স্থান, প্ৰসাদ দিয়া, শৰাই দিয়া আদিবোৰ সুচাৰুভাৱে পৰিচালিত হৈছে।

ইফালে, আজি পুৱাৰ ভাগতে নামঘৰত উপস্থিত হয় ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰা। মন্ত্ৰীজনে নামঘৰত কে'বাগছি বন্তি জ্বলাই ভগৱানৰ ওচৰত সেৱা লৈ ৰাজ্যবাসীৰ মংগল কামনা কৰে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী বৰাই কয় যে জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি তিৰোভাৱ তিথি। এই তিৰোভাৱ তিথিতেই আজি মই নামঘৰলৈ আহি এক সুকীয় পৰিৱেশ প্ৰত্যক্ষ কৰিছো আৰু মহাপুৰুষজনালৈ এই ছেগতে শতকোটি প্ৰণাম জনাইছো।' উল্লেখ্য যে ভাদ মাহৰ আটাইকেইটা দিন সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত সকলো ৰাইজৰ সম্পূৰ্ণ সহযোগিতা কামনা কৰিছে নামঘৰ কৰ্ণধাৰ সমিতিয়ে।

চন্দ্ৰ অভিযানৰ ইতিহাসত এপ'ল' যুগ এতিয়া বিস্মৃতপ্ৰায়। এইবাৰ আন এগৰাকী গ্ৰীক দেৱীক স্মৰণ কৰি চন্দ্ৰত ভৰি দিয়াৰ পৰৱৰ্তী ঢাপত ভৰি দিলে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই। মাধ্যাকৰ্ষণ শক্তিক এৰাই আমেৰিকাৰ ফ্ল'ৰিডাস্থিত কেনেডী স্পেচ চেণ্টাৰৰ পৰা চন্দ্ৰ অভিমুখে উৰা মাৰিলে নাছাৰ 'আৰ্টেমিছ-১' যানখনে।



# চন্দ্ৰলৈ ৰাওনা হ'ল নাছাৰ 'আৰ্টেমিছ-১' যান

## এই অভিযান সফল হ'লে ২০২৪ত মহাকাশচাৰী প্ৰেৰণ কৰা হ'ব জোনবাইৰ দেশলৈ

**নিউজ ব্যুৰ'**
**ফ্ল'ৰিডা, ২৯ আগষ্ট ঃ** ইতিমধ্যে পাৰ হৈছে অৰ্ধশতিকা। চন্দ্ৰ অভিযানৰ ইতিহাসত এপ'ল' যুগ এতিয়া বিস্মৃতপ্ৰায়। এইবাৰ আন এগৰাকী গ্ৰীক দেৱীক স্মৰণ কৰি চন্দ্ৰত ভৰি দিয়াৰ পৰৱৰ্তী ঢাপত ভৰি দিলে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই। মাধ্যাকৰ্ষণ শক্তিক এৰাই আমেৰিকাৰ ফ্ল'ৰিডাস্থিত কেনেডী স্পেচ চেণ্টাৰৰ পৰা চন্দ্ৰ অভিমুখে উৰা মাৰিলে নাছাৰ 'আৰ্টেমিছ-১' যানখনে। ভাৰতীয় সময় অনুসৰি কালি সন্ধিয়া ছয় বজাত উৎক্ষেপণ কৰা হ'ল মহাকাশচাৰীবিহীন নাছাৰ নতুন চন্দ্ৰযানখন। আচলতে নাছাৰ 'ডীপ স্পেচ এক্সপ্ল'ৰেছন' অভিযানৰ অংশৰূপে প্ৰেৰণ কৰা হৈছে 'আৰ্টেমিছ-১'ক। চন্দ্ৰৰ দক্ষিণ মেৰু অঞ্চল নিৰীক্ষণ কৰি আগন্তুক বৰ্ষত পৃথিৱীলৈ উভতি আহিব। এই অভিযানক কেন্দ্ৰ কৰি স্বাভাৱিকতেই প্ৰৱল উত্তেজনাৰ সৃষ্টি হৈছে মহাকাশ বিজ্ঞানী মহলত।

'অ'ৰিয়ন স্পেচক্ৰাফ্‌ট', 'স্পেচ লঞ্চ ছিষ্টেম ৰকেট' আৰু 'গ্ৰাউণ্ড ছিষ্টেম'; প্ৰধানকৈ এই তিনিটা ব্যৱস্থাত নিৰ্ভৰ কৰিয়ে তৈয়াৰ হৈছে 'আৰ্টেমিছ-১'। নাছাৰ 'ডীপ স্পেচ এক্সপ্ল'ৰেছন'ৰ একেবাৰে প্ৰথম ফালৰ অংশ এই অভিযান। এই অভিযান সফল হ'লে ২০২৪ত চন্দ্ৰলৈ মহাকাশচাৰী প্ৰেৰণ কৰিব নাছাই। ইয়াৰ 'ব্লু প্ৰিণ্ট' ইতিমধ্যে প্ৰস্তুত হৈছে। বিশাল এছএলএছ ৰকেট আৰু অ'ৰিয়ন স্পেচক্ৰাফ্‌টৰ সাহায্যত চন্দ্ৰৰ বৃত্তত উপস্থিত হ'ব মহাকাশচাৰীৰ দল। তাৰ পাছত তেওঁলোকে 'স্পেচ এক্স'ছ হিউমেন লেণ্ডাৰ ছিষ্টেম'ৰ জৰিয়তে সকলো সময়তে বৰফাবৃত হৈ থকা চন্দ্ৰৰ দক্ষিণ গোলাৰ্ধত ভৰি ৰাখি চলাচল কৰিব পাৰিব। সম্প্ৰতি উক্ত অভিযানৰ পূৰ্বে প্ৰস্তুতি হিচাপে আৰ্টেমিছ-১ যানক চন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে। নাছাৰ লক্ষ্য হৈছে চন্দ্ৰপৃষ্ঠত নতুন প্ৰযুক্তিৰ পৰীক্ষামূলক ব্যৱহাৰ কৰা। এছএলএছ ৰকেট আৰু অ'ৰিয়ন স্পেচক্ৰাফ্‌টৰ প্ৰদৰ্শন চাই এই প্ৰযুক্তিক অনুমতি পত্ৰ প্ৰদান কৰা হ'ব। এই দুই যন্ত্ৰাংশৰ কাৰ্যকাৰিতা বিজ্ঞানীসকলৰ হিচাপৰ স'তে মিলে নে নাই, সেয়াও চোৱা হ'ব। আগৰ যিকোনো চন্দ্ৰযানৰ তুলনাত 'আৰ্টেমিছ-১' যানে অধিক বেছি দূৰত্বলৈ যোৱাৰ কথা। অৰ্থাৎ ৪২ দিনত ৬০ হেজাৰ কিলোমিটাৰ। এই অভিযান সফল হ'লে ২০২৪ৰ ভিতৰতে চন্দ্ৰৰ ভূমিলৈ মহাকাশচাৰী পঠাব নাছাই। সেই ক্ষেত্ৰত কোনো অ-শ্বেতাংগ মহাকাশচাৰীকো চন্দ্ৰপৃষ্ঠত দেখা পোৱা যাব পাৰে। আকৌ ২০২৫তো মহাকাশচাৰী চন্দ্ৰলৈ প্ৰেৰণ কৰা হ'ব। অৱশ্যে সকলো নিৰ্ভৰ কৰিব 'আৰ্টেমিছ-১'ৰ সাফল্যত।

# দ্বি-শতবৰ্ষ গৰকা জামুগুৰিহাটৰ কোচগাঁৱৰ কালীয় দমন ভাওনা

সকলোৰে মংগলাৰ্থে সেৱা ল'লে বিধায়ক পদ্ম হাজৰিকাই ঃ লোকে লোকাৰণ্য কোচগাঁৱৰ কালীয় দমন ক্ষেত্ৰ



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৯ আগষ্ট ঃ** গুৰুজনাৰ তিৰোভাৱ তিথিৰ দিনটোত লোকে লোকাৰণ্য হৈ পৰিল জামুগুৰিহাটৰ কোচগাঁৱৰ কালীয় দমন ক্ষেত্ৰ। কোচগাঁৱৰ ৰাইজে দুটা শতিকা ধৰি প্ৰতি বছৰেই গুৰুজনাৰ তিৰোভাৱ তিথিৰ দিনটোত পৰিৱেশন কৰি আহিছে কালীয় দমন নাটভাগ। ১৯৯৫ত দ্বি-শতবৰ্ষত ভৰি দিয়া এই কালীয় দমন ভাওনাই এইবেলি ২২৭ সংখ্যক বৰ্ষত ভৰি থ'লে। দুশ বছৰ অতিক্ৰমী তথা নিৰবিচ্ছিন্নভাৱে পৰিৱেশন কৰি অহা ভাওনাভাগ চাবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলে যথেষ্ট ভিৰ কৰা পৰিলক্ষিত হয়। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকায়ো এই কালীয় দমন ক্ষেত্ৰত উপস্থিত হৈ সকলোৰে মংগলাৰ্থে প্ৰাৰ্থনা জনায়। দিনৰ ভাগৰ পৰাই চাকি-বন্তি-শৰাই শলিতা দি মনৰ ইচ্ছা পূৰণৰ অৰ্থে হেজাৰ হেজাৰ ভক্তপ্ৰাণ ৰাইজে সেৱা লয় নামঘৰ চৌহদত।

ইয়াৰ উপৰি গাঁওবাসী ৰাইজেও দুদিন উপবাসে থাকি এইদৰেই ভক্তি সহকাৰে লাডু প্ৰসাদ তৈয়াৰ কৰি ভক্তসকলক বিতৰণ কৰিবৰ বাবে উদ্বাউল হৈ পৰে। নিশালৈ অনুষ্ঠিত কালীয় দমন নাটভাগত কালিন্দী হ্ৰদত কালিনাগৰ শিৰত উঠি শিশু কৃষ্ণৰ নান্দনিক নৃত্য আৰু জতৰিশালত গায়ন-বায়নৰ গন্ধৰ্ব নৃত্য স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ দৰ্শকৰ হেতা-ওপৰা লগা পৰিৱেশ খুবেই আকৰ্ষণীয় হিচাপে বিবেচিত হৈ আহিছে। উল্লেখ্য যে ভাওনাভাগত শিশু কৃষ্ণই প্ৰতি বছৰেই পৰিধান কৰা পোছাকযোৰ অনাগত ১০ বছৰৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজে দান দি ৰাখিছে।



বজ্ৰাঙ্গ
এম. এম. টেব (ফোৰ্ট)
আৰু
ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অসমীয়া বাতৰিৰ শ্মশান যাত্ৰা আৰম্ভ

## ইতিহাস হ'ব নেকি আকাশবাণী ডিব্ৰুগড়ৰ আঞ্চলিক বাতৰি ঃ সচেতন ৰাইজৰ ব্যৱস্থা গ্ৰহণৰ দাবী

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৯ আগষ্ট ঃ** প্ৰতিদিনতে সন্ধিয়া ছয় বজাত প্ৰচাৰ হোৱা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অসমীয়া বাতৰি আৰু কেইদিনমানৰ পাছত শ্ৰোতা ৰাইজে নুশুনিবও পাৰে। আনহাতে, বুধবাৰৰ নিশা প্ৰচাৰ হোৱা বাতৰি বিভাগৰ পৰিক্ৰমা আৰু চাৰে সাত বজাত প্ৰচাৰিত মিচিং জনগোষ্ঠীয় লোকৰ বাবে বিশেষভাৱে প্ৰচাৰিত কাবুৰংপুলি বাতৰিও বন্ধ হোৱাৰ দিশে অগ্ৰসৰ হৈছে। কাৰণ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বাতৰি বিভাগৰ শ্মশান যাত্ৰা ইতিমধ্যে আৰম্ভ হৈছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাৰে পৰা কেন্দ্ৰটোত আঞ্চলিক বাতৰি বিভাগটোৱে সেৱা আগবঢ়াইছিল। যাৰদ্বাৰা উপকৃত হৈছিল উজনিৰ লগতে চুবুৰীয়া ৰাজ্য দুখনৰ একাংশ। প্ৰথমতে অৰুণাচল প্ৰদেশৰ ১০টা ভাষাৰ বাবে ইংৰাজী মাষ্টাৰ বুলেটিনো তৈয়াৰ কৰি উক্ত ভাষাকেইটালৈ অনুবাদ কৰি প্ৰচাৰ কৰা হৈছিল। ১৯৬৯ৰ পৰা ১৯৯৬লৈকে বাতৰি বিভাগৰ তৰফৰ পৰা অৰুণাচল প্ৰদেশৰ ১০টা ভাষাৰ বাবে বুলেটিন তৈয়াৰ কৰি প্ৰচাৰ কৰা হৈছিল। তেতিয়া এই বিভাগটোত এগৰাকী সম্পাদক, এগৰাকী সহকাৰী সম্পাদক আৰু সংবাদদাতাৰ লগতে অংশকালীন উপ-সম্পাদকৰ বহুকেইজনে নিজৰ নিজৰ কৰ্ম সম্পাদন কৰিছিল। ১৯৯৭ত অৰুণাচল প্ৰদেশৰ ইটানগৰৰ কেন্দ্ৰত বাতৰি বিভাগ স্থাপন হোৱাৰ লগে লগে অৰুণাচলৰ ভাষাসমূহৰ বাতৰিসমূহ উক্ত কেন্দ্ৰলৈ স্থানান্তৰিত কৰা হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দ্ৰ কুমাৰ গুজৰাল ডিব্ৰুগড়লৈ ব্ৰডগজ উদ্বোধন কৰিবলৈ আহোতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা অসমীয়া বাতৰি আৰম্ভ হ'ব বুলি ঘোষণা কৰাৰ লগতে সেই বছৰেৰে ১৯৯৭ৰ ১১ জুনৰ পৰা প্ৰতি সন্ধিয়া ছয় বজাত অসমীয়াত বুলেটিন আজি পৰ্যন্ত প্ৰচাৰ হৈ আছে। কিন্তু উল্লেখ্য যে বৰ্তমান বাতৰি বিভাগৰ কোনো স্থায়ী মুৰব্বী বা সম্পাদকৰ অবিহনেই চলি আছে দীৰ্ঘদিন। দুটাকৈ সম্পাদক আৰু এটা সংবাদদাতা পদ বিভাগটোত আছিল যদিও বৰ্তমান উক্ত পদকেইটা কেন্দ্ৰীয় অনাতাঁৰ আৰু তথ্য প্ৰচাৰ মন্ত্ৰণালয়ে বিভাগটোৰ পৰা আঁতৰাই লৈ যায়। আনহাতে, দূৰদৰ্শন কেন্দ্ৰ ডিব্ৰুগড়ৰ পৰা কোনো বাতৰি প্ৰচাৰ নহয় যদিও উক্ত কেন্দ্ৰত এগৰাকী সহকাৰী বাতৰি সঞ্চালক নিযুক্তি প্ৰদান কৰি তেওঁকেই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অসমীয়া বাতৰি বিভাগৰ চোৱাচিতাৰ দায়িত্ব প্ৰদান কৰিছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অসমীয়া বাতৰি বিভাগত কৰ্মৰত অংশকালীন সম্পাদক, বাতৰি পৰিৱেশক আৰু ডাটাএণ্ট্ৰি অপাৰেটৰৰ সহযোগত দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি সঞ্চালকগৰাকীয়ে অসমীয়া বাতৰিৰ প্ৰচাৰত কাম-কাজ চোৱা-চিতা কৰি আছিল যদিও শেহতীয়াকৈ এক জাননীৰ জৰিয়তে গুৱাহাটীলৈ বদলি কৰি নিয়ে আৰু তেওঁৰ ঠাইত কোনো ব্যক্তিকেই আজিৰ তাৰিখলৈকে নিযুক্তি দিয়া নাই। বৰ্তমান বিভাগটোত কৰ্মৰত অংশকালীন সম্পাদক আৰু বাতৰি পৰিৱেশকসকলে নিজৰ কৰ্ম দক্ষতাৰে বাতৰি প্ৰচাৰ কৰি আছে যদিও কিমান দিনলৈ মুৰব্বী নথকাকৈ বাতৰি প্ৰচাৰ কৰিব পাৰিব তাক লৈ অনিশ্চয়তা নামি আহিছে। কোনো স্থায়ী মুৰব্বী নোহোৱাকৈ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অসমীয়া বাতৰি বিভাগৰ বাতৰি প্ৰচাৰ কৰিব পৰা আৰু নাযাব বুলিয়েই অনুমান কৰা হৈছে। ইপিনে, বিত্তীয় বিষয়টো জড়িত হৈ থকাৰ বাবেই অতি শীঘ্ৰে অসমীয়া বাতৰিৰ বুলেটিন বন্ধ হোৱাৰ দিশে অগ্ৰসৰ হৈছে। কাৰণ বিত্তীয় বিষয়ৰ কাম-কাজবোৰ বিভাগীয় মুৰব্বীয়েই চোৱা-চিতা কৰিবলগীয়া হৈছিল যদিও এতিয়া মুৰব্বী অবিহনে হৈ উঠা নাই। উজনি অসমৰ আঠখন জিলাৰ স্থানীয় বা-বাতৰি প্ৰচাৰ কৰা ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰ হোৱা অসমীয়া বাতৰি বুলেটিন অব্যাহত ৰখাৰ বাবে স্থানীয় সচেতন ৰাইজে বিভাগটোৰ স'তে জড়িত মুৰব্বীসকলৰ লগতে চৰকাৰক অনুৰোধ জনাইছে। অন্যথা ঐতিহ্যপূৰ্ণ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত হোৱা অসমীয়া বাতৰি চিৰদিনলৈ নোহোৱা হ'ব বুলি সন্দেহ প্ৰকাশ কৰিছে।

# টীয়কৰ কৃষি পথাৰত ছিৰাল ফাট

## শুকাইছে সেউজীয়া ধাননি পথাৰ ঃ ফুলদানীত পৰিণত জলসিঞ্চন আঁচনি ঃ চৰহা পোকৰ তাণ্ডৱ



**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২৯ আগষ্ট ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ বৃহৎ অঞ্চলৰ খেতি পথাৰ এতিয়া খৰাঙৰ কবলত। খৰাঙৰ ফলত পথাৰসমূহ ছিৰাল ফাট দিয়াৰ লগতে সেউজীয়া ধাননিত চলিছে চৰহা পোকৰ তাণ্ডৱ। কোনোফালে যেন নিস্তাৰ নাই চহা কৃষকৰ। ৰাজ্যৰ বিভিন্ন স্থানত বানে কৃষকৰ সপোন ভাঙি চুৰমাৰ কৰি থৈ যোৱাৰ পাছত যি দুই এডৰা ধান খেতি কৰি কৃষকসকলে সপোন দেখিছিল সেয়া এতিয়া নিঃশেষ হোৱাৰ পথত। চৰকাৰৰ এটা বিয়াগোম কৃষি বিভাগ আছে যদিও আহৰি নাই চহা কৃষকৰ দুৰৱস্থাৰ বুজ ল'বলৈ। আনহাতে, টীয়কৰ বহু ঠাইত জলসিঞ্চন আঁচনি আছে যদিও খেতিপথাৰত এটোপাল পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে কৃষকসকলে। সমষ্টিটোৰ অন্তৰ্গত বহুকেইখন জলসিঞ্চন আঁচনিৰ ভিতৰত অন্যতম আমতল বহতীয়া জলসিঞ্চন আঁচনি। আঁচনিখনৰ অন্তৰ্গত অঞ্চলটোৰ কৃষকসকলৰ খেতি পথাৰত এতিয়া ছিৰাল ফাট। ধানে গেঁৰ ধৰাৰ সমাগত সময়ত পথাৰখনত শ শ বিঘা কৃষিভূমি চৰহা পোকে এফালৰ পৰা খাই তহিলং কৰাৰ পৰিণতিত কৃষকে মূৰে কপালে হাত দিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। তাৰ পাছতো কাণসাৰ নাই বিয়াগোম কৃষি বিভাগৰ। ইপিনে ৰাজ্যৰ জলসিঞ্চন বিভাগে পথাৰত পানী যোগানৰ বাবে স্থাপন কৰা পানী যোগান আঁচনিসমূহো এতিয়া ফুলদাণিৰ দৰেহে হৈ পৰিছে। সেয়ে এই ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিবলৈ কৃষি বিভাগক আহ্বান জনাইছে কৃষকসকলে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com